● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

এটা সুদৃঢ় মনৰ সংকল্পক কোনো সুযোগ অথবা ভাগ্যই কেতিয়াও বাধা দিব অথবা নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

ইলা হুইলাৰ উইলকক্স
*আমেৰিকাৰ লেখিকা*



৫ ম্যানমাৰৰ শৰণাৰ্থীক খাদ্য-আশ্ৰয় দিবলৈ সাজু মণিপুৰ
১১ দিল্লী কেপিটেলছক নেতৃত্ব দিব ঋষভে
৪ ৰাজ্যত চাৰে তিনি কোটিৰ এক কোটিয়েই নিবনুৱা

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৭১ তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ১৭ চ'ত ১৪২৭ ভাস্কৰাব্দ ৩১ মাৰ্চ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 31 March 2021 মূল্য ঃ ৭.০০ টকা

■ বৰাকৰ ওপৰত বিশেষ দৃষ্টি ৰাজনৈতিক মহলৰ ঃ বিজেপি-কংগ্ৰেছৰ বাবে সমানে গুৰুত্বপূৰ্ণ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন ঃ বৰাকৰ বহু সমষ্টিত প্ৰাৰ্থীৰ সংখ্যাধিক্যত চৰ্চা

# প্ৰচাৰ শেষ ঃ কাইলৈ দ্বিতীয় ভোট



*দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, মঙলবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ মাৰ্চ ঃ** অহা পহিলা এপ্ৰিলত ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি আনুষ্ঠানিক সামৰণি পৰে। এই পৰ্যায়ত ৩৯ টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। আজি নিৰ্ধাৰিত সময়ৰ পূৰ্বে নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া সমষ্টিবোৰত প্ৰাৰ্থীসকলে ভিন ভিন ধৰণে নিজৰ শক্তি প্ৰদৰ্শনৰ চেষ্টা চলায়। যিহেতু এইবাৰ নিৰ্বাচন আয়োগে ৭২ ঘন্টা পূৰ্বে মটৰ চাইকেল সমদল নিষিদ্ধ কৰিছে, সেয়েহে আজিৰ দিনটোত পূৰ্বৰ অলিখিত পৰম্পৰা এৰি অধিকাংশ প্ৰাৰ্থীয়ে ক্ষুদ্ৰ ক্ষুদ্ৰ সভা পাৰ্যমানে অনুষ্ঠিত কৰি ভোটাৰৰ কাষ চপাৰ চেষ্টা চলায়। একাংশ প্ৰাৰ্থীয়ে বৃহৎ ৰাজহুৱা সভাৰো আয়োজন কৰে।

বিধানসভা নিৰ্বাচন ২০২১

প্ৰথম পৰ্যায়ৰ দৰে এই পৰ্যায়ৰ নিৰ্বাচনো মূল প্ৰতিদ্বন্দ্বী দল বিজেপি আৰু কংগ্ৰেছৰ বাবে সমানেই গুৰুত্বপূৰ্ণ। বিশেষকৈ বৰাকৰ ১৫ টা সমষ্টিত দুয়োটা দলে সৰ্বশক্তিৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ২০১৬ৰ নিৰ্বাচনত বিজেপিয়ে বৰাকৰ অধিকাংশ সমষ্টি দখল কৰিবলৈ সক্ষম হৈছিল। এইবাৰ *আঠ পৃষ্ঠাত চাওক*

■ নৰেন্দ্ৰ মোদীয়ে অসমৰ ছবি আৰু ভাগ্য সলনি কৰিলে ঃ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নড্ডা

## অসমীয়া বুলি অসমবাসীৰ ভোট খোজা মনমোহন সিঙে একোৰেই নকৰিলে

**বিশেষ সংবাদদাতা**
**নলবাৰী/বিলাসীপাৰা, ৩০ মাৰ্চ ঃ** 'অসমৰ পৰা নিৰ্বাচিত হৈ প্ৰধানমন্ত্ৰী হোৱা কংগ্ৰেছৰ মনমোহন সিঙে নিজক অসমীয়া বুলি কৈ অসমৰ মানুহৰ ভোট বিচাৰে, কিন্তু লজ্জাজনকভাৱে তেওঁ অসমৰ বাবে একোৰেই নকৰিলে। ইয়াৰ বিপৰীতে নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হৈ অসমৰ বাবে কি কৰা নাই? নৰেন্দ্ৰ মোদীয়ে অসমৰ ছবি আৰু ভাগ্য সলনি কৰি দিলে।' এই মন্তব্য বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাৰ। আজি নলবাৰীৰ কৈঠালকুছিত ধৰ্মপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ হৈ নিৰ্বাচনী সভাত অংশ লৈ নড্ডাই পুনৰ কয়, 'এই পৰ্যন্ত মোদীয়ে ৩৫বাৰ অসমলৈ আহি অসমৰ সকলো সমস্যাৰ বুজ লোৱাৰ লগতে সেই মৰ্মে অসমৰ

**ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী হ'ল ৰাজনৈতিক পৰ্যটক**

উন্নয়ন আৰু বিকাশৰ জোৱাৰ আনিলে অসমত। মনমোহন সিঙৰ ইউপিএ চৰকাৰে অসমক দিছিল ৮০ হেজাৰ কোটি টকা, নৰেন্দ্ৰ মোদীৰ এনডিএ চৰকাৰে দিলে এক লাখ ৫৫ হেজাৰ কোটি টকা।' উল্লেখ্য যে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিজনে আজি পাটোৱাৰীৰ *আঠ পৃষ্ঠাত চাওক*

চৰকাৰ গঠনৰ পাছতে ৰূপায়ণ হ'ব কংগ্ৰেছৰ পাঁচটা গেৰান্টী ■ বতৰৰ বাবে সভা বাতিল

## স্বায়ত্তশাসিত ৰাজ্যৰ প্ৰতিশ্ৰুতি ৰাহুল গান্ধীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ মাৰ্চ ঃ** ৰাজ্যৰ পাহাৰীয়া জিলা দুখনত স্বায়ত্তশাসিত ৰাজ্য গঠনেৰে কংগ্ৰেছে জনজাতীয় লোকসকলক সকলো দিশেৰে সুৰক্ষা দিব বুলি আজি আশ্বাস দিয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে। হাফলং, বোকাজান আৰু শিলচৰত নিৰ্বাচনী প্ৰচাৰৰ বাবে উপস্থিত হৈয়ো বতৰৰ বিধি পথালিৰ বাবে সভাত ভাগ ল'ব নোৱাৰা গান্ধীয়ে কৰা ভিডিঅ' বাৰ্তাযোগে ৰাইজক এই আশ্বাস দিয়ে। বিশেষকৈ হাফলং আৰু বোকাজানৰ ৰাইজক এই আশ্বাস প্ৰদানৰ সন্দৰ্ভত তেওঁ কয় যে স্বায়ত্তশাসিত ৰাজ্য গঠন হ'লে ক্ষমতাৰ অধিকাৰসহ এখন বিধানসভা, মন্ত্ৰীসভা তাত গঠন হ'ব। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিজেপিয়ে সেই কথা উল্লেখ থকা সংবিধানত ২৪৪(ক) অনুচ্ছেদ প্ৰত্যাহাৰ কৰি পাহাৰীয়া *দুই পৃষ্ঠাত চাওক*

## প্ৰধানমন্ত্ৰীৰ আগন্তুক নিৰ্বাচনী সভাৰ স্থান পৰিদৰ্শন এছপিজিৰ

**তিনি এপ্ৰিলত পুনৰ অসমলৈ**

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৩০ মাৰ্চ ঃ** অহা তিনি এপ্ৰিলত পুনৰ অসমত নিৰ্বাচনী প্ৰচাৰ চলাব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া তামুলপুৰ সমষ্টিৰ অন্তৰ্গত নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ অধীনৰ লাউপাৰা-জামুগুৰিত সেইদিনা পুৱা ১১ বজাত প্ৰধানমন্ত্ৰীয়ে বিজেপি মিত্ৰজোঁটৰ *দুই পৃষ্ঠাত চাওক*

বান নিয়ন্ত্ৰণৰ বাবে মোদী চৰকাৰে ব্যয় কৰিছে ৯,৫০০ কোটি

## মিছন ব্ৰহ্মপুত্ৰৰে বান মুক্ত অসম নিৰ্মাণ বিজেপিৰ লক্ষ্য ঃ ইৰানী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ মাৰ্চ ঃ** বিকাশক মূলমন্ত্ৰ কৰি বিজেপিয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ বিপৰীতে কংগ্ৰেছে ৰাজনৈতিক অস্তিত্ব ৰক্ষাৰ বাবে এআইইউডিএফৰ হাতত ধৰি আগবাঢ়িব বিচাৰিছে বুলি আজি মন্তব্য কৰে কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে। নিৰ্বাচনী প্ৰচাৰ চলাবলৈ *আঠ পৃষ্ঠাত চাওক*

পাঁচ ঠাইত সভা-সমদলেৰে দ্বিতীয় পৰ্যায়ৰ প্ৰচাৰ মন্ত্ৰী শৰ্মাৰ

## বদনে মান আনিছিল, হাগ্ৰামাই বিটিআৰত আজমলক আনিছে



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ওদালগুৰি/মঙলদৈ/কলাইগাঁও/কাকী/জাগীৰোড, ৩০ মাৰ্চ ঃ** 'আগন্তুক বিধানসভা নিৰ্বাচনৰ পাছত বিপিএফৰ নাঙল মিউজিয়ামলৈ যোৱাৰ পৰিবৰ্তে ট্ৰেক্টৰ দিছপুৰলৈ যাব।' ওদালগুৰিত আজি এই মন্তব্য কৰিলে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ *আঠ পৃষ্ঠাত চাওক*



*নিৰ্বাচনী বতৰৰ ধামখুমীয়াৰ মাজতে হেঁপাহৰ ৰঙালীত আদৰিবলৈ ব্যস্ততা।*

## গৰুৰ ছিণ্ডিকেটৰে জড়িত জয়ন্তমল্ল

**নলবাৰী-বিজনীত প্ৰচাৰ মহিলাৰীৰ**

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী/ঘগ্ৰাপাৰ/কাজলগাঁও, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ত অনুষ্ঠিতব্য বিধানসভা *আঠ পৃষ্ঠাত চাওক*

## নেতাৰ মৌ বৰষা মাত

### *কংগ্ৰেছৰ মাম্মী-পাপ্পা*



নলবাৰীৰ কৈঠালকুছিত ধৰ্মপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী চন্দ্ৰমোহন পাটোৱাৰীৰ হৈ নিৰ্বাচনী সভাত অংশ লৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই কয়, 'অসমক লৈ ধেমালি কৰি অহা কংগ্ৰেছ নেতৃবৰ্গই বিজেপিৰ বিৰুদ্ধে মাজে-সময়ে যি অভিযোগ কৰি আহিছে, তাৰ বাবে কংগ্ৰেছে লাজ পাব লাগিছিল। তেওঁলোকৰ পাপ্পা-মাম্মীয়ে অসমক লৈ 'ঝুমলাবাজি' কৰি আহিছে। বাগানীয়া মানুহৰ সমস্যাৰ খবৰ ল'বলৈ তেওঁলোকৰ সময় নহয়, কিন্তু ছেল্ফী উঠিবলৈ আহিব পাৰিলে। 'ঝুমলাবাজি' তেওঁলোকে কৰিছে; বিজেপিয়ে কেতিয়াও অসমৰ মান-স্বাভিমান, পৰিচয়ক লৈ খেল খেলা নাই।'

### *মিউজিয়ামত থাকিব নাঙল*



ওদালগুৰিৰ হৰিশিঙাত নিৰ্বাচনী প্ৰচাৰত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক হাগ্ৰামা মহিলাৰীক কটাক্ষ কৰি কয়, 'ওদালগুৰি সমষ্টিত সকলো ৰাইজে যেন ট্ৰেক্টৰৰ ছবিত ভোট দিয়ে। ওদালগুৰিত এইবাৰ বিজেপিয়ে প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাই। ইউপিপিএলৰ প্ৰাৰ্থী গোবিন্দ বসুমতাৰীকে সমৰ্থন জনাইছে। গতিকে ভোটদান কৰিবলৈ গৈ পদুম ফুলৰ বিচাৰি নাথাকি ট্ৰেক্টৰ ছবিত ভোট দিব। বিধানসভা নিৰ্বাচনৰ পাছত বিপিএফৰ নাঙোল মিউজিয়ামলৈ যাব আৰু ট্ৰেক্টৰ যাব দিছপুৰলৈ।'

### *হিমন্তৰ জন্ম কোন মেচিনত*



বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি বিজনীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উদ্দেশ্যি এইদৰে কয়, 'হিমন্ত বিশ্ব শৰ্মাই এয়া সভ্যতাৰ যুঁজ বুলি কৈছে যদিও তেওঁ মুছলমান মহিলাসকলক কি কৈ আছে? হিমন্ত কোন মেচিনৰ পৰা জন্ম হৈছে। সেই মেচিনৰ নাম আৰু নম্বৰ ক'কে? মাতৃসকলক সন্তান জন্ম দিয়া মেচিন বুলি কোৱাটো হিমন্তৰ সভ্যতা নেকি?'

## মহামায়া মন্দিৰৰ পৰা ৫০ লক্ষাধিক টকাৰ সম্পত্তি চুৰি

**অগ্ৰদূত বাৰ্তা**
**বগৰীবাৰী, ৩০ মাৰ্চ ঃ** বগৰীবাৰীৰ ঐতিহাসিক মা মহামায়া দেৱালয়ো চোৰৰ তাণ্ডৱৰ পৰা ৰক্ষা নপৰিল। মন্দিৰ প্ৰাংগণতে থকা আৰক্ষীৰ এটি শিবিৰ আৰু নাতিদূৰৰ বগৰীবাৰী আৰক্ষী থানাৰ পহৰাৰ মাজতো চোৰৰ দলে যোৱা নিশা ৫০ লক্ষাধিক টকাৰ সা-সামগ্ৰী চুৰি কৰি নিয়ে। মন্দিৰৰ খিৰিকীৰ গ্ৰীল ভাঙি মন্দিৰত প্ৰৱেশ কৰা চোৰৰ দলে দেৱীৰ সোণৰ মুকুট, ছাতি, মালা, হাৰ, *দুই পৃষ্ঠাত চাওক*

## উন্নয়ন যদি বিচাৰিছে চৰকাৰৰ লগত থাকিব লাগিব

**বৰাকৰ নিৰ্বাচনী সভাত অগপ সভাপতি বৰা**



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ সামৰি আজি বৰাকত দুখন সভাত অংশ লৈ অগপ সভাপতি অতুল বৰাই *আঠ পৃষ্ঠাত চাওক*

## ৰহাৰ নিৰ্দলীয় প্ৰাৰ্থী গুণেশ্বৰ দাস বিজেপিলৈ



**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/নগাঁও/ৰহা, ৩০ মাৰ্চ ঃ** হঠাৎ সলনি হৈ পৰিছে নগাঁও জিলাৰ ৰহা সমষ্টিৰ নিৰ্বাচনী পৰিৱেশ। কালিলৈকে সমষ্টিটোত প্ৰাৰ্থীৰ *আঠ পৃষ্ঠাত চাওক*

## কৰ'নাৰ প্ৰতিষেধকৰ পাছতে যুৱ কৰ্মচাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ৩০ মাৰ্চ ঃ** নিৰ্বাচনত নিয়োজিত এজন যুৱ কৰ্মচাৰীয়ে কৰ'নাৰ প্ৰতিষেধক গ্ৰহণৰ পাছতে আজি মৃত্যু *দুই পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ১৮° |
| ডিব্ৰুগড় | ২৯° | ১৭° |
| দিল্লী | ৩৬° | ১৮° |
| কলকাতা | ৩৮° | ২৮° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩৭° | ২৬° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২০° | ১৩° |

*৩০ মাৰ্চ, ২০২১*

## চেঙা তেল



*ইয়াকে কয় নিৰ্বাচনী হোলী! বদনাম গাই দুয়োৰে মুখ কলা কৰিলো... কৰপানী ক'লৈ যায় চোৱা চাওক!*

কংগ্ৰেছ-আজমলে কেৱল সংঘাতৰ কাম কৰিছে ঃ মুখ্যমন্ত্ৰী সোণোৱাল

## হিন্দু অথবা মুছলমান সকলো ভাৰতীয়ই লাভ কৰিব ভূমিপট্টা



**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/কৰিমগঞ্জ, ৩০ মাৰ্চ ঃ** 'বিজেপি নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখন ক্ষমতাত অধিষ্ঠিত হ'লে আগন্তুক পাঁচ বছৰত হিন্দু অথবা মুছলমানে হওক সকলো ভাৰতীয় লোকক ভূমিৰ পট্টা প্ৰদান কৰিব। বিগত পাঁচ বছৰে বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে অসমৰ আটাইকেইখন জিলাৰ উন্নয়নৰ বাবে নিষ্ঠাসহকাৰে কাম কৰিছে। সকলো জাতি-জনগোষ্ঠী, ভাষা-ভাষী, সম্প্ৰদায়ৰ লোকক *আঠ পৃষ্ঠাত চাওক*

নিৰ্বাচন আয়োগক আপত্তি ঃ ভয়-ব্লেকমেইলিঙৰ ৰাজনীতি বিজেপিৰ

## 'নিয়া'ৰ নাম লৈ মন্ত্ৰী শৰ্মাই হাগ্ৰামাক ভাবুকি দিছে ঃ অভিযোগ কংগ্ৰেছৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ মাৰ্চ ঃ** কংগ্ৰেছৰ পাঁচ গেৰাণ্টীৰ ফলত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত বিজেপিৰ ভেটি উছন হোৱাৰ পাছত এতিয়া ভয়-ভাবুকিৰে বিজেপিয়ে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচন জয়ী হোৱা পৰিকল্পনা ৰচিছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে। আজি ৰাজীৱ ভৱনত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ মুখপাত্ৰ প্ৰফেছৰ গৌৰৱ বল্লভে এক সংবাদমেল সম্বোধন কৰি প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ অন্ত হোৱাৰ পাছত বিজেপি ইমান হতাশ আৰু নিৰাশ হ'ব বুলি কেতিয়াও *আঠ পৃষ্ঠাত চাওক*

খেলা হ'বে ঃ ভ্ৰাতৃৰ নিৰ্বাচনী সভাত ঘোষণা বদৰুদ্দিন আজমলৰ

## মহাজোঁটৰ চৰকাৰৰ চাবি থাকিব ছিৰাজুদ্দিন আজমলৰ হাতত



**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৩০ মাৰ্চ ঃ** 'অহা দুই মে'ত অসমত মহাজোঁটৰ চৰকাৰ হ'ব। সেই চৰকাৰৰ চাবি থাকিব ছিৰাজুদ্দিন আজমলৰ হাতত। ছিৰাজুদ্দিন আজমলে চলাব মহাজোঁটৰ চৰকাৰ।' অহা পহিলা এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ যমুনামুখৰ প্ৰাৰ্থী তথা ভ্ৰাতৃ ছিৰাজুদ্দিন আজমলৰ এক প্ৰচাৰ সভাত আজি এইদৰে ঘোষণা কৰে এআইইউডিএফৰ *আঠ পৃষ্ঠাত চাওক*

■ চিকিৎসাধীন মাতৃৰ ওচৰত থিয় দি অংগীকাৰ অজাপ সভাপতিৰ

## প্ৰথম পৰ্যায়ত শক্তিশালী স্বাভিমানী জাতীয়তাবাদ প্ৰতিষ্ঠাৰ ঢৌ ঃ লুৰীণ

**ঘৰলৈ যাবলৈ দিয়া হ'ল অখিল গগৈৰ মাতৃক**



**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩০ মাৰ্চ ঃ** 'অসমত স্বাভিমানী শক্তিশালী জাতীয়তাবাদ প্ৰতিষ্ঠা হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ইতিমধ্যে সকলো ইতিবাচক দেখা পোৱা গৈছে। এইবাৰ গ্ৰামাঞ্চলৰ ৰাইজে বহু উচ্চহাৰত হিল দল ভাঙি ভোটাধিকাৰ সাব্যস্ত কৰিছে। সেয়ে এইটো এটা প্ৰতিষ্ঠানবিৰোধী ঢৌ বুলি ক'ব পাৰি। ৰাইজৰ উছাহ-উদ্দীপনাই এক শক্তিশালী স্বাভিমানী জাতীয়তাবাদ প্ৰতিষ্ঠা কৰাটো নিশ্চিত।' এই ভাষ্য অসম জাতীয় পৰিষদৰ সভাপতি *আঠ পৃষ্ঠাত চাওক*

## ফাকুৱাৰ আনন্দৰ মাজতে ৰাজ্যত সংঘটিত ২৭৯টা দুৰ্ঘটনা

**২৭টা দুৰ্ঘটনাৰে শীৰ্ষত কামৰূপ গ্ৰাম্য**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ মাৰ্চ ঃ** ৰঙৰ উৎসৱ ফাকুৱাৰ আনন্দত ৰাজ্যবাসী ৰঙীণ হৈ থকাৰ সময়তে বিগত দুটা দিনত ৰাজ্যত সংঘটিত হৈছে প্ৰায় ২৭৯ টাকৈ দুৰ্ঘটনা। জৰুৰীকালীন ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স সেৱাই সদৰী কৰা তথ্য অনুসৰি, ফাকুৱাৰ দিন দুটাত ৰাজ্যৰ ২৭খন জিলাত সংঘটিত হৈছে ২৭৯টা দুৰ্ঘটনা। যোৱা ২৮ আৰু ২৯ মাৰ্চত ৰাজ্যবাসী ফাকুৱাৰ আনন্দত আত্মহাৰা হৈ থকাৰ সময়ত এই দুটা দিনত সৰ্বাধিক কামৰূপ গ্ৰাম্য জিলাত ২৭টাকৈ *আঠ পৃষ্ঠাত চাওক*

# অন্ত পৰিল দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ

## আৰম্ভ শেষ ৰাতিৰ খেল শাসক-বিৰোধীৰ

**বিশেষ সংবাদদাতা**

**খেৰণি, ৩০ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ পাছতেই আজি অন্ত পৰিল দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ। আজিৰে পৰা নিশাৰ আন্ধাৰত গোপনভাৱে আৰম্ভ হ'ব শেষ ৰাতিৰ খেল শাসক-বিৰোধীৰ। হয়তো বুজাবুজি আৰু ধন বলেৰে ভোটাৰৰ মন জয় কৰাৰ চেষ্টা চলাব ৰাজনৈতিক দলসমূহে। বৈঠালাংছ' সমষ্টিৰ ২,০৯,৭২৯ গৰাকী ভোটাৰে গণতান্ত্ৰিক অধিকাৰ সাব্যস্তৰে নিৰ্ণয় কৰিব দলীয় প্ৰাৰ্থীৰ ভাগ্য। উল্লেখ্য যে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ অন্তিমটো দিনত হামৰেণ বিজেপিয়ে কাৰ্বি পৰিষদৰ পৰিষদীয় হামৰেণ সমষ্টিৰ হাৰলং-সেৰাত আৰু হাৰলঙচৰা গাৰো গাঁৱত দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰে। সভাত শান্তি, প্ৰগতি আৰু উন্নয়নৰ স্বাৰ্থত বিজেপিক ভোট দিবলৈ আহ্বান জনায় মংগলছিং তিমুঙে। বিজেপি চৰকাৰ আহিলে একাধিক অভিলাষী আঁচনিৰ লগতে পাহাৰীয়া জিলাখনত এখন বিশ্ববিদ্যালয় আৰু এটা বিমানকোঠ নিৰ্মাণ কৰা হ'ব বুলি তিমুঙে কয়। নিৰ্বাচনৰ প্ৰাকক্ষণত পাহাৰৰ জনতাক ৮৩০ টকাৰ পৰিৱৰ্তে নিৰ্বাচনৰ পাছত তিনি হেজাৰ টকা লাভ কৰিব, উচ্চতৰ মাধ্যমিকত দ্বিতীয় স্থান উত্তীৰ্ণ ছাত্ৰীসকলক স্কুটী প্ৰদানৰ লগতে বহু আঁচনি দিয়াৰ কথা তিমুঙে অৱগত কৰে ৰাইজক। উক্ত সভাত কাৰ্বি পৰিষদৰ কাৰ্যবাহী সদস্য মংগলছিং তিমুঙৰ বিপৰীতে হামৰেণ বিজেপি মণ্ডল কমিটীৰ সভাপতি বীৰেন তিচ্ছ', মণ্ডল যুৱ মৰ্চাৰ সভাপতি মোহন ৰংফাৰ, গ্ৰাম্য উন্নয়ন সমিতিৰ অধ্যক্ষ ছাৰছিং ফাংচ', হাৰলঙচৰা সমবায় সমিতিৰ অধ্যক্ষ পিটৰ তিমুং, হামৰেণ বিজেপি মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী কাৰন ইংতিপি, সম্পাদিকা প্ৰিয়া ইংহিপি, বিজেপি নেতা লংছিং ৰংফাৰ উপৰি কে'বা শতাধিক বিজেপি সমৰ্থক উপস্থিত থাকে।

# শ্ৰীৰামপুৰত ১১ নগদ ধন জব্দ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ৩০ মাৰ্চ ঃ** নিৰ্বাচনী আচৰণবিধি বলৱৎ হোৱাৰ পাছত ৰাজ্যজুৰি ফ্লায়িং স্কোৱাড, এছ এছ টি আৰু আৰক্ষীৰ অভিযান অব্যাহত আছে ৰাজ্যৰ ৰাজপথত। আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত এছ এছ টিৰ দলে অভিযান চলাই নগদ ১১ লাখ টকা জব্দ কৰে। শ্ৰীৰামপুৰত চলোৱা তালাচী অভিযানত ধনখিনি জব্দ কৰা হয় যদিও গৰাকীয়ে ধনখিনিৰ কোনো অবৈধ নথিপত্ৰ দেখুৱাব পৰা নাই।

# ঘগ্ৰাপাৰৰ নখন গাঁও পঞ্চায়তত বিজেপিৰ পদযাত্ৰা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ আজি অন্তিম প্ৰচাৰৰ দিনা নলবাৰীৰ মিত্ৰজোঁটৰ প্ৰাৰ্থ জয়ন্তমল্ল বৰুৱাৰ সমৰ্থনত বিজেপিয়ে সমষ্টিটোৰ ঘগ্ৰাপাৰ অঞ্চলৰ নখন গাঁও পঞ্চায়তত পৃথকে পৃথকে সদল উলিয়ায়। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ অন্তৰ্গত দেহাৰকুছি, দতৰা, ঘগ্ৰাপাৰ, পূব বনভাগ, খাটিকুছি, আল্লিয়া, দিহজাৰী, চটাইবাৰী আৰু বালিতাৰা পঞ্চায়তত আজি প্ৰতিখন গাঁৱৰে দলীয় কৰ্মীসকলে পদযাত্ৰা কৰে। একোখন পঞ্চায়তত সহস্ৰাধিক দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইফালে, ঘগ্ৰাপাৰ পঞ্চায়তত উলিওৱা সমদলটোৰ সামৰণি ভাষণ প্ৰদান কৰে জিলা পৰিষদৰ সদস্য পংকজ ডেকাই। ভাষণ প্ৰসংগত ডেকাই নলবাৰীত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্তমল্ল বৰুৱাই এইবাৰ এক লাখ ৩০ হেজাৰ ভোট লাভ কৰি বিজয়ী হোৱাটো নিশ্চিত বুলি দাবী কৰে। ডেকাই নিজৰ ভাষণত কংগ্ৰেছ আৰু এআইইউডিএফক আক্ৰমণ কৰি কংগ্ৰেছ দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ লগত লৈ ফুৰা দল বুলি কটাক্ষ কৰে। ঘগ্ৰাপাৰ হৰিমন্দিৰত সামৰণি পৰা পদযাত্ৰাটোত ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ সবাপতি ৰাতুল শৰ্মা, আঞ্চলিক পঞ্চায়তৰ সদস্য মনেশ্বৰ ভৰালী উপ-সভানেত্ৰী বিনিতা মজুমদাৰ আদিয়ে অংশগ্ৰহণ কৰে।

# ঢালিগাঁৱত কংগ্ৰেছৰ নিৰ্বাচনী সভা

## ফণীভূষণ চৌধুৰীক সমালোচনা শংকৰপ্ৰসাদৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ৩০ মাৰ্চ ঃ** 'বিগত ৩৫টা বছৰে বঙাইগাঁও বিধানসভা সমষ্টিৰ ৰাইজক চৰম প্ৰৱঞ্চনা কৰিলে স্থানীয় বিধায়ক ফণীভূষণ চৌধুৰীয়ে। নামনি অসমৰ অন্যতম বাণিজ্যিক উদোগিক কেন্দ্ৰ বঙাইগাঁও বিধানসভাত বিধায়ক ফণীভূষণ চৌধুৰীয়ে কোনো উল্লেখনীয় কাম কৰা নাই। বিধানসভাতো সমষ্টিটোৰ উন্নয়নৰ বিষয় লৈ নিষ্ক্ৰিয় হৈ আছিল চৌধুৰীয়ে। কোচ ৰাজবংশী লোক হৈও জনজাতিকৰণৰ দাবীলৈ কোনোদিনে মাতমতা নাই।' এই অভিযোগ বঙাইগাঁও বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী শংকৰপ্ৰসাদ ৰায়ৰ। বঙাইগাঁও জিলাৰ ঢালিগাঁৱত আজি আবেলি অনুষ্ঠিত এক নিৰ্বাচনী প্ৰচাৰ সভাত ৰায়ে কয় যে বঙাইগাঁও শোধনাগৰ কংগ্ৰেছৰ আমোলত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নেতৃত্বত হৈছিল। বঙাইগাঁও তাপবিদ্যুৎ কেন্দ্ৰও কংগ্ৰেছৰ আমোলত হৈছিল। বঙাইগাঁৱত উৰণীয়া সেতু, অসামৰিক চিকিৎসালয় প্ৰয়াত তৰুণ গগৈয়ে কৰিছিল। কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰা কংগ্ৰেছ প্ৰাৰ্থীজনে চলোৱা এই নিৰ্বাচনী প্ৰচাৰ সভাত চি পি আই এমৰ হৰেশ্বৰ দাস, বঙাইগাঁও জিলা বিপিএফৰ সভাপতি শুদ্ধ বসুমতাৰী, জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী জেবিনাৰা আহমেদ, জিলা কংগ্ৰেছৰ সভাপতি মৃণাল অধিকাৰীৰ লগতে আন বহুতো নেতা উপস্থিত থাকে।

**নাম-উপাধি সলনি**

মই Tulsi Boraৰ ঠাইত Tulu Das আৰু মোৰ জীয়ৰী Pankhi Boraৰ সলনি Pankhi Das আদালতৰ জৰিয়তে নাম আৰু উপাধি সলনি কৰা হৈছে।

**NAME CHANGED**

I Bharat Sharma, S/o Lt. Sampat Sharma, Kachari Basti, P.O. & P.S.: Dispur, Dist.: Kamrup (M), Assam-781005, do hereby declared by an affidavit before Notary Kamrup (M) on 20-10-2020, that I have changed my daughter's name from Purnima Sarma to Punam Sharma and she will be known as Punam Sharma for all purposes and intent.

**জ্যোতিষ**

**১০০% Guarantee** সহ আপোনাৰ সমস্যা যিমানে কঠিন নহওক কিয় বা যিমানে জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী। **D. Sarmah, (M) 80993-36044**

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

# আকৰ্ষণীয় ভোট পঞ্জীয়নেৰে প্ৰথম পৰ্যায়ত দ্বিতীয় স্থানত বিশ্বনাথ নিৰ্বাচনী জিলা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩০ মাৰ্চ ঃ** যোৱা ২৭ মাৰ্চত অনুষ্ঠিতৱ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৮৩.৮৮ শতাংশৰ আকৰ্ষণীয় ভোটদানৰ প্ৰদৰ্শনেৰে বিশ্বনাথ জিলাই দ্বিতীয় স্থান দখল কৰিবলৈ সক্ষম হয়। ভোটৰ সংখ্যাৰে বিশ্বনাথ নিৰ্বাচনী জিলাতকৈও আগত আছে নগাঁও জিলা। এই বিষয়ত বিশ্বনাথ জিলাৰ উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰণৱ কুমাৰ শৰ্মাই কয় সৰহসংখ্যক ভোটাৰৰ অংশগ্ৰহণৰে দ্বিতীয় স্থান গ্ৰহণ কৰা নিৰ্বাচনী জিলা হিচাপে গৌৰৱ অনুভৱ কৰিছে। এইটোৱে ইয়াকে সূচায় যে আমি স্বীপৰ অধীনত লোৱা ভোটাৰ সজাগতামূলক সকলো কাৰ্যসূচীয়ে ভোটাৰক আকৃষ্ট কৰিবলৈ সক্ষম হৈছে আৰু ভোটদানৰ বাবে ওলাই আহিবলৈ উৎসাহিত কৰিছে। বিশ্বনাথ বিধানসভা সমষ্টিত ভোটদানৰ হাৰ ৮৪.১৫ শতাংশ আৰু বিহালী বিধানসভা সমষ্টিত ৮৩.৫১ শতাংশ। বিশ্বনাথ আৰু বিহালী সমষ্টি মিলি গঠিত হৈছে বিশ্বনাথ নিৰ্বাচনী জিলা। সহায়ক আয়ুক্ত তথা স্বীপৰ জিলা ন'ডেল বিষয়া সংঘমিত্ৰা ভাগৱতীয়ে এক উদ্ধৃতি দি কয় নিৰ্বাচনৰ সময়ছোৱালৈকে স্বীপৰ অধীনৰ সকলো কাৰ্যসূচী সম্পন্ন কৰাত বিশ্বনাথ জিলা অগ্ৰণী আছিল। ভোটাৰক সজাগ কৰাৰ উদ্দেশ্যে বিভিন্ন স্বীপ কাৰ্যসূচী নিৰ্বাচনৰ আগত ভাৰতীয় নিৰ্বাচন আয়োগৰ ফালৰ পৰা বাধ্যতামূলক। এনে সজাগতামূলক কাৰ্যই ভোটাৰসকলক আৰু উৎসাহিত কৰে ভোটদানৰ দিনা ওলাই আহি ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ।

# যমুনামুখ সমষ্টিৰ অন্তিম প্ৰচাৰৰ দিনা ৰাইজৰ দলৰ পদযাত্ৰা

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা আজি বিয়লি যমুনামুখ সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী দিলুৱাৰা বেগম চৌধুৰীয়ে শতাধিক সমৰ্থকক লগত লৈ এক পদযাত্ৰা উলিয়ায়। ডবকা চহৰৰ মাজেৰে উলিওৱা সমদলটো ডবকা পুলিচ পইণ্টৰ সমীপত একগোট হয় আৰু তাতে এখন নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। উক্ত সভাত প্ৰাৰ্থীগৰাকীয়ে বৰ্তমানে যমুনামুখত থকা এআইইউডিএফৰ বিধায়কক সমালোচনা কৰে। ভাষণ প্ৰসংগত নেত্ৰীগৰাকীয়ে কয় যে যোৱা ১৫ বছৰ ধৰি এআইইউডিএফৰ দখলত থকা সমষ্টিটোৰ উন্নয়ন এক প্ৰকাৰৰ শূন্য হৈ পৰিছে।

# সৰভোগ সমষ্টিত বিজেপিৰ হৈ নিৰ্বাচনী প্ৰচাৰ বি টি চিৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩০ মাৰ্চ ঃ** বিধানসভাৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰাকক্ষণত তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। সৰভোগ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী শংকৰ চন্দ্ৰ দাসৰ সমৰ্থনত সমষ্টিটোৰ বাৰাপেটা, লাৱদাংগুৰি, ছামথায়বাৰী আদিত নিৰ্বাচনী প্ৰচাৰ চলায় স্থানীয় মথনগুৰি সমষ্টিৰ এম চি এল এ তথা বি টি চিৰ কাৰ্যবাহী সদস্য গৌতম দাসে। ভোটাৰৰ স'তে মত বিনিময় কৰি সৰভোগ সমষ্টিত পুনৰ এবাৰ বিজেপিয়ে জয়লাভ কৰিব বুলি মত ব্যক্ত কৰে নেতাজনে। সৰভোগ সমষ্টিত মিত্ৰজোঁট সমৰ্থিত বিজেপিৰ প্ৰাৰ্থী দাসৰ সমপৰ্যায়ৰ কোনো প্ৰাৰ্থীয়েই নাই বুলি উল্লেখ কৰে গৌতম দাসে। সংখ্যালঘু লোকৰ বাবেও বিজেপিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য প্ৰকাশ কৰে।

# ৰাজ্যত মিত্ৰজোঁটৰ চৰকাৰ নিশ্চিত ঃ ভূপেন বড়ো

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৩০ মাৰ্চ ঃ** মিত্ৰজোঁটৰ অগপ-বিজেপি দলে ইউপিপিএলক সম্পূৰ্ণ সহযোগ কৰিছে। বৰমা সমষ্টিত আমাক কোনো শক্তিয়ে ৰোধ কৰিব নোৱাৰে। ৰাজ্যত মিত্ৰজোঁটৰ চৰকাৰ নিশ্চিত। আজি বৰমা সমষ্টিৰ অন্তৰ্গত টিহুৰ নাথকুছিত এখন নিৰ্বাচনী সভাত ভাষণ দি এইদৰে কয় বৰমা সমষ্টিৰ মিত্ৰজোঁটৰ ইউপিপিএলৰ প্ৰাৰ্থী ভূপেন বড়োই। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয়, 'বিপিএফৰ বিগত তিনিটা কাৰ্যকালত বৰমা সমষ্টিত কোনো উন্নয়ন হোৱা নাই। সমষ্টিটোত বান সমস্যা, খহনীয়া সমস্যা, ৰাস্তা-ঘাটৰ সমস্যা, নিবনুৱা সমস্যা, স্বাস্থ্য সমস্যা, শৈক্ষিক সমস্যা আদি বিভিন্ন সমস্যা আছে। মই এনেবোৰ সমস্যা সমাধানৰ স্বাৰ্থতে ৰাজনীতিলৈ আহিছো।' তদুপৰি বড়োই বৰমা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী নৱ শৰণীয়াই নিজকে বিজেপিৰ সমৰ্থিত প্ৰাৰ্থী বুলি অপপ্ৰচাৰ চলোৱা কাৰ্যত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এনে মিছা অপপ্ৰচাৰেৰে তেওঁ কেতিয়াও সফল হ'ব নোৱাৰে। ইউপিপিএলৰ প্ৰাৰ্থীজনে আজি মিত্ৰজোঁটৰ নেতা-কৰ্মী সমন্বিতে বৰমা সমষ্টিৰ নমাটি মৌজাত নিৰ্বাচনী প্ৰচাৰ চলায়। বড়োৱে মৌজাখনৰ নাথকুছি, নখৰা, মেধিপাৰা, বালিহাজৰী, পুঠিমাৰী, ওজাপৰা, লক্ৰাপাৰা, ভূৰকুছি, ভাল্লা চ'কক ধৰি বিভিন্ন অঞ্চলত নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। ইপিনে, কালি সন্ধিয়া প্ৰাৰ্থীজনে মৌজাখনৰ কদমতল চ'ক, যমুনাট্ৰাৰী, হেলছাপাৰা আদিত নিৰ্বাচনী সভা অনুষ্ঠিত কৰে।

# শুৱালকুছিত হাৰ্ডৱেৰৰ সামগ্ৰীৰ নামত ১৫ লাখ টকা আত্মসাৎ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ৩০ মাৰ্চ ঃ** শুৱালকুছি ৰাজগড় নিবাসী জ্যোতিপ্ৰসাদ বৈশ্য নামৰ এজন যুৱ ব্যৱসায়ীয়ে হৰিপুৰৰ বিপুল বৈশ্যৰ পৰা হাৰ্ডৱেৰৰ সামগ্ৰী যোগানৰ নামত ১৫ লাখ টকা আত্মসাৎ কৰা ঘটনা পোহৰলৈ আহিছে। ভুক্তভোগী বিপুলে সদৰী কৰা মতে, তেওঁৰ নৱনিৰ্মিত অট্টালিকাৰ সামগ্ৰী যোগান ধৰাৰ বাবে ২০১৯ৰ ২০ জুলাইত জ্যোতিপ্ৰসাদে বিপুলৰ অসম গ্ৰামীণ বিকাশ বেংক শুৱালকুছি শাখাৰ ৭২৯৫০১০০০০৯৮৬ নম্বৰৰ একাউণ্টৰ পৰা এন ই এফ টি যোগে ১৫ লাখ টকা উলিয়াই নিয়ে। তাৰ পাছৰে পৰা ঘৰ নিৰ্মাণত ব্যৱহাৰ হোৱা কোনো সামগ্ৰী জ্যোতিপ্ৰসাদে যোগান ধৰা নাই। ফলত ঘৰৰ নিৰ্মাণ কাৰ্যত আহুকালৰ সৃষ্টি হয়। এই ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ লগত যোগাযোগ বন্ধ কৰি দিয়ে। আনকি ফোনপৰ্যন্ত বন্ধ কৰি দিয়ে। ঘৰলৈ বিচাৰি গ'লেও ভ্ৰাতৃ মৃণাল বৈশ্য আৰু পিতৃ গকুল বৈশ্যই জ্যোতি প্ৰসাদক আত্মগোপন কৰি ৰাখি লগ ধৰাৰ পৰা বিৰত ৰাখে। উপায়ান্তৰ হৈ বিপুলে বিগত বৰ্ষৰ ২৯ ফেব্ৰুৱাৰীত শুৱালকুছি আৰক্ষী থানাত বিষয় সন্দৰ্ভত গোচৰ তৰে। এজাহাৰ দিয়াৰ ১১ মাহৰ পাছত শুৱালকুছি আৰক্ষীয়ে জ্যোতিপ্ৰসাদক থানালৈ তলব কৰি এখন দ্বিপাক্ষিকে চুক্তি কৰি দিয়ে। চুক্তি মতে জ্যোতিপ্ৰসাদে তাৎক্ষণিকভাৱে তিনি লাখ ৫০ হেজাৰ টকা আদায় দি প্ৰতিমাহে ৩০ হেজাৰকৈ টকা আদায় দিব লাগিব। লক্ষ্যণীয়ভাৱে ১৫ ডিচেম্বৰত ২০২০ চুক্তি হোৱাৰ পাছৰে পৰা আজি পৰ্যন্ত জ্যোতিপ্ৰসাদ পলাতক অৱস্থাত আছে। অৱশ্যে আৰক্ষীৰ পূৰ্ণ সহযোগত জ্যোতিপ্ৰসাদ আত্মগোপন হৈ থকাৰ অভিযোগ কৰিছে বিপুলে। কিয়নো জ্যোতিপ্ৰসাদৰ বিৰুদ্ধে তৰা গোচৰটো ভাৰতীয় দণ্ড বিধিৰ অধীনত ৪২০/৪০৬/৩৪ ধাৰাত গোচৰ ৰুজু হোৱাৰ পাছতো অপৰাধীক গ্ৰেপ্তাৰ নকৰাটো ৰহস্যজনক হৈ পৰিছে। সেয়ে শুৱালকুছি আৰক্ষী থানাৰ আৰক্ষী বিষয়া দেৱকান্ত সাউদৰ ভূমিকাত সন্দিহান হৈ যোৱা ২৮ জানুৱাৰীত কামৰূপ আৰক্ষী অধীক্ষকৰ ওচৰত জ্যোতিপ্ৰসাদৰ ঠগ-প্ৰৱঞ্চনাৰ বিষয়ে গোচৰ তৰে যদিও ফলপ্ৰসূ নোহোৱাত পৰিয়ালটো হতাশাত ভুগিছে।

## আৰক্ষীক গোচৰ ঃ অপৰাধীক আৰক্ষীয়ে ৰক্ষণা-বেক্ষণ দিয়াৰ অভিযোগ

# স্বায়ত্তশাসিত ৰাজ্যৰ প্ৰতিশ্ৰুতি ৰাহুল গান্ধীৰ

*এক পৃষ্ঠাৰ পৰা* জনজাতিসকলৰ সংস্কৃতি আৰু পৰম্পৰাৰ ওপৰত আঘাত হানিছে। কিন্তু সেই অনুচ্ছেদক যাতে লঘু কৰা নহয়, তাক কংগ্ৰেছ চৰকাৰে সুনিশ্চিত কৰি থলুৱা লোকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ আটাইবোৰ দফাও ৰূপায়ণ কৰিব।

ভিডিঅ' বাৰ্তাটোত কংগ্ৰেছৰ সপক্ষে ভোট দিবলৈ ৰাইজক আহ্বান জনাই গান্ধীয়ে দলে ঘোষণা কৰা পাঁচটা গেৰান্টীৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয়, 'অসমত আমাৰ চৰকাৰ গঠন নিশ্চিত। অহা দুই মে'ত চৰকাৰ গঠনৰ পাছতে গেৰান্টীকেইটাৰ আটাইকেইটা বাস্তৱত ৰূপায়ণ কৰা হ'ব। এই চৰকাৰ গঠনৰ কেইঘন্টামানৰ পাছতে গেৰান্টীকেইটা আমি ৰূপায়ণ কৰিম। একেদৰে সংশোধিত নাগৰিকত্ব আইন যাতে অসমত বলৱৎ হ'ব নোৱাৰে তাৰ বাবে অসম বিধানসভাৰ জৰিয়তে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।'

# মহামায়া মন্দিৰৰ পৰা ৫০

*এক পৃষ্ঠাৰ পৰা* কাণফুলি আদিকে ধৰি সোণ-ৰূপৰ বহু সামগ্ৰী লুটি নিয়ে। অনুমান কৰা অনুসৰি নিশা প্ৰায় ১০-১২ বজাৰ ভিতৰত এই কাণ্ড সংঘটিত হয়। এই ঘটনাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে মন্দিৰ প্ৰাংগণত আৰক্ষীৰ এটি শিবিৰ আছে। তদুপৰি নাতিদূৰত অৱস্থিত বগৰীবাৰী আৰক্ষী থানা। তাৰ মাজতে সংঘটিত এনে ঘটনাৰ প্ৰতিক্ৰিয়া হিচাপে ৰাইজে আজি অভিযোগ কৰে যে বিশেষকৈ বগৰীবাৰী আৰক্ষীৰ দলে কেৱল ৰাষ্ট্ৰীয় ঘাইপথতে টহল দিয়ে। ভিতৰুৱা গ্ৰাম্য পথ, মঠ-মন্দিৰত পহৰা নিদিয়ে। একাংশ ৰাইজে মন্দিৰ পৰিচালনা সমিতিৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। সম্প্ৰতি ঘটনাৰ অনুসন্ধান অব্যাহত আছে।

# হাজো-শুৱালকুছিত অজাপৰ নিৰ্বাচনী কাৰ্যালয় লণ্ডভণ্ড দুৰ্বৃত্তৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ মাৰ্চ ঃ** সম্প্ৰতি তুংগত উঠিছে তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ নিৰ্বাচনৰ তৎপৰতা। প্ৰতিটো দলে ব্যস্ত হৈ পৰিছে নিজৰ নিজৰ প্ৰাৰ্থীৰ প্ৰচাৰ অভিযান। ইয়াৰ সমান্তৰালভাৱে বৃদ্ধি পাইছে নিৰ্বাচনী তৎপৰতাও। যোৱা নিশা হাজো সমষ্টিৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত বামুন্দিৰ নিকটৱৰ্তী শিলগুৰি আৰু হাজো থানাৰ অন্তৰ্গত মহানকুছি অঞ্চলত দুৰ্বৃত্তই লণ্ডভণ্ড কৰে অসম জাতীয় পৰিষদৰ দুটাকৈ কাৰ্যালয়। কাৰ্যালয় দুটাত থকা জাতীয় পৰিষদৰ বেনাৰ, প'ষ্টাৰ আদি ছিঙি লণ্ডভণ্ড কৰে দুষ্কৃতিকাৰীয়ে। কিছু সময় পাছতে অজাপৰ নেতা-কৰ্মীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰি নিশাই হাজো আৰু শুৱালকুছি আৰক্ষী থানাত পৃথকে পৃথকে এজাহাৰ দাখিল কৰে। সমষ্টিটোত দলীয় প্ৰাৰ্থী দুলু আহমেদৰ উত্থানত ভীতিগ্ৰস্ত হৈ বিৰোধী দলসমূহে এনে নিকৃষ্ট কাৰ্যৰ আশ্ৰয় লোৱা বুলি অভিযোগ কৰিছে দলটোৱে।

# প্ৰধানমন্ত্ৰীৰ আগন্তুক নিৰ্বাচনী

*এক পৃষ্ঠাৰ পৰা* সমৰ্থনত ৰাইজৰ পৰা ভোট বিচাৰি ভাষণ প্ৰদান কৰিব। তাৰ বাবে আজি সভাস্থলী পৰিদৰ্শন কৰে বাগ্‌সা জিলা প্ৰশাসন আৰু এছ পি জিৰ শীৰ্ষ বিষয়াৰ এটি দলে। দলটোৱে নিৰ্মাণৰত হেলিপেড, মূল মঞ্চৰ লগতে আনুষংগিক দিশ পৰিদৰ্শন কৰি নিৰাপত্তাৰ দিশ পৰ্যবেক্ষণ কৰে। ইয়াৰ পাছত এছ পি জিৰ শীৰ্ষ বিষয়াসকলৰ লগত বাগ্‌সাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, অতিৰিক্ত উপায়ুক্ত, তামুলপুৰৰ মহকুমাধিপতি, মহকুমা আৰক্ষী বিষয়াৰ লগতে জিলাখনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ লগত এখন সভা অনুষ্ঠিত হয়। এই সভাত বিজেপি আৰু ইপিপিএলৰ নেতাও উপস্থিত থাকে। যোৱা নিৰ্বাচনী সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰী আৰু সম্পাদক জিতেন মুছাহাৰীয়ে কয় যে তামুলপুৰৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী লেহোৰাম বড়োৰ সমৰ্থনত অনুষ্ঠিত হ'বলগীয়া সভাখনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকিব। সভাত কমেও দুই লক্ষাধিক লোকৰ সমাবেশ হ'ব বুলি ইমানুৱেল মুছাহাৰীয়ে জনায়।

# ভি আই পিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩০ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি বৰঝাৰ বিমানকোঠৰ সমীপৰ ভি আই পি চ'কৰ শ্যামভূমি হাইস্কুল খেলপথাৰত ৫৪ নম্বৰ পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ হৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই প্ৰচাৰ চলোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে নড্ডাই কাৰ্যসূচী বাতিল কৰা পৰিলক্ষিত হয়। অৱশ্যে তিনি সহস্ৰাধিক লোকৰ অংশগ্ৰহণ কৰা এই প্ৰচাৰ সভাত উপস্থিত থাকে কেন্দ্ৰীয় ড'নাৰ মন্ত্ৰী জিতেন্দ্ৰ সিং, ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, সাংসদ কুইন ওজা, অগপৰ সাংগঠনিক সম্পাদক সুভাষ শৰ্মা,বিজেপিৰ অসম প্ৰভাৰী সঞ্জয় ভাটীয়া আদি।

# কৰ'নাৰ প্ৰতিষেধকৰ পাছতে

*এক পৃষ্ঠাৰ পৰা* হোৱা ঘটনাই আতংকৰ সৃষ্টি কৰিছে বৃহত্তৰ সৰুপেটা অঞ্চলত। তথ্য অনুসৰি সৰুপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত ছহিদ খৰ্গেশ্বৰ তালুকদাৰ হাইস্কুলৰ চতুৰ্থবৰ্গৰ চাকৰিয়াল দ্বীপজ্যোতি তালুকদাৰ (২৮)ক নিৰ্বাচনী কাৰ্যত নিয়োজিত কৰা হৈছিল। সেই সূত্ৰে আজি আবেলি দুই বজাত তেওঁ সৰুপেটা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ'নাৰ প্ৰতিষেধক গ্ৰহণ কৰে। যুৱকজনে প্ৰতিষেধক গ্ৰহণ কৰি ঘৰলৈ আহি ভাত-পানী খাই শুবলৈ যায়; কিন্তু আবেলি চাৰি বজালৈকে সাৰ নোপোৱাত মাতৃয়ে জগাবলৈ যায় যদিও সম্পূৰ্ণৰূপে অচেতন অৱস্থাত পায়। লগে লগে হাহাকাৰ লগা পৰিয়ালৰ লোকে যুৱকজনক ১০৮ সেৱাৰে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ হাস্পতাললৈ লৈ যায়; কিন্তু ই চি জি পৰীক্ষা সম্পন্ন কৰাৰ পাছত চিকিৎসকে যুৱকজনক মৃত বুলি ঘোষণা কৰে। ফলত পৰিয়ালটোত কান্দোনৰ ৰোল উঠে। পৰিয়ালৰ লোকে সদৰী কৰা মতে, দীৰ্ঘদিন ধৰি মৃগী ৰোগত আক্ৰান্ত হৈ থকা যুৱকজনে তেওঁক নিৰ্বাচনী কৰ্তব্যৰ পৰা অব্যাহতি দিয়াৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিছিল যদিও আবেদন মঞ্জুৰ নোহোৱাত নিৰ্বাচনী কৰ্তব্য সম্পাদনৰ বাবে যুৱকজনে কৰ'না প্ৰতিষেধক গ্ৰহণ কৰিছিল। যুৱকজনৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কাইলৈ সম্পন্ন হ'ব। মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ জানিব পৰা যাব।

## শব্দ-বেহু ঃ ৩১ মাৰ্চ ২০২১




@ সব্যসাচী

**পথালিয়ে ঃ**
১। বিৰক্তি, দিগদাৰি (৩)
৪। প্ৰৱৰ্তন, প্ৰচাৰ (৪)
৭। ধুন-পেঁচ, সাজোন-কাচোনৰ বিলাসিতা (২)
৯। পৃথিৱী, আনৰ হতুৱাই ধৰোৱা (২)
১১। আঁতৰ কৰা, বাধা দিয়া (৪)
১৩। পানী বা আন তৰল বস্তু তপত হ'লে তাৰ পৰা ওলোৱা ধোঁৱা, বাষ্প (২)
১৪। তুলনা, বৈসাদৃশ্য, মিলাই চোৱা কাৰ্য্য (৩)
১৫। দৃষ্টি শক্তি নথকা, ক্ষুদ্ৰ অংশ (২)
১৮। বিয়াৰ পাছদিনা পুৱা দৰাৰ ঘৰত কৰা আনুষ্ঠানিকতা (৪)
২০। অহা-যোৱা, গমন-আগমন (৪)
২২। মুদ্ৰাৰ এককত প্ৰকাশিত বস্তুৰ মূল্য,বেচ (২)
২৪। জলা স্বাদৰ বস্তুৰ জিভাত লগা চোক, ইচাট-বিচাট ভাব (৩)
২৬। দ ঠাইত হোৱা, সংকটৰ পৰা উদ্ধাৰ কৰ, জ্যোতিষ্ক (২)
২৭। আহ্বান, মন্ত্ৰৰ দ্বাৰা মতা কাৰ্য্য (৪)
২৯। যি কাণেৰে নুশুনে, মানুহৰ কল্পনা (২)
৩১। শিমলুগছৰ গুটি ওলোৱা বগা কোমল আঁহ (২)
৩৩। বন্দীশাল, কাৰাগাৰ, জঘন্য অপৰাধীক বিশেষ ভাৱে ৰখা ঠাই (৪)
৩৪। খোৱা-বোৱা বা ৰন্ধা-বঢ়াত ব্যৱহৃত ধাতুৰ পাত্ৰ (৩)

**থিয়কৈ ঃ**
২। চৰুতকৈ সৰু মাটিৰ পাত্ৰ, আনক মলিবলৈ দিয়া (২)
৩। ভাতৰ মাড়, ভাত উতলাৰ পাছত চৰুৰ পৰা নিগৰাই উলিওৱা অতিৰিক্ত পানীভাগ (৩)
৪। ছলনা, মিছা প্ৰতিশ্ৰুতিৰে পতিয়ন নিয়াই পাছত ঠগা কাৰ্য্য (৪)
৫। শুকুৱাই মচলা আৰু দৰবৰূপে ব্যৱহাৰ কৰা এবিধ গুটি (২)
৬। গাধৈ,ভঁৰালৰ বেৰৰ বাহিৰ ফালে বাঢ়ি ওলাই থকা চঁছালিৰ অংশ (৩)
৮। শহুৰেকৰ ঘৰতে নিগাজিকৈ বাস কৰা, সম্পৰ্ক নথকা মানুহৰ ঘৰত পেট পুহি থকা লোক (৪)
১০। এবিধ ডাঙৰ আকাৰৰ সোৱাদ যুক্ত মাহ (৪)
১২। বচন, বাক্য, পাত্ৰৰ ভিতৰৰ বস্তু বাহিৰ কৰ (২)
১৬। মাকৰ ভনীয়েক আৰু তেওঁক কৰা সম্বোধন (২)
১৭। ৰোহ, অসন্তোষ, অভিমান (২)
১৮। সোঁত থকা পানী ভেটা দিয়া গড়, ৰছীৰে দিয়া গাঁঠি (২)
১৯। ন্যায়াধীশ, ন্যায়-অন্যায়ৰ বিচাৰ কৰোঁতা (৪)
২০। দীঘ-পুতলৰ পৰিমাণ, বস্তুৱে আগুৰি থকা ক্ষেত্ৰৰ জোখ (৪)
২১। ভ্ৰমণকাৰী, ভ্ৰমণ কৰি ফুৰা লোক, বাহনৰ আৰোহী (২)
২২। বনজুই, প্ৰাকৃতিক কাৰণত হাবি-বনত লগা ডাঙৰ জুই (৪)
২৩। মানুহৰ গাত পৰি তেজ খোৱা সৰু কীট (২)
২৫। লাজ পাব লগীয়া কথাতো লাজ নোপোৱা, লাজ নথকা লোক (৩)
২৮। নাইবা, অথবা (৩)
৩০। পইজাৰ, ভৰিত পিন্ধা আৱৰণ (২)
৩২। মৃতদেহ, মৰাশ (২)

**উত্তৰ অহা সংখ্যাত**

**৩০ মাৰ্চ ২০২১ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। প্ৰতিধ্বনি ৪। অলিন্দ ৬। চিঠি ৭। দৰ্শনীয় ৯। দৰ ১১। নলা ১২। মমতা ১৩। অলকা ১৬। কল ১৭। হনু ১৮। কোদাল ২০। ৰচনা ২১। বাজ ২৪। ধৰ ২৫। যাদুকৰ ২৬। সহ্য ২৮। ৰইনা ২৯। কপটীয়া
**থিয়কৈ ঃ** ২। তিথি ৩। নিদৰ্শন ৪। অন্যায় ৫। হৰতাল ৬। চিঠা ৮। নীলা ৯। দমকল ১০। ফাল ১৩। অনুচৰ ১৪। কামি ১৫। সাঁকো ১৭। হৰধনু ১৯। দাতা ২১। বাদু ২২। জকমক ২৩। দাহ্য ২৫। যাতনা ২৭। ৰুটী

## আজিৰ দিনটো


**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ১৭ চ'ত বুধবাৰ ৩১ মাৰ্চ

**সূৰ্যোদয় ঃ** ঘঃ ৫।২১।৩৪, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৩৩।৩৪। **তিথি ঃ** কৃষ্ণা তৃতীয়া, দং ৩১।৩৮।১০ সঘঃ ৬।০।৫০। **নক্ষত্ৰ ঃ** স্বাতী, দং ১৫।৪৯।৪৩ ঘঃ ১১।৪১।২৭। **যোগ ঃ** হৰ্ষন, দং ২০।২১।১৮ আঘঃ ১।৩০।৫। **কৰণ ঃ** বনিজ। **জন্মত ঃ** তুলৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ মহিষৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বুধ, বিংশোত্তৰী ৰাহুৰ দশা, ঘঃ ১১।৪১।২৭ যোৱাত দেৱাৰিগণ, বাঘৰ অস্থি, বিংশোত্তৰী বৃহস্পতিৰ দশা, শেষ ৰাঘঃ ৪।২৮।২৫ যোৱাত বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ। **আদ্যঋতু হ'লে ঃ** ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষ ঃ** নাই, ঘঃ ১১।৪১।২৭ যোৱাত দ্বিপদ। **যোগিনী ঃ** অগ্নিকোনত, সঘঃ ৬।০।৫০ যোৱাত নৈঋতকোনত। **যাত্ৰা ঃ** নাই, পাপযোগ দোষ, সঘঃ ৬।০।৫০ যোৱাত ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** পটল, সঘঃ ৬।০।৫০ যোৱাত মূলা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মষ ঃ** প্ৰেমত আনন্দ। মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ'ল। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ।

**বৃষ ঃ** পত্নী সুখ। বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম।

**মিথুন ঃ** সময়ৰ নাটনি। মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। দায়িত্বপূৰ্ণ কামত মাংগিলক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা। বিদ্যাত শুভ ফল। শৰীৰ মধ্যম।

**কৰ্কট ঃ** কৰ্ম ব্যস্ততা। সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। নতুন কোনো উদ্দেশ্যেত সফল হ'ব।

**সিংহ ঃ** ৰাইজৰ লগত অতিৰিক্ত খৰচ। আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক।

**কন্যা ঃ** মজলীয়াভাৱে দিনটো পাৰ হ'ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ'ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।

**তুলা ঃ** শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। উচ্চ বিদ্যাত সাফল্য লাভ। আৰ্থিখ, আয়ু বৃদ্ধি পাব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।

**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব।

**ধনু ঃ** দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বুদ্ধিৰ যোগ।

**মকৰ ঃ** কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ।

**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ।

**মীন ঃ** যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড,** গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩১ মাৰ্চ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

# সুকলমে নিৰ্বাচন সম্পন্নৰ বাবে সাজু হোজাই জিলা প্ৰশাসন

অগ্ৰদূত বাৰ্তা
**যমুনামুখ, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ত অনুষ্ঠিতব্য হোজাই, লামডিং আৰু যমুনামুখ সমষ্টিৰ নিৰ্বাচনৰ বাবে হোজাই জিলা প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। তিনিওটা সমষ্টিত শান্তিপূৰ্ণ, সুৰক্ষিত আৰু নিৰপেক্ষ ভোটদানৰ বাবে জিলা সাধাৰণ প্ৰশাসন, আৰক্ষী প্ৰশাসন সাজু হৈছে। ভোট গ্ৰহণত জড়িত বিষয়-কৰ্মচাৰীসকলক প্ৰশিক্ষণ, ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



### দুধনৈত কংগ্ৰেছৰ কোনো প্ৰতিদ্বন্দ্বী নাই

# দুই এপ্ৰিলত কৃষ্ণাইৰ জনসভাত অংশ ল'ব প্ৰিয়ংকা গান্ধীয়ে



অগ্ৰদূত বাৰ্তা
**কৃষ্ণাই, ৩০ মাৰ্চ ঃ** 'দুধনৈ বিধানসভা সমষ্টিত কংগ্ৰেছৰ কোনো প্ৰতিদ্বন্দ্বী নাই। দুধনৈত বিজেপিয়ে বিপুল ভোটৰ ব্যৱধানত দ্বিতীয় স্থানতহে থাকিব। কাৰণ বিজেপিয়ে ভাড়াতীয়া প্ৰাৰ্থীৰেহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীক ভাড়াত লৈ নিৰ্বাচনত নমা বিজেপি এইবাৰ পৰাজিত হোৱাটো নিশ্চিত।' আজি কৃষ্ণাইৰ এক সংবাদমেলত এইদৰে মন্তব্য কৰে কংগ্ৰেছৰ দুধনৈ সমষ্টিৰ মিডিয়া চেলৰ দায়িত্বত থকা বালিৰাম বড়োৱে। বড়োৰ দাবী বিজেপিৰ উলম্ব বিভাজনে কংগ্ৰেছক সহায় কৰিব। কংগ্ৰেছে নিৰ্বাচনী প্ৰচাৰৰ বাবে যুগুত কৰা কাৰ্যসূচী প্ৰচাৰৰ বাবে আয়োজন কৰা আজিৰ সংবাদমেলত বড়োৱে কয় যে অহা ছয় এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া ছয় পৃষ্ঠাত চাওক

অগ্ৰদূত বাৰ্তা
**টংলা, ৩০ মাৰ্চ ঃ** ওদালগুৰি জিলাত দ্বিতীয় পৰ্যায়ত অহা পহিলা এপ্ৰিলত অনুষ্ঠিতব্য ভোটযুদ্ধত মিত্ৰজোঁট আৰু মহাজোঁটৰ মাজতে মূল যুঁজ হোৱাৰ সম্ভাৱনা আছে। বিজেপি, ইউ পি পি এল, জি এছ পি আৰু অগপ বনাম কংগ্ৰেছ, এ আই ইউ ডি এফ, বি পি এফৰ মহাজোঁটৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক হ'ব নিৰ্বাচনী যুঁজ। ৬৪ নম্বৰ পানেৰী বিধানসভা সমষ্টিত সাতগৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হৈছে। মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী ৰাজ্যসভাৰ সাংসদ বিশ্বজিৎ দৈমাৰী, মহাজোঁটৰ সমৰ্থিত তথা বি পি এফৰ প্ৰাৰ্থী

# পানেৰী সমষ্টিত মিত্ৰজোঁট-মহাজোঁটৰ যুঁজৰ সম্ভাৱনা

কৰুণাকান্ত স্বৰ্গীয়াৰী, ভি পি আইৰ প্ৰাৰ্থী ভূমিত্ৰা কছাৰী, এছ ইউ চি আইৰ স্বৰ্ণলতা চলিহা আৰু নিৰ্দলীয় বিশ্বজিৎ মিঞ্জ, বাপন বণিক আৰু গিলবাৰ্ট টপ্পই পানেৰী বিধানসভা সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াই প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। পানেৰী সমষ্টিত ভোটাৰৰ সংখ্যা ১,৫৩,৪৪০গৰাকী। বিজেপিৰ দৈমাৰী আৰু বি পি এফৰ

বিধানসভা নিৰ্বাচন ২০২১

স্বৰ্গীয়াৰীৰ মাজতে মূল যুঁজ হোৱাৰ সম্ভাৱনা আছে। বি পি এফৰ নতুন মুখ কৰুণাকান্ত স্বৰ্গীয়াৰীৰ পূৰ্বে কমলী বসুমতাৰীয়ে ২০ বছৰ ধৰি বিধায়কৰ আসনত বহি অসম বিধানসভাত প্ৰতিনিধিত্ব কৰিছিল, ইয়াৰে ১৫ বছৰে বি পি এফৰ হৈ বিধায়কৰ আসন শুৱনি কৰিছিল। প্ৰতিষ্ঠান বিৰোধী ঢৌৰ বাবে বিজেপিৰ কৰুণাকান্ত স্বৰ্গীয়াৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰাত প্ৰাক্তন বিধায়িকাৰ ছয় পৃষ্ঠাত চাওক

# মৰাণ জাতীয় মহিলা পৰিষদৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সামৰণি

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ৩০ মাৰ্চ ঃ** তিনিচুকীয়া জিলাৰ লাংকাচি গাঁও ৰাজহুৱা প্ৰেক্ষাগৃহত মৰাণ জাতীয় মহিলা পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু পৰিষদৰ মাকুম আঞ্চলিক সমিতি আৰু লাংকাচি গাঁও ৰাইজৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে আজি আয়োজিত পৰিষদৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস সম্পন্ন হয়। নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন কৰে পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়াই আৰু স্মৃতি তৰ্পণ কৰে ভাৰপ্ৰাপ্ত সম্পাদিকা ৰুণজুন মৰাণে। বৃক্ষৰোপণ কৰে লাংকাচি গাঁও পঞ্চায়তৰ সভাপতি অৰুণ মৰাণে। আনহাতে, মঞ্চ উদ্বোধন কৰে পৰিষদৰ উপদেষ্টা ৰুণু মৰাণ চাউৰকে। দুলাল বৰুৱাই প্ৰতিযোগিতা উদ্বোধন কৰাৰ অন্তত ৰচনা, চিত্ৰাংকন, আকস্মিক বক্তৃতা, কুইজ আৰু জ্যোতি সংগীত প্ৰতিযোগিতা আৰম্ভ হয়। দীপা শইকীয়া বড়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি বঁটা, বিতৰণী আৰু গ্ৰন্থ উন্মোচনী সভাখন উদ্বোধন কৰে মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন কৰ্মকৰ্তা সৰ্বেশ্বৰ মৰাণে। আনহাতে, আদৰণি ভাষণ আগবঢ়ায় অভ্যৰ্থনা সমিতিৰ সভাপতি মণ্টু মৰাণে। প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰে দুলীয়াজানৰ বিপুল চন্দ্ৰ মৰাণে। ছয় পৃষ্ঠাত চাওক

## অন্তিম প্ৰচাৰত নগাঁও সদৰ, ৰহা, বড়মপুৰত বিজেপি-কংগ্ৰেছৰ শক্তি প্ৰদৰ্শন

# সমদলৰে শক্তি প্ৰদৰ্শন মিত্ৰজোঁট-মহাজোঁটৰ



বঙাইগাঁৱত কংগ্ৰেছৰ নিৰ্বাচনী সভা, মঙলবাৰে।

বিশেষ সংবাদদাতা
**নগাঁও, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ত ভোট গ্ৰহণ হ'বলগা নগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে নগাঁও সদৰ, বড়মপুৰ আৰু ৰহা সমষ্টিত আজি নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত প্ৰতিগৰাকী বিজেপি-অগপ মিত্ৰজোঁট আৰু কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থীয়ে প্ৰচাৰ অভিযান জোৰদাৰ কৰি তোলে। পুৱাৰে পৰা সন্ধিয়া ছয় বজালৈ প্ৰতিগৰাকী প্ৰাৰ্থীয়েই নিবাচনী প্ৰচাৰ সভা, পথ সভা, বৃহৎ ৰেলীৰে প্ৰচাৰ তীব্ৰতৰ কৰি তোলে। নগাঁও সদৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাই নগাঁও চহৰত এক সমদল উলিয়াই সমষ্টিটোৰ বিজেপি প্ৰাৰ্থীক জয়ী কৰিবলৈ ভোটাৰসকলক আহ্বান জনায়। চহৰখনৰ বীনাপাণি নাট্য মন্দিৰৰ পৰা এই সমদল আৰম্ভ কৰি হয়বৰগাঁও বজাৰ, তেলীয়াপট্টি চাৰি আলি, তেলীয়াপট্টি ৰেল গেট, ৰবীন্দ্ৰ পল্লি হৈ লাচিত নগৰত সামৰণি পেলায়। সমদলৰ সময়ত অঞ্চলসমূহৰ ৰাইজে বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাক সহাঁৰি জনোৱা পৰিলক্ষিত হয়। বিজেপি নেতা-কৰ্মীসকলে 'আকৌ মোদী চৰকাৰ, অসমত এইবাৰ পুনৰ মিত্ৰজোঁটৰ চৰকাৰ, নগাঁও ছয় পৃষ্ঠাত চাওক

### মহাজোঁটৰ চৰকাৰৰ মন্ত্ৰিত্বৰ তলা-চাবি থাকিব আজমলৰ হাতত

# আল্লাই হিমন্তৰ শৰীৰত ইনজেকচন মাৰিব ঃ বদৰুদ্দিন

অগ্ৰদূত বাৰ্তা
**দলগাঁও, ৩০ মাৰ্চ ঃ** 'ড° হিমন্ত বিশ্ব শৰ্মাই মাদ্ৰাছা বন্ধ কৰি থাকিব আৰু মই মাদ্ৰাছা খুলিয়ে থাকিম। হিমন্তই বেছিমাৰীৰ কৃষকে পাচলিত ইনজেকচন দিয়া বুলি কৈছিল, আল্লাই তেওঁৰ শৰীৰতে ইনজেকচন মাৰিব।' এই মন্তব্য বদৰুদ্দিন আজমলৰ। আজি দলগাঁও সমষ্টিত এক নিৰ্বাচনী সভাত অংশ লৈ এআইইউডিএফৰ সভাপতিজনে উক্ত মন্তব্যৰে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণ কৰে। বেছিমাৰীত অনুষ্ঠিত সভাখনত আজমলে পুনৰ কয়, 'এইবাৰ হিমন্তৰ ৰাজত্ব শেষ। সৰ্বানন্দ আউট, হোম মিনিষ্টাৰ ফেইল।' উল্লেখ্য যে দলগাঁৱৰ এআইইউডিএফৰ প্ৰাৰ্থী মজিবৰ ৰহমানে বিগত তিনিবাৰৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল। ফলত এইবাৰ ৰহমানক জয়যুক্ত কৰোৱাৰ বাবে দলৰ সভাপতিজনে অহোপুৰুষাৰ্থ কৰিছে। যাৰ বাবে তেওঁ দলগাঁও সমষ্টিত তিনিবাৰকৈ প্ৰচাৰত অংশ লয়। কিছুদিনৰ পূৰ্বে আজমলে দলগাঁৱত ৰোড শ্ব' কৰিছিল। কালিও তেওঁ সমষ্টিটোৰ শিয়ালমাৰীত নিৰ্বাচনী প্ৰচাৰ চলায়। আজি পুনৰ বেছিমাৰীৰ সভাত অংশ লৈ আজমলে দলীয় প্ৰাৰ্থী ৰহমানক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। নিজৰ ভাষণত আজমলে কয়, '২০২১ত অসমত কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ চৰকাৰ আহিব। এই চৰকাৰত মন্ত্ৰী ছয় পৃষ্ঠাত চাওক

# বড়মপুৰত ১,৭৭,১৮১ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব ছয় প্ৰাৰ্থীৰ ভাগ্য

অগ্ৰদূত বাৰ্তা
**কঠিয়াতলি, ৩০ মাৰ্চ ঃ** অহা পহিলা এপ্ৰিলত দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযান বড়মপুৰতো সামৰণি পৰিল। আজি নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত কংগ্ৰেছ প্ৰাৰ্থী সুৰেশ বৰাই সহস্ৰাধিক বাহনেৰে সমষ্টিটোৰ চুকে-কোণে প্ৰচাৰ চলাই সমষ্টিবাসীক

বিধানসভা নিৰ্বাচন ২০২১

সচকিত কৰি তোলে। নিৰ্বাচনী প্ৰচাৰৰ প্ৰাকমুহূৰ্তত সাংবাদিকৰে হোৱা কথা-বতৰাত কংগ্ৰেছ প্ৰাৰ্থীজনে এইবাৰ নিৰ্বাচনত তেওঁ জয়ী হোৱাটো নিশ্চিত বুলি মন্তব্য কৰে। বিজেপি প্ৰাৰ্থী জিতু গোস্বামীক নিৰ্বাচনী বৈতৰণী পাৰ কৰাবলৈ শাসকীয় বিজেপিৰ সকলো মন্ত্ৰী-বিধায়কেই বড়মপুৰ সমষ্টিত প্ৰায় উবুৰি খাই পৰিছে বুলিও কংগ্ৰেছ প্ৰাৰ্থীজনে কটাক্ষসুলভ মন্তব্য কৰে। উল্লেখ্য যে বিজেপিৰ প্ৰাৰ্থী জিতু গোস্বামীৰ হৈ নিৰ্বাচনী প্ৰচাৰৰ কাৰণে মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দুদিন, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এদিন আৰু ৰাষ্ট্ৰীয় সম্পাদক দিলীপ শইকীয়া আদিয়ে সমষ্টিটোৰ ঠায়ে ঠায়ে নিৰ্বাচনী প্ৰচাৰ চলায়। ইপিনে, অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী দিপীকা শইকীয়া, জন মৰ্চাৰ পাৰবীন চৌধুৰী, এছ ইউ চি আইৰ সোণাৰাম বৰা আৰু নিৰ্দলীয় প্ৰাৰ্থী ছামচুদ্দিন আহমেদ আদিৰ নিৰ্বাচনী প্ৰচাৰ একেবাৰে নিষ্প্ৰভ হৈ পৰে। উল্লেখ্য যে বিজেপি আৰু কংগ্ৰেছ দুয়োজন প্ৰাৰ্থীয়েই যোৱা ২০১৬ৰ নিৰ্বাচনত বিজেপিৰ জিতু গোস্বামী চামগুৰিত আৰু কংগ্ৰেছৰ সুৰেশ বৰা বড়মপুৰ সমষ্টিত পৰাজয় বৰণ কৰাৰ পাছত এইবাৰ দুয়োজন প্ৰাৰ্থীয়ে জয়ৰ বাবে চেষ্টা চলাইছে। ছয় পৃষ্ঠাত চাওক

# শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ সুৰাসহ গ্ৰেপ্তাৰ দুই

অগ্ৰদূত বাৰ্তা
**শ্ৰীৰামপুৰ/গোসাঁইগাঁও, ৩০ মাৰ্চ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত আবকাৰী বিভাগৰ নিয়মীয়া তালাচীত আজি বৃহৎ পৰিমাণৰ বিদেশী সুৰা জব্দ হয়। শ্ৰীৰামপুৰত ৩১ নম্বৰ 'গ' ঘাইপথত আনদিনৰ দৰে আবকাৰী বিভাগৰ এটি দলে নিয়মীয়া টহল দি থাকোতে উত্তৰ প্ৰদেশৰ পৰা অসম অভিমুখে আহি থকা এখন কণ্টেইনাৰ জব্দ কৰে। কণ্টেইনাৰখনত সুৰা থকাৰ সন্দেহ কৰি আবকাৰী বিভাগে তালাচী চলোৱাৰ পাছত কণ্টেইনাৰখনৰ পৰা প্ৰচুৰ পৰিমাণৰ বিদেশী সুৰা উদ্ধাৰ হয়। জব্দ কৰা সুৰাৰ বজাৰ মূল্য তিনি কোটিৰো অধিক টকা হ'ব বুলি আবকাৰী বিভাগৰ সূত্ৰত প্ৰকাশ। বিদেশী সুৰা কঢ়িয়াই অনা ইউ পি-১৬ জি টি-৩৫২৫ নম্বৰৰ কণ্টেইনাৰখনৰ উত্তৰ প্ৰদেশৰ পৰা অৰুণাচল অভিমুখে গৈ আছিল। সুৰাভৰ্তি বাহনখন শ্ৰীৰামপুৰত তালাচী চলাই জব্দ কৰাৰ পাছত গোসাঁইগাঁৱত আবকাৰী বিভাগৰ কাৰ্যালয়লৈ নিয়া হয়। বহিঃৰাজ্যৰ পৰা সৰবৰাহ কৰা বিদেশী সুৰাখিনিৰ ছয় পৃষ্ঠাত চাওক

# ফাকুৱাৰ আনন্দৰ মাজতে নকছাৰীত নৃশংস হত্যাকাণ্ড

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ৩০ মাৰ্চ ঃ** মৰিয়নিৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত ভেলাগুৰি চাহ বাগিচাৰ দুই নম্বৰ ৰাজাবাৰীত যোৱা নিশা সংঘটিত হয় এক নৃশংস হত্যাকাণ্ড। ফাকুৱাৰ আনন্দ-উল্লাসৰ মাজতে এই হত্যাকাণ্ডৰ ঘটনা সংঘটিত হয়। উল্লেখ্য যে নকছাৰীৰ সমীপৰ ভেলাগুৰি চাহ বাগিচাৰ দুই নম্বৰ ৰাজাবাৰীৰ উদয় কালান্দি ওৰফে বোধৰাম (৪২) নামৰ এজন লোকক তেওঁৰ নিজৰ ঘৰৰ সন্মুখতে চোকা অস্ত্ৰৰে ডিঙিত ঘপিয়াই হত্যা কৰে। ঘটনা সংঘটিত কৰিয়েই দুৰ্বৃত্তই পলায়ন কৰে। কোনে কি পৰিস্থিতিত এই হত্যাকাণ্ড সংঘটিত কৰিলে সেয়া জানিব পৰা হোৱা নাই। নিশা আঠ বজাত সংঘটিত ঘটনাৰ খবৰ পায়েই দেবেৰাপাৰ আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ ছয় পৃষ্ঠাত চাওক

### হাগ্ৰামা মহিলাৰীৰ কল্পনাৰ বিধানসভাত তেওঁ নিজে মুখ্যমন্ত্ৰী

# কংগ্ৰেছে পাঁচটা নহয়, ৫০টা গেৰাণ্টী দিলেও ৰাইজে মানি নলয় ঃ ৰঞ্জিত দাস



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**পাঠশালা/টিহু, ৩০ মাৰ্চ ঃ** 'হাগ্ৰামা মহিলাৰীৰ কল্পনাৰ বিধানসভাত তেওঁ নিজে মুখ্যমন্ত্ৰী। কিন্তু অহা দুই মে'ৰ পাছত তেওঁৰ সেই কল্পনাৰ বিধানসভাখন মাটিত খহি পৰিব আৰু তাৰ পাছত মহিলাৰীৰ কোনো অস্তিত্ব নোহোৱা হৈ যাব।' এই ভাষ্য ৰাজ্যিক বিজেপিৰ সভাপতি তথা পাটাছাৰকুছি বিধানসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী ৰঞ্জিত দাসৰ। আজি সমষ্টিটোৰ ডুবিত অনুষ্ঠিত এখন দলীয় নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ ছয় পৃষ্ঠাত চাওক

# মৰাণত জ্যেষ্ঠ সাংবাদিক পূৰ্বজ্যোতি চুতীয়ালৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা
**মৰাণ, ৩০ মাৰ্চ ঃ** গুৱাহাটী মহানগৰীৰ হাতীগাঁও অঞ্চলৰ শেৱালি পথৰ বাসিন্দা, ৰাজ্যখনৰ এজন জ্যেষ্ঠ সাংবাদিক, ক্ৰীড়া সংগঠনক কালি পুৱা সন্দেহজনক অৱস্থাত মৃতদেহ উদ্ধাৰ হোৱা পূৰ্বজ্যোতি চুতীয়াৰ মৃতদেহ আজি পুৱা সাংবাদিকজনৰ জন্মভূমি মৰাণৰ উষাপুৰৰ নিজা ঘৰলৈ অনা হয়। মৃতদেহ আহি পোৱাৰ লগে লগে বহু লোক সাংবাদিকজনৰ ঘৰত উপস্থিত হয়। ৰাইজৰ উপস্থিতিত সাংবাদিকজনৰ গৃহত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মৰাণ মহকুমা সাংবাদিক মঞ্চৰ মুখ্য সম্পাদক যদুনাথ পুৰীয়ে আঁতধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সাংবাদিক শোভিত কুমাৰ ছেত্ৰীয়ে পূৰ্বজ্যোতি চুতীয়াৰ কৰ্মময় জীৱনৰ ওপৰত বক্তব্য আগবঢ়ায়। শ্ৰদ্ধাঞ্জলি জনোৱা অনুষ্ঠানত মৰাণ মহকুমা সাংবাদিক মঞ্চ, মৰাণ প্ৰেছ ক্লাব, মিলিত শিল্পী সমাজ, এলপাইন বয়জ ক্লাবৰ মৰাণ শাখা, লেখিকা সমিতি, চুতীয়া উন্নয়ন পৰিষদ, চুতীয়া জাতি সন্মিলন, বক্সিং ক্লাবকে ধৰি বহু কেইটা সংগঠনে অংশগ্ৰহণ কৰে। পাঁচত ডোমৰদলং গাঁৱত শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখ্য যে পূৰ্বজ্যোতি চুতীয়া নৱ-গঠিত চৰাইদেউ জিলাৰ মৰাণ নগৰৰ উষাপুৰ নিৱাসী প্ৰাক্তন বিধায়ক তৰুণ চুতীয়াৰ পুত্ৰ।

# কৰ্তব্য সম্পাদন কৰি ঘৰলৈ ওভতাৰ পথত দুৰ্ঘটনাত আৰক্ষীৰ জোৱান নিহত

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নলবাৰী, ৩০ মাৰ্চ ঃ** নলবাৰী ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সন্ধাত আজি সংঘটিত এক পথ দুৰ্ঘটনাত এজন আৰক্ষীৰ জোৱান নিহত হয়। নিহত আৰক্ষীৰ জোৱানজন হৈ নলবাৰী সদৰ থানাৰ অচ্যুত বৰ্মন (৪৫)। নলবাৰীৰ সন্ধাত ৩১ নম্বৰ ঘাই পথত এ এছ-১৪২৫ ডি চি-৪৩৭৩ নম্বৰৰ বলেৰ' পিক আপ ভানখন মহটিয়াই নিয়ে আৰক্ষীৰ কনিষ্ঠবলজনক। নলবাৰী অসামৰিক চিকিৎসালয়ৰ আৰক্ষী চকীৰ পৰা কৰ্তব্য সম্পাদন কৰি নিজৰ এ এছ-১৪ বি-৭৯১৬ নম্বৰৰ মটৰ ছয় পৃষ্ঠাত চাওক

# লালুক বোকানদীত পথ দুৰ্ঘটনাত মৃত্যু

অগ্ৰদূত বাৰ্তা
**লালুক, ৩০ মাৰ্চ ঃ** লালুক আৰক্ষী থানাৰ অন্তৰ্গত বোকানদী নামৰ ঠাইত ১৫ নম্বৰ ঘাইপথৰ ওপৰত যোৱা নিশা সংঘটিত এক শোকাবহ পথ দুৰ্ঘটনা বীৰ লাচিত সেনা অসমৰ লালুক আঞ্চলিক সমিতিৰ সহকাৰী সচিব নৱজিত বৰগোহাঁই (২১)ৰ মৃত্যু হয়। যোৱা নিশা আঠ বজাত বীৰ লাচিত সেনা অসমৰ লালুক আঞ্চলিক সমিতিৰ সহকাৰী সচিব তথা বোকানদীৰ ১১ মাইলৰ নিবাসী ডালিম বৰগোহাঁইৰ পুত্ৰ নৱজিত বৰগোহাঁয়ে স্কুটীৰে ঘাইপথেৰে গৈ থাকোতে দুৰ্ঘটনা সংঘটিত হৈ নিজ গৃহৰ পৰা নাতি দূৰৈত সংকটজনক অৱস্থাত পৰি ৰয়। কোনো লোকে প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ পৰিয়ালৰ লোকক খবৰ দিয়াত পৰিয়ালৰ লোকে নৱজিতক উত্তৰ লখিমপুৰ অসামৰিক চিকিৎসালয়লৈ নিয়ে যদিও নিশাই তেওঁৰ মৃত্যু হয়। ঘটনাস্থলীত লালুক থানাৰ অন্তৰ্গত দলহাট আৰক্ষী চকীৰ আৰক্ষীৰ লোক আহি উপস্থিত হয়। স্থানীয় লোক আৰু আৰক্ষীয়ে পথৰ ওপৰত কোনো বাহনে দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বুলি সন্দেহ প্ৰকাশ কৰিছে। তেওঁৰ মৃত্যুত বীৰ লাচিত সেনা অসমৰ লালুক আঞ্চলিক সমিতিৰ মিঠু বৰুৱা, উপ-সভাপতি অভিজিত বুঢ়াগোহাঁই, সম্পাদক ৰিতু বৰাকে ধৰি সকলো বিষয়ববীয়া, লালুক আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি গগৈ, সম্পাদক জিন গোস্বামী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লালুক আঞ্চলিক সমিতিৰ সভাপতি দেৱজিৎ ৰাজবংশী, সম্পাদক মনজিত হাজৰিকা, অসম ছয় পৃষ্ঠাত চাওক

# নাওশলীয়াত পথ দুৰ্ঘটনাত চিত্ৰকলা শিল্পীৰ মৃত্যু



অগ্ৰদূত বাৰ্তা
**দুলীয়াজান, ৩০ মাৰ্চ ঃ** নাওশলীয়া আৰক্ষী চকীৰ অন্তৰ্গত এক নম্বৰ বৰপথাৰ গাঁৱৰ সমীপত যোৱা নিশা ঘৰলৈ আহি থকা অৱস্থাত এজন লোকৰ মটৰ চাইকেলত অচিনাক্ত বাহনে মহটিয়াই নিয়াত লোকজনৰ ঘটনাস্থলীতে মৃত্যু হয়। স্থানীয়লোকে পথত মটৰচাইকেলসহ এজন লোকক পৰি থকা প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে খবৰ পায়েই ঘটনাস্থলীৰ পৰা লোকজন উদ্ধাৰ কৰি নিশাহ ছয় পৃষ্ঠাত চাওক

# বজালীত প্ৰাৰ্থীৰ দ্বিতীয় পৰ্যায়ৰ হিচাপ দাখিল পৰ্যবেক্ষকক

বিশেষ সংবাদদাতা
**পাঠশালা, ৩০ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ ব্যস্ততা তুংগত উঠিছে বজালীত। ইফালে, পাটাছাৰকুছি আৰু ভৱানীপুৰ সমষ্টিৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগে নিযুক্ত কৰা সাধাৰণ পৰ্যবেক্ষক এছ গণেশ আৰু ব্যয় পৰ্যবেক্ষক চিত্তৰঞ্জন ঢংগদা মাঝিয়ে বিভাগীয় দায়িত্ব পালন কৰি সামগ্ৰিকভাৱে সকলো কাৰ্য আগবঢ়াই নিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে আজি দুয়োটা সমষ্টিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ এজেণ্টসকলে দ্বিতীয় পৰ্যায়ৰ খৰচৰ তথ্য পৰ্যবেক্ষকক পৰীক্ষাৰ বাবে দাখিল কৰে। ব্যয় পৰ্যবেক্ষক মাঝিয়ে এজেণ্টসকলে দাখিল কৰা ব্যয়ৰ খতিয়ান আৰু তহবিল পুংখানুপুংখভাৱে পৰীক্ষা কৰে। উল্লেখ্য যে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ কোনো প্ৰাৰ্থী যদি কোনো অপৰাধত অভিযুক্ত তেনেহ'লে বাতৰি কাকত অথবা বৈদ্যুতিন মাধ্যমত ছয় পৃষ্ঠাত চাওক



ৰহাত দুৰ্ঘটনাগ্ৰস্ত বাহন, মঙলবাৰে।

# দুধনৈত দুৰ্ঘটনাত যুৱতী নিহত

অগ্ৰদূত বাৰ্তা
**দুধনৈ, ৩০ মাৰ্চ ঃ** আজি পুৱা ছয়মান বজাত দুধনৈ থানাৰ অন্তৰ্গত ফফলৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হয় এক পথ দুৰ্ঘটনা। দুখন বাহনৰ মুখামুখি সংঘৰ্ষত থিতাতে নিহত হয় এগৰাকী যুৱতী। আহত হয় পাঁচগৰাকী লোক। মৃত যুৱতীগৰাকী দুধনৈৰ ড° সংগীতা ৰয়। ঘটনা সম্পৰ্কে জানিব পৰা মতে এ এছ ০১ ই ডি ৪২৫৫ নম্বৰৰ নেক্সান বাহন আৰু এ এছ-০১ ই এম-২০৩২ নম্বৰৰ এল্ট' বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। মৃত ড° ৰয় এল্ট' বাহনখনৰ আৰোহী আছিল। ঘটনাৰ খবৰ পোৱাৰ লগে লগে দুধনৈ থানাৰ আৰক্ষী ঘটনাস্থলীত ছয় পৃষ্ঠাত চাওক

# মঙলদৈ সমষ্টিত ২,৩৬,৫১৫ গৰাকী ভোটাৰে নিৰ্ণয় কৰিব চাৰি প্ৰাৰ্থীৰ ভাগ্য

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ কালি প্ৰচাৰ অভিযানৰ অন্ত পৰাৰ আগমুহূৰ্তত ৬৭ নম্বৰ মঙলদৈ বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ বসন্ত দাস আৰু বিজেপিৰ গুৰুজ্যোতি দাস উভয়ৰে সমৰ্থকে জয়লাভ কৰাৰ লগতে এইবাৰ অভিলেখ গঢ়িব বুলি দাবী কৰিছে। উল্লেখ্য যে অনুসূচিত জাতিৰ বাবে সংৰক্ষিত সমষ্টিটোত প্ৰাৰ্থিত্ব আগবঢ়াইছে চাৰিগৰাকী প্ৰাৰ্থী ক্ৰমে বিজেপিৰ গুৰুজ্যোতি দাস, কংগ্ৰেছৰ বসন্ত দাস অসম জাতীয় পৰিষদৰ গকুল বৰুৱা আৰু ভিপিআইৰ জিতেন্দ্ৰ সৰকাৰে। উল্লেখ্য যে মঙলদৈ সমষ্টিত মুঠ ভোটাৰ হৈছে ২,৩৬,৫১৫গৰাকী। ইয়াৰে ১,১৬,৩৯৭ গৰাকী হৈছে মহিলা ভোটাৰ আৰু ১,২০,১১৮ জন পুৰুষ। দৰং জিলাৰ সদৰ সমষ্টিৰূপে





গুৰুত্বপূৰ্ণ সমষ্টিটোক ১৯৭৮ৰ পৰা অনিল দাস (জনতা), কাৰ্তিক সৰকাৰ (কংগ্ৰেছ), নিলমণি দাস (অগপ), নকুল দাস (কংগ্ৰেছ), হীৰেণ দাস (অগপ), বসন্ত দাস (কংগ্ৰেছ, আৰু বৰ্তমান বিজেপিৰ গুৰুজ্যোতি দাসে প্ৰতিনিধিত্ব কৰিছে। বিগত বিধানসভা নিৰ্বাচনত বিজেপিৰ গুৰুজ্যোতি দাসে ৭৩,৪২৩ টা ভোটেৰে শেষ হাঁহি মাৰাৰ বিপৰীতে কংগ্ৰেছৰ বসন্ত দাসে ৫১,৩৭৮ টা আৰু ইউ ডি এফৰ হীৰেন দাসে লাভ কৰিছিল ৪৮,৪১৭টা ভোট। বিগত লোকসভা নিৰ্বাচনত বিজেপিৰ দিলীপ শইকীয়া (বিজয়ী)ই ৮০,২৫৩টা ভোট আৰু কংগ্ৰেছৰ ভুৱনেশ্বৰ কলিতাই লাভ কৰিছিল ১,০৩,১৩২ টা ভোট। ইউ ডি এফৰ শক্তিশালী ভেটি থকা সমষ্টিটোত এইবাৰ দলটোৱে প্ৰাৰ্থিত্ব দিছিল যদিও নাকচ হোৱাত তলা-চাবিৰ প্ৰতীক বিহীন হৈ পৰিব বেলট তথা ইভিএম। সেয়েহে ইউ ডি এফৰ সমৰ্থক বুলি পৰিচিত ধৰ্মীয় সংখ্যালঘুৰ মন জয় কৰিবলৈ উঠি পৰি লাগিছে কংগ্ৰেছৰ লগতে বিজেপিয়ো। অৱশ্যে ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ১৭ চ'ত ১৪২৭ ভাস্কৰাব্দ ৩১ মাৰ্চ ২০২১

# টোলগেটৰ মাচুল বৃদ্ধি

কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ে অসমৰ ৰাষ্ট্ৰীয় পথত স্থাপন কৰা নখন টোলগেটৰ পাঁচখনৰ মাচুল পাঁচ টকাৰ পৰা ৬৫ টকালৈ বৃদ্ধি কৰাৰ জাননীয়ে সংশ্লিষ্ট পথেৰে অহা-যোৱা কৰা লোকসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অহা পহিলা এপ্ৰিলৰ পৰা বলৱৎ হ'বলগীয়া এই নতুন নিৰিখ বাকী চাৰিখন টোলগেটতো বলৱতৰ বাবে অচিৰেই জাননী দিব কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰণালয়ে।

ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণে বাইহাটা চাৰিআলিৰ মদনপুৰ, ৰহা, নাজিৰাখাত, মান্দাৰবিছা আৰু ডবকাৰ মিকিৰআটি হাওগাঁও টোলগেটৰ মাচুল বৃদ্ধিৰ জাননী প্ৰকাশ কৰিছে। বাইহাটা চাৰিআলিৰ মদনপুৰ টোলগেটত চাৰিচকীয়া বাহনে এবাৰৰ বাবে বৰ্তমানৰ ১০৫ টকাৰ ঠাইত অহা পহিলা এপ্ৰিলৰ পৰা দিব লাগিব ১১০ টকাকৈ। অহা-যোৱা দুয়োটাৰ বাবে আগেয়ে ১৬০ টকা লোৱাৰ পাছত এতিয়া ১৭০ টকাকৈ ল'ব ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণে। মাহিলি পাছৰ বাবে বৰ্তমান ৩,৫২৫ টকাৰ ঠাইত আদায় দিব লাগিব ৩,৭৪০ টকা। মদনপুৰ টোলগেটত বাছ আৰু ট্ৰাকসমূহে ৩৬০ টকাৰ ঠাইত এবাৰ পাৰ হোৱাৰ বাবে ৩৮০ টকা আদায় দিব লাগিব। এনেদৰে সকলোবোৰ নিৰিখ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে বঢ়াই দি ৰাইজৰ ওপৰত মাধমাৰ শোধাইছে। উল্লেখ্য যে পেট্ৰ'ল, ডিজেলৰ মূল্যবৃদ্ধিৰ সময়তেই ৰাষ্ট্ৰীয় পথৰ টোলগেটৰ মাচুল বৃদ্ধিয়ে সকলোবোৰ বয়বস্তু, বিশেষকৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ঘটাব বুলি আশংকা বৃদ্ধি পাইছে। তদুপৰি বৰ্দ্ধিত মাচুল আদায় দিয়াৰ ফলত বহু সৰু-সুৰা ব্যৱসায়ী ক্ষতিগ্ৰস্ত হ'ব।

মূল্যবৃদ্ধিয়ে দেশত হাহাকাৰৰ সৃষ্টি কৰিছে। ইন্ধনৰ মূল্য বৃদ্ধি পোৱাৰ লগে লগে অন্যান্য সকলো সামগ্ৰীৰ দামো বাঢ়ি গৈছে। বিশেষকৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ দূৰণিবটীয়া অৱস্থানৰ বাবে আৰু সৰহভাগ সামগ্ৰী দেশখনৰ দূৰণি প্ৰান্তৰ পৰা আমদানি হোৱা হেতুকে সকলো সামগ্ৰীৰ দাম উত্তৰ-পূবত অধিক। এতিয়া ইন্ধন আৰু টোলগেটৰ মূল্যবৃদ্ধিয়ে সকলো সামগ্ৰীৰ মূল্যবৃদ্ধিত অৰিহণা যোগাব।

ৰাজ্যখনত যেতিয়া বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হৈ আছে, সেই সময়তে টোলগেটৰ মাচুল বৃদ্ধিৰ জাননীয়ে শাসক দলক শ'লঠেকত পেলাব পাৰে। এইবাৰৰ বাজেটত ৰাজ্য চৰকাৰে ইন্ধনৰ দাম সামান্য কমাইছিল আৰু উল্লেখনীয়ভাৱে সুৰাৰ দামো হ্ৰাস কৰিছিল। এনেদৰে বিশেষকৈ সুৰাৰ মূল্য হ্ৰাসৰ উদ্দেশ্য হ'ল ভোটদাতাসকলক আকৰ্ষণ কৰা বুলি সমালোচনাৰ সৃষ্টি হৈছিল। গুৱাহাটী মহানগৰীৰ দুটামান ৰথী-মহাৰথীয়ে প্ৰতিদ্বন্দ্বিতা কৰা সমষ্টিত অৱস্থিত সুৰাৰ দোকানবোৰৰ ভঁৰাল খালী হৈ পৰিছে বুলি প্ৰকাশ পাইছে। এই সময়তেই ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণে টোলগেটৰ মাচুল বৃদ্ধি কৰি শাসক দলক অসুবিধাত পেলাইছে।

বৰ্তমান অসমত পেট্ৰ'ল-ডিজেলৰ দাম এশ টকাৰ কাষ পাইছে। দাইলৰ দামো কিলোগ্ৰামত এশ টকাৰ ওচৰ পাইছে। মিঠাতেলৰ দাম লিটাৰত দুশ টকাৰ ওচৰ পাইছে। গতিকে এইখিনি সময়ত টোলগেটৰ মাচুল বৃদ্ধিয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম আৰু বৃদ্ধি কৰিব। অসমৰ ৰাইজৰ ক্ষোভ তথা প্ৰতিবাদক আওকাণ কৰি ৰাষ্ট্ৰীয় পথ পৰিবহণ প্ৰাধিকৰণে অসমত নখনকৈ টোলগেট স্থাপন কৰি সাধাৰণ ৰাইজৰ ওপৰত একপ্ৰকাৰৰ উচ্চ কৰ আৰোপ কৰিছে। অন্যান্য ৰাজ্যৰ জনমূৰি আয় অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যতকৈ অধিক। গতিকে অসমৰ ৰাইজে আন আন ৰাজ্যৰ সদৃশ নিৰিখ মাচুল আদায় দিয়াটো কিমানদূৰ যুক্তিসংগত? আনহাতে, ৰাষ্ট্ৰীয় পথ সাধাৰণতে বৃহৎ উদ্যোগপতি ব্যৱসায়ীসকলে মাল সৰবৰাহৰ বাবে অধিক পৰিমাণে ব্যৱহাৰ কৰে। সাধাৰণ ৰাইজ তথা সৰু-সুৰা বেপাৰীয়ে কিয় বৃহৎ ব্যৱসায়ীসকলৰ সমান পৰিমাণৰ মাচুল আদায় দিব তাৰ ব্যাখ্যা ৰাষ্ট্ৰীয় পথ প্ৰাধিকৰণে দিয়া নাই।

কল্যাণকামী ৰাষ্ট্ৰ এখনত চৰকাৰে সাধাৰণ মানুহৰ কল্যাণৰ বাবে টোলগেট আৰু অন্যান্য মাচুলৰ পৰা ৰেহাই দিব লাগে বুলি দাবী উত্থাপিত হৈছে। পথ নিৰ্মাণৰ ব্যয়খিনি ৰাষ্ট্ৰই বৃহৎ উদ্যোগপতিসকলৰ পৰা আহৰণ কৰা উচিত। তাকে নকৰি ধনী-দুখীয়া নিৰ্বিশেষে একেই পৰিমাণৰ মাচুল ধাৰ্য কৰাটো গ্ৰহণযোগ্য নহয়। তদুপৰি অসমৰ ৰাষ্ট্ৰীয় পথসমূহত নখনকৈ টোলগেট স্থাপনৰো যুক্তিযুক্ততা কিমান? অসমক অন্যান্য উন্নত ৰাজ্যৰ দৰে চালে নহ'ব। অসম তথা উত্তৰ-পূব দুখীয়া ৰাজ্য, ইয়াৰ জনসাধাৰণ দৰিদ্ৰ, গতিকে এই ৰাজ্যসমূহৰ জনসাধাৰণক কেন্দ্ৰই সকাহ দিয়াটো কৰ্তব্য বুলি ক'ব পাৰি।

## খোলা মঞ্চ

# আপুনি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰে?



**অসমত** যোৱা ছমাহৰ ৰাজনীতিৰ পৰিস্থিতিৰ লগত বৰ্তমানৰ পৰিৱৰ্তিত ৰাজনৈতিক পটভূমিৰ মিল নাই। কথাবোৰ সলনি হ'ল। শাসকীয় দল আৰু কংগ্ৰেছ মহাজোঁটৰ বাহিৰেও আন কেইটামান দলৰ আৱিৰ্ভাৱ হৈছে; কিন্তু শাসকদল আৰু কংগ্ৰেছ মহাজোঁটৰ বাহিৰে আনবোৰ দলে শক্তিশালী ৰূপত নিজৰ প্ৰচাৰ চলোৱা পৰিলক্ষিত হোৱা নাই। গতিকে ৰাজ্যৰ এক বৃহৎ সংখ্যক ভোটাৰৰ এই জাতীয়তাবাদী শিবিৰৰ মতাদৰ্শৰ বিষয়ে সম্যক জ্ঞান হোৱা নাই যেন লাগে। এতিয়া

**অপৰাজিতা ভূঞা,** লেখিকা

আমি মূল কথালৈ আহোঁ। আমি এইবাৰ কেনে ধৰণৰ চৰকাৰ বিচাৰো? ইংৰাজীত এষাৰ কথা আছে If wishes were horses আমি আশাহে কৰিব পাৰো। আমি অসমত এইবাৰ এনেকুৱা এখন চৰকাৰ বিচাৰো যিয়ে অসমৰ ভাষা, সংস্কৃতি, সৰ্বতো কালৰ বাবে সুৰক্ষিত কৰি ৰাখিব পাৰে। কিয়নো আগন্তুক লোকপিয়লত অসমৰ বৰ্তমানৰ জনগাঁথনিৰ আচল ৰূপটো ওলাব আৰু ইয়ে অসমৰ ভাষা-সংস্কৃতিৰ ভৱিষ্যতৰ উমান দিব। আমি এইবাৰ এনেকুৱা এখন চৰকাৰ বিচাৰো যিয়ে

**আমি এইবাৰ এনেকুৱা এখন চৰকাৰ বিচাৰো যিয়ে আমাৰ অৰ্থনীতিক বিশ্বমানৰ লগত খাপ খুৱাই সকলোৰে ফলপ্ৰসু সংস্থাপনৰ বাট উলিয়াই আগবঢ়াই নিব পাৰে**

আমাৰ অৰ্থনীতিক বিশ্বমানৰ লগত খাপ খুৱাই সকলোৰে ফলপ্ৰসু সংস্থাপনৰ বাট উলিয়াই আগবঢ়াই নিব পাৰে। ৰাস্তা-ঘাট, দলং বনোৱাৰ কাম সকলো চৰকাৰে কম-বেছি পৰিমাণে কৰে। আমি তেনেবোৰ কাম দেখি সন্তুষ্ট হৈ থাকিলে বৰ্তমানৰ দৰে আমি সদায়ে ভাৰতবৰ্ষৰ আন উন্নত ৰাজ্যৰ তুলনাত ৩০-৪০ বছৰ পিছপৰি থাকিম। অসমত আমাক এনেকুৱা এখন চৰকাৰ লাগে য'ত অসমৰ সাংবিধানিক গণতন্ত্ৰ, অৰ্থনৈতিক অধিকাৰ, সুস্থ, সাংবাদিকতা আদি মৌলিক গণতান্ত্ৰিক অধিকাৰসমূহ সাব্যস্ত কৰাত অসমৰ মানুহক আগবঢ়াই লৈ যাব পাৰে। অসমখন বিভিন্ন জাতি-ধৰ্মৰ লোকৰ বাসস্থান। আমি চৰকাৰ এখনৰ পৰা আশা কৰো যে অসমৰ মানুহ*ৰ মাজত জাতি-ধৰ্মৰ ভিত্তিত বিভেদৰ সৃষ্টি নকৰি সকলোৰে মাজত একতাৰ ভাৱ সৃষ্টি কৰাত এক যোগাত্মক ভূমিকা গ্ৰহণ কৰে।

এতিয়া আহিল বিদেশী বিতাড়নৰ কথা। আজি ৩০-৪০ বছৰে ৰাজনৈতিক ৰেহ-ৰূপ চাই যি দেখা গ'ল তাৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে কোনো বিদেশী অসমৰ পৰা কোনেও উলিয়াই পঠাব নোৱাৰে। কিন্তু এই সমস্যাৰ সমাধানৰ ভিত্তিত অসমৰ জাতিসত্তাৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। যদি জাতিটোৱে মূৰ দাঙি জীয়াই থাকিব নোৱাৰে তেনেহ'লে চৰকাৰ কাৰ বাবে?

ফোন : ৭০০২৫০২৪৫৭

## এক লাখ খালী পদ পূৰণত ব্যৰ্থ চৰকাৰ

# ৰাজ্যত চাৰে তিনি কোটিৰ এক কোটিয়েই নিবনুৱা

নিৰ্বাচনত যিকোনো উপায়ে জয়ী হোৱাৰ বাবে এইবাৰ শাসক দলে অসমত সকলো ধৰণৰ অনৈতিক কাম-কাজত লিপ্ত হৈছে। নিৰ্বাচনৰ আগে আগে চৰকাৰী ধনেৰে অৰুণোদয় আঁচনিৰ পৰা আৰম্ভ কৰি বিভিন্ন আঁচনি মুকলি কৰি হিতাধিকাৰীলৈ নগদ ধন দিয়াৰ ব্যৱস্থা কৰিছে, বাতৰি কাকতত বাতৰিৰ লেখীয়াকৈ বিজ্ঞাপন ছপাই নিৰ্বাচন আয়োগে নিষিদ্ধ কৰা পেইড নিউজৰ আশ্ৰয় লৈছে। যোৱা দেওবাৰে প্ৰথম পৰ্যায়ৰ ভোট সমাপ্ত হোৱাৰ পাছত অসমৰ কে'বাখনো বাতৰি কাকতৰ শিৰোনামাত প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে 'উজনিৰ আটাইকেইটা সমষ্টিতেই বিজেপিৰ নিশ্চিত জয়'। ইয়াৰ ওপৰৰ শাৰীত লিখা হৈছে 'বিজেপিৰ শুভাকাংক্ষী আৰু কাৰ্যকৰ্তাৰ মাজত বিপুল উৎসাহ।' ছয়-সাতখন মুখ্য দৈনিক বাতৰি কাকতত (দৈনিক অগ্ৰদূত নহয়) কেনেদৰে বিজ্ঞাপন এটাই বাতৰিৰ দৰে প্ৰথম পৃষ্ঠাৰ শিৰোনামা দখল কৰিব পাৰিলে তাৰ ব্যাখ্যা বাতৰি কাকতৰ মালিকপক্ষই পাঠক সমাজক নিশ্চয় দিব লাগিব।

বিজেপিৰ নেতাসকলে দাবী কৰিছে যে অৰুণোদয় আঁচনিৰ জৰিয়তে সমষ্টিয়ে সমষ্টিয়ে ভোটদাতাসকলৰ মন জয় কৰিবলৈ সক্ষম হৈছে। চৰকাৰীভাৱে কোৱা হৈছে এই আঁচনিৰ জৰিয়তে মাহে ৮৩০ টকাকৈ দুখীয়া পৰিয়ালক দিব আৰু ৮৩০ টকাৰে একো একোটা পৰিয়ালে আৰ্থিক সমস্যা নোহোৱাকৈ সুখী জীৱন যাপন কৰিব পাৰিব। চাৰিশ টকাৰ ঔষধ, দুশ টকাৰে চাৰি কিলোগ্ৰাম দাইল, ৮০ টকাৰ চেনি আৰু ১৫০ টকাৰ ফলমূলেৰে সুখী জীৱন যাপন কৰাৰ আঁচনি অসম চৰকাৰে মুকলি কৰিছে। সুধিবলৈ বিচাৰিছো আজিকালি কিলোত ৫০ টকাত দাইল পোৱা যায়নে? আজিকালি ১৫০ টকাৰে এমাহ কি ফলমূল খাবলৈ পোৱা যায়? অসম চৰকাৰে মাহে ৮৩০ টকাৰে অসমৰ দুখীয়া পৰিয়ালসমূহক সুখী আৰু আৰ্থিক সমস্যাহীন জীৱন যাপনৰ যি আঁচনিৰে বাঃ বাঃ ল'ব বিচাৰিছে, সেয়া হাস্যকৰ। অসমৰ জনসাধাৰণক চৰকাৰী ভিক্ষা নালাগে, তেওঁলোকৰ দুখন হাত আছে, তেওঁলোকক কাম দিয়ক, আজিকালি অপটু শ্ৰমিকৰো মজুৰি চহৰত দিনে পাঁচশ টকা। মাহেকত ১০/১৫ দিন কাম পালেও একোগৰাকী ব্যক্তিয়ে ছহেজাৰৰ পৰা ন হেজাৰ টকা ৰোজগাৰ কৰিব পাৰে। চৰকাৰে জনসাধাৰণক নিযুক্তি দিয়ক, বছৰেকত ৪০ লাখ লোকৰ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি ক'লৈ গ'ল? গ্ৰামাঞ্চলত এম-এনৰেগা আঁচনিখন যদিহে যথাযথভাৱে ৰূপায়ণ কৰে, তেনেহ'লে অসমৰ দুখীয়া জনসাধাৰণক আন আঁচনিৰ দৰকাৰ নপৰে; কিন্তু চৰকাৰে এম-এনৰেগা আঁচনিখন ৰূপায়ণত ব্যৰ্থ হৈছে।

কৰ'না অতিমাৰীৰ পাছত হঠাৎ দেশজোৰা তলাবন্ধ ঘোষণা কৰাৰ পাছত বাহিৰা ৰাজ্যত কাম কৰি খোৱা বহু শ্ৰমিক-কৰ্মচাৰী নিজ ঘৰলৈ উভতি আহি নিবনুৱা হৈ আছে। অসমত বিজেপি চৰকাৰৰ দিনত



নিবনুৱা সমস্যা বাঢ়ি দুগুণ হৈছেগৈ। এতিয়া নিৰ্বাচনী প্ৰচাৰৰ সময়ত অসমৰ দুই নম্বৰ মন্ত্ৰীগৰাকীয়ে কৈছে যে ২০২২ৰ মাৰ্চৰ ভিতৰত এক লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি দিব। আমি যদি বিজেপি চৰকাৰৰ ৰেকৰ্ড চাওঁ তেনেহ'লে দেখিবলৈ পাম মিথ্যাচাৰৰ এক জ্বলন্ত ছবি। যোৱা ২৬ জানুৱাৰীত অসমৰ ৰাজ্যপাল জগদীশ মুখীয়ে কৈছে যে যোৱা ২০১৬ৰ পৰা যোৱা চাৰে চাৰিটা বছৰত অসম চৰকাৰে মাত্ৰ ৮০হেজাৰ লোকৰ চাকৰি দিছে আৰু ইয়াৰ ভিতৰত আছে ঠিকাভিত্তিক চাকৰিও। গতিকে আমি দেখিবলৈ পাইছো অসম চৰকাৰৰ মিথ্যাচাৰৰ স্বৰূপ।

যোৱা ২০২০ৰ দুই মাৰ্চত অসম বিধানসভাৰ মজিয়াত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এক লিখিত প্ৰশ্নৰ উত্তৰত অসম চৰকাৰে জনাইছিল যে অসমৰ ৪০টা বিভাগত ৫৯,০৭৩টা পদ খালী আছে। অসম চৰকাৰৰ অধীনত মুঠ ৫৯টা বিভাগ আছে। বাকী ১৯টা বিভাগত কিমান চাকৰি খালী আছে, তাক পিছে জনোৱা নাই। আমি জানিব পৰা মতে এই কেইটা বিভাগতো আৰু ৪০ হেজাৰ চাকৰি খালী হৈ আছে। যি ১৯টা চৰকাৰী বিভাগত খালী হৈ থকা পদৰ তথ্য চৰকাৰে দিব নোৱাৰিলে সেইবোৰৰ ভিতৰত আছে মাধ্যমিক শিক্ষা, স্বাস্থ্য বিভাগ আৰু বিত্ত বিভাগ। এই দপ্তৰকেইটাৰ মন্ত্ৰী হ'লগৈ এতিয়া অহা ২০২২ৰ ভিতৰত এক লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি দিব বুলি কোৱা অসমৰ দুই নম্বৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। তেওঁৰ বিভাগবোৰত খালী পদ কিমান আছে, তাৰ তথ্যই চৰকাৰৰ হাতত নাই, গতিকে চাকৰি দিয়ে বা কেনেকৈ? ২০১৪ত লোকসভাৰ নিৰ্বাচনৰ সময়ত নৰেন্দ্ৰ মোদীয়ে প্ৰতি বছৰে দুই কোটি লোকক চাকৰি দিব বুলি প্ৰতিশ্ৰুতি দিছিল; কিন্তু সেই প্ৰতিশ্ৰুতিৰ কি হ'ল কোনেও নাজানে; বিজেপিৰ মতে দেশত হেনো বছৰি আঢ়ৈ কোটি লোকে চাকৰি পায়। যদি ইমান লোকে চাকৰি পায়, তেনেহ'লে



**নিউজ স্কেন**

**গীতাৰ্থ পাঠক**

নিবনুৱাৰ সংখ্যা বাঢ়ে কেনেকৈ? বিজেপি চৰকাৰে এতিয়া ৰাজহুৱা খণ্ডৰ সকলো উদ্যোগ তথা প্ৰতিষ্ঠান বিক্ৰী কৰিবলৈ ওলাইছে। ফলত এই উদ্যোগ তথা প্ৰতিষ্ঠানসমূহত হেজাৰ হেজাৰ লোকৰ চাকৰি যাব। যোৱা বছৰটোত অপৰিকল্পিতভাৱে তলাবন্ধ ঘোষণা কৰাৰ ফলত প্ৰায় এক কোটি লোকে চাকৰি হেৰুৱাইছে। প্ৰধানমন্ত্ৰীক এতিয়া দুই কোটি চাকৰিৰ কথা সুধিলে ফুটপাথত পকোৰা বিক্ৰী কৰা লোকসকললৈ আঙুলিয়াই কয় যে এইসকল লোকে তেওঁৰ শাসন কালত চাকৰি বা ৰোজগাৰ পাইছে।

অসম চৰকাৰে বিভিন্ন বিভাগত খালী হৈ থকা পদৰ বিপৰীতে চাকৰিৰ বাবে সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল যদিও সেই সাক্ষাৎকাৰৰ ফলাফল ঘোষণা কৰা নাছিল। ৰাজ্য চৰকাৰৰ গৃহ বিভাগত ৮,৯৮৫টা কনিষ্টবল পদৰ বাবে আঠ লাখ ১৯ হেজাৰ ছশ যুৱক-যুৱতীয়ে আবেদন কৰিছিল; কিন্তু এইসকল নিবনুৱা যুৱক-যুৱতীৰ এগৰাকীয়েও চাকৰি নাপালে। বিদেশী ন্যায়াধিকৰণসমূহত ১,৬০০ গৰাকী বিষয়া-কৰ্মচাৰীৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পাছতো তেওঁলোকক চাকৰিৰ পৰা বঞ্চিত কৰিলে ৰাজ্য চৰকাৰে। চেন্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক'নমিৰ মতে ২০১৬ৰ জানুৱাৰীত অসমত নিবনুৱাৰ পৰিমাণ আছিল ৫.৯ শতাংশ। ২০২১ৰ জানুৱাৰীত এই শতাংশ বৃদ্ধি পাই ৭.৬ হৈছেগৈ বুলি এই সংস্থাটোৱে পৰিসংখ্যা আগবঢ়াইছে। আনহে নালাগে, অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অসম বিধানসভাৰ মজিয়াত ২০২০ৰ চাৰি মাৰ্চত বিধায়িকা ৰোজলিনা তিৰ্কিৰ প্ৰশ্নৰ উত্তৰত এই তথ্য দিছিল যে অসমত ২০১৬ত যেতিয়া বিজেপি চৰকাৰ গঠিত হৈছিল, তেতিয়া পঞ্জীয়নকৃত মুঠ নিবনুৱাৰ সংখ্যা আছিল ১৬,৪২,৭১৪ গৰাকী, ২০১৯ৰ জুনত এই নিবনুৱাৰ সংখ্যা বৃদ্ধি পাই ১৭,১৫,৭৫৯ হৈছিলগৈ। এতিয়ালৈ হিচাপ কৰিলে এই পৰিসংখ্যা ১৮ লাখৰ কাষ চাপিবগৈ। ওপৰত উল্লেখ কৰা এই নিবনুৱাসকল চৰকাৰৰ নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়নকৃত নিবনুৱা। সাধাৰণতে শিক্ষিত যুৱক-যুৱতীসকলেহে নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীয়ন কৰে। আজি-কালি বহু শিক্ষিত নিবনুৱায়ো নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন নকৰে। কাৰণ নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে চাকৰি পোৱাৰ বিশেষ উদাহৰণ নাই। ৰাজ্যখনৰ মুঠ নিবনুৱাৰ সংখ্যা পঞ্জীয়নকৃত নিবনুৱাৰ চাৰিগুণতকৈ অধিক হ'ব। অৰ্থাৎ ৮০ লাখতকৈ কম নহ'ব। আনহাতে, গ্ৰামাঞ্চলৰ ভূমিহীন কৃষক বনুৱাসকলক ধৰিলে অসমৰ নিবনুৱাৰ সংখ্যাই এক কোটিৰ ঘৰ পাৰ হ'ব।

কৰ'নাৰ সময়ছোৱাত বিশেষকৈ যোৱা বছৰটোত বহু সৰু-সুৰা ব্যৱসায়ীৰ ব্যৱসায় বন্ধ হৈ গৈছে। আনকি মজলীয়া আৰু বৃহৎ ব্যৱসায়ীসকলো তীব্ৰ সংকটৰ সন্মুখীন হৈছে। এনেদৰে বহু লোকে ৰোজগাৰ হেৰুৱাই নিবনুৱা হৈ বহি আছে। এওঁলোকক উদ্ধাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে তথা কেন্দ্ৰই কোনো ধৰণৰ অৰ্থনৈতিক পেকেজৰ ব্যৱস্থা নকৰিলে। বৰঞ্চ বৃহৎ পুঁজিপতিসকলক সকাহ দিয়াৰ বাবে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে যথেষ্ট পেকেজ আগবঢ়ালে। কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুদ্ধত আগভাগ লোৱা সংবাদ মাধ্যমকো কোনো সহায়ৰ পেকেজ নিদিলে। আনকি বহু সাংবাদিকে চাকৰি হেৰুৱাই নিবনুৱা হৈছে। আমাৰ অসমতেই ভালেমান বাতৰি কাকত বন্ধ হৈ গৈছে। গতিকে আমাৰ সন্মুখত চৰকাৰে দিয়া তথ্য আছে। এই তথ্যই দেখদেখকৈ দেখুৱাই দিছে যে বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখনে নিবনুৱা সমস্যা সমাধান কৰাটো দূৰৰ কথা, এই চৰকাৰৰ দিনত নিবনুৱা হু হুকৈ বাঢ়ি গৈ আছে মূল্যবৃদ্ধিৰ লেখীয়াকৈ। পেট্ৰ'ল-ডিজেলৰ দাম এশ টকাৰ ওচৰ চাপিছে। খোৱাতেলৰ দাম লিটাৰত দুশ টকাৰ ওচৰ চাপিছে, দাইলৰ দাম এশ টকা পাৰ হৈ গৈছে। ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ খৰচ বাঢ়িছে, স্বাস্থ্যসেৱা তথা চিকিৎসা খৰচ বাঢ়িছে, ঔষধৰ মূল্য দুগুণে চৰিছে। এনে পৰিস্থিতিত নিবনুৱা এগৰাকীৰ বা তেওঁৰ পৰিয়ালৰ কি অৱস্থা হ'ব, সেয়া সহজেই অনুমেয়। আমি দেখিছো বিজেপি চৰকাৰ প্ৰতিশ্ৰুতি দিয়াত ভাল, কিন্তু প্ৰতিশ্ৰুতি ভংগ কৰাৰ ক্ষেত্ৰতো ভাল। অসম বিধানসভাত চৰকাৰে প্ৰতিশ্ৰুতি দিছিল এক লাখ খালী পদ পূৰণ কৰাৰ; কিন্তু নকৰিলে। অসমৰ জনসাধাৰণে সেই প্ৰতিশ্ৰুতিবোৰ পাহৰি যোৱা বুলি ভাবি এতিয়া আকৌ নিৰ্বাচনী প্ৰতিশ্ৰুতি দিছে যে ২০২২ৰ মাৰ্চৰ ভিতৰত এক লাখ যুৱক-যুৱতীক চাকৰি দিব। অসমৰ বিজেপি চৰকাৰৰ দিনত বছৰেকত পঞ্জীয়নকৃত নিবনুৱা প্ৰায় ৪০ হেজাৰকৈ বাঢ়ি আছে। গতিকে এক লাখ চাকৰি একোৱেই নহয়। খালী থকা পদকেইটাই বিজেপি চৰকাৰে পূৰণ কৰিব নোৱাৰিলে। এই পদকেইটা পূৰণ কৰিলে এক লাখ লোকে চাকৰি পালেহেঁতেন। গতিকে বিজেপি চৰকাৰে নতুনকৈ যে চাকৰি সৃষ্টি কৰিব নোৱাৰে, সেয়া ধ্ৰুৱপ।

নিবনুৱাসকলক কাম দিয়ক চৰকাৰে, তেওঁলোকৰ উৎপাদন ক্ষমতাক সদ্ব্যৱহাৰ কৰক। তাকে নকৰি মাহে ৮৩০ টকাকৈ ছটিয়াই দি অসমৰ নিবনুৱাসকলক উপলুঙাহে কৰিছে চৰকাৰে। অসমৰ নিবনুৱা যুৱক-যুৱতীসকলৰ শৰীৰত শক্তি আছে ৰোজগাৰ কৰাৰ বাবে। তেওঁলোকক বহুৱাই থৈ কলঢোপ কলঢোপকৈ জীয়াই থাকিবৰ বাবে কেইটামান মুদ্ৰা ছটিয়াই চৰকাৰে ৰাজ্যখনৰ নিবনুৱা সমস্যাটোক অধিক ভয়াৱহ কৰি তুলিছে। বহু উচ্চ শিক্ষিত যুৱক-যুৱতী ডাক্তৰ, ইঞ্জিনীয়াৰ, প্ৰযুক্তিবিদ, কলা-কুশলী নিবনুৱা হৈ পৰি আছে। গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকসকলক চৰকাৰে ৰোজগাৰ দিয়াৰ ব্যৱস্থা কৰক, তেওঁলোকৰ উৎপাদনশীলতাক দেশৰ উন্নয়নৰ বাবে কামত লগাওক আৰু তেওঁলোককো সন্মান সহকাৰে জীয়াই থকাৰ সুযোগ আগবঢ়াওক। চৰকাৰৰ দুপইচাৰ অনুগ্ৰহৰ সলনি চৰকাৰে এইখিনিকে কৰক।

ফোন : ৯৪৩৫০৪৮৪৮৪

## অসমত আছে ধোঁদ, এলেহুৱা আৰু অকৰ্মণ্য সৃষ্টি কৰা ৰাজনৈতিক কাৰখানা

# মানৱ সম্পদ আৰু কৰ্মসংস্কৃতি গঢ়াৰ পৰিৱৰ্তে ভোট বেংকত গুৰুত্ব কিয়?

ভাৰতৰ ৰাজনীতিত ভোটাৰৰ গুৰুত্ব অপৰিসীম। অসমৰ ৰাজনীতিতো ভোটাৰৰ প্ৰাধান্য অপাৰ। অনিবাৰ্যও। নিৰ্বাচন বুলিলে মুখ্য বিষয়টোৱেই হ'ল ভোটদাতা। ভোটদাতা অবিহনে নিৰ্বাচন, প্ৰতিদ্বন্দ্বিতা, জয়-পৰাজয়, চৰকাৰ গঠন, এই সমস্ত প্ৰক্ৰিয়াটোৱে অসাৰ।

ভোটদাতাৰ আৱেগ সৰ্বস্ব ভোটদানে এজন প্ৰাৰ্থীক বিধায়ক-মন্ত্ৰী পৰ্যন্ত পদলৈ উত্তৰণ ঘটাব পাৰে। ভোটদাতাই ইচ্ছা কৰিলে এজন অতি সাধাৰণ মানুহক অসাধাৰণ ব্যক্তিলৈ ৰূপান্তৰিত কৰিব পাৰে। দুষ্ট-দগাবাজ লোকক অৱশ্যে ভোটাৰেই তেওঁলোকৰ বহুমূলীয়া ভোটটোৰে এজন মান্যবৰ জনপ্ৰতিনিধিলৈ উন্নীত কৰি তোলে। তেওঁ তেতিয়া হয় শক্তিশালী আৰু সন্মানিত।

আনটো দিশত আকৌ সচেতন আৰু সতৰ্কৱান ভোটাৰৰ বিবেক ভোটে ধনী-অহংকাৰী প্ৰাৰ্থী এজনৰ পৰাজয় নিশ্চিত কৰাই অকল নহয় সমাজত তেওঁৰ মান, স্থান আৰু সন্মান অৱনত কৰি লজ্জাত পেলোৱা নজিৰো নোহোৱা নহয়। নিৰ্দিষ্ট সংখ্যক ভোট লাভ নকৰা প্ৰাৰ্থীৰ আমানত ধন বাজেয়াপ্ত হয় স্বাভাৱিকতে। প্ৰাৰ্থী এজনৰ পৰাজয়ত দলৰ ধন, সময় আৰু শক্তিৰ অপচয় হোৱাই নহয় অপমানো অনিবাৰ্য হৈ পৰে অপ্ৰত্যাশিতভাৱে।

ৰাজনীতিৰ পৰম্পৰাত সাধাৰণতে নিৰ্বাচনৰ গৰম বতাহ চলাৰ পৰতে ভোটাৰক প্ৰথমতে ভয়-ভীত কৰোৱা হয়। জাত-ধৰ্ম, বৰ্ণ-সম্প্ৰদায়ৰ মাজত বিভেদ-বৈষম্যৰ বীজ ভোটাৰৰ মন-মগজুত ৰোপণ কৰা হয়। প্ৰয়োজন বুজি হিংসা-হত্যাৰ আশ্ৰয় লৈ ভোটদাতাক নিজৰ পক্ষত আনিবলৈ চেষ্টা কৰা হয়। শান্তি-সুৰক্ষাৰ কথা কৈ মিছা আশ্বাস প্ৰদান কৰা হয় কৃত্ৰিম কাজিয়া-কলহৰ অন্তত। কেতিয়াবা ইচ্ছাকৃতভাৱে একোটা অঞ্চলত ৰণক্ষেত্ৰ তৈয়াৰ কৰা হয় নিৰ্বাচনৰ আগমুহূৰ্তত।

য'ত যি নকৰক, নিৰ্বাচনী ৰণক্ষেত্ৰত তিষ্ঠি থাকিবলৈ আৰু শেষত জয়ী হৈ ওলাই আহিবলৈ আকৌ ভোটাৰৰেই প্ৰয়োজন। মুঠতে ভোটদাতাই প্ৰাৰ্থীৰ জয়-পৰাজয়, চৰকাৰ, বিৰোধী ইত্যাদিৰ মূল ছাবি-কাঠি। প্ৰধান চালিকা শক্তি ভোটাৰ। এনেবোৰ কাৰণতে প্ৰতিটো দল-সংগঠনে-ভোট বেংক তৈয়াৰ কৰাত মনোনিৱেশ কৰে পহিলাতে। কথাতে কয় বোলে পহিলাতে দিবা আলি তাৰ পাছত ৰুৱা শালি।

ভোট বেংক তৈয়াৰ কৰাত কংগ্ৰেছ, বিজেপি দুয়োটা দল সিদ্ধহস্ত যদিও আপাততঃ এ আই ইউ ডি এফকহে সম্পূৰ্ণ নম্বৰ দিব লাগিব এথোন। কাৰণ আজিৰ তাৰিখত এ আই ইউ ডি এফৰ ভোট বেংক সম্পূৰ্ণৰূপে মজবুত আৰু সুৰক্ষিত। কংগ্ৰেছে গঢ়া ভোট বেংকত ইউ ডিএফৰ দপ্দপনি দেখি কংগ্ৰেছীবিলাক বৰ্তমান ভয়-ভীত আৰু সন্ত্ৰস্ত। তাৰ বাবে দায়ী কিন্তু



**আছুতীয়া চিন্তা**

**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

কংগ্ৰেছ নিজে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ ১০-১১ বছৰ আগৰ পৰাই ছাদুল্লাৰ নেতৃত্বত পূৰ্ববংগীয় মুছলমান (মিঞা)সকলক অসমলৈ আমদানি কৰা হৈছিল কৃষি শ্ৰমিকৰূপে। অসমৰ সাৰুৱা আৰু বিশাল কৃষি ভূমিত কৃষি কাৰ্য চলাই অধিক খাদ্য শস্য উৎপাদন কৰিবলৈ মিঞাসকলক আনি চৰ-চাপৰি, চৰণীয়া পথাৰ, পতিত ভূমি, ৰিজাৰ্ভ আদিত সংস্থাপিত কৰা হৈছিল। আমদানি কৰা নতুবা ঐচ্ছিকভাৱে অহা প্ৰৱাহটো অৱশ্যে চলিয়ে আছিল। জাকে জাকে লাখে লাখে প্ৰব্ৰজন কৰিছিল এটা সময়ত।

ছাৰ ছাদুল্লাৰ গোপন উদ্দেশ্য কি আছিল তাক সঠিকভাৱে জনা নাযায় যদিও জৱাহৰলাল নেহৰু, ইন্দিৰা গান্ধীক প্ৰমুখ্য কৰি কংগ্ৰেছী নেতা-নেতৃত্বৰ প্ৰথমৰে পৰা মুছলমান প্ৰীতি এটা যে হৃদয়ত ক্ৰীড়া কৰি আছিল তাক হ'লে কোনেও নহয় বুলি ক'ব নোৱাৰে।

এই যে মুছলমান প্ৰীতি আৰু দুৰ্বলতা তাৰ অচিলা লৈয়ে স্বাধীনতাৰ পাছৰ পৰা আজিলৈকে হোৱা হোৱে পূৰ্ব বংগীয় মুছলমান লোক আহি অসমৰ জনগাঁথনিতে আউল লগাই দিলে। সভ্যতা-সংস্কৃতিৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিল। তাক জানি-বুজিও কংগ্ৰেছী নেতা-দালালে মানুহবোৰ আনিয়ে থাকিল। তেওঁলোকৰ উদ্যোগতে পৰ্যায়ক্ৰমে সেই মানুহবোৰক ৰাজনৈতিক অধিকাৰ দি ভাৰতীয় নাগৰিক কৰি লোৱা হ'ল। সেই কাৰণেই তেওঁলোকৰ কংগ্ৰেছৰ প্ৰতি আনুগত্য আৰু কৃতজ্ঞতাৰ ভাব এটা অৱধাৰিতভাৱে আহি পৰিল যিটো আজিও কিছু পৰিমাণে নথকা নহয়।

পূৰ্ববংগীয় মুছলমানবিলাকৰ লগতে খিলঞ্জীয়া মুছলমান ভাইসকলক মূল ভোটাৰ (ভোট বেংক) কৰি লৈ নিৰ্বাচনী খেলখন খেলি গৈ থাকিল ধুৰন্ধৰ কংগ্ৰেছীয়ে।

কিন্তু বৰ পৰিতাপৰ কথা যিবিলাক মতদাতাৰ মতদানেৰে কংগ্ৰেছৰ নেতা-মন্ত্ৰী-বিধায়কসকলে চৰকাৰ গঠন কৰি ৰাজভোগ খালে সেই মতদাতা (চৰ-চাপৰিৰ মিঞা) সকলৰ উন্নতি, জীৱন ধাৰণৰ মান, শিক্ষা-স্বাস্থ্য ইত্যাদিৰ প্ৰতি স্বয়ং কংগ্ৰেছী নেতা-দালালবোৰ সদায় অমনোযোগী আৰু উদাসীন হৈ থকাহে দেখা গ'ল। চৰ-চাপৰি উন্নয়ন, সংখ্যালঘু উন্নয়ন আদি আঁচনিৰ ধন নেতা-দালালে আদবাটতে গিলি খোৱা হ'ল। বছৰ বছৰ ধৰি তেওঁলোকক বঞ্চিত আৰু প্ৰতাৰিত কৰা হ'ল। সেই কাৰণে সেইসকল কংগ্ৰেছী নেতাৰ প্ৰতি তেওঁলোকৰ মোহ ভংগ হ'ব ধৰিলে। লাহে লাহে বীতশ্ৰদ্ধ হ'ল। বহুলোক, নেতা-সদস্য কংগ্ৰেছৰ প্ৰতি বিতুষ্ট হৈ পৰিল। তেনে সময়ত আৰম্ভ হ'ল অস্তিত্ব ৰক্ষাৰ আন্দোলন। ছবছৰীয়া অসম আন্দোলনক বিদেশী খেদা আন্দোলন নাম দিয়াৰ লগে লগে মিঞা মুছলমানসকলৰ অস্তিত্বৰ লগতে গৃহভূমিৰ প্ৰশ্ন আহি পৰিল। অসমৰ দৰে সাৰুৱা-সেউজীয়া পথাৰ আৰু নতুনকৈ বান্ধি লোৱা ঘৰখন এৰি নোযোৱাৰ মৰণ পণ ল'লে বাংলাদেশৰ পৰা আহি অসমত বসতি কৰিবলৈ লোৱা মানুহবিলাকে।

আন্দোলন শেষ হ'ল, ১৯৮৫ত অসম চুক্তি স্বাক্ষৰ হ'ল। তাৰ পাছতে নিৰ্বাচন আহিল। সেই নিৰ্বাচনত মিঞা মুছলমানসকলৰ সৰহভাগে হিন্দু নেতাক বিশ্বাসত লোৱাটো দূৰৰে কথা তেওঁলোকক আমদানি কৰি আনি সংস্থাপিত কৰা আৰু পালন-পোষণ কৰোতা কংগ্ৰেছকো বিশ্বাস নকৰা হ'ল। তেওঁলোকে প্ৰকাশ্যে বিষোদগাৰ কৰাত লাগিল।

তেনেহেন সূৰ্বণ সুযোগ লাভ কৰি বংগমূলীয়া মুছলমানসকলৰ ত্ৰাণকৰ্তাৰ ৰূপত গোলাম ওছমানি ওলাই আহিল। ওছমানিয়ে ইউ এম এফ নাম দি ৰাজনৈতিক দল এটাৰ জন্ম দি অভিবাসীসকলক এখন মঞ্চত থিয় কৰাবলৈ সক্ষম হ'ল। তেতিয়াৰ পৰাই অসমৰ থলুৱা লোকৰ বিৰুদ্ধে এইসকল লোকক সচেতন আৰু শক্তিশালী কৰাৰ কৌশল চলি থাকিল।

সম্প্ৰতি সেইটো ধাৰা বহুখিনি সলনি হৈছে। বিজেপিৰ শাসন কালত হিন্দু-মুছলমান, হিন্দু-সম্প্ৰদায়ৰ মাজত বিভাজন গা কৰি উঠা দেখা গ'ল। কংগ্ৰেছ আৰু ইউডিএফে হিন্দুসকলক আনকি শত্ৰু জ্ঞান কৰা হ'ল। ধৰ্ম আৰু সম্প্ৰদায়ৰ দ্বাৰা প্ৰভাৱিত হৈ হিন্দু বিদ্বেষী মনোভাৱ পোষণ কৰি তাক প্ৰচাৰ আৰু প্ৰসাৰৰ ষড়যন্ত্ৰত নামি পৰিল দুয়োটা দল।

তাৰ বিপৰীত মেৰুত অৱস্থান কৰি ভাৰতীয় জনতা পাৰ্টিয়েও হাত সাবটি বহি নাথাকিল। 'আমাক মুছলমানৰ ভোট নালাগে' বুলি ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক আৰু সংবাদ মাধ্যমৰ জৰিয়তে খাটাংকৈয়ে কৈ দিলে। এতিয়া অৱশ্যে তাৰ কিছু সালসলনি কৰি 'আমাক মিঞাৰ ভোট নালাগে' বুলি দোহাৰিলে। আহোম-মোগলৰ ৰণ, শৰাইঘাটৰ শেষ ৰণ, হিন্দুৰ সভ্যতা-সংস্কৃতি ৰক্ষাৰ যুদ্ধ



ইত্যাদি কথা বা শ্ল'গানেৰে হিন্দুসকলক একত্ৰ কৰাৰ প্ৰয়াস কৰি আহিছে ডঃ হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ নিশ্চিত ফল অৱশ্যে ভৱিষ্যতৰ হাতত।

ইফালে, ইতিমধ্যে যোৱা কিছু বছৰৰ পৰা মৌলানা বদৰুদ্দিন আজমল মিঞা মুছলমানসকলৰ ত্ৰাণকৰ্তা আৰু ভাগ্য-বিধাতা ৰূপে আৱিৰ্ভাৱ হৈছে অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত। তাৰ সমান্তৰালভাৱে হিন্দু সভ্যতা-সংস্কৃতিৰ ৰক্ষক, পালন-পোষক আৰু বাহকৰূপত বিজেপি ওলাই আহিল নতুন সমৰ সজ্জাৰে। দুয়োটা শিবিৰ ধৰ্ম-সম্প্ৰদায়, হিন্দু-মুছলমানৰ ভিত্তিত সম্পূৰ্ণ দুটা ভাগত ভাগ হৈ দুই মেৰুত অৱস্থান কৰি ৰণ চালি প্ৰস্তুত কৰি গ'ল ভোটদাতাক ভোল নিয়াবলৈ।

মুঠতে কোনে কেনেকৈ মতদাতাক নিজৰ নিজৰ পক্ষলৈ আনিব পাৰে তাৰ বাবে যৎপৰোনাস্তি চেষ্টাত লাগি পৰিল। প্ৰলোভন, প্ৰৱোচনা আৰু প্ৰতিশ্ৰুতিকে মূলধন কৰি প্ৰতিটো ৰাজনৈতিক দল ভোটাৰৰ মাজত সোমাই পৰিল ভোট ভিক্ষা কৰিবলৈ। কোনোটো দলেই প্ৰতিশ্ৰুতি দিয়াত পিছপৰি নৰ'ল। আনকি নতুনকৈ জন্ম লাভ কৰা পানী কেঁচুৱা দলকেইটাও প্ৰতিশ্ৰুতিৰ বন্যা বোৱাই দিলে বাৰিষা অহাৰ আগতে।

সঁচাকৈয়ে বৰ দুখৰ বিষয় ৰাজনৈতিক নেতাসকলে মানৱ সম্পদ গঢ়া, কৰ্ম সংস্থান বৃদ্ধি কৰাৰ পৰিৱৰ্তে ভোট বেংক তৈয়াৰ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱাহে দেখা যায় সদায়। জাত, ধৰ্ম, বৰ্ণ-সম্প্ৰদায়ৰ আচলত ধৰি আগবঢ়া ৰাজনৈতিক নেতাৰ উমৈহতীয়া চিন্তা-চৰ্চাৰ সলনি গাইগুটীয়া চিন্তা আৰু সাম্প্ৰদায়িক ভাৱনাৰে প্ৰশিক্ষণপ্ৰাপ্ত হৈ ভোটাৰক ভাগ ভাগ কৰি ৰাজনৈতিক মুনাফা আদায় কৰাৰ প্ৰৱণতা সৰ্বত্ৰ আৰু সকলো দলৰে ক্ষেত্ৰত দেখা যায় প্ৰায় একেটা সূত্ৰতে।

শিয়াল বুদ্ধিৰ ৰাজনৈতিক নেতাই ধৰ্মীয় আৰু সাম্প্ৰদায়িক আৱেগ মূৰত সুমুৱাই দি ভোটাৰক সংকীৰ্ণ গণ্ডীত আবদ্ধ কৰি পেলায়। মানুহৰ মূল মৌলিক প্ৰশ্নবোৰৰ পৰা মতদাতাক সদায় আঁতৰাই ৰাখি ভ্ৰমৰোগত ভোগায়। চমক সৃষ্টি কৰি মানুহক ভ্ৰমিত কৰাই হ'ল নেতা-নেতৃত্বৰ প্ৰধান কাম।

দক্ষ কৰ্মী, সুদক্ষ শ্ৰমিক আৰু নিপুণ কলা-কুশলী তৈয়াৰ কৰা কাৰখানা অসমত নাই। অসমত আছে ধোঁদ, এলেহুৱা আৰু অকৰ্মণ্য সৃষ্টি কৰা ৰাজনৈতিক কাৰখানা।

তিনিটকীয়া, এটকীয়া, শেষত বিনামূলীয়া চাউল চৰকাৰৰ পৰা পাই অসমীয়াই কাম নকৰাই হ'ল। বহুত অসমীয়া কৃষকে কৃষি কৰ্ম ত্যাগ কৰি হাল-গৰু বিক্ৰী কৰিলে। মানুহবোৰ অকৰ্মণ্য হ'ল। আলি মূৰত চালি ধৰা, চুপতি মৰা, ফুচুৰি বকা আৰু গুটখা-মদ খোৱা জাতি এটালৈ ৰূপান্তৰিত হ'ল অসমীয়া। সৰ্ব শিক্ষাৰ শিক্ষাৰে শিক্ষিত আধা ডুখৰীয়া অসমীয়া যুৱক-যুৱতীয়ে চৰকাৰী চাকৰিলৈ অপেক্ষা কৰি কৰি দাড়ি-চুলি পকালে। তথাপি স্বনিৰ্ভৰশীল কাম এটা হাতত লৈ স্ব-নিয়োজনৰ ব্যৱস্থা কৰাৰ ইচ্ছা প্ৰকাশ নকৰে। ৰাজ্যৰ চৰকাৰখনেও নিয়োগ ব্যৱস্থা বঢ়োৱাৰ পৰিকল্পনা কেতিয়াও নকৰে। বৰ্তমান কল-কাৰখানা অসমত নাই বুলিলেই হ'ল। থকাকেইটা এটা এটাকৈ মৰি সাং হ'ল। তাক জীয়াই তুলিবলৈ কোনো এখন চৰকাৰ আগবাঢ়ি নাহিল। চৰকাৰী হেমাহি আৰু অকৰ্মণ্যতাই উদ্যোগকেইটা মৃত্যুৰ প্ৰধান কাৰণ বুলি ন'কৈ নোৱাৰি।

এহাতে ধৰ্মীয় আৰু সাম্প্ৰদায়িক আৱেগ আনফালে খাদ্য বস্তুৰ বিনামূলীয়া যোগান; মন্দিৰ-মছজিদ তৈয়াৰ আৰু নামঘৰলৈ আৰ্থিক অনুদান, এই সমস্ত কথা-কাণ্ডবোৰ কেৱল মাত্ৰ ভোট লাভৰ অংক নহয় জানো? প্ৰতিটো নিৰ্বাচনত জয়লাভ কৰি ৰাজভোগ খোৱা। পাং পতা হয় ৰজা হোৱাৰ।

ভোট বেংক গঠন কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ আৰু ভাৰতীয় জনতা পাৰ্টিৰ মাজত প্ৰতিযোগিতা-প্ৰতিদ্বন্দ্বিতা চলি থকাৰ মাজতে এ আই ইউ ডি এফৰ ভোট বেংকটোহে ক্ৰমান্বয়ে মজবুত হৈ আহিছে অসমত। চৰ-চাপৰি আৰু সংখ্যালঘু অধ্যুষিত অঞ্চলত মৌলবাদী কাৰ্যকলাপ দিনে দিনে বৃদ্ধি হৈ আহিব ধৰা কথাবোৰ কাকতে-পত্ৰই সকলোৱে পঢ়িবলৈ পাই আছে। 'ইছলামিক ষ্টেট' গঠন কৰিব খোজা মাৰাত্মক প্ৰভাৱ আৰু প্ৰচাৰ এটা যে সংখ্যালঘু অঞ্চলবোৰত চলি আছে সিয়ো এটা চিন্তাৰেই বিষয় হৈ পৰিছে।

মিঞা মুছলমানসকলৰ মাজত চলি থকা জনবিস্ফোৰণ অসমৰ জনগাঁথনি আৰু ভাষা-সংস্কৃতিৰ কাৰণে এক অশনি সংকেত। মিঞাসকলৰ জন্ম নিয়ন্ত্ৰণত কোনো লেকাম নাই। ধৰ্মগুৰু আৰু ৰাজনৈতিক নেতাবোৰৰ পৰা বৰঞ্চ উৎসাহহে পায়। বহুতে জনসংখ্যা বৃদ্ধিৰ কাৰণে উচটায়। সংখ্যালঘুৰ পৰা সংখ্যা গুৰু হ'বলৈ অতিমাত্ৰা হাৰত সন্তান জন্ম দি জীৱ-জন্তুৰ লগত মানুহৰ পাৰ্থক্য হেৰুৱাই পেলায়।

মিঞা সমাজত একোহাল পিতৃ-মাতৃৰ ১০-১২টাৰো অধিক সন্তান থকা দেখা যায়। একোটা পৰিয়ালৰ পৰা একোখন গাঁও সৃষ্টি হয় মাত্ৰ দুটা বা তিনিটা পীৰিৰ ভিতৰত, ৩০ৰ পৰা ৪০ বছৰৰ সময়ান্তৰত।

সত্য কথাটো যদি স্বীকাৰ কৰা হয় তেতিয়া হ'লে ক'বই লাগিব যে মিঞা মুছলমানসকলৰ কাৰণে খিলঞ্জীয়া মুছলমানসকল ক্ষতিগ্ৰস্ত আৰু লজ্জিত হ'ব লগা হৈ আছে সদায়। বংগমূলীয়া লোকসকলৰ কাৰণে থলুৱা মুছলমান ভাইসকলে ইতিমধ্যে বহু ধৰণৰ বদনাম আৰু অপযশ সহ্য কৰিব লগাতো পৰিছে। তেওঁলোকৰ ভোট বেংক মজবুত হোৱা আৰু জনসংখ্যা দিন- প্ৰতিদিন বাঢ়ি যোৱাটো অসমৰ হিন্দু সম্প্ৰদায়ৰ কাৰণে বিপদঘণ্টা, কংগ্ৰেছ দলটোৰ কাৰণে মৃত্যুঘণ্টা আৰু অসমীয়াৰ অস্তিত্বৰ সংকট আহি পৰাটো নিশ্চিত।

ফোন : ৮৮২২১৮৮৬৭৯

## ৰাষ্ট্ৰপতি ক'ৱিন্দৰ হৃদপিণ্ডৰ বাইপাছ অস্ত্ৰোপচাৰ সফল



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মাৰ্চ ঃ** দিল্লীস্থিত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ)ৰ চিকিৎসকে ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দৰ হৃদপিণ্ডৰ বাইপাছ অস্ত্ৰোপচাৰ সফলতাৰে সম্পন্ন কৰিলে। ৭৫ বছৰীয়া বয়সৰ ক'ৱিন্দক সম্প্ৰতি চিকিৎসকে নিৰীক্ষণত ৰাখিছে। ৰাষ্ট্ৰপতি স্বাস্থ্য সম্প্ৰতি স্থিতিশীল বুলি এইমছৰ সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। উল্লেখ্য যে যোৱা ২৭ মাৰ্চৰ পুৱা বুকুত বিষ অনুভৱ কৰা ক'ৱিন্দক পৰিয়ালৰ লোকে প্ৰথমে সেনাৰ চিকিৎসালয়ত ভৰ্তি কৰিছিল। পাছত চিকিৎসকে তেওঁক এইমছলৈ প্ৰেৰণ কৰে আৰু আজি চিকিৎসকে ৰাষ্ট্ৰপতিৰ বাইপাছ অস্ত্ৰোপচাৰ সম্পন্ন কৰে।

## মূল্যবৃদ্ধিৰ পৰিণতি, আঢ়ৈ বছৰত তৃতীয়বাৰ বিত্তমন্ত্ৰী সলনি ইমৰানৰ



নিউজ ব্যুৰ', ইছলামাবাদ, ৩০ মাৰ্চ ঃ পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে ডাঃ আব্দুল হাফিজ শ্বেখক দেশখনৰ বিত্তমন্ত্ৰীৰ পদৰ পৰা অপসাৰণ কৰিলে। শ্বেখৰ স্থানত বিত্তমন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে হম্মাদ আজহৰে। আজহৰে পূৰ্বে দেশখনৰ উদ্যোগ আৰু উৎপাদন মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। পাকিস্তানত ব্যাপক মূল্যবৃদ্ধি আৰু মুদ্ৰাস্ফীতি বাহাল থকাৰ প্ৰতি লক্ষ্য ৰাখি ইমৰানে তৃতীয়বাৰৰ বাবে দেশৰ বিত্তমন্ত্ৰী সলনিৰ সিদ্ধান্ত ল'লে। উল্লেখ্য যে ২০১৮ত ক্ষমতা লাভৰ পাছত বিগত আঢ়ৈ বছৰত ইমৰানে তৃতীয়বাৰৰ বাবে নতুন বিত্তমন্ত্ৰী নিয়োগ কৰিলে। ইমৰানে চৰকাৰ গঠন কৰাৰ পাছত পাকিস্তানৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ৫.৬ শতাংশ হ্ৰাসৰে সম্প্ৰতি মাইনাছ ০.৪ শতাংশ হৈছে।

## পহিলা এপ্ৰিলৰ পৰা আই এফ এছ চি ক'ড সলনি হ'ব ছয় বেংকৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মাৰ্চ ঃ** এক এপ্ৰিলৰ পৰা দেশৰ ছটা বেংকৰ আই এফ এছ চি ক'ড সলনি হ'ব। এই বেংককেইটা হৈছে অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ, ইউনাইটেড বেংক অৱ ইণ্ডিয়া, ছিণ্ডিকেট বেংক, অন্ধ্ৰ বেংক, কৰ্প'ৰেচন বেংক আৰু এলাহাবাদ বেংক। এই ছয় বেংকৰ একাউণ্ট ধাৰকসকলে পহিলা এপ্ৰিলৰ পৰা নতুন আই এফ এছ চি ক'ড ব্যৱহাৰ কৰিব লাগিব। উল্লেখ্য যে ২০১৯ৰ আগষ্টত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে দেশৰ ১০টা ৰাজহুৱা খণ্ডৰ বেংকৰ একত্ৰিকৰণৰ সিদ্ধান্ত লৈছিল। এই বেংকসমূহৰ আই এফ এছ চি আৰু এম আই চি আৰ ক'ড এক এপ্ৰিলৰ পৰা সলনি হ'ব। অৰিয়েণ্টেল বেংক অৱ কমাৰ্চ আৰু ইউনাইটেড বেংক অৱ ইণ্ডিয়াৰ একত্ৰিকৰণ পঞ্জাৱ নেচনেল বেংকৰ স'তে আৰু ছিণ্ডিকেট বেংকৰ একত্ৰিকৰণ কানাড়া বেংকৰ স'তে কৰা হৈছে। ইফালে, অন্ধ্ৰ বেংক আৰু কৰ্প'ৰেচন বেংকৰ একত্ৰিকৰণ ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ স'তে কৰা হৈছে।



## জনপ্ৰিয় পঞ্জাৱী গায়ক দিলজানৰ দুৰ্ঘটনাত মৃত্যু

**নিউজ ব্যুৰ' অমৃতসৰ, ৩০ মাৰ্চ ঃ** পঞ্জাৱৰ জনপ্ৰিয় সংগীত শিল্পী দিলজানৰ এক পথ দুৰ্ঘটনাত মৃত্যু হ'ল। আজি পুৱাতে অমৃতসৰত জনপ্ৰিয় সংগীত শিল্পীজনে যাত্ৰা কৰা ব্যক্তিগত গাড়ীখন দুৰ্ঘটনাত পতিত হৈছিল আৰু ঘটনাস্থলীতে দিলজানে শেষ নিশ্বাস ত্যাগ কৰে। দিলজানে অমৃতসৰৰ পৰা কৰটাৰপুৰলৈ যাত্ৰা কৰাৰ সময়তে ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হৈছিল। পঞ্জাৱী সংগীত জগতত অতি কম সময়ৰ ভিতৰত দিলজানে বহুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সফল হৈছিল।

### পূৰ্বৰ সিদ্ধান্ত সলনি কৰিবলৈ বাধ্য হ'ল বীৰেন সিং চৰকাৰে, মিজোৰামত এহেজাৰ শৰণাৰ্থীৰ আশ্ৰয়

# ম্যানমাৰৰ শৰণাৰ্থীক খাদ্য-আশ্ৰয় দিবলৈ সাজু মণিপুৰ

**নিউজ ব্যুৰ' ইম্ফল, ৩০ মাৰ্চ ঃ** প্ৰবল বিতৰ্কৰ সন্মুখীন হ'ল ম্যানমাৰৰ শৰণাৰ্থীক আশ্ৰয় প্ৰদানৰ ক্ষেত্ৰত নৰম স্থিতি গ্ৰহণ কৰিলে মণিপুৰ চৰকাৰে। উল্লেখ্য যে যোৱা ২৬ মাৰ্চত মণিপুৰ চৰকাৰে ম্যানমাৰৰ শৰণাৰ্থীক লৈ কঠোৰ নিৰ্দেশনা জাৰি কৰি কৈছিল যে ম্যানমাৰৰ পৰা মণিপুৰলৈ অহা শৰণাৰ্থীক ৰাজ্যখনে আশ্ৰয়-খাদ্য প্ৰদান নকৰে। অৱশ্যে মানৱীয়তাৰ খাতিৰত শৰণাৰ্থীক চিকিৎসাসেৱা প্ৰদান কৰা হ'ব পাৰে বুলি উক্ত



নিৰ্দেশনাত উল্লেখ কৰিছিল। কিন্তু চৰকাৰৰ এনে পদক্ষেপক লৈ ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত বীৰেন সিং চৰকাৰে পূৰ্বৰ সিদ্ধান্ত সলনি কৰিবলৈ বাধ্য হ'ল। ম্যানমাৰৰ সীমান্তৰ মণিপুৰৰ জিলাসমূহৰ ভিতৰত চাণ্ডেল, টেংন'পল, কামজুং, উখৰুল আৰু ছুৰাছাডপুৰ অন্যতম। এইসমূহ জিলাত ম্যানমাৰৰ পৰা যাতে অবৈধভাৱে শৰণাৰ্থীয়ে প্ৰৱেশ কৰিব নোৱাৰে তাৰ প্ৰতি মণিপুৰ চৰকাৰে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। মণিপুৰে শৰণাৰ্থীৰ প্ৰতি বিশেষ অনুকম্পা প্ৰদৰ্শনৰ পৰা বিৰত থাকিলেও মিজোৰামে ম্যানমাৰৰ শৰণাৰ্থীৰ প্ৰতি নৰম স্থিতি গ্ৰহণ কৰিছে। যোৱা এমাহত ম্যানমাৰৰ পৰা মিজোৰামত কমেও এহেজাৰ শৰণাৰ্থীয়ে আশ্ৰয় লৈছে।

## শতাধিক নাগৰিকক হত্যাৰ নিশাই ভোজৰ আয়োজন ম্যানমাৰ সেনাৰ

### নৃশংসতাৰ নিদৰ্শন



নিউজ ব্যুৰ', য়াংগুন, ৩০ মাৰ্চ ঃ যোৱা শনিবাৰে ম্যানমাৰৰ সেনাই গুলীয়াই কমেও ১১৪ জন গণতন্ত্ৰকামী প্ৰতিবাদকাৰীক হত্যা কৰিছিল। এইসকল মৃতকৰ মাজত আছিল কেইবাজনো নাবালক আৰু শিশু। এই ভয়াৱহ ঘটনা সংঘটিত কৰাৰ পাছত একে নিশাই ৰাজকীয় ভোজভাতৰ আয়োজন কৰিছিল জুণ্টাৰ মুৰব্বী মিন আং লেইঙে। উক্ত দিনা ম্যানমাৰৰ সামৰিক বাহিনীৰ দিৱস আছিল আৰু এই উপলক্ষে আয়োজন কৰা হৈছিল উক্ত নৈশভোজৰ। এই ভোজভাতৰ একাধিক ফটো আৰু ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাত সকলোৰে অবাক হৈছে। কিমান অমানৱীয় আৰু নৃশংস হ'লে শতাধিক নাগৰিকক হত্যা কৰি এইদৰে সামৰিক শাসকে নৈশভোজৰ আয়োজন কৰিব পাৰে বুলি সামাজিক মাধ্যম ব্যৱহাৰকাৰীসকলে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে যোৱা পহিলা ফেব্ৰুৱাৰীত হঠাতে ম্যানমাৰৰ নেত্ৰী আং ছান ছ্যু কীক ক্ষমতাৰ পৰা অপসাৰণ কৰি সেনাই গৃহবন্দী কৰিছিল। ইয়াৰ পাছতে ম্যানমাৰত সামৰিক শাসন প্ৰৱৰ্তিত হৈছিল। ম্যানমাৰত সামৰিক শাসনৰ বিৰোধিতা আৰু গণতান্ত্ৰিক শাসন ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ দাবীৰে হেজাৰ হেজাৰ লোকে বিগত দুমাহ ধৰি দেশখনত ব্যাপক প্ৰতিবাদী আন্দোলন অব্যাহত ৰাখিছে। এই আন্দোলন দমন কৰিবলৈ সেনা আৰু আৰক্ষীয়ে লাঠিচালনা, কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে জধে-মধে গুলিবৰ্ষণো কৰি আহিছে। সামৰিক শাসকৰ এনে বৰ্বৰ আচৰণত বিগত দুমাহত দেশখনত কমেও ৫০০ জন নিৰীহ নাগৰিকে প্ৰাণ হেৰুৱালে।

## জামাত-এ-ইছলামীয়ে ৰচিছিল মোদীৰ বাংলাদেশ যাত্ৰাত হিংসাৰ ষড়যন্ত্ৰ

**নিউজ ব্যুৰ', ঢাকা, ৩০ মাৰ্চ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা সপ্তাহত বাংলাদেশৰ ৰাজধানী ঢাকাত উপস্থিত হৈছিল। দুদিনীয়া ভ্ৰমণসূচীৰে মোদীয়ে ঢাকাত ভৰি দিয়াৰ পাছতে একাংশ মৌলবাদীয়ে মোদীৰ আগমনৰ বিৰোধিতাৰে হিংসাত্মক ঘটনা সংঘটিত কৰিছিল। বাংলাদেশৰ চোৰাংচোৱা বিভাগে মোদীৰ ভ্ৰমণৰ দুদিন পূৰ্বে ঢাকাত হিংসাত্মক ঘটনা সংঘটিত হ'ব পাৰে বুলি সকীয়াই দিছিল। চোৰাংচোৱাৰ এনে তথ্য সত্য প্ৰমাণিত কৰি মৌলবাদীয়ে ঢাকাৰ ৰাজপথত হিংসাত্মক কাণ্ডত লিপ্ত হৈছিল। বাংলাদেশৰ চোৰাংচোৱাই শেহতীয়াভাৱে লাভ কৰা তথ্য অনুসৰি নিষিদ্ধ ঘোষিত কঠোৰপন্থী সংগঠন জামাত-এ-ইছলামীয়ে মোদীৰ ভ্ৰমণৰ সময়ত হিংসাত্মক ঘটনা সংঘটিত কৰাৰ ষড়যন্ত্ৰ ৰচিছিল। ইয়াৰ বাবে সংগঠনটোৱে বৃহৎ পৰিমাণৰ ধন ব্যয় কৰিছিল। চোৰাংচোৱাৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, জামাত-এ-ইছলামীয়ে মোদীৰ ভ্ৰমণৰ সময়ত অৰাজক পৰিস্থিতিৰ সৃষ্টি কৰি শ্বেখ হাছিনা চৰকাৰৰ আইন-শৃংখলা নিয়ন্ত্ৰণৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপনৰ অপচেষ্টা চলাইছিল। জামাত-এ-ইছলামীৰ লগতে হিফাজত-এ-ইছলামৰ নেতায়ো ভাৰতবিৰোধী এই ষড়যন্ত্ৰত লিপ্ত হৈছিল বুলি বাংলাদেশৰ চোৰাংচোৱাই দাবী কৰিছে।



### দিল্লী, কৰ্ণাটকৰো অৱস্থা শোচনীয়

## এদিনত দেশত ক'ভিডত আক্ৰান্ত ৫৬ হেজাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মাৰ্চ ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৱে দেশৰ কেইবাখনো ৰাজ্যত পুনৰ নতুন আতংকৰ সৃষ্টি কৰিছে। মহাৰাষ্ট্ৰৰ লগতে দেশৰ ৰাজধানী দিল্লী আৰু কৰ্ণাটকতো কৰ'নাৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। দিল্লীত এসপ্তাহ আগলৈকে ক'ভিডৰ দৈনিক সংক্ৰমণৰ হাৰ আছিল ২০০ জন, কিন্তু বিগত ২৪ ঘণ্টাত দেশৰ ৰাজধানী চহৰখনত ১৯০১ জন লোক ক'ভিডত সংক্ৰমিত হয়। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি দেশত আজি কৰ'নাৰ দৈনিক সংক্ৰমণ সামান্য হ্ৰাস পালে। সোমবাৰে দেশত ৬৮ হেজাৰ জন লোক কৰ'নাত সংক্ৰমিত হৈছিল। কিন্তু মঙলবাৰে সংক্ৰমিতৰ সংখ্যা ৫৬,২১১ জনলৈ হ্ৰাস পালে। মহাৰাষ্ট্ৰ, কৰ্ণাটক, হাৰিয়ানা, তামিলনাডু, মধ্য প্ৰদেশ, গুজৰাট, ৰাজস্থান, অন্ধ্ৰ প্ৰদেশ, উত্তৰ প্ৰদেশ, কেৰালা আদি ৰাজ্যতো কৰ'নাৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত দেশত ২৭১ জন লোকৰ ক'ভিডত মৃত্যু হয়।

## মহাৰাষ্ট্ৰত পুনৰ তলাবন্ধৰ শংকা ঃ হাহাকাৰ প্ৰব্ৰজনকাৰী শ্ৰমিকৰ

**নিউজ ব্যুৰ' মুম্বাই, ৩০ মাৰ্চ ঃ** মহাৰাষ্ট্ৰত কৰ'নাৰ সংক্ৰমণে আকৌ এবাৰ তলাবন্ধৰ সম্ভাৱনা প্ৰকট কৰিলে। বিগত কেইবাদিন ধৰি ৰাজ্যখনত দৈনিক গড়ে ৬০ হেজাৰতকৈ অধিক লোক কৰ'নাত সংক্ৰমিত হৈ আহিছিল। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত ৩১,৬৪৩ জন লোক



ক'ভিডত আক্ৰান্ত হৈছিল। কেৱল মুম্বাই চহৰতে দৈনিক গড়ে ৫-৬ হেজাৰ লোক কৰ'নাত সংক্ৰমিত হৈছিল। কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে মহাৰাষ্ট্ৰ চৰকাৰে একাধিক চহৰত নৈশ সান্ধ্যআইনসহ নানা নিয়ম-নীতি জাৰি কৰিছে। কিন্তু ইয়াৰ পাছতো ক'ভিডৰ সংক্ৰমণ নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নোহোৱাত উদ্ধৱ ঠাকৰে চৰকাৰে পুনৰ তলাবন্ধৰ পথ গ্ৰহণৰ সম্ভাৱনা প্ৰকট হৈছে। ইতিমধ্যে মুখ্যমন্ত্ৰীজনে তলাবন্ধৰ ইংগিতো দিছে। মহাৰাষ্ট্ৰত পুনৰ তলাবন্ধ হ'ব বুলি বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে ৰাজ্যখনত কৰ্মৰত বৃহৎসংখ্যক প্ৰব্ৰজনকাৰী শ্ৰমিকৰ মাজত হাহাকাৰ লাগিছে। ইতিমধ্যে ৰাজ্যখনৰ পৰা হেজাৰ হেজাৰ প্ৰব্ৰজনকাৰী শ্ৰমিকে গৃহৰাজ্যলৈ যাত্ৰা কৰিবলৈ বাধ্য হৈছে। উল্লেখ্য যে মহাৰাষ্ট্ৰত বিহাৰ, উত্তৰ প্ৰদেশ, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ বৃহৎসংখ্যক শ্ৰমিকে কৰ্মৰত হৈ আছে। পূৰ্বৰ তলাবন্ধৰ সময়তো এইসকল প্ৰব্ৰজনকাৰী শ্ৰমিকে চৰম দুৰ্দশাৰ সন্মুখীন হৈছিল।

## প্ৰতিষেধক লৈও কৰ'নাত আক্ৰান্ত প্ৰাক্তন মুখ্যমন্ত্ৰী আব্দুল্লা



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩০ মাৰ্চ ঃ** প্ৰতিষেধক লোৱাৰ পাছতো কৰ'নাত আক্ৰান্ত হ'ল জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা লোকসভাৰ সাংসদ ফাৰুক আব্দুল্লা। আজি পুত্ৰ ওমৰ আব্দুল্লাই টুইট কৰি প্ৰকাশ কৰা মতে, তেওঁৰ পিতৃৰ কৰ'নাৰ পৰীক্ষাৰ ফলাফল 'পজিটিভ' হৈছে। আব্দুল্লাৰ শৰীৰত কৰ'নাৰ উপসৰ্গই দেখা দিয়া বুলিও ওমৰে জানিবলৈ দিয়ে। উল্লেখ্য যে যোৱা দুই মাৰ্চত শ্ৰীনগৰৰ এখন হাস্পতালত নেচনেল কনফাৰেন্সৰ মুৰব্বী ফাৰুকে কৰ'নাৰ প্ৰতিষেধকৰ প্ৰথমটো ড'জ গ্ৰহণ কৰিছিল। প্ৰতিষেধকৰ দ্বিতীয় ড'জ গ্ৰহণৰ পূৰ্বে ফাৰুক ক'ভিডত সংক্ৰমিত হ'ল। সম্প্ৰতি পৰিয়ালসহ ফাৰুকে বাসগৃহতে কোৱাৰেণ্টাইনত আছে।

## ব্ৰাজিলত একেৰাহে দ্বিতীয় দিনা ৫০ হেজাৰ কৰ'নাত আক্ৰান্ত

**নিউজ ব্যুৰ', ছাও পাউলো, ৩০ মাৰ্চ ঃ** বিশ্বৰ কেইবাখনো দেশত কৰ'নাৰ নতুন প্ৰজাতিৰ সংক্ৰমণে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়ত ব্ৰাজিলত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা শেহতীয়াভাৱে হ্ৰাস পাবলৈ ধৰিছে। একেৰাহে দ্বিতীয়দিনৰ বাবে দেশখনত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা ৫০ হেজাৰতকৈ কম হ'ল। সোমবাৰে ব্ৰাজিলত ৪২,৬৬৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল আৰু ১৯৬৯ জন লোকৰ এই ভাইৰাছত মৃত্যু হৈছিল। যোৱা দেওবাৰে দেশখনত ৪৪,৩২৬ জন লোক কৰ'নাত সংক্ৰমিত হৈছিল। যোৱা সপ্তাহলৈকে ব্ৰাজিলত ক'ভিডৰ সংক্ৰমণ দৈনিক গড়ে ৫০ হেজাৰতকৈ অধিক আছিল। কিন্তু বিগত দুদিন ধৰি দেশখনত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা ৫০ হেজাৰৰ তলত আছে। ইফালে, আমেৰিকাৰ ফ্ল'ৰিডাত কৰ'নাৰ সংক্ৰমণ



যুৱ প্ৰজন্মৰ মাজত সৰ্বাধিক হৈছে। ফ্ল'ৰিডাত প্ৰতিদিনে গড়ে পাঁচ হেজাৰ লোক এই ভাইৰাছত সংক্ৰমিত হৈছে। কৰ'না আক্ৰান্ত এইসকল লোকৰ ৮০-৯০ শতাংশৰ গড় বয়স হৈছে ৪০ বছৰৰ অনুৰ্ধ্ব।

# প্ৰচাৰৰ অন্তিম দিনা যুদ্ধংদেহী নন্দীগ্ৰাম ঃ ৰথত শ্বাহ, হুইলচেয়াৰত মমতা




**নিউজ ব্যুৰ', নন্দীগ্ৰাম, ৩০ মাৰ্চ ঃ** পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত নন্দীগ্ৰাম সমষ্টিয়ে এইবাৰ সকলোৰে বিশেষ দৃষ্টি আকৰ্ষিত কৰিছে। এই সমষ্টিৰ পৰা প্ৰাৰ্থী হিচাপে থিয় দিছে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু বিজেপিৰ প্ৰাৰ্থী শুভেন্দু অধিকাৰীয়ে। আজি সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিন আছিল। বিজেপি আৰু তৃণমূল কংগ্ৰেছে সমষ্টিটোত আজি ব্যাপক প্ৰচাৰ চলায়। তৃণমূল নেত্ৰী মমতাই হুইলচেয়াৰত বহি আজি ভাগাবেড়া নিজৰ প্ৰচাৰত অংশ লয়। ইফালে আজি নন্দীগ্ৰামত শুভেন্দুৰ হৈ প্ৰচাৰত অংশ ল'লে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। শ্বাহে ৰথত উঠি এক ৰোডশ্বত অংশ লৈছিল। মমতাক পৰাভূত কৰিবলৈ আহ্বান জনাই শ্বাহে নন্দীগ্ৰামবাসীক আজি কয়, 'সম্পূৰ্ণ পশ্চিমবংগৰ পৰিৱৰ্তন আনিবলৈ হ'লে সহজ পথটো হৈছে নন্দীগ্ৰামত মমতাক পৰাজিত কৰিব লাগিব। মই নন্দীগ্ৰামবাসীক অনুৰোধ জনাও যে আপোনালোকে শুভেন্দু অধিকাৰীক জিকালেই নহ'ব, বৰঞ্চ বহু ভোটৰ ব্যৱধানত জয়ী কৰাব লাগিব। নন্দীগ্ৰামত মমতা পৰাজিত হ'লে তৃণমূল কংগ্ৰেছ পশ্চিমবংগৰ পৰা অপসাৰিত হ'ব।' আনহাতে, মমতাই সমষ্টিবাসীক আগন্তুক ৪৮ ঘণ্টা ধৈৰ্য আৰু শান্তি বৰ্তাই ৰাখিবলৈ আহ্বান জনোৱাৰ লগতে তৃণমূল কংগ্ৰেছক নিৰ্বাচনত জয়ী কৰাবলৈ অনুৰোধ জনায়।

## কেইটুকুৰামান সোণৰ লোভতে কেৰালাবাসীক বিশ্বাসঘাতকতা কৰিছে বামপন্থীয়ে ঃ অভিযোগ মোদীৰ



নিউজ ব্যুৰ', পালক্কাড, ৩০ মাৰ্চ ঃ কেৰালাৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ প্ৰচাৰত অংশ লৈ বাম মৰ্চাৰ চৰকাৰক তুলাধূনা দিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। শাসকীয় এল ডি এফক 'বিশ্বাসঘাতক' বুলিও প্ৰধানমন্ত্ৰীয়ে কটাক্ষ কৰিলে। কেৰালাৰ অবৈধ সোণ সৰবৰাহ কেলেংকাৰিৰ প্ৰসংগ উল্লেখ কৰি মোদীয়ে কয় যে কেইটুকুৰামান সোণৰ লোভত কেৰালাবাসীৰ স'তে বাম মৰ্চা চৰকাৰে বিশ্বাসঘাতকতা কৰিছে। 'মেট্ৰ'মেন' হিচাপে পৰিচিত ই শ্ৰীধৰনৰ হৈ আজি পালক্কাডত নিৰ্বাচনৰ প্ৰচাৰ চলাই মোদীয়ে প্ৰভু যীশুৰ স'তে জুডাছৰ বিশ্বাসঘাতকতাৰ প্ৰসংগ টানি আনি কয়, 'কেইটামান ৰূপৰ টুকুৰাৰ বাবে প্ৰভু যীশুৰ স'তে বিশ্বাসঘাতকতা কৰিছিল জুডাছে। কেইটুকুৰামান সোণৰ বাবে একে ধৰণৰে কেৰালাবাসীৰ স'তে বিশ্বাসঘাতকতা কৰিলে বাম মৰ্চাই। পাঁচ বছৰ ধৰি হয় বাম মৰ্চা অথবা কংগ্ৰেছ নেতৃত্বাধীন মৰ্চাই কেৰালাক লুট কৰি আহিছে।' উল্লেখ্য যে অহা ছয় এপ্ৰিলত কেৰালাত এটা পৰ্যায়ত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

## তামিলনাডুত দেশৰ সবাতোকৈ ধনাঢ্য প্ৰাৰ্থীৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা

**নিউজ ব্যুৰ', চেন্নাই, ৩০ মাৰ্চ ঃ** দেশৰ আন চাৰি ৰাজ্যৰ লগতে তামিলনাডুতো বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোটিপতি প্ৰাৰ্থীৰ সংখ্যা আন ৰাজ্যৰ তুলনাত প্ৰায় দুগুণ হ'ব। আন চাৰি ৰাজ্যত কোটিপতি প্ৰাৰ্থীৰ সংখ্যা গড়ে ৩০ শতাংশ হোৱাৰ বিপৰীতে তামিলনাডুত এইবাৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোটিপতি প্ৰাৰ্থীৰ সংখ্যা হৈছে ৬০ শতাংশ। আন ৰাজ্যকেইখনত যদি ধনাঢ্য প্ৰাৰ্থীৰ গড় সম্পত্তিৰ পৰিমাণ ২-৩ কোটি টকাৰ, তেন্তে তামিলনাডুত এনে প্ৰাৰ্থীৰ গড় সম্পত্তিৰ পৰিমাণ হৈছে ৪-৫ কোটি টকাৰ। তামিলনাডুত ই পি এছে ৬.৭ কোটি টকাৰ আৰু এম কে ষ্টেলিনে ৮.৮ কোটি টকাৰ সম্পত্তি থকা বুলি শপতনামাত উল্লেখ কৰিছে। পুডুচেৰীত এন ৰংগাস্বামীয়ে তেওঁৰ সম্পত্তিৰ পৰিমাণ ৪০ কোটি টকা বুলি ঘোষণা কৰিছে। আনহাতে, পাঁচ ৰাজ্যৰ ভিতৰত এতিয়ালৈকে সৰ্বাধিক ১৭৬ কোটি টকাৰ সম্পত্তি থকা বুলি শপতনামাত উল্লেখ কৰিছে তামিল অভিনেতা-ৰাজনীতিক কমল হাছনে।

## পুডুচেৰীত ফুলিব পাৰে পদুম

**নিউজ ব্যুৰ', পুডুচেৰী, ৩০ মাৰ্চ ঃ** পুডুচেৰীত পুনৰ চৰকাৰ গঠন কৰিবলৈ সফল হ'ব পাৰে বিজেপি। এ বি পি নিউজ-চি ভোটাৰৰ শেহতীয়া জনমত সমীক্ষাৰ তথ্য অনুসৰি বিজেপিয়ে পুডুচেৰীত পুনৰ ক্ষমতা লাভ কৰিব পাৰে। এই জনমত সমীক্ষাত বিজেপিয়ে ১৭-২১, কংগ্ৰেছে ৮-১২ আৰু অন্যান্যই ১-৩ সমষ্টিত জয়লাভ কৰিব বুলি কোৱা হৈছে। উল্লেখ্য যে পুডুচেৰীত এটা পৰ্যায়ত মুঠ ৩০ সমষ্টিত অহা ছয় এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। বৰ্তমানে পুডুচেৰীত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ হৈ আছে।



## কাশ্মীৰত সন্ত্ৰাসবাদীৰ গুলিত নিহত কাউন্সিলৰ-আৰক্ষী

**নিউজ ব্যুৰ' জম্মু, ৩০ মাৰ্চ ঃ** জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীয়ে পুনৰ ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে। ৰাজ্যখনৰ ছ'পাৰেত সন্ত্ৰাসবাদীৰ গুলিত নিহত হ'ল এজন কাউন্সিলৰ আৰু এজন আৰক্ষী কৰ্মী। প্ৰকাশিত বাতৰি অনুসৰি মৃত কাউন্সিলৰজন বিজেপিৰ সদস্য আছিল। স্থানীয় পৌৰসভাৰ এখন বৈঠক চলাৰ সময়তে হঠাতে বন্দুকধাৰী দুৰ্বৃত্তই প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰাত ৰেয়াজ আহমেদ নামৰ কাউন্সিলৰজন ধৰাশায়ী হয়। এই ঘটনাত এজন আৰক্ষী কৰ্মীও ছহিদ হয়। তদুপৰি গুলিবৰ্ষণৰ ফলত পৌৰসভাৰ আন এজন কাউন্সিলৰো গুৰুতৰভাৱে আহত হৈছে।

## 'জয় শ্ৰীৰাম' শ্ল'গান দিয়া বিজেপি কৰ্মীৰ কাণ কাটিলে তৃণমূল কংগ্ৰেছৰ সমৰ্থকে

**নিউজ ব্যুৰ', জলপাইগুড়ি, ৩০ মাৰ্চ ঃ** পশ্চিমবংগৰ জলপাইগুড়িত এজন বিজেপি কৰ্মীৰ কাণ কটা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি 'জয় শ্ৰীৰাম' শ্ল'গান দিয়া বিজেপি কৰ্মীজনৰ কাণ তৃণমূল কংগ্ৰেছ (টি এম চি)ৰ সমৰ্থকে কাটিছিল। সম্প্ৰতি বিজেপিৰ আহত কৰ্মীজন জলপাইগুড়ি ছুপাৰ স্পেচিয়েলিটী চিকিৎসালয়ত ভৰ্তি হৈ আছে। পাদ্ৰি কুটিৰ অঞ্চলত টি এম চিৰ এজন কৰ্মী হোলী উপলক্ষে ৰং দি বিজেপিৰ কৰ্মীজনে 'জয় শ্ৰীৰাম' বুলি কৈছিল। ইয়াৰ কিছু সময়ৰ পাছতে দুষ্কৃতিকাৰীয়ে বিজেপি কৰ্মীৰ ঘৰলৈ আহি লণ্ডভণ্ড কৰে আৰু চোকা অস্ত্ৰৰে বিজেপি কৰ্মীৰ কাণৰ একাংশ কাটি নিয়ে।



## কেৱল নন্দীগ্ৰামতে নিয়োগ ২১ টা অৰ্ধসামৰিক বাহিনীৰ কোম্পানীক

**নিউজ ব্যুৰ', নন্দীগ্ৰাম, ৩০ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ দৰেই পশ্চিমবংগ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে নজিৰবিহীন নিৰাপত্তাৰ ব্যৱস্থা কৰিলে নিৰ্বাচন আয়োগে। এই মুহূৰ্তত ৰাজ্যখনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ আৰু চৰ্চিত সমষ্টি হিচাপে পৰিচিত হোৱা নন্দীগ্ৰামত নিৰাপত্তাৰ দায়িত্ব অৰ্পণ কৰা হৈছে ২১ টা অৰ্ধসামৰিক বাহিনীৰ কোম্পানী। উল্লেখ্য যে এই সমষ্টিৰ পৰা বিজেপিৰ শুভেন্দু অধিকাৰী আৰু তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

# মৰাণ জাতীয় মহিলা পৰিষদৰ ২৭

*তিনি পৃষ্ঠাৰ পৰা* পৰিষদৰ মুখপত্ৰ 'জাগৃতি' উন্মোচন কৰে বীৰ ৰাঘৱ মৰাণ বঁটাপ্ৰাপক সুখীধৰ দহোতীয়াই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে পৰিষদৰ প্ৰাক্তন সভানেত্ৰী শোভা দহোতীয়া মৰাণ, মুখ্য অতিথি হিচাপে বিশিষ্ট ঔপন্যাসিক জুৰি বৰা বৰগোহাঞি, বিশিষ্ট অতিথিৰূপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক ড° নিৰোদ বৰুৱা, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ড° ঋষি দাস আৰু আমন্ত্ৰিত অতিথি হিচাপে মৰাণ সাহিত্য সভাৰ সভাপতি তৰুণ বৰুৱা মৰাণ, মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্ভেশ্বৰ মৰাণ, সম্পাদক মণ্টু চেতিয়া, অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক হেমন্ত কুমাৰ শইকীয়া আদি উপস্থিত থাকে।

# সুকলমে নিৰ্বাচন সম্পন্নৰ বাবে সাজু

*তিনি পৃষ্ঠাৰ পৰা* ষ্ট্ৰং ৰূমৰ নিৰাপত্তা, ভোট কেন্দ্ৰৰ নিৰাপত্তাকে ধৰি ভোটগ্ৰহণৰ বাবে যাবলগীয়া বিষয়া-কৰ্মচাৰীৰ বাবে ইতিমধ্যে বাহন আদিৰ অধিগ্ৰহণ সম্পূৰ্ণ কৰি তুলিছে হোজাই জিলা প্ৰশাসনে। জিলাখনৰ উপায়ুক্ত ড° সদনেক সিঙৰ তত্ত্বাৱধানত আৰু নিৰ্বাচন আয়োগে মনোনীত কৰা অৱজাৰভাৰসকলে হোজাইত বাহৰ পাতি সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰিছে। জিলাখনত ভোটগ্ৰহণ প্ৰক্ৰিয়া সুস্থ আৰু শুদ্ধ ৰূপত গ্ৰহণ কৰিবলৈ হোজাই জিলা প্ৰশাসনে নিৰ্বাচনী কামত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ এটা গোটক কেবাখলপীয়া ব্যৱস্থাৰে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে। ইভিএম মেচিন কেনেকৈ সংস্থাপিত কৰিব, কেনেকৈ ভোট ল'ব, ভোটাৰ শ্লিপ কেনেকৈ দিয়া হ'ব, ক'ভিড বিধি মানি কেনেকৈ ভোটগ্ৰহণ কৰিব আদি বিষয়সমূহৰ স'তে জড়িত প্ৰিজাইডিং বিষয়া, প্ৰথম প'লিং, দ্বিতীয় প'লিং আৰু তৃতীয় প'লিঙৰ স'তে জড়িত বিষয়াসকলক প্ৰশিক্ষণ দিয়া হয়। মাষ্টাৰ ট্ৰেইনাৰৰ জৰিয়তে এইসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডবকা হাজী আনফৰ আলী কলেজ, শংকৰদেৱ নগৰ জুনিয়ৰ কলেজ আদিকে ধৰি বিভিন্ন স্থানত এইসকল বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰা হয়। অহা পহিলা এপ্ৰিলত হোজাই জিলাত স্থানীয় বন্ধ ঘোষণা কৰে হোজাই জিলা প্ৰশাসনে।

# দুই এপ্ৰিলত কৃষ্ণাইৰ জনসভাত অংশ

*তিনি পৃষ্ঠাৰ পৰা* গোৱালপাৰা জিলাৰ চাৰিওটা সমষ্টিতে এইবেলি কংগ্ৰেছে জয়লাভ কৰিব। তাৰ বাবে জিলাখনত কংগ্ৰেছে ইতিমধ্যে প্ৰচাৰ অভিযান জোৰদাৰ কৰি তুলিছে। কাইলৈ এই প্ৰচাৰ অভিযান আৰু অধিক সক্ৰিয় হৈ উঠিব বুলি বড়োৱে সংবাদমেলত ঘোষণা কৰে। বড়োৱে জনোৱা অনুসৰি, কাইলৈ দুধনৈ সমষ্টিত দিনৰ দুই বজাত ধূপধৰাৰ পৰা কৃষ্ণাইলৈ সমদলৰ আয়োজন কৰিছে। য'ত অংশ ল'ব সাংসদ গৌৰৱ গগৈয়ে। তেনেদৰে পহিলা এপ্ৰিলৰ পুৱা ১০ বজাত দুধনৈ চহৰৰ মাজমজিয়াত অনুষ্ঠিত হ'ব আন এক জন সভা। এই জনসভাত অংশ ল'ব হাগ্ৰামা মহিলাৰীয়ে। দুই এপ্ৰিলত গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ কাষৰীয়া ঝাড়াবৰীত অনুষ্ঠিত হ'ব আন এক জনসভা। সিদিনা পুৱা ১০ বজাত অনুষ্ঠিতব্য সভাখনত অংশ ল'ব প্ৰিয়ংকা গান্ধীয়ে। সভাখনত অতি কমেও ৫০ হেজাৰ ৰাইজে উপস্থিত থাকিব বুলি আশা ব্যক্ত কৰে বালিৰাম বড়োৱে। উল্লেখ্য যে কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত উপস্থিত থাকে মিডিয়া চেলৰ সহযোগী আয়ুৰ খান আৰু কৃষ্ণাই ব্লক কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ডাঃ দিলীপ কুমাৰ ঘোষে।

# মঙলদৈত সমষ্টিত ২,৩৬,৫১৫ গৰাকী

*তিনি পৃষ্ঠাৰ পৰা* মহাজোঁটবন্ধনৰ সূত্ৰে কংগ্ৰেছৰ বসন্ত দাস বিশেষভাৱে উপকৃত হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে প্ৰাক্তন মন্ত্ৰী দাস আৰু বৰ্তমানৰ বিধায়ক গুৰুজ্যোতি দাসৰ সমৰ্থকসকলে প্ৰাৰ্থী দুজনৰ কাৰ্যকালত হোৱা 'উন্নয়ন'ৰ ছবিখন দাঙি প্ৰতিযোগিতা তীব্ৰতৰ কৰিছে। বিজেপিয়ে দাবী কৰা মতে গুৰুজ্যোতিৰ দিনত সৰ্বাধিক উন্নয়ন হৈছে। কংগ্ৰেছৰ দাবী বসন্তৰ কাৰ্যকালত হোৱা উন্নয়নবোৰকেই চুণ-তেল ঘঁহি বিজেপিয়ে ৰাইজক আভুৱা ভাঁৰিছে। এনে সময়তে বিজেপিৰ সমৰ্থকে দাবী কৰে যে গুৰুজ্যোতি একেৰাহে দুবাৰ জয়ী হৈ মঙলদৈত অভিলেখ ৰচনা কৰিব। আনহাতে, কংগ্ৰেছৰ সমৰ্থকে দাবী কৰে, 'মঙলদৈত একেৰাহে দুবাৰ জয়ী হোৱাৰ নজিৰ নাই। এবাৰ কংগ্ৰেছৰ জয় নিশ্চিত। বসন্তই এক লাখ ২০ হেজাৰ ভোটেৰে বিজয়ধ্বজা উৰুৱাব আৰু তৃতীয়টো কাৰ্যকালৰ বাবে জয়ী হৈ অভিলেখ স্থাপন কৰাটো নিশ্চিত।' সামগ্ৰিকভাৱে এনে আশা-প্ৰত্যাশা আৰু দাবীয়ে পৰিৱেশ উত্তাল কৰি তুলিছে। ইপিনে, আজি কংগ্ৰেছে ৰিক্সা ৰেলী আৰু বিজেপিৰ হিমন্ত বিশ্ব শৰ্মাই পথ-সমদল উলিয়াই নিৰ্বাচনী বতাহ কঁপাই তোলে।

# পানেৰী সমষ্টিত মিত্ৰজোঁট-মহাজোঁটৰ

*তিনি পৃষ্ঠাৰ পৰা* অনুগামীসকলৰ ক্ষোভৰ সৃষ্টি হৈছে। অৱশ্যে স্বৰ্গীয়াৰীয়ে 'কা' বিৰোধী শিবিৰৰ অসম জাতীয় পৰিষদৰ সমৰ্থনো লাভ কৰিছে। আনহাতে, বিজেপিৰ দৈমাৰীয়ে মুদৈবড়ী (অংশ) খৈৰাবাৰী, খালিংদুৱাৰ, ভেৰগাঁও আৰু ননৈ চেৰফাং (অংশ) পৰিষদত পৰিষদীয় নিৰ্বাচনত বিজেপি আৰু ইউ পি পি এলে জয়ী হোৱা সূত্ৰে বিজেপিৰ পক্ষত ভোট লাভ কৰিলে দৈমাৰীৰ বিজয় সম্ভৱ হ'ব পাৰে। অৱশ্যে সঘনাই সলনি হৈছে নিৰ্বাচনী দৃশ্যপট। কিয়নো নিৰ্দলীয় প্ৰাৰ্থী বাপন বণিক বাঙালী সম্প্ৰদায়ৰ লোক হেতুকে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা বাঙালী ভোট বিভক্ত হৈ বিজেপিৰ অংকত খেলি-মেলি কৰিব পাৰে। সেইদৰে সমষ্টিৰ আদিবাসী জনগোষ্ঠীৰ দুগৰাকী নিৰ্দলীয় প্ৰাৰ্থী থকাত অতি নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি অহা বাগিচাৰ ভোট বিভক্ত হৈ বিজেপি আৰু বি পি এফৰ অংকত জটিলতাৰ সৃষ্টি কৰিব পাৰে। আনহাতে, ৬৯ নম্বৰ ওদালগুৰি সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী ৰিহন দৈমাৰীয়ে চাৰিটা কাৰ্যকালৰ বিধায়ক তথা তিনিটা কাৰ্যকাল মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত প্ৰধান প্ৰতিদ্বন্দ্বী হ'ব ইউ পি পি এলৰ গোবিন্দ বসুমতাৰী। ৰিহন দৈমাৰীয়ে নিৰ্বাচনী সভাত উল্লেখ কৰি আহিছে যে তেওঁৰ কোনো প্ৰতিদ্বন্দ্বী নাই। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা ১,৫৬,০৭৫গৰাকীৰ বিপৰীতে দুগৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছে আৰু দুগৰাকীৰ এগৰাকী মহাজোঁট আনগৰাকী মিত্ৰজোঁটৰ। সমষ্টিটোৰ অন্যান্য তিনিগৰাকী প্ৰাৰ্থীয়ে নিজৰ মনোনয়নপত্ৰ ইতিমধ্যে উঠাই লৈছে বাবে যথেষ্ট আকৰ্ষণীয় হ'ব ওদালগুৰি সমষ্টিৰ নিৰ্বাচন। দুগৰাকী শক্তিশালী প্ৰাৰ্থীৰ বিজয়ী প্ৰাৰ্থীজনে অতি কমেও ৭০ হেজাৰৰ অধিক ভোট লাভ কৰিব লাগিব। অতি শেহতীয়াভাৱে প্ৰাক্তন এবছু নেতা তথা ওদালগুৰি জিলা বিজেপিৰ নেতা বিগত পৰিষদীয় নিৰ্বাচনত হৰিশিঙাৰ পৰা বিজেপিৰ প্ৰাৰ্থিত্ব লাভ কৰি পৰাজিত যুৱ নেতা ৰিঞ্জয় বড়ো কিছুদিন আগতে ৰিহন দৈমাৰীৰ সন্মুখত বি পি এফত যোগদানে বিজেপিৰ অংকত আউল যে লগাব সেয়া প্ৰায় নিশ্চিত। ইফালে, ৭০ নম্বৰ মাজবাট সমষ্টিত নগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী ৰণাংগনত অৱতীৰ্ণ হৈছে। ১,৫৭,৪৪৫গৰাকী ভোটাৰ থকা সমষ্টিটোত মূলতঃ যুঁজখন হ'ব তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলকভাৱে বি পি এফৰ বিধায়ক চৰণ বড়ো আৰু বিজেপিৰ প্ৰাৰ্থী জিতু কিষাণৰ মাজত। বি পি এফৰ প্ৰাৰ্থী তথা মহাজোঁটৰ সমৰ্থিত প্ৰাৰ্থী চৰণ বড়োৱে জয়ী হ'বলৈ মাৰাথন প্ৰচাৰ অভিযান চলাই অহাৰ সমান্তৰালভাৱে বিজেপিৰ প্ৰাৰ্থী তথা মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী যুৱ নেতা জিতু কিষাণো পিছপৰি থকা নাই প্ৰচাৰ অভিযানত। দুগৰাকী শক্তিশালী প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত এঘড়ি যুঁজিবলৈ সাজু হৈছে। ইউ পি পি এলৰ ৰতেন্দ্ৰ দৈমাৰী, ভি পি আইৰ সুনীল সৰকাৰ, ৰাইজৰ দলৰ ছাইফুল ইছলাম, অসম গণ পৰিষদৰ গোলাপ মুস্তাফা, নিৰ্দলীয়ভাৱে খুৰচিদ আলম মজুমদাৰ আৰু সন্তোষ কুৰ্মীয়ে প্ৰাৰ্থিত্ব আগবঢ়াই নিৰ্বাচনী ঢাক-ঢোল বজাইছে। লক্ষ্যণীয় যে সমষ্টিটোত ইউ পি পি এল আৰু বিজেপি মিত্ৰজোঁটৰ অংশীদাৰ হৈয়ো বুজাবুজিৰ মাজেৰে নিৰ্বাচনত নামিছে যদিও মূলতঃ বি পি এফৰ প্ৰাৰ্থী চৰণ বড়োৰ নিৰ্বাচনী অংকত খেলিমেলি লগাব পাৰে।

# সমদলৰে শক্তি প্ৰদৰ্শন মিত্ৰজোঁট

*তিনি পৃষ্ঠাৰ পৰা* সদৰ সমষ্টি পুনৰ বিজেপিলৈ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী জিন্দাবাদ, সৰ্বানন্দ সোণোৱাল জিন্দাবাদ, ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, ৰূপক শৰ্মা জিন্দাবাদ' আদি ধ্বনি দি প্ৰচাৰৰ অন্তিম দিনা বিজেপিৰ প্ৰচাৰ অভিযানক নতুন মাত্ৰা প্ৰদান কৰে। সমদলত অংশগ্ৰহণ কৰি সমষ্টিটোৰ বিজেপি প্ৰাৰ্থী ৰূপক শৰ্মাই কয়, 'মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত পাঁচটা বছৰত উন্নয়ন আৰু বিকাশে নতুন দিগন্তৰ সূচনা কৰিছে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে উন্নয়নৰ বাবে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰে কাম কৰিছে। আমি সকলোকে লগত লৈ সকলোৰে বিকাশৰ বাবে কাম কৰিছো। এইবাৰ অসমত পুনৰ বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰ হোৱাটো খাটাং হৈ পৰিছে। আজি সমদলৰ সময়ত ৰাইজৰ সহাঁৰিয়ে এই কথা স্পষ্ট কৰিছে যে নগাঁও সদৰ সমষ্টিত বিজেপি প্ৰাৰ্থীগৰাকী জয়ী হোৱাটো এশ শতাংশ নিশ্চিত।' বিজেপি প্ৰাৰ্থী শৰ্মাই আজি চহৰখনৰ ২০ নম্বৰ মহলাৰ ধৰ্মীয় সংখ্যালঘু অধ্যুষিত অঞ্চল মোল্লাপট্টিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। কে'বা হেজাৰ লোকে অংশগ্ৰহণ কৰা সভাখনত বিজেপি প্ৰাৰ্থীজনে কংগ্ৰেছক কঠোৰ সমালোচনা কৰি কয়, 'কংগ্ৰেছৰ আমোলাত ধৰ্মীয় সংখ্যালঘু সকলৰ উন্নয়নৰ বাবে একোৱেই নকৰিলে। আমাৰ চৰকাৰৰ দিনত এই লোকসকলৰ যথেষ্ট উন্নয়ন সাধন কৰা হৈছে।' ইপিনে, নগাঁও সদৰ সমষ্টিৰ কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ প্ৰাৰ্থী কংগ্ৰেছৰ শান্তনু শৰ্মাই আজি নগাঁও চহৰত পদযাত্ৰা কৰি চমক সৃষ্টি কৰে। নগাঁও চহৰৰ লক্ষীনগৰ চাৰিআলিৰ পৰা মৰিগাঁও বাছ আস্থান, নগাঁও কলেজ চ'ক হৈ নগাঁও জিলাৰ কংগ্ৰেছ কাৰ্যালয়ৰ ৰাজীৱ ভৱনলৈ জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনক লগত লৈ পদযাত্ৰা কৰে। এই পদ যাত্ৰাত কে'বা সহস্ৰাধিক কংগ্ৰেছ, এআইইউডিএফৰ নেতা-কৰ্মী-সমৰ্থকে অংশগ্ৰহণ কৰে। কংগ্ৰেছ-এআইইউডিএফৰ নেতা আৰু কৰ্মীসকলে 'অসমত এইবাৰ মহাজোঁটৰ চৰকাৰ, বিজেপি-অগপৰ দিন উকলিল, কংগ্ৰেছ জিন্দাবাদ, ৰাহুল গান্ধী জিন্দাবাদ, ছোনিয়া গান্ধী জিন্দাবাদ, ৰকিবুল হুছেইন জিন্দাবাদ, শান্তনু শৰ্মা জিন্দাবাদ, নগাঁও সদৰ সমষ্টি কংগ্ৰেছৰ দখললৈ' আদি বিভিন্ন ধ্বনি দি কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলে। আনহাতে, জিলাখনৰ বঢ়মপুৰ বিধানসভা সমষ্টিতো আজি সমষ্টিৰ বিজেপি প্ৰাৰ্থী জিতু গোস্বামী আৰু কংগ্ৰেছ প্ৰাৰ্থী সুৰেশ বৰাই প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলে। বিজেপিৰ প্ৰাৰ্থী গোস্বামীয়ে সমষ্টিটোৰ চাপানালা অঞ্চলত এক সমদল উলিয়াই নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা চমক সৃষ্টি কৰে। প্ৰাৰ্থী গোস্বামীয়ে সমদলত কয়, 'বঢ়মপুৰ সমষ্টিৰ উন্নয়নৰ স্বাৰ্থত এইবাৰ বঢ়মপুৰ সমষ্টিবাসী ৰাইজে বঢ়মপুৰত বিজেপি প্ৰাৰ্থীক জয়ী কৰাব।' আনহাতে, কংগ্ৰেছ প্ৰাৰ্থী সুৰেশ বৰাইও সমষ্টিটোৰ কংগ্ৰেছ নেতা-কৰ্মীসকলক তিনিটা ভাগত বিভক্ত কৰি তিনিটা স্থানৰ পৰা সমষ্টিতোৰ বিভিন্ন স্থানত সমদল উলিয়ায়। কংগ্ৰেছৰ ভোটাইপাথৰি মণ্ডলৰ উদ্যোগত বেঙেনাআটীৰ পৰা, বঢ়মপুৰ মণ্ডলৰ উদ্যোগত বঢ়মপুৰ উচ্চতৰ মাধ্যমিক খেলপথাৰৰ পৰা আৰু কঠিয়াতলি মণ্ডলৰ উদ্যোগত কঠিয়াতলিৰ পৰা সমদল উলিয়াই বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি ননৈত তিনিটা সমদলৰ সামৰণি পৰে। ননৈত এই উপলক্ষে অনুষ্ঠিত চমু সভাত অংশগ্ৰহণ কৰি কংগ্ৰেছ প্ৰাৰ্থী বৰাই কয়, 'মই ১০টা বছৰে বঢ়মপুৰৰ ৰাইজৰ সুখ-দুখৰ সমভাগী হৈ আহিছো। সেয়ে ৰাইজে এইবাৰ বঢ়মপুৰত কংগ্ৰেছক আকোঁৱালি লৈছে। এইবাৰ বঢ়মপুৰত নিশ্চিতভাৱে কংগ্ৰেছ প্ৰাৰ্থী জয়ী হ'ব।' জিলাখনৰ অনুসুচিত জাতিৰ বাবে সংৰক্ষিত ৰহা বিধানসভা সমষ্টিতো বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী বিষ্ণু দাস আৰু মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী শশীকান্ত দাসে ব্যাপক প্ৰচাৰ চলায়। অসমৰ জাতীয় পৰিষদৰ উৎপল বণিয়াইও আজি অন্তিম দিনা প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলে। অগপ প্ৰাৰ্থী বিষ্ণু দাসে সমষ্টিটোৰ ৰহা, ফুলগুৰি, পেটবহা, চাপৰমুখকে ধৰি বিভিন্ন অঞ্চলত পথসভা সমদল আদি কৰি প্ৰচাৰৰ অন্তিম দিনা ভোটাৰক আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়। অগপ-বিজেপি নেতা-কৰ্মীসকলে বিপুল উৎসাহ-উদ্দীপনাৰে বিষ্ণু দাসৰ প্ৰচাৰ অভিযানক নতুন মাত্ৰা প্ৰাদন কৰে। আনহাতে, কংগ্ৰেছ প্ৰাৰ্থী শশীকান্ত দাসে সমষ্টিটোৰ বিভিন্ন স্থানত সৰু সৰু সভা অনুষ্ঠিত কৰি প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলে। প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে ৰহাকে ধৰি কে'বাটাও স্থানত অনুষ্ঠিত কৰি ৰহাত কংগ্ৰেছ প্ৰাৰ্থী শশীকান্ত দাসক বিপুল ভোটত জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। সমষ্টিটোত অসম জনতা পাৰ্টিৰ মনি দাস, নিৰ্দলীয় গুণেশ্বৰ দাস, ৰুবুল দাস, চিত্ৰলেখা দাস প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে যদিও তেওঁলোকৰ প্ৰচাৰ অভিযানে গতি লাভ কৰিব পৰা নাই। আনহাতে, নগাঁও সদৰ আৰু বঢ়মপুৰ বিধানসভা সমষ্টিত বিজেপি আৰু কংগ্ৰেছ প্ৰাৰ্থীৰ বাহিৰেও অসম জাতীয় পৰিষদ, লোক জনশক্তি পাৰ্টি, নিৰ্দলীয় আদিয়ে সমষ্টি দুটাত প্ৰচাৰ অভিযান চলায় যদিও তেওঁলোকক ৰাইজে সহাঁৰি জনোৱা পৰিলক্ষিত হোৱা নাই।



*নিৰ্বাচনী প্ৰচাৰত ব্যস্ত মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, মঙলবাৰে।*

# দৰঙৰ ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা প্ৰিজাইডিং-প'লিং বিষয়াৰ দল

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩০ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া মঙলদৈ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ৫৩টা ভোটগ্ৰহণ কেন্দ্ৰলৈ মঙলবাৰে আগতীয়াকৈ ৰাওনা হৈছে ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত প্ৰিজাইডিং-প'লিং বিষয়াৰ দল। জিলাখনৰ অতি দুৰ্গম চৰ অঞ্চলত অৱস্থিত উক্ত ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ যাতায়াত ব্যৱস্থা সুচল নোহোৱা বাবেই জিলা প্ৰশাসনে ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকলক এদিন আগতীয়াকৈ পঠিওৱাৰ ব্যৱস্থা কৰে। নিৰ্বাচনী বিষয়া ৰাজু বৰুৱাই জানিবলৈ দিয়া মতে, ছিপাঝাৰ বিধানসভা সমষ্টিৰ ১৬টা আৰু মঙলদৈ (অনুসূচিত জাতি) বিধানসভা সমষ্টিৰ ৩৭টা ভোটগ্ৰহণ কেন্দ্ৰলৈ প্ৰিজাইডিং-প'লিং বিষয়াৰ দল মঙলবাৰে আগতীয়াকৈ ৰাওনা হৈছে।

# এআইইউডিএফলৈ পঞ্চায়ত সভাপতি ঃ নিৰ্বাচনী প্ৰচাৰ তুংগত

**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ৩০ মাৰ্চ ঃ** নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত বিভিন্ন দলে নিৰ্বাচনী তৎপৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। মুঠ ১২জনে এইবাৰ বিধায়ক হোৱাৰ বাবে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে সমষ্টিটোত। কিন্তু মূল যুঁজখন কিন্তু তিনিজনৰ মাজতহে হ'ব। বৰ্তমানৰ বিধায়ক তথা এইবাৰৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী জাকিৰ হুছেইন সিকদাৰ, বিজেপিৰ সমৰ্থিত অগপৰ প্ৰাৰ্থী কল্পনা পাটোৱাৰী আৰু এআইইউডিএফৰ প্ৰাৰ্থী মিনাক্ষী ৰহমানৰ মাজত হ'ব সেয়া নিশ্চিত। ইতিমধ্যে তিনিওজনে নিজৰ নিজৰ ৰণকৌশল অনুসৰি ৰাইজৰ মাজত চিনাকি, আশীৰ্বাদ, হাটে-ঘাটে বজাৰে বজাৰে ঘূৰি ঘূৰি ৰাইজৰ মন জয়ী কৰিবলৈ চেষ্টা কৰিছে। মিনাক্ষী ৰহমানৰ সমৰ্থনত কালি এআইইউডিএফৰ সভাপতি তথা ধুবুৰী লোকসভাৰ সাংসদ বদৰুদ্দিন আজমলে দক্ষিণ পাকা গাঁও পঞ্চায়তৰ ভক্তৰডবাত এখন সভা অনুষ্ঠিত কৰে। আজি কংগ্ৰেছ প্ৰাৰ্থী জাকিৰ হুছেইন সিকদাৰৰ সমৰ্থনত ৰূপহীহাটৰ বিধায়ক নুৰুল হুদাই দক্ষিণ পাকা গাঁও পঞ্চায়তৰ পিঠাদি আৰু পশ্চিম পাকা গাঁও পঞ্চায়তৰ কে'বাঠাইত সভা অনুষ্ঠিত কৰে। ইপিনে, যোৱা ২৬ মাৰ্চত ৩৯ নম্বৰ মধ্য বেতবাৰী গাঁও পঞ্চায়তৰ কংগ্ৰেছৰ নিৰ্বাচিত পঞ্চায়ত সভাপতি দেৱান মোছাৰফ হুছেইনে কংগ্ৰেছ ত্যাগ কৰি এআইইউডিএফত যোগদান কৰাৰ পাছত আজি দক্ষিণ পশ্চিম বেতবাৰী গাঁও পঞ্চায়তৰ পৰা নিৰ্দলীয় হিচাপে জয়ী হোৱা পঞ্চায়ত সভাপতি ছিৰাজউদ্দিন আহমেদে আজি চাৰিজন পঞ্চায়ত সদস্যসহ এআইইউডিএফত যোগদান কৰে।

# লালুক বোকানদীত পথ দুৰ্ঘটনাত

*তিনি পৃষ্ঠাৰ পৰা* জাতীয়তাবাদী যুৱ পৰিষদৰ লালুক আঞ্চলিক সমিতিৰ সভাপতি ৰত্নেশ্বৰ বৰুৱা, সম্পাদক তুষাৰ প্ৰতীম হাজৰিকাকে ধৰি বিভিন্ন দল-সংগঠন, স্থানীয় ৰাইজে নৰজিত বৰগোহাঁইৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# কৰ্তব্য সম্পাদন কৰি ঘৰলৈ

*তিনি পৃষ্ঠাৰ পৰা* চাইকেলখনেৰে নিজ গৃহ ঘগ্ৰাপাৰৰ সমীপৰ আহিনপুৰলৈ গৈ থাকোতে দুৰ্ঘটনাটো। পাছত আৰক্ষীয়ে মৃদদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰোৱাৰ বাবে নলবাৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ফাকুৱাৰ আনন্দৰ মাজতে

*তিনি পৃষ্ঠাৰ পৰা* উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ঘটনা সম্পৰ্কত ৭৬/২১ নম্বৰত ভাৰতীয় দণ্ড বিধি ৩০২ ধাৰাৰ অধীনত এক গোচৰ ৰুজু কৰিছে।

# দুধনৈত দুৰ্ঘটনাত যুৱতী নিহত

*তিনি পৃষ্ঠাৰ পৰা* উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত নিহত যুৱতী ড° ৰয়ক উদ্ধাৰ কৰি থানালৈ আনি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰালৈ প্ৰেৰণ কৰে। আহতসকলক দুধনৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

# বজালীত প্ৰাৰ্থীৰ দ্বিতীয় পৰ্যায়ৰ

*তিনি পৃষ্ঠাৰ পৰা* অন্ততঃ তিনিবাৰ বিজ্ঞাপন প্ৰকাশ কৰিব লাগিব বুলিও কোৱা হয় আৰু এনে প্ৰেক্ষাপটত আজি কোনো প্ৰাৰ্থীয়ে বিজ্ঞাপন দাখিল কৰে। আজিৰ এই হিচাপ পৰীক্ষা কৰা সভাত বেংক বিষয়া নিখিল ভড়ালী আৰু দণ্ডাধীশ প্ৰাঞ্জল প্ৰতিম কোঁৱৰো উপস্থিত থাকে। উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত গুৰুত্বপূৰ্ণ সভাত প্ৰাৰ্থীৰ এজেণ্টসকল উপস্থিত থাকে।

# নাওশলীয়াত পথ দুৰ্ঘটনাত

*তিনি পৃষ্ঠাৰ পৰা* অইল চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। আৰক্ষীয়ে আজি পুৱা মৃতদেহটো মৰোণত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। মৃতলোকজন হ'ল তেলনগীৰ দুলীয়াজানৰ বুদ্ধমন্দিৰ সমীপৰ নিবাসী জনপ্ৰিয় চিত্ৰকলা শিল্পী জয় কিষাণ মহন্ত পানিকা (৫২)। মহন্ত দুলীয়াজানৰ এখন চিত্ৰ অংকন বিদ্যালয়ৰ অধ্যক্ষ আছিল। তেওঁৰ মৃত্যুত দুলীয়াজান প্ৰেছ ক্লাব, সন্মিলিত সাংবাদিক মঞ্চ, মটক যুৱ ছাত্ৰ সন্মিলন, আছু, দুলীয়াজান সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ পত্নীসহ এজন পুত্ৰক এৰি যায়।

# শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ

*তিনি পৃষ্ঠাৰ পৰা* কোনো বৈধ নথিপত্ৰ নাছিল। বাহনখনৰ চালক আৰু সহকাৰী চালকক গ্ৰেপ্তাৰ কৰাৰ পাছত আবকাৰী বিভাগে সুৰাসমূহ জব্দ কৰি চালক, সহকাৰী চালকক আদালতত হাজিৰ কৰায় আৰু আদালতৰ নিৰ্দেশ মতে দুয়োজনক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। গ্ৰেপ্তাৰ হোৱা লোক দুজন উত্তৰ প্ৰদেশৰ ফৰিদাবাদৰ শিৰভ কুমাৰ (২৬) (চালক) আৰু মানু সিং (১৯) (সহকাৰী চালক)। উল্লেখ্য যে ট্ৰাকখনত মুঠ ৫,৮৫৩টা বিদেশী সুৰাৰ বটল আছিল।

# বঢ়মপুৰত ১,৭৭,১৮১ গৰাকী

*তিনি পৃষ্ঠাৰ পৰা* এইবাৰৰ নিৰ্বাচনী যুঁজখন বিশেষ আকৰ্ষণীয় হ'ব বুলি ৰাইজে মন্তব্য কৰিছে। আনহাতে, যোৱা ২০১১ আৰু ২০১৬ৰ নিৰ্বাচনত বঢ়মপুৰ সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী সুৰেশ বৰাই প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ হাতত পৰাজয় বৰণ কৰিছিল যদিও বিগত সুদীৰ্ঘ দিন ধৰি কংগ্ৰেছ প্ৰাৰ্থীজনে সমষ্টিবাসীৰ লগত যোগাযোগ অব্যাহত ৰখাটো প্ৰাৰ্থীজনৰ এক ইতিবাচক বিবেচিত হৈছে। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা ১,৭৭,১৮১গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৮৯,২৭৪জন আৰু মহিলা ভোটাৰ ৮৭,৯০৭গৰাকী।

# আল্লাই হিমন্তৰ শৰীৰত

*তিনি পৃষ্ঠাৰ পৰা* কাক দিয়া হ'ব তাৰ তলা-চাবি আজমলৰ হাততহে থাকিব।' সভাতে তেওঁ প্ৰতিশ্ৰুতিৰ বন্যা সৃষ্টি কৰি কয় যে মহাজোঁটৰ চৰকাৰ আহিলে চৰকাৰীভাৱে পাঁচ লাখ আৰু বেচৰকাৰীভাৱে ২৫ লাখ চাকৰি দিয়া হ'ব। আজমলে লগতে দলগাঁৱত বিদ্যালয়-মহাবিদ্যালয় স্থাপন, অপ্ৰাদেশিকীকৃত স্কুলৰ সমস্যা সমাধান কৰা, ডাঙৰ হাস্পতাল নিৰ্মাণ, কৃষি বিশ্ববিদ্যালয় স্থাপন, দলগাঁৱৰ পাচলি বজাৰত ক'ল্ড ষ্ট'ৰেজ নিৰ্মাণ, ৰাস্তা-পদূলি পকী কৰা, কংগ্ৰেছ দলে দিয়া পাঁচ গেৰাণ্টী তেওঁৰ দলেও কাৰ্যকৰী কৰা, ডি ভোটাৰৰ সমস্যা সমাধান, এনআৰচিৰ সমস্যা সমাধান কৰাৰ লগতে মহিলাসকলৰ একাউণ্টত প্ৰতি মাহে দুহেজাৰকৈ টকা দিয়াৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# সাহিত্য হৈছে সমাজৰ দাপোণ স্বৰূপ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৩০ মাৰ্চ ঃ** 'সাহিত্য হৈছে সমাজৰ দাপোণস্বৰূপ। এখন দাপোণত যিদৰে প্ৰতিচ্ছবি প্ৰতিফলিত হয় সেইদৰে গ্ৰন্থৰ মাজেদি এখন পূৰ্ণাংগ সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়।' এই মন্তব্য বিশিষ্ট শিক্ষাবিদ ৰূপহী মহাবিদ্যালয়ৰ অধ্যাপক ড° ভদ্ৰকান্ত বৰাৰ। যোৱা আঠ মাৰ্চত নগাঁও জিলাৰ কৰৈয়নি বৰদোঙা পথাৰত অনুষ্ঠিত একাদশ হেজাৰী ভাওনা মহোৎসৱৰ ধৰ্মালোচনী সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচক হিচাপে ড° বৰাই আৰু কয় যে গ্ৰন্থৰ অন্তৰালত গ্ৰন্থকাৰজনৰ সমাজৰ প্ৰতি দেশৰ প্ৰতি যি দায়বদ্ধতা সেইটো প্ৰকাশ পায়। এই ক্ষেত্ৰত আলোচনীয়েই হওক বা স্মৃতি গ্ৰন্থই হওক বেছি সম্বল লাভ কৰিব পাৰি। মহোৎসৱৰ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি নবীন চন্দ্ৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনী সভাখনত ড° বৰাই আৰু কয় যে আলোচনীয়েই হওক বা স্মৃতিগ্ৰন্থই হওক বিভিন্নজন লোকৰ মতাদৰ্শ আমি জানিব পাৰো। সেই মতাদৰ্শবিলাকেই সমাজ এখন, দেশ এখনক আগুৱাই নিয়াত সহায় কৰিব পাৰে। স্মৃতিগ্ৰন্থ কৰাপাট উন্মোচনী সভাত অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া বীৰেন বৰাই কয় যে আমাৰ সমাজখন অৱক্ষয় হ'বলৈ ধৰিছে। সমাজত মৰম-চেনেহ, দয়া-ক্ষমা কমি যাবলৈ ধৰিছে। এই বিষয়বিলাকৰ এতিয়া সামূহিক গৱেষণাৰ প্ৰয়োজন হৈছে বুলি উল্লেখ কৰে। লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱগোস্বামীয়ে উদ্বোধন কৰা সভাখনত নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক গুণ শইকীয়াই কিতাপ উন্মোচন ভাল পৰম্পৰা বুলি উল্লেখ কৰে। সভাখনত উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকলৰ লগতে কে'বাগৰাকী বিশিষ্ট ব্যক্তি আৰু ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। কৰৈয়নি অঞ্চলৰ আশে-পাশে থকা ১২শ ঘৰ পৰিয়াল একত্ৰিত হৈ ১৯৬৬তে স্থাপন কৰিছিল কলংপৰীয়া বাৰগঞা সমাজ নামৰ এটি ধৰ্মীয় অনুষ্ঠান। বিশেষকৈ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ, প্ৰসাৰ, কলাকৃষ্টিৰ চৰ্চা আৰু সংৰক্ষণৰ লগতে নৱৰসেৰে সমৃদ্ধ অংকীয়া ভাওনা প্ৰদৰ্শনৰ মূল উদ্দেশ্য আগত ৰাখি বৃহত্তৰ কৰৈয়নি অঞ্চলৰ মধ্যস্থল বৰদোঙা পথাৰত পদ্মাকৃতিৰ নৱদ্বাৰযুক্ত সাৰ্বজননী হেজাৰী ভাওনা মন্দিৰ নামেৰে এটি মন্দিৰ নিৰ্মাণ কৰা হয়। এই মন্দিৰতে ২০০৭ তে বৰপেটা সত্ৰৰ পৰা অক্ষয় বন্তিৰ শিখা স্থাপন কৰা হৈছিল। এই পৱিত্ৰ স্থানত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা হেজাৰি ভাওনা যোৱা ২৬ৰ পৰা ৩০ মাৰ্চলৈ অনুষ্ঠিত হয়। নিৰ্বাচনৰ সময়তে এই ভাওনাৰ দিন পৰিছে যদিও নিৰ্বাচনৰ ধামখুমীয়াৰ মাজতে উদ্‌যাপন সমিতিয়ে এই মহোৎসৱ সাফল্য মণ্ডিত কৰাত সফল হৈছে। আধুনিকতাৰ গ্ৰাসত ম'বাইল, ইণ্টাৰনেটে ভাওনা সংস্কৃতিৰ ক্ষেত্ৰত উঠি অহা প্ৰজন্মৰ আদৰ কমাই পেলোৱাৰ সময়ত উৰিয়াগাঁও, কৰৈয়নি অঞ্চলৰ ৰাইজে এনেদৰে ভাওনা সংস্কৃতি জীয়াই ৰখাৰ প্ৰয়াস কৰিছে। মুঠ ১৫ লাখ টকা ব্যয় সাপেক্ষে এই হেজাৰি ভাওনা অনুষ্ঠিত কৰিবৰ বাবে অঞ্চলৰ ৰাইজে ব্যাপক প্ৰস্তুতি হাতত লৈ এক উৎসৱমুখৰ পৰিৱেশৰ মাজেৰে সামৰণি পৰে। ২৬ মাৰ্চৰ পৰা বিভিন্ন কাৰ্যসূচীৰে সাফল্য মণ্ডিত কৰা এই একাদশ হেজাৰী ভাওনা মহোৎসৱৰ সন্ধিয়া বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ মাজেৰে সামৰণি পৰে।

### কৰৈয়নি বৰদোঙা পথাৰৰ বাৰগঞা সমাজৰ হেজাৰী ভাওনাৰ সামৰণি

## হাগ্ৰামা মহিলাৰীক মুকলি প্ৰত্যাহ্বান বি আৰ ফেৰেংগাৰ

# দুই মে'ৰ পাছত বিটিচিত চৰকাৰ গঠন কৰি দেখুৱাওক হাগ্ৰামাই

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৩০ মাৰ্চ ঃ** 'যোৱা বিটিচি নিৰ্বাচনত সংখ্যাগৰিষ্ঠ নাপাই চৰকাৰ গঠন কৰিব নোৱাৰি হাগ্ৰামা মহিলাৰীয়ে হতাশ হৈ এতিয়া আবোল-তাবোল বকি আছে। গণতান্ত্ৰিকভাৱে বিজেপি, জি এছ পিৰ সমৰ্থন লৈ ইউ পি পি এলে বিটিচিৰ শাসনভাৰ হাতত লৈ সূচাৰুৰূপে বিটিচিখন চলাইছে। কিন্তু হাগ্ৰামা মহিলাৰীয়ে এইখন চৰকাৰ আৰু বেছিদিন নাই বুলি বকি থাকে। অহা দুই মে'ৰ পাছত বিটিচিত পুনৰ হাগ্ৰামা মহিলাৰীয়ে চৰকাৰ গঠন কৰিব বুলি কৈ থাকে। যদি 'হাগ্ৰামাই বিটিচিত পুনৰ চৰকাৰ গঠন কৰিব পাৰে তেন্তে মই তেওঁৰ গাড়ীৰ তলত পৰি মৰিম, হাগ্ৰামাই চৰকাৰ গঠন কৰিব নোৱাৰিলে মোৰ গাড়ীৰ তলত পৰি মাৰিব নেকি।' এই বক্তব্য বিটিচিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত কুমাৰ বসুমতাৰীৰ। তেওঁ কয় হাগ্ৰামাৰ ঠগবাজী ৰাইজে ধৰা পেলাইছে। আদিবাসী, সংখ্যালঘু তথা বড়োৰ মাজত বিভাজন ঘটাই তেজৰ ফাকু খেলি ১৭টা বছৰ তেওঁ শাসনৰ নামত শোষণ চলালে, উন্নয়নৰ নামত লুণ্ঠন চলালে। ৰজাৰ নিচিনাকৈ জীৱনযাত্ৰা চলোৱা হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ সাংগো-পাংগসকল এতিয়া ক্ষমতা হেৰুৱাই হতাশগ্ৰস্ত হৈ পৰিছে বুলি মন্তব্য কৰে বসুমতাৰীয়ে। হাগ্ৰামা মহিলাৰীয়ে নিজৰ অস্তিত্ব বিপন্ন জানিব পাৰি মহাজোঁটত চামিল হৈছে যদিও বিটিআৰৰ সকলোকেইটা সমষ্টিত বিপিএফ হাৰিব। মহাজোঁটেও অসমত মুখথেকেচা খাব। হাগ্ৰামাই পুনৰ বিটিচি দখলৰ যি সপোন দেখিছে সেয়া তেওঁৰ কাৰণে দুঃস্বপ্ন বুলি পৰ্যবসিত হ'ব বুলি ইংগিতপূৰ্ণ মন্তব্য কৰে বসুমতাৰীয়ে। তেওঁ আজি কোকৰাঝাৰ পশ্চিম (জনজাতি) সমষ্টিৰ ইউপিপিএলৰ মনোনীত প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মৰ হৈ সমষ্টিটোৰ তুলসীবিল অঞ্চলত ব্যাপক প্ৰচাৰ চলায়। তুলসীবিলৰ হাৰভাংগা গাঁৱত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত আন দলৰ পৰা শতাধিক পুৰুষ-মহিলাই ইউপিপিএলত যোগদান কৰে।

# জৰাজীৰ্ণ বাসুগাঁও-বালাগাঁও গড়কাপ্তানী পথ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩০ মাৰ্চ ঃ** কোকৰাঝাৰ আৰু চিৰাং জিলা সংযোগী বাসুগাঁও-বালাগাঁও সংযোগী অতি গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথছোৱা দীৰ্ঘ বছৰৰ পৰা মেৰামতিৰ অভাৱত জহি-খহি হৈছে। বিশেষকৈ কোকৰাঝাৰ আৰু চিৰাং জিলা দ্বি-বিভক্ত কৰা চম্পাৱতী নৈৰ পৰা কালীপুখুৰীলৈ পথছোৱা ঠায়ে ঠায়ে পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হোৱাত প্ৰায় পাঁচ কিলোমিটাৰ পথছোৱা বাহনেৰে যাওঁতে প্ৰায় এঘণ্টা সময় লাগে। খৰালি দিনত প্ৰচণ্ড ধূলি-বালিৰ উপৰি এজাক বৰষুণতে বোকা-পানীৰে একাকাৰ হৈ যাতায়াতৰ ক্ষেত্ৰত চৰম অসুবিধাৰ সৃষ্টি হয়। কিন্তু উক্ত পথেৰে দিনে-নিশাই দৈনিক শ শ ট্ৰাক-ট্ৰেক্টৰ চম্পাৱতী নৈৰ পৰা বালি-শিল ছালাকাটি, কোকৰাঝাৰ, বিলাসীপাৰা, চাপৰ, ধুবুৰী, গোসাঁইগাঁও ইত্যাদি ঠাইলৈ সৰবৰাহ হৈ থাকে। আনহাতে, উক্ত পথেৰে কূৰশাকাটি, জৰেগাঁও, ক্ষুদ্ৰবাসুগাঁও, লালটাৰী, লাটাগাঁও, কাকৰমাৰী, কাউনীয়া ভাষা, ডোৰৰাগাঁও, ৰাখাতলা, ছেদামাৰী ইত্যাদি গাঁৱৰ গাঁওবাসীয়ে দৈনিক কিবা নহয় কিবা কামত বাসুগাঁও চহৰলৈ আহিবলগীয়া হয়। তৎসত্বেও চৰকাৰ-প্ৰশাসনে কি কাৰণে পথছোৱা মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা নাই সেয়া ৰহস্যৰ বিষয়। ইফালে, চম্পাৱতী নৈৰ ওপৰৰে খৰালি কালত অতি দীঘল ঠেক বাঁহৰ দলঙৰে পথচাৰীয়ে ধন ভৰি পাৰপাৰ হ'বলগীয়া হয়। বহু সময়ত মটৰ চাইকেল, বাইচাইকেলসহ বাঁহৰ দলঙৰ পৰা নৈত পৰি যোৱা ঘটনা ঘটি আহিছে। দলঙৰ পৰা পৰি গুৰুতৰভাৱে আঘাত পোৱাৰ যথেষ্ট নজিৰ আছে। বাৰিষাত টুলুঙা নাৱেৰে চাইকেল, মটৰ চাইকেলসহ বয়-বস্তু উঠাই পাৰাপাৰ হ'বলগীয়া হয় পকেটৰ ধন ভৰি। কেতিয়াবা কেতিয়াবা যাত্ৰীয়ে উঠা-নমা কৰোতে নাও ডুবি বয়-বস্তু নষ্ট হোৱাৰো যথেষ্ট নজিৰ আছে। অৱশ্যে কূৰশাকাটি গাঁৱৰ গাঁওবুঢ়া দিনেশ বসুমতাৰীয়ে জানিবলৈ দিয়ে যে অলপতে গড়কাপ্তানী পথ বিভাগৰ অভিযন্তা-ঠিকাদাৰ আহি জৰাজীৰ্ণ পথছোৱা প্ৰত্যক্ষ কৰি পথৰ দুয়োফালে বহল কৰি পকীকৰণ ব্যৱস্থা কৰাৰ লগতে গছপুলি ৰোপণ কৰি সুস্থ পৰিৱেশন আৰু সৌন্দৰ্যবৰ্ধন কৰা হ'ব বুলি জৰীপ কৰিবলৈ অহা বুলি কয়। চিদলী সমষ্টিৰ অন্তৰ্গত চম্পাৱতীৰ ওপৰত কচুতোলা-কূৰশাকাটি ঘাটত স্থানীয় ৰাইজে দীৰ্ঘ বছৰৰ পৰা পকী দলং হ'ব লাগে বুলি দাবী জনাই আহিছে যদিও আজিলৈকে আধাৰশিলাই স্থাপন নহ'ল। কেতিয়া পথ উন্নত আৰু দলং নিৰ্মাণ হ'ব তালৈকে ৰাইজে গভীৰ প্ৰতীক্ষাৰে অপেক্ষা কৰি আছে।

### বাৰিষাৰ পূৰ্বে মেৰামতি নকৰিলে যাতায়াত বন্ধ হৈ পৰিব ঃ মেৰামতিৰ দাবী

# কংগ্ৰেছে পাঁচটা নহয়, ৫০টা গেৰাণ্টী

*তিনি পৃষ্ঠাৰ পৰা* কৰি সংবাদ মাধ্যমৰ আগত এইদৰে কয় সভাপতিজনে। বহুসংখ্যক কংগ্ৰেছ, অগপ আৰু অজাপৰ কৰ্মী-সমৰ্থকে যোগদান কৰা সভাত সভাপতি দাসে কয়, 'মই অকল দলৰ ব্ৰেণ্ডেড বিধায়ক হ'ব নিবিচাৰো। মই সমগ্ৰ পাটাছাৰকুছি সমষ্টিবাসী ৰাইজৰ আপোন বিধায়ক হ'ব খোজো।' অগপ নেতা তথা অধিবক্তা গোলাপ তালুকদাৰৰ নেতৃত্বত আৰু অসম জাতীয় পৰিষদৰ সমষ্টি সমিতিৰ সহকাৰী সম্পাদক প্ৰকাশ শৰ্মাৰ নেতৃত্বত যোগদানকাৰীসকলক আদৰণি জনাই সমষ্টিটোৰ দলীয় প্ৰাৰ্থী দাসে এআইইউডিএফৰ সভাপতি বদৰুদ্দিন আজমলৰ বিৰুদ্ধেও সৰৱ হৈ পৰে। তেওঁ কয় যে আজমলৰ জৰাফুকাৰ ৰাজনীতিৰে নিজকে ভগৱানৰূপে প্ৰতিষ্ঠা কৰিব বিচাৰে। তেওঁৰ এই জৰাফুকা ৰাজনীতিৰ বাবে কোনো অজ্ঞ লোকে তেওঁক ভগৱান বুলি ভাবিব পাৰে। কিন্তু হিন্দুৱে হওক বা মুছলমানেই হওক কোনো বিবেক থকা লোকে আজমলক ভগৱানটো দূৰৰ কথা কোনোৱে মানুহ বুলিও বিবেচনা নকৰে। ইফালে, কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীকো সমালোচনা কৰি তেওঁ কয় যে ৰাহুল গান্ধী একো নেতাই নহয়। তেওঁ আমাৰ মণ্ডল সভাপতিসকলৰ স'তেও কথা পাতিব নোৱাৰে।

ইফালে, আজি টিহুত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি সংবাদ মাধ্যমৰ আগত ৰাজ্যিক সভাপতি দাসে কয়, 'কংগ্ৰেছক অসমৰ ৰাইজে আঁকোৱালি নলয়। যিটো দলক ৰাইজে কোনো কাৰণতে আঁকোৱালি নলয়, তেনে পৰিস্থিতিত কংগ্ৰেছে পাঁচটা নহয়, ৫০টা গেৰাণ্টী দিলেও কামত নাহে।' এআইইউডিএফক সমালোচনা কৰি তেওঁ কয় যে অসমৰ ধৰ্মীয় সংখ্যালঘু মূলৰ লোকসকলে বিবেক ভোট প্ৰদান কৰিব। সম্প্ৰতি এইসকল লোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আঁকোৱালি লৈছে। ২০১৪ৰ পৰা বিগত সাত বছৰ ধৰি সংখ্যালঘুমূলৰ লোকসকলে অসমত সুৰক্ষিত হৈ আছে। অথচ কংগ্ৰেছ চৰকাৰৰ দিনত সংখ্যালঘু লোকৰ ওপৰত অত্যাচাৰ চলোৱা হৈছিল। এই ক্ষেত্ৰত তেওঁ কংগ্ৰেছ চৰকাৰৰ দিনত নেলী, কোকৰাঝাৰ, গোসাঁইগাঁও আদি অঞ্চলত সংখ্যালঘু লোকসকলে সন্মুখীন হোৱা অত্যাচাৰৰ বিষয়ে প্ৰকাশ কৰে। আনহাতে, প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অভূতপূৰ্ব সাফল্য লাভ কৰিব বুলি দাবী কৰি দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনতো বিজেপি মিত্ৰজোঁটে ভাল ফলাফল লাভ কৰিব বুলি দাবী কৰে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীজনে সাংবাদিকৰ স'তে টিহুৰ স্থানীয় সমস্যা সন্দৰ্ভতো মত বিনিময় কৰে।

## খেৰবাৰী জে এন এম ই স্কুলৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ৩০ মাৰ্চ ঃ** আগমনী প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত খেৰবাৰী জে এন মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজে ধুবুৰী জিলা উপায়ুক্তক অভিযোগ দি তদন্তৰ বাবে দাবী জনায়। ৰাইজে দিয়া অভিযোগ মৰ্মে, প্ৰধান শিক্ষক ৰুহিনী কুমাৰ সৰকাৰে যোৱা সাত বছৰে বিদ্যালয় পৰিচালনা সমিতি নোহোৱাকৈ সমূহ চৰকাৰী পুঁজিৰ অপব্যৱহাৰ কৰি আহিছে, শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি আহিছে, ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ ধন, ছাত্ৰ-ছাত্ৰীৰ দুই বছৰৰ ইউনিফৰ্মৰ ধন, বিদ্যালয়ৰ নামত থকা দুই বিঘা খেতি মাটিৰ উৎপাদিত শস্যৰ টকা, বিদ্যালয়ৰ চৌহদত থকা আহত গছ বিক্ৰীৰ টকা প্ৰধান শিক্ষকজনে পৰিচালনা সমিতি নোহোৱাকৈয়ে অন্যায় ব্যৱহাৰ কৰি আহিছে। আনহাতে, প্ৰধান শিক্ষকজনে ইচ্ছা মতে বিদ্যালয়ত স্থানীয় যুৱক-যুৱতীক নিয়োগ কৰা, বিদ্যালয়ৰ চকীদাৰৰ মৃত্যুৰ পাছত নিজৰ ল'ৰাক বিদ্যালয়ৰ কাৰ্যত নিয়োজিত কৰা বুলিও অভিযোগত উল্লেখ কৰে। আনহাতে, অভিভাৱকসকলে আগমনী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, জিলা প্ৰাথমিক শিক্ষা বিষয়া, ব্লক সমল ব্যক্তিক মৌখিক অভিযোগ দিয়াৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ নকৰাত অভিভাৱকসকলে ক্ষোভিত হৈ জিলা উপায়ুক্তক ১৮১জনৰ স্বাক্ষৰ সম্বলিত অভিযোগ পত্ৰ প্ৰেৰণ কৰি চৰজমিন তদন্তৰে প্ৰধান শিক্ষকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ ঘূৰাই অনাৰ বাবে আবেদন কৰে। অভিযোগৰ প্ৰতিলিপি শিক্ষা সচিব অসম, প্ৰাথমিক শিক্ষা সঞ্চালকালয় অসম, জিলা প্ৰাথমিক শিক্ষা বিষয়া ধুবুৰী, আৰক্ষী অধীক্ষকলৈয়ো প্ৰেৰণ কৰে।

## পকামূৰা আঞ্চলিক ৰঙালী বিহু সমন্বয় গোষ্ঠীৰ উদ্যোগত ৰাজহুৱা সভা সম্পন্ন

**পশ্চিম যোৰহাট, ৩০ মাৰ্চ ঃ** যোৰহাট জিলাৰ দক্ষিণ-পশ্চিম যোৰহাটৰ অন্যতম সাংস্কৃতিক গোষ্ঠী পকামূৰা আঞ্চলিক ৰঙালী বিহু সমন্বয় গোষ্ঠীৰ আহ্বানত যোৱা ২৮ মাৰ্চত পকামূৰা লেহেটিয়ানী চাপৰি খেলপথাৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। গোষ্ঠীৰ সভাপতি জয়ন্ত হাজৰিকাই সভাপতিত্ব কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে গোষ্ঠীৰ সাধাৰণ সম্পাদক অনিমেষ দত্তই। সভাত ২০১৮ৰ পৰা লেহেটিয়ানী চাপৰি খেলপথাৰত উদ্‌যাপন কৰি অহা পকামূৰা আঞ্চলিক ৰঙালী বিহু সন্মিলনখন চলিত বৰ্ষতো উলহ-মালহেৰে অনুষ্ঠিত কৰা সম্পৰ্কত আলোচনা কৰাৰ লগতে সদৌ অসম ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা বিষয়ত ৰাইজৰ মতামত গ্ৰহণ কৰা হয়। সভাত উপস্থিত ৰাইজে দুয়োটা অনুষ্ঠানেই গোষ্ঠীৰ উদ্যোগত অনুষ্ঠিত কৰাৰ পোষকতা কৰি চতুৰ্থ বাৰ্ষিক পকামূৰা আঞ্চলিক ৰঙালী বিহু উদ্‌যাপনৰ বাবে অঞ্চলটোৰ অন্যতম জ্যেষ্ঠ সামাজিক ব্যক্তি তৰুণ বেজক সভাপতি, সুৰেণ বৰাক কাৰ্যকৰী সভাপতি আৰু গোষ্ঠীৰ সম্পাদক অনিমেষ দত্তক তৃতীয়বাৰৰ বাবে বিহু উদ্‌যাপনৰ দায়িত্ব প্ৰদান কৰি এখন উদ্‌যাপন সমিতি গঠন কৰে। ইয়াৰ উপৰি সভাৰ আগন্তুক ভাওনা প্ৰতিযোগিতাখনৰ গোষ্ঠীৰ উদ্যোগত অঞ্চলৰৰ্তী ৰাইজে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি সদৌ অসম ভাওনা প্ৰতিযোগিতাখন সফল ৰূপায়ণৰ স্বাৰ্থত ভাওনা ক্ষেত্ৰখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত সংস্কৃতিৱান ব্যক্তি যতীন দত্তক সভাপতি আৰু গজেন বৰাক সম্পাদকৰূপে লৈ এখন ভাওনা উদ্‌যাপন সমিতি গঠন কৰে বুলি পকামূৰা আঞ্চলিক ৰঙালী বিহু সমন্বয় গোষ্ঠীৰ সভাপতি জয়ন্ত হাজৰিকা আৰু সম্পাদক অনিমেষ দত্তই এক বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে।

## সৃজনগ্ৰামৰ ৰঘুনাথ বিগ্ৰহৰ স্থায়ী তোৰণ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৩০ মাৰ্চ ঃ** বঙাইগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ সৃজনগ্ৰাম অঞ্চলৰ শ্ৰীশ্ৰী ৰঘুনাথ বিগ্ৰহৰ নামত নিৰ্মাণ কৰা স্থায়ী তোৰণ এখন বৰঘোলাত আজি উদ্বোধন কৰা হয়। অঞ্চলটোৰ উদীয়মান যুৱক, সমাজকৰ্মী পাখিৰীগুৰীৰ শ্যামল নাৰায়ণ দেৱে বিগ্ৰহলৈ যোৱা পথৰ বৰঘোলাত বিগত ২০০৮তে স্থায়ী তোৰণ এখন নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছিল। নিৰ্মাণ কাৰ্য সম্পন্ন হোৱাৰ পাছত আজি ধৰ্মীয় নীতি-নিয়মৰ মাজেৰে সম্পূৰ্ণ আধ্যাত্মিক পৰিৱেশৰ মাজেৰে শ্যামল নাৰায়ণ দেৱৰ মাতৃয়ে পৰিয়ালৰ সদস্য লগত লৈ বিগ্ৰহ পৰিচালনা সমিতিৰ বিষয়ববীয়া, বাপ-ভকতৰ উপস্থিতিত তোৰণখন মুকলি কৰে। ৰাম, লক্ষ্মণ আৰু সীতা দেৱীৰ মূৰ্তি অংকিত তোৰণখন শ্যামল নাৰায়ণ দেৱৰ পিতৃ গজেন্দ্ৰ নাৰায়ণ দেৱৰ সোঁৱৰণত উছৰ্গা কৰা হৈছে।

**শ্ৰদ্ধাঞ্জলি**

## কিৰণ দেৱী বুজৰবৰুৱা



যোৱা ২১ মাৰ্চত পেহী কিৰণ দেৱী বুজৰবৰুৱাই ৮৮ বছৰ বয়সত গুৱাহাটীৰ ভেটাপাৰাস্থিত পুত্ৰ গৃহত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ আগমুহূৰ্তত মই চতুৰ্থ পুত্ৰ মুন (মনোজ বুজৰবৰুৱা)ৰ স'তে পেহীৰ স্বাস্থ্যৰ খবৰ লৈছিলো যদিও পাছত পেহীৰ দুঃখবৰ পাই শোকাবত হৈ পৰিছিলো।

নলবাৰী জিলাৰ উপৰ-বৰভাগ মৌজাৰ পাজিপৰ গাঁৱৰ ডাক্তৰঠেৰ পৰিয়াল হিচাপে খ্যাত ঘৰখনত জন্ম গ্ৰহণ কৰা পেহী জিলাখনৰ দতৰা গাঁৱৰ পণ্ডিত (স্মৃতি) শিৱনাথ বুজৰবৰুৱাৰ দ্বিতীয় পুত্ৰ মহেন্দ্ৰ নাথ বুজৰবৰুৱাৰ স'তে বিবাহ পাশত আৱদ্ধ হৈছিল। পাছলৈ কৰ্মসূত্ৰে নলবাৰী চহৰৰ বিদ্যাপুৰৰ বাসিন্দা হৈ পৰে পৰিয়ালটো। নিজৰ চৰকাৰী সেৱাৰ লগতে সমাজ সেৱা আৰু সাহিত্য-চৰ্চাৰ পৰিচয় দিয়া পেহাৰ উৎসাহকে সাৰথি কৰি এসময়ত পেহী জিলাখনৰ প্ৰাদেশিক মহিলা সমিতিখনত নিষ্ঠাৰে সেৱা আগবঢ়াই এগৰাকী সমাজহিতৈষী ব্যক্তিৰ পৰিচয় দিছিল। বিদ্যাপুৰৰ পৰিচিত মাধৱ মন্দিৰৰ স'তে একনিষ্ঠভাৱে জড়িত পেহীৰ ধৰ্মৰ প্ৰতি আছিল একান্ত অনুৰাগ। নিপুণ শিপিনী পেহীয়ে বিদ্যাপুৰৰ ঘৰত থকা তাঁতশালখনত নিজ হাতে মেখেলা-চাদৰ, গামোচা, বিছনা চাদৰ আদি বৈ নিজকে এগৰাকী অসমীয়া আদৰ্শ নাৰীৰ স্বাভিমানৰ পৰিচয় দিছিল। পাঁচগৰাকী পুত্ৰ আৰু তিনিগৰাকী কন্যাক সু-শিক্ষিত কৰি তোলাত পেহীৰ অৱদান আছিল উল্লেখনীয়। ওচৰ-চুবুৰীয়াৰ স'তে সদায় সু-সম্পৰ্ক ৰখা পেহী সকলোৰে প্ৰিয়ভাজন হৈ পৰিছিল। সদা হাস্যমুখৰ, সদালাপী পেহী বিপদৰ দিনতো মানসিক দৃঢ়তা অটুট ৰাখিছিল। বিদ্যায়তনিক দিশত সমৃদ্ধ নহ'লেও পেহীয়ে আমাক দি থৈ যোৱা নৈতিক প্ৰমূল্যবোধৰ উপদেশখিনিৰ পৰাই উপলব্ধি কৰিব পাৰি তেওঁৰ জ্ঞানৰ গভীৰতা।

আজি পেহীৰ পৱিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ পুণ্য স্মৃতিত ভক্তি-অঞ্জলি জনোৱাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছো।

**ধনেশ্বৰ শৰ্মা**

**শ্ৰদ্ধাঞ্জলি**

## অৰ্ণৱ কুমাৰ শৰ্মা



আমাৰ অতি মৰমৰ ভাগিন অৰ্ণৱ কুমাৰ শৰ্মাই ২২ বছৰ বয়সত নিয়তিৰ ওচৰত হাৰ মানে। পৰিয়ালৰ একমাত্ৰ পুত্ৰৰ অৱৰ্তমানে আমাক আঘাত দিলে যি আজিও আমাৰ বাবে যন্ত্ৰণাদায়ক অসহ্যকৰ হৈ আছে।

আজি তেওঁৰ পৱিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো তেওঁৰ আত্মাই শান্তি লাভ কৰক।

**গুৰুপদ শৰ্মা** (মামা)

# নিৰ্বাচনত নিয়োজিত বিষয়া-শিক্ষক-কৰ্মচাৰীৰ খাদ্য, স্বাস্থ্য-সুৰক্ষা নিশ্চিত কৰাৰ দাবী

## উপায়ুক্তক কৰ্মচাৰী পৰিষদৰ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ বিষয়া, শিক্ষক-কৰ্মচাৰীসকলক নলবাৰী জিলাৰ উপায়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াৰ দ্বাৰা বিভিন্ন দায়িত্ব অৰ্পণ কৰা হৈছে। আজি নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি, সাধাৰণ সম্পাদক ক্ৰমে বিকাশ ভট্টাচাৰ্য, পংকজ বৰ্মনে নলবাৰী জিলাৰ উপায়ুক্ত তথা নলবাৰী জিলা নিৰ্বাচনী বিষয়াক সাক্ষাৎ কৰি আগন্তুক নিৰ্বাচনৰ বাবে যিসকল বিষয়া, শিক্ষক, কৰ্মচাৰীক নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি ভোটগ্ৰহণ, ভোট গণনা পৰ্যন্ত নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ দায়িত্বভাৰ অৰ্পণ কৰা হৈছে সেইসকল কৰ্মচাৰীৰ বাবে খাদ্য, স্বাস্থ্য আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে এখন স্মাৰকপত্ৰ প্ৰদান কৰে। বিশেষকৈ নিৰ্বাচনী বয়-বস্তু সংগ্ৰহ কৰি ভোটগ্ৰহণ কেন্দ্ৰলৈ যোৱা আৰু প্ৰক্ৰিয়া সমাপন কৰি কাৰ্যালয়ত জমা কৰা পৰ্যন্ত কৰ্মচাৰীসকলৰ সুৰক্ষা এশ শতাংশ নিশ্চিত কৰা, নিৰ্বাচনী কাৰ্য সম্পাদন কৰিবলৈ নলবাৰী জিলাৰ বিভিন্ন স্থানৰ পৰা কৰ্মচাৰীসকলে জিলা সদৰলৈ আহি কৰ্ম সমাপন কৰাৰ পাছত কৰ্মচাৰীসকলক নিজৰ কৰ্মস্থান অথবা নিজৰ গৃহলৈ যোৱাৰ সু-ব্যৱস্থা কৰা, নিয়োজিত কৰ্মচাৰীসকলক ভাল চাফ-চিকুণ পৰিৱেশত আহাৰ যোগান ধৰাৰ সুব্যৱস্থা কৰা, ক'ভিড-১৯ৰ সংক্ৰমণৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি কৰ্মচাৰীসকলক সু-স্বাস্থ্য বৰ্তাই ৰখাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে উক্ত স্মাৰকপত্ৰত উল্লেখ কৰি উপায়ুক্তক আহ্বান জনায়।



আজৰাত অগপৰ নিৰ্বাচনী প্ৰচাৰ সভা, মঙলবাৰে।

## পদব্ৰজে মঙলদৈ চহৰত ভোটভিক্ষা কংগ্ৰেছ প্ৰাৰ্থী বসন্ত দাসৰ

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৩০ মাৰ্চ ঃ** দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ পৰ্বৰ অন্তিম দিনা মঙলদৈ চহৰত পদযাত্ৰা কৰে মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী বসন্ত দাসে। বৃহৎ সমদল কৰি গৈ কংগ্ৰেছ প্ৰাৰ্থীজনে চহৰৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত সোমাই ভোট ভিক্ষা কৰে। চহৰৰ বিভিন্ন ব্যৱসায়ী আৰু বাটৰুৱাৰ স'তে বাৰ্তালাপ কৰি তেওঁ মহাজোঁটক ভোট দিয়াৰ আহ্বান জনায়।

পৰৱৰ্তী সময়ত কংগ্ৰেছ প্ৰাৰ্থী দাসে চহৰৰ নিকটৱৰ্তী নগৰবাহী আৰু চমুৱাপাৰা গাঁও পঞ্চায়তত পদযাত্ৰা কৰি ভোটাৰৰ মন জয় কৰিবলৈ চেষ্টা কৰে। পদযাত্ৰাৰ অন্তত নগৰবাহী পাঁচআলি চ'কত আয়োজিত এক সভাত প্ৰাক্তন মন্ত্ৰীজনে ভাষণ ৰাখি ৰাইজক ভোট দিবলৈ আহ্বান জনায়। দৰং জিলা কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি চৰিফুল ইছলামে পৌৰোহিত্য কৰা সভাখনত কে'বাজনো কংগ্ৰেছ নেতা উপস্থিত থাকে।

**খাটিকুছিত কংগ্ৰেছৰ সংবাদমেল**

## প্ৰথম পৰ্যায়ত ৩০খন আসন লাভৰ দাবী কংগ্ৰেছৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ মাৰ্চ ঃ** নিৰ্বাচনী প্ৰচাৰৰ সময়ত আৰু যাৱতীয় কাম-কাজত বিজেপিয়ে প্ৰশাসনক ব্যৱহাৰ কৰি মহাজোঁটৰ প্ৰাৰ্থীক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন কৰিছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। আজি দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ অন্তিম দিনা খাটিকুছিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ অন্তত সম্বোধন কৰা এক সংবাদমেলত তেওঁ কয় যে প্ৰথম পৰ্যায়ত অনুষ্ঠিত ৪৭টা আসনত ভাল ফলাফল পোৱাৰ দাবী কৰি কমেও ৩০খন আসন লাভৰ দাবী কৰে। তেওঁ কয়, 'প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত হিমন্ত, সোণোৱাল, ৰঞ্জিতৰ আজমল, মোগল, সভ্যতাৰ যুঁজৰ শ্ল'গান সফল নহ'ল।' তেওঁ কয়, 'বিজেপি আঁচনি ৰূপায়ণত বিফল হৈছে। ভুৱা প্ৰতিশ্ৰুতিৰে পাঁচ বছৰ শেষ কৰিলে। এই ভুৱা প্ৰতিশ্ৰুতি ৰাইজে অনুধাৱন কৰিছে। আঁচনিৰ ধন চৰকাৰে মোকলাই দিব পৰা নাই। চৰকাৰৰ অৰ্থনৈতিকভাৱে শৰশয্যাত আছে।' তেওঁ হিতাধিকাৰীৰ ওপৰত ব্লেকমেইল কৰাৰো অভিযোগ কৰে। তেওঁ পুনৰ কয়, 'মহাজোঁটৰ চৰকাৰ হ'লে বিজুলীৰ দুশ ইউনিট ৰেহাই, মহিলাক তিনি হেজাৰ, নিবনুৱাক সংস্থাপন আদিৰো প্ৰতিশ্ৰুতি দিয়ে। কংগ্ৰেছ কৰ্মীক হাৰাশাস্তিৰ অভিযোগ।' সংবাদমেলত তেওঁ কয় যে ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি উজনিৰ ৰাইজে প্ৰত্যাখ্যান কৰিছে। উন্নয়নৰ ফটাঢোল বজাইছে বিজেপিয়ে।

## বৰমাত বিহুনাচৰ কৰ্মশালাৰ সামৰণি

**বৰমা, ৩০ মাৰ্চ ঃ** ৰাজ্যৰ চৌদিশে নিৰ্বাচনী বতাহ চলি থকাৰ মাজতে বাগ্‌সা জিলাৰ বৰমাত যোৱা ২৩ মাৰ্চৰ পৰা আৰম্ভ হোৱা বিহুনাচ আৰু বিহু ঢোলৰ কৰ্মশালাৰ যোৱা ২৯ মাৰ্চত সামৰণি পৰে। বৰমাৰ সমন্বয়ী কলাকেন্দ্ৰৰ উদ্যোগত সাতদিনীয়া কৰ্মসূচীৰে বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আৰম্ভ হৈছিল বিহুনাচৰ কৰ্মশালা। বৰমাৰ ভিন্ন অঞ্চলৰ পৰা শতাধিক শিশু, কিশোৰ-কিশোৰীয়ে বিহুনাচ আৰু বিহু ঢোলৰ কৰ্মশালাত অংশগ্ৰহণ কৰে। কৰ্মশালাত অসম বিহুৱতী, পাটমাদৈ খ্যাত বিহু সম্ৰাজ্ঞী মৌচুমী বৰা, বিহুৱতী মিতালী হালৈ, পল্লৱী বৰ্মন, ঢুলীয়া বিটু বড়ো আদিয়ে প্ৰশিক্ষক হিচাপে উপস্থিত থাকে। সামৰণিত অংশগ্ৰহণকাৰীসকলক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

## মুম্বাইত বহি আজমলে যমুনামুখৰ ৰাইজক ঠগিছে ঃ মহন্ত

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৩০ মাৰ্চ ঃ** 'যমুনামুখ সমষ্টি হ'ল আঞ্চলিকতাবাদৰ ঘাটি। যমুনামুখে দুবাৰকৈ আঞ্চলিক দল অগপৰ প্ৰতিনিধিক দিছপুৰলৈ পঠিয়াইছিল। এইবাৰ দিছপুৰত পুনৰ মিত্ৰ দলৰ চৰকাৰ হ'ব। যমুনামুখৰ উন্নয়নৰ বাবে অগপৰ প্ৰাৰ্থীক ভোট দিয়ক।' এই মন্তব্য অগপ নেতা মনি মাধৱ মহন্তৰ। আজমলৰ দুৰ্গ যমুনামুখত মিত্ৰজোঁট অগপৰ অন্তিমখন নিৰ্বাচনী ৰণডংকা বজালে। যমুনামুখ সমষ্টিৰ অগপৰ প্ৰাৰ্থী ছাদিক উল্লাহ ভূঞাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় মামনি বৰা, যতীন নাথ, হোজাই জিলা অগপ



সভাপতি ৰেজাউল কৰিম চৌধুৰী। যমুনামুখ দৈনিক বজাৰত বিয়লি সহস্ৰাধিক লোক উপস্থিত থকা সভাখনত মনি মাধৱ মহন্তই আজমলক তুলাধুনা দিয়ে। আজমলে যমুনামুখত নিৰ্বাচিত হৈ ডুবাই-মুম্বাইত ব্যৱসায় কৰিবলৈ গুচি যায় বুলিও মহন্তই কয়। যোৱা ১৫ বছৰে মুম্বাইত বহি আজমলে যমুনামুখৰ ৰাইজক ঠগি আহিছে।

## বিশ্বনাথ চাৰিআলিত যাৱজ্জীৱন কাৰাদণ্ড

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৩০ মাৰ্চ ঃ** বিশ্বনাথ চাৰিআলিৰ অতিৰিক্ত জিলা ন্যায়াধীশ এছ কে ঘোষে এক ৰায়দানযোগে আজি অপৰাধী অৰ্জুন গোৱালাক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। বিশ্বনাথ চাৰিআলিৰ নীলপুৰ চাহ বাগিচাৰ মজদুৰ লাইন নিবাসী অৰ্জুন গোৱালাই ২০১৮ৰ আঠ আগষ্টত ভ্ৰাতৃ চমাৰু গোৱালাক নিজ গৃহত ছুৰিকাঘাত কৰি গুৰুতৰভাৱে আঘাত কৰাৰ পাছত তেওঁৰ মৃত্যু হৈছিল। পাছত ঘটনা সন্দৰ্ভত বিশ্বনাথ আৰক্ষীয়ে অৰ্জুনক গ্ৰেপ্তাৰ কৰাত অৰ্জুনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৩০২ ধাৰাৰ অধীনত বিশ্বনাথ চাৰিআলিৰ অতিৰিক্ত জিলা আৰু ন্যায়াধীশৰ আদালতত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। আজি আদালতে তেওঁক দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায়দান দিয়ে।




মৰাণ জাতীয় মহিলা পৰিষদৰ ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস, মঙলবাৰে।

## ফলাফলৰ দিনাই প্ৰমোদ গাদীচ্যুত হ'ব ঃ ৰিহন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৩০ মাৰ্চ ঃ** আজি ওদালগুৰি ৰাস খেলপথাৰত বি পি এফে আয়োজন কৰে এক জনসভা। সমষ্টিটোৰ বি পি এফৰ ৰিহন দৈমাৰীৰ উপস্থিতিত অনুষ্ঠিত এই সভাত মন্ত্ৰী ৰিহন দৈমাৰীয়ে কয়, 'বিজেপিৰ মিত্ৰজোঁটে সমষ্টিটোত নিশা টকা বিলোৱাৰ উদ্দেশ্যে বস্তাই বস্তাই টকা আনিছে। নিৰ্বাচনী প্ৰচাৰৰ অন্তত নিশা টকাসমূহ ভোটাৰক প্ৰলোভনৰ স্বাৰ্থত বিতৰণ কৰাৰ চেষ্টা কৰিব। সেয়েহে প্ৰতিগৰাকী বি পি এফ কৰ্মীয়ে এই কথা লক্ষ্য ৰখা উচিত যাতে কোনো অঞ্চলতে এনে লোকে টকা বিতৰণ কৰিব নোৱাৰে তাৰ বাবে সকলোৱে দৃষ্টি ৰাখিব।' আজিৰ বিজেপি মিত্ৰজোঁটৰ সভাত দলকেইটাই আন সমষ্টিৰ পৰা মানুহ আনি চমক সৃষ্টি কৰিব বিচাৰিছে যদিও মোক হৰুৱাব নোৱাৰে। মোৰ বাবে ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। বি পি এফৰ মাত্ৰ কেইটামান প্ৰাইমাৰী সমিতিৰ লোকহে ইয়াত উপস্থিত আছে। গতিকে আমাক হৰুৱাবলৈ কাৰো শক্তিয়েই নাই। এইবাৰৰ বিধানসভা নিৰ্বাচনে বি টি চিৰ চৰকাৰখনো সলনি কৰিব।' অহা দুই মে'ৰ ভোটগণনাৰ নিশাই মহাজোঁটে সৰ্বাধিক আসন লাভ কৰাৰ পাছত নিশাই গাদীচ্যুত হৈ পলাবলৈ বাধ্য হ'ব প্ৰমোদ বড়ো। লগে লগে বি টি চিৰ শাসনভাৰ হাগ্ৰামাৰ হাতলৈ আহিব। পৰিৱৰ্তনৰ স্বাৰ্থত ৰাইজে ইউ পি পি এল-বিজেপিক ভোট দি বি টি চি চৰকাৰ গঠন কৰিলে যদিও ৰাইজৰ পৰিৱৰ্তনশীল আশা পূৰণত ব্যৰ্থ হৈছে চৰকাৰখন।' দুই মে'ৰ ভোটগণনাৰ দিনাখন বি পি এফে বিজয় উৎসৱ পালন কৰিব বুলিও তেওঁ উল্লেখ কৰে।

## গোৱালপাৰাত জটিল ৰোগত আক্ৰান্ত দৰিদ্ৰ মহিলাই বিচাৰিছে ৰাইজৰ সহায়

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩০ মাৰ্চ ঃ** বিগত প্ৰায় দুবছৰ ধৰি জটিল (কৰ্কট) ৰোগত ভুগি থকা গোৱালপাৰা চহৰৰ নিকটৱৰ্তী ভালুকডুবিৰ দেৱী ডালু (৩৩) নামৰ এগৰাকী দৰিদ্ৰ মহিলাই সম্প্ৰতি দিকবিদিক হেৰুৱাই পেলাইছে। বিভিন্ন ঠাইত চিকিৎসা কৰিও আৰোগ্য লাভ নকৰাত সৰ্বহাৰা হৈ পৰা মহিলাগৰাকী এইবাৰ ৰাজ্যবাসীৰ ওচৰত সহায় বিচাৰিছে। দুৰ্ভগীয়া মহিলাগৰাকীৰ মোমায়েকে আজি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰা মতে, তিনি বছৰ পূৰ্বে স্বামী বিশ্ব বসুমতাৰীয়ে দেৱী ডালুক এৰি গৈছে। পাছত পিতৃগৃহত আশ্ৰয় লয় যদিও দুবছৰ পূৰ্বে পিতৃৰো মৃত্যু হোৱাত এতিয়া মাতৃ আৰু দুই পুত্ৰক লৈ দিশহাৰা হৈ পৰিছে দুৰ্ভগীয়া মহিলাগৰাকীয়ে। সম্প্ৰতি টকাৰ অভাৱত মহিলাগৰাকীয়ে চিকিৎসাৰ বাবে গুৱাহাটীলৈ যাব পৰা নাই। ইপিনে, দুৰ্ভগীয়া মহিলাগৰাকীৰ মোমায়েকে সহায়ৰ আশাৰে স্থানীয় বিধায়ক এ কে ৰছিদ আলমৰ কাষ চাপে। কিন্তু সহায় কৰাৰ বিপৰীতে দুৰ্ব্যৱহাৰ কৰি বাসভৱনৰ পৰা উলিয়াই দিয়ে বুলি আজি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত উপস্থিত হৈ বিধায়কৰ বিৰুদ্ধে ক্ষোভ উজাৰে মোমায়েকে। সেয়েহে ৰাইজৰ ওচৰত সহায় বিচাৰিছে। কোনো সদাশয় ব্যক্তিয়ে মহিলাগৰাকীক সহায় কৰিব বিচাৰিলে তেওঁৰ বেংক অৱ ইণ্ডিয়াৰ গোৱালপাৰা শাখাত থকা ৫০২৪১০১১০০০২৫৯৮ নম্বৰ একাউণ্ট, আই এফ চি নম্বৰ বি কে আই ডি ০০০৫০২৪ নম্বৰত সহায় কৰিব পাৰিব অথবা ৮০৯৯৬৮৪১০৩-৯১১৩৯৪৯৯২৩ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## চেঙা-বাঘবৰত এআইইউডিএফ-কংগ্ৰেছৰ যুঁজৰ সম্ভাৱনা

**আলোপতি, ৩০ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বৰপেটা জিলাৰ বাঘবৰ আৰু চেঙা সমষ্টিত সম্প্ৰতি তুংগত উঠিছে নিৰ্বাচনী প্ৰচাৰ। দুয়োটা সমষ্টিত মহাজোঁটৰ অংশীদাৰ কংগ্ৰেছ আৰু এ আই ইউ ডি এফ প্ৰাৰ্থীৰ বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতা যদিও সমষ্টি দুটাত কংগ্ৰেছ প্ৰাৰ্থীয়ে তুমুল প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন হৈছে। জিলাখনৰ চেঙা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী, চাৰিবাৰৰ বিধায়ক তথা মন্ত্ৰী শুকুৰ আলীক বৃহৎ প্ৰত্যাহ্বান জনাইছে এ আই ইউ ডি এফৰ যুৱ প্ৰাৰ্থী আশ্ৰাফুল হুছেইনে। তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বৰ্তমানৰ বিধায়ক তথা কংগ্ৰেছ প্ৰাৰ্থী আহমেদে যোৱা দুদিন ধৰি সমষ্টিৰ দক্ষিণপাৰৰ মহচৰা, কাছুমাৰা আৰু খোলাবান্ধা গাঁও পঞ্চায়তত মটৰ চাইকেল সমদল উলিয়াই ভোটাৰক চমক দিয়াৰ চেষ্টা চলায়। ইপিনে, একেই প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বাঘবৰৰ বিধায়ক শ্বেৰমান আলী আহমেদ। বাঘবৰ সমষ্টিত এ আই ইউ ডি এফৰ প্ৰাৰ্থী ৰাজীৱ আহমেদৰ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বিধায়ক আহমেদে। সমষ্টিৰ চুকে-কোণে ভোট বিচাৰি অভিযান চলাইছে। আজি প্ৰাৰ্থী আহমেদক আলোপতি মাজৰচৰ আৰু বাঘমাৰাচৰ গাঁও পঞ্চায়তৰ কৰ্মী-সমৰ্থকসকলে প্ৰায় দুই শতাধিক মটৰ চাইকেলেৰে আগুৱাই আনি আলোপতি মাজৰচৰ বজাৰ, বাঘমাৰাচৰ বজাৰ, খাটিয়ামাৰীত নিৰ্বাচনী প্ৰচাৰ চলাই নিশা ধৰ্মপুৰ ভাতনাপাইতি আৰু কদমতোলা পঞ্চায়তত ঘৰে ঘৰে প্ৰৱেশ কৰি প্ৰচাৰ চলায়। এ আই ইউ ডি এফৰ প্ৰাৰ্থীৰে বন্ধুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈ দুয়োগৰাকী প্ৰাৰ্থীৰ নিদ্ৰা হৰণ হোৱা বুলিও একাংশই মত পোষণ কৰে।

## ভোটদানৰ বাবে বিকল্প ফটোযুক্ত পৰিচয়পত্ৰ

**উত্তৰ গুৱাহাটী, ৩০ মাৰ্চ ঃ** নিৰ্বাচন আয়োগৰ ভোটাৰ ফটো পৰিচয়পত্ৰ লাভ কৰা ভোটাৰসকলে আগন্তুক বিধানসভা নিৰ্বাচনত ভোটদানৰ সময়ত তেওঁলোকৰ এই পৰিচয়পত্ৰ ভোটদান কেন্দ্ৰত চিনাক্তকৰণৰ বাবে দেখুৱাটো প্ৰয়োজন। যিসকল ভোটাৰৰ নিৰ্বাচন আয়োগৰ ফটোযুক্ত পৰিচয়পত্ৰ নাথাকে তেওঁলোকে নিৰ্বাচন আয়োগে নিৰ্দিষ্ট কৰা নিম্ন লিখিত যিকোনো এবিধ নথি তথা বিকল্প ফটোযুক্ত পৰিচয়পত্ৰ ভোটদান কেন্দ্ৰত দেখুৱাই ভোটদান কৰিব পাৰিব-১) আধাৰ কাৰ্ড, ২) মহাত্মা গান্ধী এনৰেগাৰ জবকাৰ্ড, ৩) বেংক বা ডাকঘৰৰ ফটোযুক্ত পাছবুক ৪) শ্ৰম মন্ত্ৰণালয়ৰ অধীনত প্ৰদান কৰা স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, ৫) ড্ৰাইভিং লাইচেন্স, ৬) পেন কাৰ্ড, ৭) ৰাষ্ট্ৰীয় জনসংখ্যা পঞ্জীৰ অধীনত ভাৰতৰ মহাপঞ্জীয়কে প্ৰদান কৰা স্মাৰ্ট কাৰ্ড, ৮) ভাৰতীয় পাছপ'ৰ্ট, ৯) ফটোযুক্ত পেঞ্চন নথি, ১০) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগতে ৰাজহুৱা সেৱাখণ্ড বা পাব্লিক লিমিটেড কোম্পানীৰ চাকৰিয়ালৰ ফটোযুক্ত পৰিচয়পত্ৰ, ১১) সাংসদ, বিধায়ক বা বিধান পৰিষদৰ সদস্যসকলৰ চৰকাৰী পৰিচয়পত্ৰ। কামৰূপ নিৰ্বাচন জিলাৰ অন্তৰ্গত ৪৮ নম্বৰ বকো (অনুসূচিত জাতিৰ বাবে সংৰক্ষিত) ৪৯ নম্বৰ ছয়গাঁও, ৫০ নম্বৰ পলাশবাৰী আৰু ৫৫ নম্বৰ হাজো বিধানসভা সমষ্টিৰ কোনো ভোটাৰেই যাতে ভোটদানৰ পৰা বিৰত নাথাকে তাৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা সমষ্টিকেইটাত পদ্ধতিগত ভোটাৰৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত সজাগতা অভিযান চলোৱা হৈছে। আনহাতে, ভাৰতৰ নিৰ্বাচন আয়োগে এইবাৰ ৮০ বছৰ বয়সৰ ঊৰ্ধ্বৰ জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ব্যক্তি আৰু ক'ভিড-১৯ সন্দেহযুক্ত বা আক্ৰান্ত ভোটাৰসকলৰ বাবে পোষ্টেল বেলটৰ ব্যৱস্থা কৰিছে। আয়োগৰ নিৰ্দেশনা অনুসৰি কামৰূপ নিৰ্বাচন জিলাৰ অন্তৰ্গত চাৰিটা বিধানসভা সমষ্টিত এই বিশেষ শ্ৰেণীৰ ভোটাৰসকলৰ বাবে গ্ৰহণ কৰা পোষ্টেল বেলটৰ প্ৰক্ৰিয়াটো মুক্ত, নিকা আৰু নিৰাপদভাৱে সমাপন কৰিবলৈ প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিছে। সেইমৰ্মে, অহা ৩০ মাৰ্চত এনে শ্ৰেণীৰ ভোটাৰসকলৰ ঘৰলৈ নিৰ্বাচনী বিষয়া-কৰ্মচাৰীৰ একোটা দলে সংশ্লিষ্ট ভোটৰ পোষ্টেল ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপন কৰিব। এই শ্ৰেণীৰ ভোটাৰসকলৰ কোনোগৰাকীক যদি ৩০ মাৰ্চৰ দিনা ঘৰত পোৱা নাযায়, তেনেহ'লে দলটোৱে পুনৰ ৩১ মাৰ্চত এই সেইগৰাকী ভোটাৰৰ ঘৰলৈ গৈ পোষ্টেল ভোটৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিব। উল্লেখ্য যে পোষ্টেল বেলটৰ এই প্ৰক্ৰিয়াটো সম্পন্ন কৰিবলৈ নিৰ্বাচন জিলাখনত মুঠ ৬১ টা গোট গঠন হৈছে। ইয়াৰে ৫৫ নম্বৰ হাজো সমষ্টিৰ বাবে ১২ টা, ৫০ নম্বৰ পলাশবাৰীৰ বাবে ১৩ টা, ৪৮ নম্বৰ বকো (অনুসূচিত জাতিৰ বাবে সংৰক্ষিত)ৰ বাবে ২৫ টা আৰু ৪৯ নম্বৰ ছয়গাঁও সমষ্টিৰ বাবে ১১ টা গোট গঠন কৰা হৈছে।

## চিৰাঙৰ ছাতিপুৰৰ দৰগাহত লালন উৎসৱত বাউল সংগীত

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৩০ মাৰ্চ ঃ** চিৰাঙৰ ছাতিপুৰত দুদিনীয়াকৈ অনুষ্ঠিত হয় সদৌ অসম লালন উৎসৱ তথা বাউল সংগীতৰ অনুষ্ঠান। শনিবাৰৰ পৰা আৰম্ভ হোৱা এই উৎসৱৰ যোৱা ২৮ মাৰ্চৰ নিশা আছিল দ্বিতীয় নিশা ফাকুৱাৰ স'তে সংগতি ৰাখি অনুষ্ঠিত কৰা এই উৎসৱত সকলো জাতি-ধৰ্মৰ লোকে অংশগ্ৰহণ কৰা এই অনুষ্ঠানৰ আয়োজন কৰে মুছলমান সম্প্ৰদায়ৰ লোকে। অসম তথা পশ্চিমবংগৰ পৰা অহা কে'বাজনো বাউল সংগীতৰ শিল্পীসকলে অনুষ্ঠানত বাউল সংগীত পৰিৱেশন কৰে। বাউল মন সেৱা সমিতিয়ে আয়োজন কৰে এই অনুষ্ঠানৰ। হজৰত খাজা সাহ চুফী বুজৰৎ আলী চিশতীৰ দৰগাহত আয়োজন কৰে এই অনুষ্ঠানৰ। লোকে লোকাৰণ্য হৈ পৰা অনুষ্ঠানত উপস্থিত হয় মন্ত্ৰী চন্দন ব্ৰহ্ম। ব্ৰহ্মই অনুষ্ঠানত উপস্থিত হৈ আয়োজক সমিতিৰ শলাগ লয়। কাৰণ এই বাউল সংগীতৰ অনুষ্ঠানত জাতি-ধৰ্ম-নিৰ্বিশেষে সকলোৱে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানে অঞ্চলটোত ভ্ৰাতৃত্ববোধ আৰু শান্তি শৃংখলা ৰক্ষাত অৰিহণা যোগাইছে বুলিও কয় মন্ত্ৰী ব্ৰহ্মই।

ইপিনে, শ্ববে বৰাতৰ দৰে পৱিত্ৰ নিশা ইছলাম ধৰ্মাৱলম্বী লোকসকলে প্ৰতিটো মছজিদত নিশা আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰাৰ সময়ত এইদৰে লালন সংগীতৰ অনুষ্ঠান পাতি নিশা উচ্চ স্বৰত গান পৰিৱেশন কৰাক লৈ সমগ্ৰ অঞ্চলত সমালোচনা হোৱাও পৰিলক্ষিত হয়। নিৰ্বাচনী আচৰণ বিধি বলৱৎ থকাৰ এই সময়ত কোনো ধৰণৰ ক'ভিডৰ নীতি-নিয়ম নোহোৱাকৈ ওৰে নিশা অনুষ্ঠিত অনুষ্ঠানৰ প্ৰশাসনিক অনুমতি প্ৰদানক লৈয়ো প্ৰশ্নৰ অৱতাৰণা কৰিছে একাংশ লোকে।



# ফাকুৱাৰ আনন্দৰ মাজতে ৰাজ্যত সংঘটিত

*এক পৃষ্ঠাৰ পৰা* পথ দুৰ্ঘটনা সংঘটিত হৈছে। জিলাখনত ফাকুৱাৰ প্ৰথম দিনটোত ১৫ টাকৈ পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ সমান্তৰালভাৱে কালিৰ দিনটোত ১২ টা দুৰ্ঘটনা সংঘটিত হোৱাৰ তথ্য দাঙি ধৰিছে জৰুকালীন সেৱাৰ লগত জড়িত বিভাগটোৱে। উল্লেখ্য যে ফাকুৱা তথা দৌল উৎসৱৰ অন্যতম প্ৰাণকেন্দ্ৰস্বৰূপ বৰপেটাত এটা দুটা দিনত ২০ টাকৈ পথ দুৰ্ঘটনা সংঘটিত হৈছে। ইয়াৰে প্ৰথম দিনটোত সাতটা আৰু কালিৰ দিনটোত ১৩ টাকৈ দুৰ্ঘটনা সংঘটিত হোৱা বুলি সদৰী কৰিছে বিভাগটোৱে। সমান্তৰালভাৱে এই দুটা দিনত শোণিতপুৰ আৰু ওদালগুৰিত ১৯ টাকৈ, কামৰূপ মহানগৰত ১৮ টা, কাছাৰত ১৬ টা, হাইলাকান্দিত ১৫ টা, নগাঁৱত ১৩ টা, ধেমাজি আৰু গোলাঘাটত ১২ টাকৈ, দৰং, গোৱালপাৰা আৰু মৰিগাঁৱত ১১ টাকৈ পথ দুৰ্ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে ৰাজ্যৰ ২৭ খন জিলাত দুটা দিনত সংঘটিত হোৱা উল্লিখিত মুঠ দুৰ্ঘটনাৰ ভিতৰত ১০১ টা দুৰ্ঘটনা যোৱা পৰহি তথা ফাকুৱাৰ প্ৰথম দিনটোত আৰু ১৭৮ টা দুৰ্ঘটনা কালিৰ দিনটোত সংঘটিত হৈছে। ইফালে, উল্লিখিত জিলাসমূহৰ উপৰি বাগসা আৰু যোৰহাটত এই দুটা দিনত নটাকৈ দুৰ্ঘটনা সংঘটিত হোৱাৰ সমান্তৰালভাৱে বঙাইগাঁও, ধুবুৰী আৰু তিনিচুকীয়াত আঠটাকৈ, কোকৰাঝাৰত সাতটা, নলবাৰীত ছটা, ডিব্ৰুগড়ত পাঁচটা, কৰিমগঞ্জ আৰু মাজুলীত চাৰিটা, চিৰাং আৰু কাৰ্বি আংলঙত দুটাকৈ দুৰ্ঘটনা সংঘটিত হৈছে। একেদৰে ফাকুৱাৰ প্ৰথম দিনটোত শিৱসাগৰত এটা আৰু দ্বিতীয়টো দিনত অৰ্থাৎ কালিৰ দিনটোত লখিমপুৰত সংঘটিত দুটাকৈ দুৰ্ঘটনাত সেৱা আগবঢ়োৱা বুলি ১০৮ মৃত্যুঞ্জয় এম্বুলেন্স বিভাগে সদৰী কৰিছে।

# উন্নয়ন যদি বিচাৰিছে চৰকাৰৰ লগত

*এক পৃষ্ঠাৰ পৰা* জাতি-মাটি-ভেটি ৰক্ষাৰ স্বাৰ্থত ৰাজ্যত পুনৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাতো এশ শতাংশ নিশ্চিত বুলি দাবী কৰে। আজি অগপৰ আঠ নম্বৰ আলগাপুৰ সমষ্টিৰ প্ৰাৰ্থী আফতাবুদ্দিন লস্কৰ আৰু চাৰি নম্বৰ দক্ষিণ কৰিমগঞ্জৰ প্ৰাৰ্থী আজিজ আহমেদ খানৰ হৈ দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয় অগপ সভাপতি বৰাই। আলগাপুৰত ৰাইজক সম্বোধন কৰি অগপৰ সভাপতিজনে উন্নয়নৰ ৰাজনীতিৰ অংশীদাৰ হ'বলৈ আহ্বান জনাই প্ৰগতি আৰু উন্নয়নৰ বাবে চৰকাৰৰ অংশ হৈ কাম কৰিবই লাগিব বুলি মন্তব্য কৰে। ৰাজ্যত পুনৰ অগপ-বিজেপিৰ মিত্ৰজোঁটৰ চৰকাৰ হ'ব বুলি তেওঁ কয়। প্ৰগতিশীল জাতীয়তাবাদৰ স্বাৰ্থত বৰাকৰ পৰা ব্ৰহ্মপুত্ৰলৈ ৰাইজ অগপ-বিজেপিৰ মিত্ৰজোঁটৰ লগত থকা বুলি মত পোষণ কৰি সভাপতি বৰাই আলগাপুৰ সমষ্টিবাসীয়েও লস্কৰক বিপুল ভোটত জয়যুক্ত কৰি পঠিয়াব বুলি কয়। তেওঁ কয়, 'কেইদিনমান আগতে ইয়ালৈ আহিছিলো আৰু তেতিয়াই নিজামুদ্দিনে গম পাইছিল এইবাৰ লস্কৰ ভায়ে গোলমাল কৰিব। তেতিয়াই বুকু কঁপিছিল আৰু আমাক অহাত নানা বাধা প্ৰদান কৰিছিল।' প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ছহিদুল আলম চৌধুৰীলৈ শ্ৰদ্ধাঞ্জলি জনাই বৰাই কয় যে এটা সময়ত ছহিদুল আলম চৌধুৰীয়ে এই সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰিছিল। বৰ্ষীয়ান অসম বিধানসভাৰ সদস্য আৰু মন্ত্ৰী আছিল। আলগাপুৰৰ উন্নয়নৰ বাটকটীয়া আছিল তেওঁ। সেই সময়তে সমষ্টিটোৱে সৰ্বাংগীণ উন্নয়নৰ বাট দেখিছিল বুলি বৰাই মন্তব্য কৰি কয় যে তাৰ পাছৰ পৰা সেই উন্নয়ন নাই সমষ্টিটোত। এতিয়াৰ বিধায়কজনে কিমান দুৰ্নীতি-অনিয়ম কৰিছে সেয়া সকলো জানে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰি অগপৰ সভাপতিজনে কয় যে অগপ-বিজেপি মিত্ৰজোঁটৰ চৰকাৰ হ'ব এশ শতাংশ খাটাং। সেয়ে উন্নয়ন যদি বিচাৰিছে চৰকাৰৰ লগত থাকিব লাগিব। আলগাপুৰবাসীয়ে অংশীদাৰ হোৱাৰ এটা সুযোগ লাভ কৰিছে আৰু সেই সুযোগ হেৰুৱাই নেপেলাবলৈ তেওঁ উপস্থিত জনতাক আহ্বান জনায়। 'হিন্দু-মুছলমানৰ ৰাজনীতি নহয় আমি উন্নয়নৰ ৰাজনীতি কৰিছো। সেই পথেৰে আমি সকলো আগুৱাই যাব লাগিব। সেয়ে আলগাপুৰবাসীয়ে হাতী মেৰা সাথী তথা হাতীৰ প্ৰতীকত ভোট দি উন্নয়নৰ অংশীদাৰ হ'ব লাগিব।' এইদৰে কয় বৰাই। উল্লেখ্য যে আজি সভাপতি বৰাক সংগ দিয়ে কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইজনমান শীৰ্ষ নেতাই।

# হিন্দু অথবা মুছলমান সকলো ভাৰতীয়ই

*এক পৃষ্ঠাৰ পৰা* আস্থা আৰু বিশ্বাসত লৈ চৰকাৰখনে সন্মিলিতভাৱে কাম কৰি আছে। চৰকাৰখনে সকলো জাতি-জনগোষ্ঠীৰ জনসাধাৰণক সুৰক্ষা প্ৰদানত সফল হৈছে।' এই ভাষ্য মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। আজি বৰাক উপত্যকাৰ ধলাইত বিজেপিৰ প্ৰাৰ্থী তথা মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কয় যে বিজেপি নেতৃত্বাধীন চৰকাৰখনে সকলো জাতি-জনগোষ্ঠীৰ মান-স্বাভিমান, মৰ্যাদা বৃদ্ধিৰ দিশত কাম কৰিছে। বিগত পাঁচ বছৰত সেয়েহে চৰকাৰখনে সকলো জাতি-জনগোষ্ঠীৰ মাজত থকা সমন্বয়ৰ এনাজৰী অধিক শক্তিশালী কৰাৰ দিশত সফল হৈছে। কিন্তু কংগ্ৰেছৰ শাসন কালত এনে ধৰণৰ সমন্বয়ৰ পৰিৱেশ অটুট থকা নাছিল বুলি তেওঁ দাবী কৰে। কংগ্ৰেছৰ শাসন কালত দুৰ্নীতি-ভ্ৰষ্টাচাৰে সমাজ ছানি ধৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কংগ্ৰেছে অসমৰ জনসাধাৰণক ধৰ্মৰ নামত, ভাষাৰ নামত, গোষ্ঠীৰ নামত ভাগ ভাগ কৰিছিল; কিন্তু বিজেপি নেতৃত্বাধীন চৰকাৰখনে ৰাজ্যখনৰ সকলো জাতি-জনগোষ্ঠীক একগোট কৰি শক্তিশালী অসম গঢ়ি তোলাৰ দিশত সফল হৈছে। বিজেপি চৰকাৰ থকালৈকে ৰাজ্যখনৰ সৰু-বৰ সকলো জনগোষ্ঠীৰ মান-স্বাভিমান, ভাষা তথা সুৰক্ষা অটুট থাকিব। কে'বা সহস্ৰাধিক ৰাইজ উপস্থিত থকা সভাত মুখ্যমন্ত্ৰী সোণোৱালে কংগ্ৰেছ মহাজোঁটৰ বিৰুদ্ধে সৰৱ হৈ কয়, 'এতিয়া হিন্দু-মুছলমান সকলো সুৰক্ষিত। কিন্তু কংগ্ৰেছ আৰু এআইইউডিএফৰ বদৰুদ্দিন আজমলে কেৱল সংঘাতৰ কাম কৰিছে।' হিন্দী আৰু বাংলা ভাষাত বক্তব্য ৰখা মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপি নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰিছে। বিগত ৭০ বছৰত কংগ্ৰেছে শাসন ক্ষমতাত থকা সত্ত্বেও চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ দিশত কোনো ফলপ্ৰসু পদক্ষেপ নল'লে। কিন্তু বিজেপি নেতৃত্বাধীন চৰকাৰখনে কেৱল পাঁচ বছৰৰ ভিতৰতে চাহ শ্ৰমিকৰ মজুৰি ৮০ টকালৈকে বৃদ্ধি কৰিছে আৰু আগন্তুক সময়ত তেওঁলোকৰ মজুৰি আৰু অধিক বৃদ্ধি কৰাৰ দিশত পদক্ষেপ লোৱা হ'ব বুলিও কয়। ইয়াৰ পূৰ্বে বৰাক উপত্যকাৰ ৰাতাবাৰী আৰু উত্তৰ কৰিমগঞ্জত আয়োজিত দুখন সভাত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী সোণোৱালে সভাত কয় যে বিজেপিৰ নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত বৰাকত উন্নয়নে বিশেষ গতি লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ কাৰ্যকালত বৰাক উপত্যকাৰ তিনিখন জিলাৰ উন্নয়নত ন্যূনতমো গুৰুত্ব প্ৰদান কৰা নাছিল বুলি আক্ষেপ প্ৰকাশ কৰে। ইয়াৰ ফলশ্ৰুতিত বৰাক উপত্যকা বহু পিছপৰি ৰ'বলগীয়া হৈছিল। কিন্তু বিজেপি চৰকাৰ শাসনাধিষ্ঠিত হোৱাৰ পৰা বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম উন্নয়নৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদানৰ ফলশ্ৰুতিত বৰাকৰ উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিছে বুলি দাবী কৰে। বিগত পাঁচ বছৰত বৰাকৰ তিনিখন জিলাত স্থাপন কৰা বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ বিষয়েও আলোকপাত কৰে। বৰাক নদীৰ ওপৰত আৰু তিনিখন দলং নিৰ্মাণৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আগন্তুক সময়ত বৰাক উপত্যকাত আৰু অধিক শক্তিশালী পদক্ষেপ লোৱা হ'ব বুলি উল্লেখ কৰে। তদুপৰি বৰাক উপত্যকাত এখন কৃষি বিশ্ববিদ্যালয় স্থাপনৰ পদক্ষেপ লোৱা হ'ব বুলি উল্লেখ কৰি আগন্তুক সময়ত চৰকাৰখনে ১০ লাখ যুৱক যুৱতীক বিভিন্ন ক্ষেত্ৰত নিয়োজনৰ সুবিধা প্ৰদান কৰিব বুলি কয়। আজিয়ে মুখ্যমন্ত্ৰী সোণোৱালে শিলচৰ, উদাৰবন্দ আৰু সোণাইত নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। অৱশ্যে বতৰৰ বাবে নিৰ্বাচনী প্ৰচাৰত কিছু বাধাৰ সন্মুখীন হয় মুখ্যমন্ত্ৰীয়ে।

# প্ৰথম পৰ্যায়ত শক্তিশালী স্বাভিমানী

*এক পৃষ্ঠাৰ পৰা* লুৰীণজ্যোতি গগৈৰ। হঠাৎ অসুস্থ হৈ সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থকা মাতৃৰ কাষত থাকি আজি চিকিৎসালয়ৰ পৰাই এই মন্তব্য কৰে সভাপতিজনে। পৰিয়ালৰ একমাত্ৰ সন্তান অসম জাতীয় পৰিষদৰ সভাপতিজনে চিকিৎসালয়ৰ পৰাই সমগ্ৰ অসমবাসীলৈ অনুৰোধ, 'মোৰ আই-মাতৃৰ বাবে সকলোৱে প্ৰাৰ্থনা কৰক যাতে সোনকালে আৰোগ্য লাভ কৰে। হাস্পতালৰ চিকিৎসকসকলে দিনে-নিশাই যথেষ্ট কষ্ট কৰিছে। ৰাইজ আৰু শুভাকাংক্ষীসকলেও প্ৰাৰ্থনা জনাইছে। সেইসকলক মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।' উল্লেখ্য যে লুৰীণজ্যোতিৰ মাতৃ দুলু গগৈয়ে কালি গাই খীৰাবলৈ গৈ প্ৰেছাৰ ষ্ট্ৰোক হৈ পৰি গৈছিল। পাছত অতি সংকটজনক অৱস্থাত ডিব্ৰুগড়ৰ সঞ্জীৱনী হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও এই পৰ্যন্ত মাতৃৰ অৱস্থা সংকটজনক হৈয়ে আছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ এদিন পাছতে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যৰ বাবে গৃহ জিলাৰ পৰা ওলাব লগা হোৱাৰ সময়তে লুৰীণজ্যোতিৰ মাতৃয়ে উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ জীৱন-মৰণৰ যুঁজ দিবলগীয়া হৈছে চিকিৎসালয়ৰ আই চি ইউত। লগে লগে সকলো দলীয় কাৰ্যসূচী বাতিল কৰি গুৱাহাটীৰ পৰা ডিব্ৰুগড়ৰ চিকিৎসালয়ত উপস্থিত হৈছিল লুৰীণজ্যোতিয়ে। মাতৃৰ কাষত উপস্থিত হৈ অত্যন্ত আৱেগেৰে অসমবাসীলৈ জনালো আন্তৰিক ধন্যবাদ। মাতৃৰ সুস্থতাৰ বাবে প্ৰাৰ্থনা, আশীৰ্বাদ জনোৱাসকলকে কৃতজ্ঞতাৰে ধন্যবাদ জ্ঞাপন কৰি তেওঁ কয়, 'চিকিৎসকে মাৰ সকলো পৰীক্ষা-নিৰীক্ষা কৰি আছে। এইসকলো বিলাক পৰ্যবেক্ষণৰ পাছত চিকিৎসকে মোক ইয়াৰ পৰা ওলাই যোৱা-নোযোৱাৰ পৰামৰ্শ দিব আৰু সেই মতে মই সিদ্ধান্ত ল'ম।' মাতৃৰ কাষৰ পৰা সকলোকে যুদ্ধংদেহীভাৱে দলৰ কাম-কাজত জড়িত হ'বলৈ আহ্বান জনোৱাৰ লগতে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচন নিচেই কাষত, সেয়ে জাতীয়তাবাদ প্ৰতিষ্ঠা কৰিবলৈ সকলোৱে ইতিমধ্যে আগবাঢ়ি আহিছে বুলি কৈ দলীয় সতীৰ্থসকলক নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়। ৰাইজক একত্ৰিত কৰি জাতীয় সংকট দূৰ কৰি সাম্প্ৰদায়িক বিষবাষ্প বিয়পোৱা শক্তিটোক সমূলঞ্চে উৎখাত কৰি শক্তিশালী স্বাভিমানী জাতীয়তাবাদ প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। বিগত সময়ছোৱাত অসমত সাম্প্ৰদায়িক ৰাজনীতি, উন্নয়নহীনতা, দুৰ্নীতি, ছিণ্ডিকেট, কমিছনৰাজ, সংস্থাপনহীনতাৰ বিৰুদ্ধে ৰাইজে এই নিৰ্বাচনত শক্তিশালীৰূপত অধিকাৰ সাব্যস্ত কৰিব বুলি আশা প্ৰকাশ কৰে। আনহাতে, জনতাৰ ৰায় এইবাৰ সততা, নিষ্ঠাৰ ৰাজনীতিৰ পক্ষত থাকি, জাতীয়তাবাদৰ পক্ষত থাকিব বুলি মাতৃৰ কাষৰ পৰা আশা কৰি তেওঁ কয় যে শীঘ্ৰে মাতৃ সুস্থ হোৱাৰ পাছতে নিজেও দলীয় কাম-কাজত জড়িত হ'ম বুলি আশা কৰিছে। ইফালে, কৃষক মুক্তিৰ নেতা অখিল গগৈৰ মাতৃ হঠাৎ অসুস্থ হৈ পৰাত অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে সকলো পৰীক্ষা-নিৰীক্ষাৰ অন্তত ঘৰলৈ যাব দিয়ে। অখিলৰ মাতৃ মধুমেহ আৰু ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈছিল।

# 'নিয়া'ৰ নাম লৈ মন্ত্ৰী শৰ্মাই হাগ্ৰামাক

*এক পৃষ্ঠাৰ পৰা* ভবা নাছিলো বুলি মন্তব্য কৰে। বিজেপিয়ে এই হতাশা আৰু নিৰাশা প্ৰথমে বিভ্ৰান্তিকৰ বিজ্ঞাপন দি প্ৰকাশ কৰিলে বুলি তেওঁ মত ব্যক্ত কৰি কয় যে বিজেপিয়ে এতিয়া মুকলিকৈ কংগ্ৰেছ মহাজোঁটৰ সহযোগী দলৰ মুৰব্বীক ব্লেকমেইলিং আৰু ভাবুকি দিয়া দেখিবলৈ পোৱা গৈছে বুলি কয়। উল্লেখ্য যে কালি মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক নিৰ্বাচনী সভাত বিপিএফ মুৰব্বী হাগ্ৰামা মহিলাৰী সন্দৰ্ভত কৰা মন্তব্য পাঠ কৰি বল্লভে কয় যে মন্ত্ৰী শৰ্মাই কালি হাগ্ৰামাক জেললৈ পঠিয়াম বুলি ভাবুকি দিছে। কিন্তু জেললৈ পঠিওৱা কাম হিমন্তৰ নহয়। কি তথ্যৰ ভিত্তিত আমাৰ সহযোগীক জেললৈ পঠিয়াব বুলি ভাবুকি দিছে। দেশত ন্যায় ব্যৱস্থা আছে যি ব্যৱস্থাই ন্যায় দিয়া, জেললৈ পঠোৱা, শাস্তি দিয়াৰ কাম কৰে। কিন্তু হিমন্তই কি যুক্তিত হাগ্ৰামাক জেললৈ পঠোৱাৰ ভাবুকি দিলে বুলি প্ৰশ্ন উত্থাপন কৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰজনে কয়, 'এফালে নিৰ্বাচনৰ আচৰণ বিধি চলি আছে আৰু আনফালে দেশৰ ন্যায় ব্যৱস্থাক গুজৰাটী মামাই ভেঙুচালি কৰিছে। আচৰণ বিধি চলি থকাৰ সময়ত আৰক্ষীয়ে নিৰ্বাচন আয়োগৰ অধীনত কাম কৰে। কিন্তু হিমন্তক খবৰ কোনে দিলে? যদি হিমন্তই আগতেই এই খবৰ লাভ কৰিছিল তেন্তে অসম আৰক্ষীক কিয় অৱগত কৰা নাছিল। যদি সেয়ে হয় মন্ত্ৰী হিমন্তৰ বিৰুদ্ধে তদন্ত হোৱা উচিত।' উল্লেখ্য যে কালি মন্ত্ৰী শৰ্মাই কৈছিল, 'মই কোনো হাগ্ৰামা-ছাগ্ৰামাক কেয়াৰ নকৰো। এই যে মাৰণাস্ত্ৰ ওলাইছে, নিৰ্বাচনৰ পাছত এটা এটাকৈ হিচাপ হ'ব। যদি বাথাৰ লগত উগ্ৰবাদ কৰে জেলত যাব চিধা কথা। যদি হাগ্ৰামাই বাথাক উৎসাহিত কৰে জেলত যাব। ইতিমধ্যে প্ৰমাণ বহুত হৈ গৈছে। এই কেচ নিয়াক দি আছো। কোকৰাঝাৰত যি মাৰণাস্ত্ৰ ধৰা পৰিছিল গাড়ীত, এই কেচ নিয়াত যাব।' ইয়াৰ পাছতে আজি এই মন্তব্য বিৰুদ্ধে সৰৱ হৈ নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু ৰাজ্যিক নিৰ্বাচনী আয়োগৰ ওচৰত এক লিখিত অভিযোগনামা দাখিল কৰিছে। অভিযোগনামাত কংগ্ৰেছে ভাৰতীয় সংবিধানৰ আৰ্টিকল ৩৩৪ৰ অধীনত মন্ত্ৰী শৰ্মাক নিৰ্বাচনত প্ৰাৰ্থিত্ব বাতিল কৰা, লোক প্ৰতিনিধিত্ব অধিনিয়ম ১৯৫১ আইনৰ ১২৩ (২)(এ)(আই), ১২৩(৪), ১২৩ (৭) আৰু ভাৰতীয় দণ্ড বিধিৰ ১৭১ (চি) ধাৰা অধীনত গোচৰ ৰুজু কৰিবলৈ দাবী জনাইছে। একেদৰে নিৰ্বাচন চিম্বল (ৰিজাৰ্ভেচন এণ্ড এলটমেন) অৰ্ডাৰ ১৯৬৮ৰ অধীনত বিজেপিক ৰাজনৈতিক দল মৰ্যাদা কৰ্তনৰ দাবী জনাইছে কংগ্ৰেছে।

ইফালে, প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৰাইজে বিজেপিক উছন কৰাৰ পাছত এতিয়া দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত ব্লেকমেইলিং আৰু ভাবুকি দিব লগা হৈছে বুলি বল্লভে সংবাদমেলত উল্লেখ কৰি যিটো বিষয়ে বিজেপিৰ হতাশা দাঙি ধৰিছে বুলি কয়। দুই মে'ত বিজেপি চৰকাৰ গ'ল আৰু এই ক্ষেত্ৰত অসমৰ জনতাই মন বান্ধি ল'লে বুলি তেওঁ উল্লেখ কৰি কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ গঠন হোৱাৰ পাছতে সাৰদা কেলেংকাৰি, লুইজ বাৰ্জাৰ কেলেংকাৰি, মানবেন্দ্ৰ শৰ্মা হত্যাকাণ্ড, কৰ'না কেলেংকাৰি, টোলগেট কোনে কি দৰে চলাইছে এই সকলো বিষয় পুনৰ তদন্ত আওতালৈ অনা হ'ব বুলি কয়। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ পাছতে বিজেপি হতাশ পাৰ্টিলৈ ৰূপান্তৰিত হ'ল বুলি বল্লভে মত পোষণ কৰি কয়, 'মিছা কথা কৈ, ভয় খুৱাই, ককাই-ভাইৰ মাজত কাজিয়া লগাই বিজেপিয়ে নিৰ্বাচন জয়ী হোৱাৰ পৰিকল্পনা ৰচিছে। এতিয়া যোৱা পাঁচ বছৰে তেওঁলোকে কি কি কৰিলে সেই ৰাজনীতি হ'ব লাগিছিল। কিন্তু তাৰ পৰিৱৰ্তে এতিয়া ভয়-ভাবুকি, ব্লেকমেইলিং। কংগ্ৰেছৰ পাঁচ গেৰাণ্টীক লৈ গুজৰাটী মামা হতাশ হৈ পৰিছে।' তেওঁ কয় যে বিজেপি প্ৰথমে বিজ্ঞাপন দি মিছা কথা ক'লে। কিন্তু কাম নোহোৱাত এতিয়া ভয় খুৱাইছো। ভয়তো যেতিয়া কাম নহ'ল এতিয়া ককাই-ভাইৰ লগত কাজিয়া লগাবলৈ প্ৰয়াস কৰিছে আৰু এয়াই বিজেপিৰ আদৰ্শ বুলি বল্লভে কয়। উল্লেখ্য যে প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ দৰেই দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত ভোটাৰ ৰাইজে কংগ্ৰেছ মহাজোঁটৰ গেৰাণ্টীক আঁকোৱালি ল'ব বুলি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰজনে সংবাদমেলত সদৰী কৰি দুই মে'ত কংগ্ৰেছ মহাজোঁটৰ চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে।

# প্ৰচাৰ শেষ ঃ কাইলৈ দ্বিতীয় ভোট

*এক পৃষ্ঠাৰ পৰা* কংগ্ৰেছে মহাজোঁটৰ জৰিয়তে এআইইউডিএফৰ লগত মিত্ৰতা কৰাৰ পাছত ভোট বিভাজন কম হোৱাৰ সম্ভাৱনা থকাত বিজেপিৰ বাবে যোৱাবাৰৰ প্ৰভাৱ অক্ষুণ্ণ থকাটো ডাঙৰ প্ৰত্যাহ্বান হৈছে। অথচ চৰকাৰ গঠনৰ ক্ষেত্ৰত বৰাকৰ সমষ্টিকেইটাৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকিব। লক্ষ্যণীয়ভাৱে বৰাকৰ অধিকাংশ সমষ্টিতে প্ৰাৰ্থীৰ সংখ্যা যথেষ্ট বেছি হোৱাটোৱে ৰাজনৈতিক মহলৰ দৃষ্টি কাঢ়িছে। উদাহৰণ স্বৰূপে আলগাপুৰত প্ৰাৰ্থীৰ সংখ্যা হ'ল ২০ গৰাকী। একেদৰে পাথাৰকান্দিত ১৫ গৰাকী, উত্তৰ কৰিমগঞ্জত ১৫ গৰাকী, দক্ষিণ কৰিমগঞ্জত ১৫ গৰাকী, বদৰপুৰত ১৪ গৰাকী, কাটলীচেৰাত ১৪ গৰাকী, শিলচৰত ১৫ গৰাকী, সোণাইত ১৪ গৰাকী আৰু হাইলাকান্দিত ১৩ গৰাকী। এনে প্ৰাৰ্থীৰ ভিতৰত নিৰ্দলীয়ৰ সংখ্যাই অধিক। উল্লেখ্য যে দ্বিতীয় পৰ্যায়ত মুঠ প্ৰাৰ্থীৰ সংখ্যা হ'ল ৩৪৫ গৰাকী। ৭৩,৪৪,৬৩১ গৰাকী ভোটাৰে পৰহিলৈ তেওঁলোকৰ ভাগ্য নিৰ্ণয় কৰিব। ভোটাৰসকলৰ ভিতৰৰ ৩৭,৩৪,৫৩৭ জন পুৰুষ, ৩৬,০৯,৯৫৯ গৰাকী মহিলা আৰু ১৩৫ গৰাকী হ'ল তৃতীয় লিংগৰ। দ্বিতীয় পৰ্যায়ত সৰ্বাধিক ২,৬৫,৮৮৬ গৰাকী ভোটদাতা আছে হোজাই সমষ্টিত। আনহাতে, হাওৰাঘাট সমষ্টিত আটাইতকৈ কম ১,৩২,৩৩৯ গৰাকী ভোটাৰ আছে।

প্ৰচাৰৰ অন্ত পৰাৰ লগে লগে নিৰ্বাচনৰ দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ তৎপৰতাও নিৰ্বাচন আয়োগে বৃদ্ধি কৰিছে। কিয়নো ভোটাৰৰ মন বিভিন্ন প্ৰলোভনেৰে আকৰ্ষিত কৰিবলৈ নিৰ্বাচনৰ আগমুহূৰ্তলৈ একাংশ দল আৰু প্ৰাৰ্থীয়ে চলায়। আয়োগৰ দলৰ শেনদৃষ্টিৰ মাজতো প্ৰথম পৰ্যায়ৰ ভোটদানৰ আগমুহূৰ্তত তেনে কে'বাটাও ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। সমান্তৰালভাৱে নিৰ্বাচনী হিংসা প্ৰতিৰোধৰ বাবে স্পৰ্শকাতৰ অঞ্চলসমূহ আৰক্ষী আৰু নিৰাপত্তা বাহিনী বৃদ্ধি কৰা হৈছে।

### অতুল বৰাৰ মন্তব্য

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত আজি অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই কয় যে এই পৰ্যায়তো তেওঁলোকৰ ফলাফল ভাল হ'ব। বৰাকতো এইবাৰ অগপই ভাল ফলাফল প্ৰদৰ্শন কৰিব পাৰিব বুলি বৰাই দৃঢ়তা প্ৰকাশ কৰে। উল্লেখ্য যে আজি বৰাই বৰাকত দলীয় প্ৰাৰ্থীৰ হ'কে প্ৰচাৰ চলায়। ৰাজ্যৰ পৰৱৰ্তী চৰকাৰ বিজেপি-অগপ-ইউপিপিএল মিত্ৰজোঁটৰ হ'বই বুলিও তেওঁ কয়।

# মিছন ব্ৰহ্মপুত্ৰৰে বান মুক্ত অসম

*এক পৃষ্ঠাৰ পৰা* আজি অসমলৈ অহা মন্ত্ৰীগৰাকীয়ে দাবী কৰে যে ৰাজ্যখনৰ বিকাশৰ বাবে কংগ্ৰেছে ইমান দিনে অসমত যি কৰিব পৰা নাছিল বিজেপিয়ে সেই কম দিনৰ ভিতৰত কৰিবলৈ সক্ষম হৈছিল। ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নত কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰ সফল হোৱা বুলি উল্লেখ কৰি ইৰাণীয়ে অসমৰ বান সমস্যা সমাধান এই সময়ত অত্যন্ত গুৰুত্বপূৰ্ণ লক্ষ্য বুলি কয়। তেওঁ কয়, 'মিছন ব্ৰহ্মপুত্ৰৰ জৰিয়তে বান মুক্ত অসম গঢ়াৰ কাৰ্যসূচী চলি আছে। সেই কাৰণে বান সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাজ্যখনৰ নামত মোদী চৰকাৰে ৯,৫০০ কোটি টকা ব্যয় কৰিছে। কংগ্ৰেছৰ দিনত বান নিয়ন্ত্ৰণৰ নামত আবন্টন দিছিল মাত্ৰ ২,৪০০ কোটি টকা। অসমক বান মুক্ত কৰা আমাৰ লক্ষ্য।' মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ দিনত দুখীয়াৰ বাবে দায়বদ্ধসহকাৰে একো কৰা নাছিল বুলিও মন্তব্য কৰে। এই ক্ষেত্ৰত বিজেপিৰ দায়বদ্ধতা 'ধন জন আঁচনি'ৰ বেংক একাউন্টবোৰ বুলি উদাহৰণ দাঙি ধৰে। তেনেদৰে অসম চৰকাৰে নিজাকৈ আৰম্ভ কৰা অৰুণোদয় আঁচনিখনো ইয়াৰ উদাহৰণ বুলি তেওঁ কয়। নিৰ্বাচনৰ পাছত আঁচনিখনৰ ধন ৮৩০ টকাৰ পৰা তিনি হেজাৰ টকালৈ বৃদ্ধি কৰা হ'ব বুলি ইৰাণীয়েও উল্লেখ কৰে।

কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ সোচ্চাৰ হৈ মন্ত্ৰীগৰাকীয়ে কয়, 'অসমৰ ৰাইজে ৰাজ্যখনত বিজেপিয়ে বিকাশৰ বাবে দিয়া প্ৰতিশ্ৰুতিক বাস্তৱায়িত কৰা দেখিছে। বিজেপিয়ে অসমৰ বিকাশক সৰ্বোচ্চ স্থান দি আহিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছে এআইইউডিএফৰ স'তে মিলি জনতাক বিকাশৰ পৰা বঞ্চিত কৰি বিপথে পৰিচালিত কৰাৰ দুঃসাহস কৰিছে।' তেওঁ ৰাহুল গান্ধীৰ নাম উল্লেখ নকৰাকৈ আমেথীৰ প্ৰাক্তন সাংসদ বুলি কয় যে নেতাজনে বদৰুদ্দিন আজমলক অসমৰ পৰিচয় বুলি কৰা মন্তব্য অত্যন্ত দুৰ্ভাগ্যজনক। কাৰণ অসমৰ গৌৰৱ বুলি কলে মা কামাখ্যা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আদিৰ কথা উল্লেখ কৰিব লাগে। তাৰ পৰিৱৰ্তে লোৱা হৈছে আজমলৰ নাম। ইৰাণীয়ে কয়, 'দৰাচলতে নিজৰ ৰাজনৈতিক অস্তিত্ব বৰ্তাই ৰাখিবলৈ কংগ্ৰেছে এআইইউডিএফৰ বোকোচাত উঠিছে। সেই কংগ্ৰেছে অসমৰ ভৱিষ্যত কিদৰে নিৰ্মাণ কৰিব? কংগ্ৰেছৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে আজমলৰ বিৰোধিতা কৰিছিল। আজমল কোন বুলি তেওঁ প্ৰশ্ন কৰিছিল। আজি কংগ্ৰেছে সেই আজমলৰ লগত মিত্ৰতা কৰি প্ৰাক্তন মুখ্যমন্ত্ৰীজনকো অপমান কৰিছে। ইয়াৰ বিপৰীতে বিজেপি জনসাধাৰণৰ বুনিয়াদী সা-সুবিধাসমূহ আৰু অধিক সুনিশ্চিত কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ। যোৱা পাঁচ বছৰত অসমৰ জনসাধাৰণে বিজেপি চৰকাৰৰ সেই দৃঢ়তা দেখিছিল। গতিকে এইবাৰো অসমৰ ৰাইজে বিজেপিক শাসনলৈ অনাৰ সংকল্প লৈছে।'

# মহাজোঁটৰ চৰকাৰৰ চাবি

*এক পৃষ্ঠাৰ পৰা* সভাপতি সাংসদ বদৰুদ্দিন আজমলে। সমষ্টিটোৰ ডবকাত কে'বাহেজাৰ লোকৰ উপস্থিতিত অনুষ্ঠিত সভাখনত আজমলে বাংলাত 'খেলা হবে, এইবাৰ খেলা হবে' বুলি ভাষণ আৰম্ভ কৰি তেওঁ চৰকাৰৰ চাবি-কাঠি হাতত ৰাখিব পৰাকৈ ছিৰাজুদ্দিন আজমলক ভোট দি জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনায়। তেওঁ বিজেপি আৰু মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধেও সৰৱ হয়। আজমলে কয়, 'যদি বিজেপিৰ মন্ত্ৰী সোধে যে খহনীয়া ৰোধৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে তেনেহ'লে হিমন্তই উত্তৰ দিব আজমল। ৰাস্তা-ঘাটৰ সমস্যা কিদৰে সমাধান হ'ব? তাৰো উত্তৰ হ'ব আজমল। নিবনুৱাক কিমান চাকৰি দিয়া হ'ল? তাৰো উত্তৰ হ'ব আজমল। এতিয়া মন্ত্ৰী হিমন্তৰ মুখত বদৰুদ্দিনৰ বাহিৰে আন একো নাই। সকলো সমস্যা সমাধানৰ আৰত যদি বদৰুদ্দিনে, তেনেহ'লে তেওঁলোক শাসনত থকাৰ কি দৰকাৰ আছে? কিন্তু এইবাৰ মহাজোঁটৰ চৰকাৰ আহিলে এই সকলো সমস্যাৰ সঁচাকৈয়ে সমাধান হ'ব।' মহাজোঁটৰ প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰা হেতু ছিৰাজুদ্দিন আজমলৰ সভাখনত মিত্ৰদলৰ কে'বাজনো নেতা উপস্থিত থাকে। আঞ্চলিক গণ মৰ্চাৰ সভাপতি অজিত কুমাৰ ভূঞাই মন্তব্য কৰে যে অসমত দুজন মুখমন্ত্ৰীয়ে ৰাজত্ব চলাইছে। এজন সৰ্বানন্দ সোণোৱাল আনজন হিমন্ত বিশ্ব শৰ্মা। দুৰ্নীতি নিবাৰণৰ কথা কোৱা বিজেপি চৰকাৰৰ দিনতে দিছপুৰৰ পৰাই কেলেংকাৰি, অনিয়মৰ ঢল বোৱা বুলিও তেওঁ মন্তব্য কৰে। ভূঞাই কয়, 'দিছপুৰৰ সচিবালয়ৰ পৰাই নিয়ন্ত্ৰিত হৈছে ৰাজ্যত চলি থকা ছিণ্ডিকেট। এজনে বহি ছিণ্ডিকেটৰাজ চলাইছে, আন এজনে আকৌ নাচি নাচি সাম্প্ৰদায়িক ৰাজনীতি কৰিছে। হিমন্ত বিশ্ব শৰ্মাৰ লগতে আন বিজেপি নেতাসকলে অসমত ধৰ্মীয় মেৰুকৰণৰ বাবে এইকেইদিন অকল বদৰুদ্দিনৰ আজমলৰ নাম লৈ সভাই সমিতিয়ে তেওঁক গালি-গালাছ কৰি আহিছে। ইয়াৰ প্ৰত্যুত্তৰ এইবাৰ অসমবাসীৰ ভোটৰ জৰিয়তে দিব। বিজেপি চৰকাৰখনে অসমক বিভিন্ন ভয়-ভাবুকি দেখুৱাই শাসন চলাইছে। সেইদিন যে আৰু নাই যমুনামুখৰ ৰাইজে প্ৰমাণ কৰিছে। বিজেপিক এতিয়া আৰু কোনেও ভয় নকৰে। বিভিন্ন জাতি-জনগোষ্ঠীক লৈ গঠিত বৃহত্তৰ অসমীয়া জাতি ভাগ ভাগ কৰাত লাগি গৈছে বিজেপি নেতাসকল।'

নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে হিমন্ত বিশ্ব শৰ্মাৰ মগজুত ছড়িয়াম কমিছে বুলি মন্তব্য কৰে। সেইবাবে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন শেষ হোৱাৰ পাছত শৰ্মাই আবোল-তাবোল বকিছে বুলি কয়। বৰদলৈয়েও এইবাৰ অসমত মহাজোঁটৰ চৰকাৰ নিশ্চিত বুলি দাবী কৰি কয় যে অসমীয়াত্ব আৰু নাগপুৰীয়া সংস্কৃতিৰ বিৰুদ্ধে নিৰ্বাচনত যুঁজ হৈছে। বিজেপিয়ে যেতিয়াৰ পৰা শাসনৰ বাঘজৰী হাতত লৈছে তেতিয়াৰ পৰাই অসমীয়াত্বৰ ওপৰত বিভিন্ন প্ৰকাৰে আক্ৰমণ চলিছে। সভাত কংগ্ৰেছ আৰু এআইইউডিএফৰ কে'বাজনো শীৰ্ষ নেতা উপস্থিত থাকে।

# ৰহাৰ নিৰ্দলীয় প্ৰাৰ্থী গুণেশ্বৰ

*এক পৃষ্ঠাৰ পৰা* জয়-পৰাজয়ৰ ফেক্টৰ হিচাপে বিদ্ৰোহী কংগ্ৰেছী তথা নিৰ্দলীয় প্ৰাৰ্থী গুণেশ্বৰ দাস চিহ্নিত আছিল যদিও আজি হঠাতে মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী বিষ্ণু দাসৰ প্ৰতি নিজ সমৰ্থন আগবঢ়াইছে। নিৰ্বাচনলৈ মাজত মাথোঁ এটা দিন বাকী থকা অৱস্থাত আজি বিজেপিত যোগদান কৰে প্ৰাক্তন বিধায়কজনে। ২,১৭,৫৮২ গৰাকী ভোটাৰে ভাগ্য নিৰ্ণয় কৰিবলগীয়া সমষ্টিটোৰ নিৰ্দলীয় প্ৰাৰ্থীজনে আজি গুৱাহাটী মহানগৰীৰ ৰাজ্যিক বিজেপিৰ খানাপাৰাস্থিত নিৰ্বাচনী কাৰ্যালয়ত মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত বিজেপিত যোগদান কৰে। বিজেপিত যোগদান কৰিয়ে কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰা প্ৰাক্তন বিধায়কজনে সংবাদ মাধ্যমৰ আগত কয়, 'কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ৰিপুন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে কংগ্ৰেছৰ দলীয় টিকট দিম বুলি প্ৰতিশ্ৰুতি দিও শেষ মুহূৰ্তত মোক বঞ্চিত কৰিলে। মোৰ পৰিৱৰ্তে ৰহা সমষ্টিত যিগৰাকীক প্ৰাৰ্থিত্ব দিয়া হৈছে কিবা কাৰণত জয়ী হ'লে সমষ্টিটোত অৰাজকতাৰ সৃষ্টি হ'ব। যিকোনো প্ৰকাৰে কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীক হৰুওৱাৰ লগতে সমষ্টিটোৰ উন্নয়নৰ স্বাৰ্থত মই বিজেপিত যোগদান কৰিছো।' ইফালে, কে'বাজনো প্ৰাক্তন কংগ্ৰেছীৰে বিজেপিত যোগদান কৰা নিৰ্দলীয় প্ৰাৰ্থীজনে কয়, 'ৰকিবুল হুছেইনে নগাঁও ধ্বংস কৰিবলৈ অহৰ্নিশে ষড়যন্ত্ৰ কৰি আছে। অসামাজিক কাৰ্যকলাপাত লিপ্ত আৰু দুৰ্নীতিগ্ৰস্ত ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে দলটোৱে। সেয়ে ৰহাবাসীক দুষ্কৃতিকাৰী আৰু ৰকিবুলৰাজৰ পৰা সুৰক্ষা প্ৰদানৰ হেতুকে মই নিৰ্বাচনী ৰণৰ পৰা আঁতৰি আহি বিজেপিত যোগদান কৰিলো।' আনহাতে, সংবাদমেলত ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযুষ হাজৰিকাই কয় যে পূৰ্বৰ কংগ্ৰেছ আৰু সাম্প্ৰতিক সময়ৰ কংগ্ৰেছৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে। কংগ্ৰেছ সম্পূৰ্ণ ধ্বংস হ'ল। বৰ্তমান কংগ্ৰেছত কোনো নেতা নাই। জাগীৰোড বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী হাজৰিকাই কয় যে আজিৰ দিনত কংগ্ৰেছ একেবাৰে অৱনমিত হ'ল। যিকেইজন নেতা আছে আকাশত চাং পাতি চৰকাৰ বনায় আৰু মুখ্যমন্ত্ৰী হোৱাৰ সপোন ৰচে। ৰাজ্যৰ ভাষিক অসমীয়াই কংগ্ৰেছক সমূলঞ্চে প্ৰত্যাখ্যান কৰিছে বুলি দাবী কৰি তেওঁ কয় যে কংগ্ৰেছৰ ভেটি আজিৰ দিনত কেৱল ধুবুৰী, ধিং, ৰূপহীহাট আদি কেইটামান সমষ্টিতে সীমাবদ্ধ আছে। প্ৰথম পৰ্যায়ৰ ভোটদানৰ পাছতে কংগ্ৰেছ ইতিমধ্যে হতাশ হৈছে বুলি দাবী কৰি হাজৰিকাই কয় যে উজনিত কংগ্ৰেছে ১০তকৈ বেছি আসন নাপায়। বিপৰীতে বিজেপিয়ে ৩৭ খনতকৈ বেছি আসন পাব। আনহাতে, বদৰুদ্দিন আজমলৰ পৰা অসমক ৰক্ষা কৰিবলৈ বিজেপিক ভোট দিছে বুলি উল্লেখ কৰি কয় যে অসমৰ ৰাইজে কংগ্ৰেছ আৰু আজমলৰ মহাজোঁটক কেতিয়াও মানি নলয়। অৱশ্যে তৃতীয় পৰ্যায়ত বিশেষকৈ ধুবুৰী, বৰপেটা আদিত হয়তো বিজেপিয়ে অলপ কম আসন পাব পাৰে বুলিও তেওঁ উল্লেখ কৰে।

# গৰুৰ ছিণ্ডিকেটৰে জড়িত জয়ন্তমল্ল

*এক পৃষ্ঠাৰ পৰা* নিৰ্বাচনৰ আজি অন্তিম দিনা নলবাৰীৰ লগতে তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া সৰভোগ, বিজনী আদিত মহাজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় বিপিএফৰ সভাপতি তথা বিটিএডিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। বিজেপি মিত্ৰজোঁটৰ বিৰুদ্ধে সৰৱ হৈ পৰা মহিলাৰীয়ে এইবেলি অসমত কোনোপধ্যে বিজেপি চৰকাৰ নহয় বুলি দাবী কৰে। নলবাৰী বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ কুমাৰ ভূঞাৰ নিৰ্বাচনী প্ৰচাৰ চলাই মহিলাৰীয়ে। সমষ্টিটোৰ ঘগ্ৰাপাৰ ব্লকৰ অন্তৰ্গত খাটিকুছি-সাগৰকুছি খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত সহস্ৰাধিক ৰাইজক উদ্দেশি মহিলাৰীয়ে মহাজোঁটৰ প্ৰাৰ্থী ভূঞাক জয়ী কৰাবলৈ ৰাইজক আহ্বান জনায়। মহিলাৰীয়ে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি কয় যে এইবাৰ দিছপুৰৰ পৰা হিমন্ত আউট আৰু হাগ্ৰামা ইন হ'ব। কংগ্ৰেছ মহাজোঁটে ৭০খনতকৈ অধিক আসন পোৱাৰ বিপৰীতে বিজেপিয়ে পাব ২৫ৰ পৰা ৩০খন আসন। আনহাতে, বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ বিৰুদ্ধে সৰৱ হৈ তেওঁ কয়, 'প্ৰমোদ বড়ো হৈছে এজন বেপাৰী। অসমৰ বিষয়ে প্ৰমোদ বড়োৱে একো নাজানে। দিল্লীত বড়ো জাতিক বিক্ৰী কৰি আহিছে।' ইপিনে, দুই মে'ত বিজেপিৰ শ্ৰাদ্ধ অনুষ্ঠিত হ'ব বুলিও মন্তব্য কৰে মহিলাৰীয়ে। আনহাতে, নলবাৰী বিধানসভা সমষ্টিত বিজেপি প্ৰাৰ্থী জয়ন্তমল্লৰ বিৰুদ্ধে সৰৱ হৈ পৰা মহিলাৰীয়ে জয়ন্তমল্লই গৰুৰ ছিণ্ডিকেট চলাই থকাৰ অভিযোগ কৰে। কে'বা সহস্ৰাধিক ৰাইজ উপস্থিত থকা সভাত মহিলাৰীয়ে কয় যে কোকৰাঝাৰৰ পৰা ছিণ্ডিকেটৰ টকা আনিবলৈ যায় জয়ন্তমল্লই। তেওঁ কয় সমন্বয় আৰু সংহতিৰে ৰাজ্যখন চলি আছে। কিন্তু হিমন্তই অশান্তিৰ বীজ সিঁচিছে। জাতি-ধৰ্মৰ নামত ভাগ ভাগ আমাক নালাগে। আমাক শান্তি আৰু উন্নয়ন লাগে। মাদ্ৰাছা বন্ধ কৰিব, টোল বন্ধ কৰিব, দুদিন পাছত বড়োসকলৰ বাথৌপূজা বন্ধৰ ঘোষণা কৰিব আমি সেয়া হ'বলৈ নিদিওঁ।' হিমন্ত বিশ্বৰ বিৰুদ্ধে সাৰদা, লুইছ বাৰ্জাৰৰ গোচৰ চলি আছে বুলি উল্লেখ কৰি তেওঁ কয়, 'মই লগত থাকোতেহে হিমন্ত হিৰো আছিল। এতিয়া মই নাই মানে হিমন্ত জিৰো।' এতিয়া হিমন্তৰ সভাত মানুহ নাই বুলিও প্ৰকাশ কৰে। মহিলাৰীয়ে কয়, 'জয়ন্তমল্লই এই দুদিনত টকা বিলাব। টকা দিলে খাবি কিন্তু ভোট নিদিবি।' সভাত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকে কয়, 'নলবাৰীৰ ৰাইজ আদৰ্শৰ পক্ষত থকা ৰাইজ। জয়ন্তমল্ল ডলাৰ বগৰী। ডলাৰ বগৰীৰ পৰা সাৰধান। প্ৰচাৰ শেষ হ'লেও বহি থাকিব নালাগিব। পহৰা দিব লাগিব। কাৰণ বিজেপিয়ে টকাৰ খেল খেলিব। এইখন শংকৰদেৱৰ দেশ। ইয়াত হিমন্ত বিশ্ব শৰ্মাৰ ঘৃণাৰ সভ্যতা কোনো কাৰণত মানি নলয়। বিজেপি চৰকাৰ মানে কেলেংকাৰিৰ চৰকাৰ।' ঘগ্ৰাপাৰ ব্লক কংগ্ৰেছ সভাপতি ভুৱনেশ্বৰ কলিতাই আঁত ধৰা সভাখনত মিত্ৰজোঁট প্ৰাৰ্থী ভূঞাই আদৰণি ভাষণত ৰাইজক ভোট দিবলৈ আহ্বান জনায়। উক্ত সভাত বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ অপূৰ্ব ভট্টাচাৰ্য, সাংসদ আব্দুল খালেক, চি পি আই এম নেতা ৰবীন মিশ্ৰ আদিয়ে ভাষণত বিজেপি চৰকাৰক সমালোচনা কৰে।

ইফালে, চিৰাং জিলাৰ বিজনী সমষ্টিৰ আলুখুন্দাত কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী বিপিএফৰ কমল সিং নাৰ্জাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই দলটোৰ মুৰব্বী মহিলাৰীয়ে। সমবেত কে'বা সহস্ৰাধিক ৰাইজক উদ্দেশি তেওঁ কয় যে হিমন্ত বিশ্ব শৰ্মাই এয়া সভ্যতাৰ যুঁজ বুলি কৈছে যদিও তেওঁ কি কৈ আছে বুলি প্ৰশ্ন কৰে। মুছলমান মহিলাসকলক হিমন্ত বিশ্বই কৰা মন্তব্য সন্দৰ্ভত মহিলাৰীয়ে কয়, 'হিমন্ত বিশ্বই কোন মেচিনৰ পৰা জন্ম হৈছে? সেই মেচিনৰ নাম আৰু নম্বৰ কওক। এয়াই হিমন্তৰ সভ্যতা নেকি? মাতৃসকলক সন্তান জন্ম দিয়া মেচিন বুলি কোৱাটো হিমন্তৰ সভ্যতা নেকি?' আনহাতে, হিমন্ত বিশ্বই তেওঁৰ বিৰুদ্ধে গোচৰ দিয়া সন্দৰ্ভত কয়, 'মোক জেলত ভৰাব খুজিছে হিমন্তই; কিন্তু মোৰ নামত কোনো গোচৰ নাই। হিমন্তৰ নামতহে বহুত কেইটা গোচৰ আছে। জেলত তেওঁহে যাব। বাথাৰ লগত মোৰ কোনো সম্পৰ্ক নাই। হিমন্ত বিশ্বৰ লগতহে সম্পৰ্ক থাকিব পাৰে। এইজন হিমন্তই দাদাগিৰীৰে অসমত চৰকাৰ চলাই আছে।'

# বদনে মান আনিছিল, হাগ্ৰামাই বিটিআৰত

*এক পৃষ্ঠাৰ পৰা* ইউপিপিএলৰ প্ৰাৰ্থী গোবিন্দ বসুমতাৰীৰ হৈ ওদালগুৰি বিধানসভা সমষ্টিত প্ৰচাৰ চলাই এখন জনসভাত মন্ত্ৰীজনে পুনৰ কয়, 'ওদালগুৰি সমষ্টিত ৰাইজে এইবাৰ যেন ট্ৰেক্টৰৰ ছবিত ভোট দিয়ে। ওদালগুৰি সমষ্টিত এইবাৰ বিজেপিয়ে প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাই। ইউপিপিএলৰ প্ৰাৰ্থী গোবিন্দ বসুমতাৰীকে বিজেপিয়ে সমৰ্থন জনাইছে। গতিকে ভোটদান কৰিবলৈ গৈ পদুম ফুলৰ ছবি বিচাৰি থকাৰ পৰিৱৰ্তে ট্ৰেক্টৰৰ ছবিত ভোটদান কৰিব। গোবিন্দ বসুমতাৰী জয়ী হ'লে ৰাজ্যৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনৰ এক ভাল পদবী লাভ কৰিব।' উল্লেখ্য যে মন্ত্ৰী ড° শৰ্মাই আজি পাঁচজন প্ৰাৰ্থীৰ হৈ পাঁচখন ঠাইত সভা আৰু সমদলত অংশ লৈ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰচাৰ পৰ্বৰ ওৰ পেলায়। ওদালগুৰি জিলাৰ হৰিশিঙা ষ্টেডিয়ামত অনুষ্ঠিত সভাখনত মিত্ৰজোঁটৰ প্ৰাৰ্থী বসুমতাৰীক ভোট দিবলৈ আহ্বান জনোৱাৰ লগতে মন্ত্ৰীজনে বিজেপিৰ বিভিন্ন প্ৰতিশ্ৰুতি আৰু আঁচনিৰ কথা অৱগত কৰে। সভাত সাংসদ দিলীপ শইকীয়াও উপস্থিত থাকে। আনহাতে, প্ৰাৰ্থী বসুমতাৰীয়ে সাংবাদিকৰ আগত কয় যে এইবাৰ তেওঁ কমেও ৭০ হেজাৰ ভোটত জয়লাভ কৰিব। তেওঁ কয়, 'ইতিমধ্যে মোৰ সমষ্টিত মোৰ বাবে অমিত শ্বাহ, সৰ্বানন্দ সোণোৱাল, হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিভিন্ন নেতাই প্ৰচাৰ চলাইছে। অমিত শ্বাহৰ দৰে নেতাই যি সমষ্টিতে প্ৰচাৰ চলায়, তাতেই জয় নিশ্চিত হয়।'

### বদনে মান আনিছিল, হাগ্ৰামাই বিটিআৰত আজমল আনিছে

কলাইগাঁও সমষ্টিৰ বিজেপি প্ৰাৰ্থী মধুৰাম ডেকাৰ হৈ মন্ত্ৰী ড° শৰ্মাই আজি নিৰ্বাচনী সভাত অংশ লয়। কলাইগাঁও মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত জনসভাত মন্ত্ৰী ড° শৰ্মাই কয়, 'বাঙালীসকলে ডি ভোটাৰৰ বাবে সদায় চিন্তাত শংকিত হৈ থাকে। এইবাৰৰ পৰা আৰু সেই চিন্তা কৰিব নালাগে। সেই সমস্যা আমি চিৰদিনৰ বাবে বিদায় দিম।' অৰুণোদয় আঁচনিত তিনি হেজাৰ টকা প্ৰদান, দুই মে'ৰ পাছত মাইক্ৰ'ফাইনেঞ্চৰ সকলো ঋণ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি কোৱাৰ লগতে মন্ত্ৰীজনে বিজেপিৰ বিভিন্ন প্ৰতিশ্ৰুতিসমূহৰ কথাও উল্লেখ কৰে। বদৰুদ্দিন আজমলক পৰাস্ত কৰিবলৈ হ'লে বিপিএফ-কংগ্ৰেছ মহাজোঁটক পৰাভূত কৰিবই লাগিব বুলি মন্তব্য কৰাৰ লগতে ড° শৰ্মাই হাগ্ৰামা মহিলাৰীকো কঠোৰ সমালোচনা কৰে। মন্ত্ৰীজনে কয়, 'বদনে প্ৰথমে অসমলৈ মান আনিছিল আৰু হাগ্ৰামাই বিটিআৰত প্ৰথম আজমলক আনিছে। হাগ্ৰামাই সভাই-সমিতিয়ে হিমন্ত অমুক হিমন্ত তমুক বুলি মোৰ লগত কাজিয়া কৰি থাকে। পিছে হাগ্ৰামাই বিজেপিৰ লগত কাজিয়া কৰি নিৰ্বাচনী খেলত ভাল খেলুৱৈ আনিব নোৱাৰি আনিলে আজমলকহে।' তেওঁ লগতে অৰ্জুনৰ দৰে ইভিএমত কেৱল পদুমৰ ছবিকহে লক্ষ্য কৰি ল'বলৈ ৰাইজক আহ্বান জনায়। সভাত ভাষণ প্ৰসংগত প্ৰাৰ্থী ডেকাই কলাইগাঁৱত এশ বিছনাযুক্ত উন্নত চিকিৎসালয় আৰু মানসম্পন্ন মহাবিদ্যালয় স্থাপন কৰাৰ লগতে কৃষকৰ স্বাৰ্থত কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিটিচি পৰিষদৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, বিজেপি নেতা ড° অমিয় কুমাৰ ভূঞা, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেৱ আদিও সভাত উপস্থিত থাকে।

### আজমলৰ অসমখন সন্তান জন্ম দিয়া চিন্তাৰ অসম

'বদৰুদ্দিন আজমলে গৰ্ভধাৰণ কৰি এটা সন্তান জন্ম দিয়া হ'লে কিমান কষ্ট হয়, তেতিয়া অনুভৱ কৰিব পাৰিলেহেঁতেন। সন্তান জন্ম দিয়া চিন্তাৰ বাহিৰে আজমলে আন একো চিন্তা কৰিব নোৱাৰে। নৰেন্দ্ৰ মোদীৰ অসম উন্নয়ন আৰু বিকাশৰ, কিন্তু আজমলৰ অসমখন সন্তান জন্ম দিয়া চিন্তাৰ অসম।' এই মন্তব্যৰে আজি জাগীৰোড সমষ্টিৰ বিজেপি প্ৰাৰ্থী মন্ত্ৰী পীযুষ হাজৰিকাৰ হৈ প্ৰচাৰ চলালে মন্ত্ৰী ড° শৰ্মাই। মৰিগাঁও জিলাৰ ঝাৰগাঁৱত আয়োজিত সভাখনত মন্ত্ৰীজনে পুনৰ কয়, 'বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনত অসমত উন্নয়ন আৰু বিকাশৰ অগ্ৰগতি যিমানেই আগবাঢ়ি গৈছে, সিমানেই বিৰোধী দল কংগ্ৰেছৰ মহাজোঁট বন্ধনে ৰাইজক গেৰাণ্টী দি আভুৱা ভাবিছে। মিছা কথাৰে নিৰ্বাচনী বৈতৰণী পাৰ হ'ব খুজিছে বিৰোধী দলসমূহে। মন্ত্ৰী ড° শৰ্মাই পুনৰ কয়, 'ভাল বস্তুক দোকানী বা কোম্পানীয়ে কেতিয়াও মানুহক গেৰাণ্টী নিদিয়ে। যিবোৰ খাটাৰা বস্তু, সেইবোৰেহে গেৰাণ্টী দিয়ে। ভাল বস্তুৰ কিবা গেৰাণ্টী দিব লাগে নেকি?' কংগ্ৰেছৰ প্ৰলোভনৰ ৰাজনীতিত ভোল নাযাবলৈ ৰাইজক সতৰ্ক কৰি মন্ত্ৰীজনে দলীয় প্ৰাৰ্থী হাজৰিকাক বিপুল ভোটত জয়ী কৰাবলৈ আহ্বান জনায়। জাগীৰোডৰ প্ৰাৰ্থী হাজৰিকাই নিজৰ ভাষণত কয় যে বিগত পাঁচটা বছৰত তেওঁ সমষ্টিত ৪০খন দলং নিৰ্মাণ কৰাৰ উপৰি ৰাস্তা-ঘাটসমূহ চকুত লগা কৰি তুলিছে। ইপিনে, মন্ত্ৰী ড° শৰ্মাই আজি লামডিং সমষ্টিৰ বিজেপি প্ৰাৰ্থী শিবু মিশ্ৰৰ হৈ এখন প্ৰচাৰ সভাত অংশ লয়। লংকাৰ কাকীত অনুষ্ঠিত সভাখনত মন্ত্ৰীজনে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ মহাজোঁট আৰু অসম জাতীয় পৰিষদৰ প্ৰাৰ্থীদ্বয়ৰ মাজত 'ইলু ইলু' চলিছে বুলি মন্তব্য কৰে।

ইপিনে, সভাৰ ব্যস্ততাৰ মাজতে মন্ত্ৰী ড° শৰ্মাই আজি পুৱা মঙলদৈত এক পদযাত্ৰাত অংশ লয়। মঙলদৈ সমষ্টিৰ বিজেপি প্ৰাৰ্থী গুৰুজ্যোতি দাসৰ সমৰ্থনত বৃহৎ সংখ্যক দলীয় কৰ্মী-সমৰ্থকক লৈ মন্ত্ৰীজনে মঙলদৈ চহৰৰ মাজেৰে পদযাত্ৰা কৰি গৈ দাসক ভোট দিয়াৰ বাবে ৰাইজক আহ্বান জনায়।

# অসমীয়া বুলি অসমবাসীৰ ভোট খোজা

*এক পৃষ্ঠাৰ পৰা* লগতে পূৱ বিলাসীপাৰাৰ দলীয় প্ৰাৰ্থী অশোক কুমাৰ সিংহীৰ হৈও নিৰ্বাচনী প্ৰচাৰ চলায়। দুয়োখন সভাতে তেওঁ কংগ্ৰেছকে আক্ৰমণৰ লক্ষ্য কৰি লয়। কৈঠালকুছিত অনুষ্ঠিত সভাত ধৰ্মপুৰৰ প্ৰাৰ্থী পাটোৱাৰীক জয়যুক্ত কৰাৰ বাবে ৰাইজক আহ্বান জনায় নড্ডাই লগতে কয়, 'অসমৰ পৰিচয় চাহ বাগিচা, অসমৰ পৰিচয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ, অসম আৰু ভাৰতৰ সাংস্কৃতিক পৰিচয় ড° ভূপেন হাজৰিকা। কিন্তু অসমৰ পৰিচয়ৰ বাবে কি কৰিলে কংগ্ৰেছে? কিন্তু বিজেপিয়ে অসমৰ পৰিচয়ক সন্মান আৰু স্বীকৃতি দিছে। অটল বিহাৰী বাজপেয়ী প্ৰধানমন্ত্ৰী হৈ থকাৰ সময়ত লোকপ্ৰিয় গোপীনাথ বৰদলৈক দিলে ভাৰত ৰত্ন, ড° ভূপেন হাজৰিকাক ভাৰত ৰত্ন দিলে নৰেন্দ্ৰ মোদীয়ে। অসমৰ চাহ বাগিচাৰ উন্নয়ন আৰু বিকাশ আনিলে চৰকাৰে। শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমিৰ উন্নয়নৰ বাবে এক কোটি ৮৮ লাখ টকাৰ অনুদান দিছে বিজেপিয়ে। এইবোৰ কথা আপোনালোকে মনত ৰাখিব।' দীৰ্ঘদিনীয়া বড়ো সমস্যাৰ ক্ষেত্ৰতো কংগ্ৰেছৰ ভূমিকা সন্দেহজনক বুলি মন্তব্য কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিজনে লগতে কয়, 'সুদীৰ্ঘ ৫০ বছৰ ধৰি অসমত চলি থকা বড়ো সমস্যা সন্দৰ্ভত কংগ্ৰেছে কোনো ইতিবাচক ভূমিকা গ্ৰহণ নকৰিলে, যাৰ ফলত হেজাৰ হেজাৰ লোকৰ মৃত্যু ঘটিল। কিন্তু নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সহযোগত অসমৰ স্বকীয় পৰিচয় অক্ষুণ্ণ ৰাখি বড়ো সমস্যাৰ সমাধান আনিলে। ছহেজাৰ উগ্ৰপন্থীয়ে আত্মসমৰ্পণ কৰিলে।' বড়োসকলৰ আৱেগ আৰু উন্নয়নৰ সপোন পূৰণৰ বাবে প্ৰধানমন্ত্ৰীয়ে ১৫শ কোটি টকাৰ অনুদান দিয়া বুলিও নড্ডাই মন্তব্য কৰে। ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ স্বচ্ছ ভাৰত অভিযানৰ প্ৰসংগ উত্থাপন কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিজনে এই অভিযানৰ অধীনত নিৰ্মাণ কৰা শৌচালয়সমূহক মহিলাৰ 'লজ্জা নিবাৰণ গৃহ' বুলি অভিহিত কৰে। নড্ডাই কয়, 'ময়ো গাঁৱৰ পৰা অহা ল'ৰা। মই গাঁৱৰ দৰিদ্ৰ মহিলাসকলৰ এই সমস্যা ভালদৰে বুজি পাওঁ। গাঁৱৰ দুখীয়া মহিলাসকলে লুকাই-চুৰকৈ দৈনন্দিন কৰ্মখিনি সমাপন কৰিবলগীয়া হৈছিল। কিন্তু নৰেন্দ্ৰ মোদীয়ে দেশত ১১ কোটি এনে শৌচালয় নিৰ্মাণ কৰাৰ লগতে অসমত নিৰ্মাণ কৰিলে সাত লাখ। এইবোৰ শৌচালয় নহয়, আই-মাতৃসকলৰ লজ্জা ৰক্ষা গৃহ।' ৰাষ্ট্ৰীয় প্ৰভাৰী পৱন শৰ্মা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই উপস্থিত থকা সভাখন কিনকিনিয়া বৰষুণৰ বাবে কম সময়তে সামৰিবলগীয়া হয়।

ইফালে, বিয়লি ২-৩০ বজাত বিলাসীপাৰা আইএনএ খেলপথাৰত অনুষ্ঠিত সভাখনত নড্ডাই পূৱ বিলাসীপাৰাৰ দলীয় প্ৰাৰ্থী সিংহীক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। পূৱ ধুবুৰী বিজেপিৰ সভাপতি প্ৰফুল্ল কলিতাৰ পৌৰোহিত্যত আয়োজিত সভাখনত মুখ্য অতিথিৰূপে উপস্থিত থাকি নড্ডাই কয়, 'কেৰালাৰ বাঁওপন্থী দলৰ স'তে ঘোৰ বিৰোধ, অথচ পশ্চিমবংগ আৰু অসমত মহাজোঁট; এয়াই কংগ্ৰেছ দলৰ প্ৰকৃত চৰিত্ৰ।' মোদী চৰকাৰে চাহ জনগোষ্ঠীৰ লগতে অসমৰ সকলো জাতি-জনগোষ্ঠীৰে উন্নয়ন সাধন কৰা বুলি মন্তব্য কৰি বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিজনে পুনৰ কয়, 'কংগ্ৰেছৰ যুৱনেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী হ'ল ৰাজনৈতিক পৰ্যটক। কিয়নো অসমৰ গৌৰৱ চাহ বাগিচাক লৈও কংগ্ৰেছ নেতাদ্বয়ৰ ভেকোভাওনা। নেতাদ্বয়ে নিজৰ ফটো একোখন তুলি পিছফালে শ্ৰীলংকা আৰু টাইৱানৰ চাহ বাগিচাৰ ফটো সম্পাদনা কৰি অসমৰ চাহ জনগোষ্ঠী দৰদী বুলি জাহিৰ কৰি আহিছে।' বিজেপিৰ শীৰ্ষ নেতাজনে লগতে অসমৰ উন্নয়নৰ হকে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ১০টা সংকল্প লোৱা বুলিও সদৰী কৰে।

### সমৰ্থকৰ স'তে চকীত উঠি উদ্দাম নৃত্য পাটোৱাৰীৰ

আজি ৰাষ্ট্ৰীয় সভাপতি নড্ডাৰ প্ৰচাৰ সভাৰ মাজতে সমষ্টিবাসীক নিজৰ এক ব্যতিক্ৰমী ৰূপ দেখুৱালে মন্ত্ৰী পাটোৱাৰীয়ে। বিগত প্ৰায় তিনিটা দশক ধৰি সমৰ্থকৰ পৰা নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখি সভা-সমিতিত ভাষণ দিয়া মন্ত্ৰীজন আজি হঠাতে আনন্দত মতলীয়া হৈ পৰে। সভা আৰম্ভ হোৱাৰ পূৰ্বে পাটোৱাৰীয়ে সমৰ্থকসকলৰ মাজলৈ গৈ সভাস্থলীত বাজি থকা গীতৰ তালে তালে উদ্দাম নৃত্য কৰিবলৈ আৰম্ভ কৰে। আনকি সংবাদ মাধ্যমৰ বাবে সংৰক্ষিত বিশেষ স্থানলৈ গৈ তেওঁ চকীত উঠিও নৃত্যত মতলীয়া হৈ পৰা পৰিলক্ষিত হয়।

# কেন্দ্ৰীয় সমিতিয়ে ঘোষণা কৰা প্ৰাৰ্থীক সমৰ্থন নিদিয়ে চাপাগুৰি সমষ্টিৰ ৰাইজে

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ৩০ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ ভোটদান শেষ হোৱাৰ পাছত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটদানলৈ ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে। ইতিমধ্যে বিটিচিৰ নিৰ্বাচনী বতাহ গৰম হৈ পৰিছে। তৃতীয় পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া চাপাগুৰি বিধানসভা সমষ্টিৰ নিৰ্বাচনী বতাহো গৰম হৈ পৰিছে। বিটিচিত অবড়ো সুৰক্ষা সমিতিয়ে নিৰ্বাচনত নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। কোকৰাঝাৰ সমষ্টিৰ পৰা লোকসভালৈ নৱ কুমাৰ শৰণীয়াক দুবাৰকৈ সাংসদ হিচাপে নিৰ্বাচিত কৰিছে। শেহতীয়াকৈ নৱ কুমাৰ শৰণীয়াই অবড়ো সুৰক্ষা সমিতিৰ লগত বিশ্বাস ভংগ কৰি বিজেপি আৰু ইউপিপিএলৰ লগত মৰ্চা গঠন কৰি বিটিচিত শাসনত অধিষ্ঠিত হৈছে। কিন্তু বৰ্তমান অবড়ো সুৰক্ষা সমিতিৰ লগত সম্পৰ্ক ছিন্ন কৰা আৰু নিজৰ নিয়ন্ত্ৰণত থকা গণ সুৰক্ষা পাৰ্টিৰ ছত্ৰছায়াত বিটিচি নিৰ্বাচন খেলিলেও বিধানসভা নিৰ্বাচননত নিৰ্দলীয়ভাৱে বৰমা সমষ্টিৰ পৰা নিজে অৱতীৰ্ণ হৈছে। ইতিমধ্যে অবড়ো সুৰক্ষা সমিতিয়ে বিটিচিৰ বিভিন্ন সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। চাপাগুৰি বিধানসভা সমষ্টিত অবড়ো সুৰক্ষা সমিতিয়ে হিতেশ্বৰ ৰাভাক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছিল যদিও তেওঁ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰে। সেয়েহে যোৱা ২৩ মাৰ্চত অবড়ো সুৰক্ষা সমিতিৰ জালাহস্থিত মুখ্য কাৰ্যালয়ত চাপাগুৰি বিধানসভা সমষ্টিৰ অবড়ো সুৰক্ষা সমিতিৰ নিৰ্বাচনী সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। নিৰ্বাচনী সমিতিৰ কাৰ্যকৰী সভাপতি খনীন দাসৰ সভাপতিত্বত আৰু কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা সৰ্বেশ্বৰ ডেকা আৰু মুছলপুৰ জিলা অবড়ো সুৰক্ষা সমিতিৰ সভাপতি দেৰেন ডেকা আৰু সম্পাদক নিৰঞ্জন বৰ্মনৰ উপস্থিতিত অনুষ্ঠিত সভাখনত সমষ্টিটোত প্ৰাৰ্থিত্বহীন হোৱা সম্পৰ্কে আলোচনা কৰা হয়। সভাত কেইটামান চৰ্ত গ্ৰহণ কৰা হয় আৰু সেই চৰ্তসমূহ যিজন প্ৰাৰ্থীয়ে মানি চলিবলৈ চুক্তিবদ্ধ হ'ব তেওঁকে সমৰ্থন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। চৰ্তসমূহ হৈছে- বিপিএফ আৰু ইউপিপিএল সমৰ্থন মুক্ত, অবড়ো সুৰক্ষা সমিতিৰ দাবী চনদ মানি চলা, অবড়ো সংখ্যাগৰিষ্ঠ গাঁওসমূহ বিটিচিৰ পৰা কৰ্তনৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা, অসমীয়া ভাষাক ৰাজ্যিক ভাষাৰ মৰ্যাদা সুৰক্ষিত কৰা, জাতি-মাটি-ভেটি ৰক্ষাত গুৰুত্ব আৰোপ কৰা আৰু নিৰ্বাচনী প্ৰচাৰ পুষ্টিকাত অবড়ো সুৰক্ষা সমিতিৰ নৈতিক সমৰ্থন থকা বুলি উল্লেখ কৰা প্ৰাৰ্থীজনক সমৰ্থন প্ৰদান কৰা সিদ্ধান্ত কৰে। সেই মতে বিগত ২০১৬ৰ বিধানসভা নিৰ্বাচনত অবড়ো সুৰক্ষা সমিতিৰ সমৰ্থিত প্ৰাৰ্থী আৰু প্ৰায় ১৫শ ভোটৰ ব্যৱধানত বিপিএফৰ প্ৰাৰ্থীৰ হাতত পৰাজিত হোৱা আৰু এইবাৰ ৰাইজৰ দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী সুজন দাসে চৰ্তসমূহ মানিবলৈ লিখিত প্ৰতিশ্ৰুতি দিয়াত তেওঁক অবড়ো সুৰক্ষা সমিতিৰ চাপাগুৰি সমষ্টিৰ ৰাইজে সমৰ্থন প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কিন্তু যোৱা ২৭ মাৰ্চত কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা ব্ৰজেন মহন্তই দিছপুৰ প্ৰেছ ক্লাবত অবড়ো সুৰক্ষা সমিতিৰ প্ৰক্ষেপিত তিনিগৰাকী প্ৰাৰ্থীৰ ভিতৰত চাপাগুৰি সমষ্টিৰ বাবে জ্যোতিষ দাসৰ (জোন) নাম ঘোষণা কৰাত চাপাগুৰি সমষ্টিৰ অবড়ো সুৰক্ষা সমিতিৰ নিৰ্বাচনী সমিতিয়ে জাঙুৰ খাই উঠিছে। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত নিৰ্বাচনী সমিতিৰ সভাপতি বিহাৰী প্ৰসাদ দাস আৰু সম্পাদক খগেন দাসে কয় যে কেন্দ্ৰীয় সমিতিয়ে ঘোষণা কৰা প্ৰাৰ্থীক চাপাগুৰি সমষ্টিবাসী ৰাইজে মানি নলয়। সমষ্টিবাসী ৰাইজৰ লগত কোনো ধৰণৰ আলোচনা নকৰাকৈ সম্পূৰ্ণ একপক্ষীয়ভাৱে ঘোষণা কৰা জ্যোতিষ দাসৰ প্ৰাৰ্থিত্ব গ্ৰহণ নকৰে আৰু সমষ্টিৰ ৰাইজৰ সিদ্ধান্তক সন্মান জনাই ৰাইজৰ দলৰ প্ৰাৰ্থী সুজন দাসক দিয়া সমৰ্থন বাহাল থাকিব বুলি উল্লেখ কৰে।

# গোৱালপাৰাত ভোটাৰ সজাগতা কাৰ্যসূচী

## আত্মসহায়ক গোটে ৰূপায়ণ কৰিলে ৰং বৰষে

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৩০ মাৰ্চ ঃ** গোৱালপাৰা নিৰ্বাচনী জিলাত এছভিইপি কোষৰ দ্বাৰা ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে যোৱা ২৪ মাৰ্চৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠান ৰূপায়ণ কৰি থকা হৈছে। এই কাৰ্যসূচীত যোৱা ২৯ মাৰ্চত ৰঙৰ উৎসৱ হোলীৰ স'তে সামঞ্জস্য ৰাখি 'ৰং বৰষে' শীৰ্ষক এটি অনুষ্ঠান পৰিৱেশন কৰা হয়। কাৰ্যসূচীত আত্মসহায়ক গোটৰ মহিলাসকলে বিভিন্ন ধৰণৰ ক্ৰিয়াকলাপ, বিশেষকৈ মেহেন্দি কাৰ্যকলাপৰ দ্বাৰা মেহেন্দিৰে 'আমি ছয় এপ্ৰিলত ভোট দিম' শীৰ্ষক বাক্যশাৰী ধুনীয়াকৈ হাতত অংকন কৰে। ইয়াৰ উপৰি আন এটা কেনভাচত ছয় এপ্ৰিল তাৰিখটো ভাৰতবৰ্ষৰ প্ৰত্যেকটো ভাষাতে লিখে আত্মসহায়ক গোটৰ সদস্যাসকলে। ইয়াৰ জৰিয়তে গোৱালপাৰাত বসবাস কৰা অসমৰ ভোটাৰসকলৰ বাহিৰেও বহিঃৰাজ্যৰ ভোটাৰ সকলো ভোটদান কৰাৰ বাবে অনুপ্ৰাণিত হ'ব বুলি আশা কৰা হৈছে। মেহেন্দি ক্ৰিয়া-কলাপত ছয় সংখ্যাটো জোতাত অংকন কৰি এইবোৰ ভোটাৰৰ মাজত বিতৰণ কৰা হ'ব। ইফালে, আজিৰ অনুষ্ঠানত ত্ৰিৰংগা বেগু বনোৱাৰ এক প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। এই সন্দৰ্ভত জিলা নিৰ্বাচনী বিষয়া তথা জিলা উপায়ুক্ত বৰ্ণালী ডেকাই কয় যে আত্মসহায়ক গোটবোৰৰ মাজত ত্ৰিৰংগা বেগু বনোৱা এক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে আৰু ইয়াত শ্ৰেষ্ঠ হোৱা দলক পুৰস্কৃত কৰা হ'ব। লগতে এই ত্ৰিৰংগা বেগুবোৰ ছয় এপ্ৰিলত প্ৰথম ভোটদান কৰা ব্যক্তিসকলক প্ৰদান কৰা হ'ব। তেওঁ লগতে কয় যে যোৱা নিৰ্বাচনত জলেশ্বৰ সমষ্টিৰ নিচিনা এইবাৰো গোৱালপাৰাৰ চাৰিওটা সমষ্টিৰ পৰা ভোটদানৰ শতকৰা হাৰ ৯০ শতাংশ উৰ্ধ্বত থাকিব। সেই আশাৰেই জিলাখনত ৯০ শতাংশ ভোটদানৰ লক্ষ্যৰে এছভিইপিৰ ক্ৰিয়াকলাপসমূহ ধাৰাসাৰভাৱে চলাই থকা হৈছে। ইয়াৰ উপৰি নিৰ্বাচনী আয়োগৰ চিহ্নটো আৰু ছয় এপ্ৰিল ভোটদানৰ তাৰিখটো জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ চৌহদত বিভিন্ন ৰঙেৰে এক বৃহৎ ৰংগুলী অংকন কৰা হৈছে। ইয়াৰ বিপৰীতে ছয় তাৰিখটো জিলাপী আকাৰত প্ৰস্তুত কৰি আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত পৰিৱেশন কৰি উপস্থিতসকলকে আনন্দ প্ৰকাশ কৰা হয়।



*বাঘবৰত কংগ্ৰেছ প্ৰাৰ্থীৰ সমৰ্থনত সমদল, মঙলবাৰে।*

# প্ৰেৰণা পুথিভঁৰালৰ ২১৪ সংখ্যক মাহেকীয়া বৈঠক সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ৩০ মাৰ্চ ঃ** প্ৰথম পৰ্যায়ৰ ভোটদান সুকলমে হৈ যোৱাৰ পাছত সকলোৰে চকু মধ্য অসম আৰু নামনি অসমৰ ওপৰত। তেনে সময়তে নলবাৰী জিলাৰ প্ৰেৰণা পুথিভঁৰালে 'কা'ৰ বিপক্ষে ভোটদান কৰিবলৈ আহ্বান জনালে ৰাইজক। উল্লেখ্য যে প্ৰেৰণা পুথিভঁৰালৰ সাহিত্য, সমাজ আৰু সংস্কৃতি বিষয়ক অনুষ্ঠান- 'সাধনা সাহিত্য চ'ৰাৰ ২১৪ সংখ্যক বৈঠক যোৱা ২৮ মাৰ্চত অনুষ্ঠিত হয়। পুথিভঁৰালৰ ড° হীৰেন গোহাঁই অধ্যয়ন কক্ষত অনুষ্ঠিত বৈঠকৰ কেন্দ্ৰীয় বিষয় আছিল 'আমি কাক ভোট দিম আৰু কিয় দিম?' পুথিভঁৰালৰ মুখ্য পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত বৈঠকত সাম্প্ৰতিক অসমৰ ৰাজনীতি, অৰ্থনীতি, সামাজিক, বাতাবৰণ, মূল্যবৃদ্ধি, নিবনুৱা সমস্যা, দুৰ্নীতি, হিতাধিকাৰী সৃষ্টিৰ জৰিয়তে শাসকীয় দলৰ ভোট ক্ৰয়ৰ ব্যৱস্থা, দেশৰ সম্পদসমূহ এটা এটাকৈ বিক্ৰী, বেংকৰ ব্যক্তিগতকৰণ আদি বিবিধ বিষয় আলোচনা হয়। বৈঠকৰ অন্তত 'কা'ৰ বিৰুদ্ধে, সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে, ফেচিষ্ট শক্তিৰ বিৰুদ্ধে আৰু গণতন্ত্ৰৰ সপক্ষে ভোটদান কৰিবলৈ সকলোকে এক বিবৃতিযোগে আহ্বান জনোৱা হয়। বিবৃতিটোত আৰু কোৱা হয় যে প্ৰেৰণা পুথিভঁৰালে ২০১৬ৰ পৰাই এই আইনখনৰ বিৰোধিতা কৰি আহিছে। তেতিয়া কেব নামেৰে জনাজাত এই আইনখন পাছলৈ 'কা' হ'ল। এই আইনত থকা ২০১৪ৰ ডিচেম্বৰৰ সীমাৰেখাক ভৱিষ্যতৰ বিশেষ পৰিস্থিতিত প্ৰয়োজন সাপেক্ষে পুনৰ বঢ়োৱাৰ দুৰ্ভাৱনা আছে। যদি সেয়াই হয় তেন্তে বাংলাদেশৰ পৰা হ'ব পৰা সম্ভাব্য প্ৰব্ৰজনে ইতিমধ্যে সংখ্যালঘুত পৰিণত হ'বলৈ ওলোৱা অসমীয়া ভাষিক জাতিসত্তাক মৃত্যুৰ মুখলৈ ঠেলি দিব। দিল্লী আৰু বিহাৰত গণতন্ত্ৰ বিৰোধী আইন প্ৰণয়ন কৰি শেহতীয়াভাৱে কেন্দ্ৰীয় চৰকাৰে বিৰোধী দলসমূহৰ স্বতন্ত্ৰ ক্ষমতাক কৰ্তন কৰি স্বৈৰতন্ত্ৰৰ বাট মুকলি কৰিছে। এই পৰিস্থিতিত প্ৰেৰণা পুথিভঁৰালৰ মুখ্য পৰিচালক তথা পৰিচালক মণ্ডলীৰ তৰফৰ পৰা 'কা' আইনৰ বিৰুদ্ধে আৰু গণতন্ত্ৰৰ সপক্ষে প্ৰতিটো সমষ্টিৰে সবাতোকৈ শক্তিশালী প্ৰাৰ্থীগৰাকীক নিৰ্বাচিত কৰিবলৈ আহ্বান জনোৱা হয়। এই ক্ষেত্ৰত প্ৰেৰণা পুথিভঁৰাল আৰু ইয়াৰ সৰুক্ষেত্ৰী তথা নতুন দেহৰ শাখাৰ পৰিচালক মণ্ডলীক নিজৰ নিজৰ ভূমিকা পালন কৰিবলৈ অনুৰোধ জনোৱা হয়। বৈঠকৰ পাছতে আবেলি অনুষ্ঠিত পুথিভঁৰালৰ ১৬৩ সংখ্যক দেওবৰীয়া কুইজ প্ৰতিযোগিতাত উচ্চ শাখাত প্ৰথম স্থান দখল কৰে তৰালী শৰ্মাই। দ্বিতীয় আৰু তৃতীয় হয় ক্ৰমে চন্দন দাস আৰু ভিতালী ডেকা। মধ্যশাখাত যুটীয়াভাৱে প্ৰথম হয় অভিনৱ নাৰায়ণ শৰ্মা আৰু ৰাজপ্ৰতীম পাটোৱাৰী। নিম্নশাখাত উদ্‌গনিমূলক বঁটা লাভ কৰে অনুষ্কা বৰপূজাৰীয়ে।

# ডিমৌত আটাছুৰ উদ্যোগত মুকলি বিহুৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৩০ মাৰ্চ ঃ** ডিমৌ আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা যোৱা সাত মাৰ্চত ডিমৌ বহুমুখী ভৱনত অনুষ্ঠিত হয়। ডিমৌ আটাছুৰ সম্পাদক সৌৰভ দিহিঙীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে ডিমৌ আটাছুৰ সভাপতি সুমিত কুমাৰ সন্দিকৈয়ে। সভাত সন্থাৰ ডিমৌ আঞ্চলিকৰ মুখ্য উপদেষ্টা মাধুৰ্য চেতিয়া আৰু উপদেষ্টা তথা শিৱসাগৰ জিলাৰ যুটীয়া সম্পাদক নিপন বৰুৱা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। সভাত সহকাৰী সম্পাদক বাবলু দুৱৰা, মুখ্য সাংগঠনিক সম্পাদক লক্ষ্য গগৈ, শিক্ষা সম্পাদক বিষ্ণু গগৈ, বিত্ত সম্পাদক প্ৰিয়ম বিকাশ বৰুৱা আদিয়ে বহু দিশৰ ওপৰত বক্তব্য দাঙি ধৰে। উক্ত সভাত বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে অহা পহিলা ব'হাগত ডিমৌ আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু প্ৰাক্তন সতীৰ্থৰ সহযোগত পঞ্চম বাৰ্ষিক মুকলি বিহু ২০২১ উদ্‌যাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি প্ৰাক্তন নেতা নিতুল ফুকনক সভাপতি, নিপন বৰুৱা আৰু সুমিত কুমাৰ সন্দিকৈক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰে। ডিমৌ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই মুকলি বিহুখনত উজনিৰ প্ৰখ্যাত বহুকেইটা হুঁচৰি দলে বিহু প্ৰদৰ্শন কৰিব। ইয়াৰে ভিতৰত জাঁজীপৰীয়া বিহু হুঁচৰি দল, বকতা জাংফাই তাই আহোম হুঁচৰি দল, লাইচেং চেমনীয়া বিহু হুঁচৰি দল সাপেখাটি আদি। মুকলি বিহুৰ সমূহ কাৰ্যসূচীত ডিমৌবাসী ৰাইজৰ সহায়-সহযোগিতা একান্তই কামনা কৰিছে ডিমৌ আঞ্চলিক সমিতিৰ সম্পাদক সৌৰৱ দিহিঙীয়া তথা অন্যান্য বিষয়ববীয়াসকলে।

# পালহাজীত কংগ্ৰেছৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**পালহাজী, ৩০ মাৰ্চঃ** বৰপেটা সদৰ সমষ্টিতো চলিছে নিৰ্বাচনৰ দামামা। বৰপেটা সমষ্টিটো মহাজোঁট সমৰ্থিত কংগ্ৰেছৰ প্ৰাৰ্থী তথা প্ৰাক্তন আমছু নেতা আব্দুৰ ৰহিম আহমেদে সম্প্ৰতি নিৰ্বাচনী প্ৰচাৰ তুংগত তুলিছে। যোৱা ২৬ মাৰ্চত সমষ্টিটোৰ আজাদ মণ্ডল কংগ্ৰেছৰ উদ্যোগত, এ আই ইউ ডি এফ আৰু অন্যান্য মিত্ৰদলৰ একান্ত চেষ্টাত পালহাজী বজাৰত বিশাল জনসভাৰ আয়োজন কৰা হয়। সভাত পালহাজী বজাৰত কংগ্ৰেছ মহাজোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। নিৰ্বাচনী কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰে ছত্তিচগড়ৰ বিধায়ক তথা অসমৰ নিৰ্বাচনী পৰ্যবেক্ষক প্ৰকাশ নায়কে। সভাত সভাপতিত্ব কৰে সমাজকৰ্মী হানিফ উদ্দিনে। সভাত মহাজোঁটৰ অংশীদাৰ চি পি আই এমৰ ৰাজ্যিক সদস্য তথা বৰ্ষীয়ান নেতা ফজলুৰ ৰহমান, এ আই ইউ ডি এফৰ জিলা সভাপতি মুফতি মহম্মদ ছামচ উদ্দিন, ৰাজ্যিক পৰ্যবেক্ষক প্ৰকাশ নায়ক, প্ৰাক্তন আৰকাৰী, বিষয়া হজৰত আলী আৰু বৰপেটা বিধানসভা সমষ্টি মহাজোঁটৰ সমৰ্থিত প্ৰাৰ্থী আব্দুল ৰহিম আহমেদে বক্তৃতা প্ৰদান কৰে। আটাইকেইজন বক্তাই বিজেপি চৰকাৰ বিফলতা উদঙাই দি শান্তি-সম্প্ৰীতি আৰু উন্নয়নৰ স্বাৰ্থত এইবাৰ মহাজোঁটৰ প্ৰাৰ্থী আব্দুল ৰহিম আহমেদক হাতত চিনত ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়।

# বিপিএফক মুকলি সমৰ্থন সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৩০ মাৰ্চ ঃ** তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনত ২৮ নম্বৰ গোসাঁইগাঁও আৰু ২৯ নম্বৰ কোকৰাঝাৰ পশ্চিম (জনজাতি) সমষ্টিৰ বিপিএফ প্ৰাৰ্থীদ্বয়ৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছে সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ গোসাঁইগাঁও জিলা সমিতিয়ে। জিলা সমিতিৰ উদ্যোগত গোসাঁইগাঁৱত অনুষ্ঠিত এক সংবাদমেলত সংগঠনটোৰ জিলা সভাপতি-সম্পাদক ক্ৰমে উত্তম সাহা আৰু সজল সাহাই বিপিএফৰ প্ৰতি মুকলি সমৰ্থন জনোৱাৰ লগতে বিটিচিত বসবাস কৰা বাঙালীসকলক বিপিএফক ভোট দিবলৈ বিনম্ৰতাৰে আহ্বান জনায়। গোসাঁইগাঁও সমষ্টিৰ বিপিএফ প্ৰাৰ্থী মাজেন্দ্ৰ নাৰ্জাৰী তথা কোকৰাঝাৰ পশ্চিম সমষ্টিৰ প্ৰাৰ্থী ৰবিৰাম নাৰ্জাৰীক ভোট দি বাঙালীৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে দাবী জনায় ছাত্ৰনেতাদ্বয়ে। ধৰ্মনিৰপেক্ষতা আৰু শান্তি-সম্প্ৰীতিৰ বাতাবৰণ ঘূৰাই আনিবলৈ পুনৰ বিপিএফক ক্ষমতাসীন কৰাৰ বাবে বাঙালীসকলে হাগ্ৰামা মহিলাৰীৰ পক্ষত থিয় দিবলৈ পুনৰ অনুৰোধ জনায়। বাঙালীসকলক কিয় বিপিএফক ভোট দিবলৈ আহ্বান জনালে বুলি প্ৰশ্ন সোধাত যুৱ-ছাত্ৰ ফেডাৰেছনৰ নেতাসকলে কয়, 'বিপিএফৰ শাসনত বাঙালীসকলৰ মান-মৰ্যাদা অটুট আছিল আৰু উক্ত বিধায়কদ্বয়ে বাঙালীসকলৰ বাবে বহুতো কাম কৰিছিল। বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰীয়ে গোসাঁইগাঁও সদৰ চহৰত বসবাস কৰা বাঙালীসকলৰ দীৰ্ঘদিনীয়া ভূমি পট্টাৰ সমস্যাৰ সমাধান কৰাটো এক উল্লেখনীয় পদক্ষেপ বুলি কয় বাপ্পা সাহাই। আনহাতে, কোকৰাঝাৰ পশ্চিম সমষ্টিৰ পৰা যোৱা বেলি নিৰ্বাচিত হোৱা বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে বড়োলেণ্ড বিশ্ববিদ্যালয়ত বাংলা ভাষাক অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। তদুপৰি দুয়োজন নেতা সাধাৰণ ৰাইজৰ ওচৰত অতিকৈ সহজলভ্য। ফলত বাঙালী জাতিৰ প্ৰতিজন ভোটাৰক বিপিএফৰ প্ৰাৰ্থীদ্বয়ক ভোটত জয়ী কৰাৰ বাবে সংবাদমেলযোগে আহ্বান জনায়।

# বিহপুৰীয়াৰ ৰাজবাৰী প্ৰাথমিক বিদ্যালয়ৰ তোৰণ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ৩০ মাৰ্চঃ** ১৯৪৫ তে স্থাপিত বিহপুৰীয়াৰ ঐতিহ্যমণ্ডিত ৩৮৩ নম্বৰ ৰাজবাৰী প্ৰাথমিক বিদ্যালয়ৰ মূল তোৰণখন আজি উন্মোচন কৰা হয়। ৰাজবাৰী গাঁৱৰ সমাজকৰ্মী প্ৰমেন কুমাৰ ভূঞাই নিজৰ ককাক আইতাকৰ স্মৃতিত নিৰ্মাণ কৰা তোৰণখন উন্মোচন কৰে বিহপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য হাজৰিকাই। এই উদ্দেশ্যে অৱসৰপ্ৰাপ্ত শিক্ষক তীখেশ্বৰ দত্তৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ ৰঞ্জিত পূজাৰীয়ে আঁত ধৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী নমিতা বৰা নেওগে। সভাত ড° তৰুণ শৰ্মা, দুলাল মহন্ত, ধীৰেন মহন্ত, মিঠাৰাম শইকীয়া, থানুৰাম নেওগ, কৃষ্ণৰাম বৰা, জংগবীৰ ছেত্ৰী, কুসুম পাটগিৰি আদি বিশিষ্ট ব্যক্তিসকলে বিদ্যালয়খনৰ তোৰণ দাতাগৰাকীৰ পদক্ষেপক শলাগ লোৱাৰ লগতে স্থানীয় অঞ্চলটোত শিক্ষাৰ পোহৰ বিলোৱা বিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়।

# হাজোত মিত্ৰজোঁটৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়াৰ হৈ নিৰ্বাচনী প্ৰচাৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ মাৰ্চ ঃ** হাজো সমষ্টিত ক্ৰমাৎ নিৰ্বাচনী বতাহ গৰম হৈ পৰিছে। ৰাজ্যত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন সমাপ্ত হোৱাৰ পাছত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ইতিমধ্যে ষ্টাৰ কেম্পেইনাৰসকল নিজ দলৰ প্ৰাৰ্থীক জয়ী কৰাৰ বাবে পঞ্চায়তে পঞ্চায়তে সভা পাতি নিৰ্বাচনী প্ৰচাৰ চলাই আছে। হাজো বিধানসভা সমষ্টিতো বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়াৰ হৈ নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে বিজেপিৰ কেন্দ্ৰীয় তথা ৰাজ্যিক নেতা। হিমাচল প্ৰদেশৰ ৰাজ্যসভাৰ সাংসদ ইন্দুবালা গোস্বামী, ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰী অপৰাজিতা ভূঞা, উপ-সভানেত্ৰী তথা হাজো সমষ্টিৰ প্ৰভাৰী স্মিতা ৰয়ে যোৱা ২৮ মাৰ্চৰ নিশালৈ হাজো মণ্ডল মহিলা মৰ্চাৰ উদ্যোগত সমষ্টিটোৰ দুই নম্বৰ হাজো গাঁও পঞ্চায়তৰ অন্তৰ্গত ভৰালীটোলা, বৰচাপৰি, কৈৱৰ্তটোলা (দামোদৰটোলা) গণেশটোলা কুমাৰপাৰা আদি ঠাইত সভা পাতি চৰকাৰৰ বিভিন্ন অভিলাষী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি ভোটাৰ ৰাইজৰ ওচৰত চাপে। বিজেপি নেতা বিশ্বজিৎ বিশ্বাসীয়ে আঁত ধৰা সভাত ৰাজ্যিক নেত্ৰী অপৰাজিতা ভূঞাই বিগত পাঁচ বছৰে বিধায়িকা সুমন হৰিপ্ৰিয়াই হাজো সমষ্টিত ৰাস্তা-ঘাটকে ধৰি বিভিন্ন উন্নয়নমূলক কামৰ খতিয়ান দাঙি ধৰি অহা ছয় এপ্ৰিলত হ'ব লগা তৃতীয় পৰ্যায়ৰ নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থী সুমন হৰিপ্ৰিয়াক ভোট দি জয়যুক্ত কৰিবলৈ ৰাইজলৈ আহ্বান জনায়। তেওঁলোকক সংগ দিয়ে উত্তৰ কামৰূপ জিলা মহিলা মৰ্চাৰ সভানেত্ৰী নমিতা কলিতা চৌধুৰী, ৰাজ্যিক কাৰ্যালয় সম্পাদিকা মিনাক্ষী পাটোৱাৰী ডেকা, এক নম্বৰ হাজো মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী মিতালী ভৰালী, নিৰ্বাচনী কমিটীৰ সভাপতি ৰমেন বেজবৰুৱা ভাস্কৰ ভৰালী, দীপাঞ্জলী দাস, ব্ৰজেন ভৰালী প্ৰমুখ্যে দলীয় নেতা-কৰ্মীসকলে।

# নাট্যশিল্পী-সমাজকৰ্মী তৰুণ চন্দ্ৰ পূজাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ৩০ মাৰ্চ ঃ** যোৰহাট বালিগাঁও অঞ্চলৰ দিচৈকোষ গাঁৱৰ বাসিন্দা আদৰ্শ শিক্ষক সু-অভিনেতা প্ৰয়াত হেমধৰ পূজাৰীৰ জ্যেষ্ঠ পুত্ৰ তৰুণ পূজাৰী (৮৫)ৰ যোৱা ২৭ মাৰ্চত নিজা বাসগৃহত মৃত্যু হয়। ছাত্ৰ অৱস্থাৰ পৰাই সমাজ তথা অভিনয়ৰ লগত জড়িত হৈ পৰা ব্যক্তিজন বালিগাঁও সন্মিলিত নাট্য মন্দিৰৰ এজন অভিনেতা তথা বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী আছিল। চাকৰি সূত্ৰে বিভিন্ন জিলাত থাকিবলগীয়া হোৱা ব্যক্তিজন সফল অভিনেতাৰূপে যোৰহাট জিলাৰ লগতে ওচৰ চুবুৰীয়া জিলাতো বিখ্যাত আছিল। চৰিত্ৰ ৰূপায়ণ কৰাৰ উপৰি মহাপুৰুষজনৰ অনবদ্য অৱদান ভাওনাৰ এজন প্ৰাণৱন্ত অভিনেতাজনে শতাধিক নাটকত অভিনয় কৰিছিল। বিভিন্ন অনুষ্ঠানৰ লগত মৃত্যু পৰ্যন্ত জড়িত আছিল। ব্যক্তিজনৰ মৃত্যুৰ বাতৰি বিয়পি পৰাত অঞ্চলটোৰ গুণমুগ্ধই ভৰি পৰে। বালিগাঁও মিলন মন্দিৰ সন্মিলনী নাট্য মন্দিৰ, মিলন মন্দিৰ পূজা সমিতি সন্ধিয়া চ'ৰা, কোৰোকাতলি কীৰ্তন সংঘ, কোৰোকাতলি উজনি নামঘৰ, দিচৈকোষ নামঘৰ আদি অনুষ্ঠানে পুষ্পাঞ্জলিৰে তেওঁক শেষ শ্ৰদ্ধা জনায়। সাংবাদিক ভৱেন পূজাৰীৰ জ্যেষ্ঠ ভ্ৰাতৃ তৰুণ পূজাৰীয়ে ইহসংসাৰত পত্নী লেখিকা বিৰদা পূজাৰী একমাত্ৰ পুত্ৰসহ বিবাহিতা দুগৰাকী কন্যাক এৰি যায়।

# সৃজনী শাখা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যালয়ৰ শিলান্যাস ঃ সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ৩০ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ খেৰাজ খাত আঞ্চলিকৰ অন্তৰ্গত ২২ খন গাঁৱৰ মহিলাৰ সু-সংগঠিত এক বৌদ্ধিক মহিলা অনুষ্ঠান সৃজনী লেখিকা সমাৰোহ সমিতি। ইতিমধ্যে সাতটা বসন্ত অতিক্ৰম কৰা শাখাটোৱে বিগত বৰ্ষত জিলাখনৰ ২৭টা শাখাৰ ভিতৰত শ্ৰেষ্ঠ শাখা আৰু মানসী শইকীয়া, জোনমণি বৰুৱাৰ যৌথ সম্পাদনাত প্ৰকাশিত মুখপাত্ৰ সৃজনৰ প্ৰথম সংখ্যাই প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। অনুষ্ঠানটোৰ এটা কাৰ্যালয় নিৰ্মাণৰ সপোন পূৰণ হয়। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ ভোগপুৰ উৰণীয়া সেতুৰ সমীপত শাখাৰ সভানেত্ৰী কাঞ্চন হাজৰিকাই ঘৰৰ চাৰিসীমাৰ ভিতৰত শিলান্যাসৰ ভূমিদান কৰে। জিলা সমিতিয়ে প্ৰেৰিত পৰ্যবেক্ষক মৰমী হাজৰিকাৰ উপস্থিতিত এখন নতুন সমিতি গঠন কৰা হয়। সভাই আগন্তুক দুই বছৰৰ বাবে অমি বৰা শইকীয়াক সভানেত্ৰী, মানসিক শইকীয়াক তৃতীয় বৰ্ষৰ বাবে সম্পাদিকা, নিবেদিতা বৰা হাজৰিকা, কিৰণ শইকীয়া হাজৰিকা, জ্যোতি শইকীয়া দত্ত আৰু ৰেণুমাইক উপ-সভানেত্ৰী, জোনমণি বৰুৱাক সহকাৰী সম্পাদিকা, নিজুমণি শইকীয়া বৰাক পত্ৰিকা সম্পাদিকা আৰু জোনমণি শইকীয়া, বুলি দত্ত, নিৰু বৰা নেওগ আৰু গীতামণি শইকীয়াক সাংগঠনিক সম্পাদিকাৰূপে লৈ এখন সমিতি গঠন কৰা হয়। প্ৰতিনিধিমূলক সভাই কাঞ্চন হাজৰিকাক মুখ্য উপদেষ্টা আৰু উপদেষ্টাৰূপে সভাই লীলাৱতী তামুলী কাকতি, সুচেন্দী শৰ্মা, বেদৱতী দেৱী। সু-পৰামৰ্শৰে আগবাঢ়িব লগা শাখাটোৰ প্ৰথম কাৰ্যনিৰ্বাহক বৈঠকতে শাখাৰ অন্তৰ্ভুক্ত প্ৰতিখন গাঁৱৰ পৰা একোগৰাকীকৈ কাৰ্যনিৰ্বাহক সদস্যা মনোনীত কৰা হ'ব।

# ডিমৌ ৰাইচাই শিৱ মন্দিৰত ভাওনা প্ৰদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ৩০ মাৰ্চ ঃ** ডিমৌ ৰাইচাই শিৱ মন্দিৰত তিনিদিনীয়াকৈ শিৱৰাত্ৰি উদ্‌যাপন কৰা হয় অগণন ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত অন্তিম নিশা একলব্যৰ গুৰু দক্ষিণা আৰু গাহ গজেন্দ্ৰ ভাওনা প্ৰদৰ্শন কৰা হয়। প্ৰথমদিনা পুৱা ধৰ্মধ্বজা উত্তোলন, স্থানীয় শিল্পীয়ে নিৰ্মাণ কৰি উলিওৱা নন্দী প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ পাছতে শিৱ পূজা আৰম্ভ কৰে পূজাৰীয়ে। সন্ধিয়াৰ ভাগত শিৱ গীতা পাঠত স্থানীয় ভালেকেইগৰাকী ধৰ্মপ্ৰাণ ব্যক্তিয়ে ভাগ লয়। দ্বিতীয় দিনা পুৱাৰ পূজাৰ শেষত হোমযজ্ঞ কৰাৰ পাছতে নিশালৈ দিহা নাম অনুষ্ঠিত হয়। অন্তিম দিনা পুৱা ভাগৱত ভ্ৰমণ, নাম প্ৰসংগ কৰা হয়। নিশাৰ ভাগত শিশুসকলৰ দ্বাৰা প্ৰথমখন ভাওনা 'একলব্যৰ গুৰু দক্ষিণা' প্ৰদৰ্শন কৰাৰ পাছতে যুৱকসকলৰ দ্বাৰা অভিনীত 'গাহ গজেন্দ্ৰ' ভাওনা প্ৰদৰ্শন কৰা হয়।

# নতুন কাঠমীৰ অতি পুৰণি জৰাজীৰ্ণ পথৰ পুনৰ মেৰামতি

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ৩০ মাৰ্চঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নতুন কাঠমী (কালাতলী) বজাৰ সংলগ্ন পথৰ যোৱা ২৯ মাৰ্চত নিৰ্মাণৰ কাম সম্পন্ন হয়। অতি ব্যস্ততাপূৰ্ণ পথটো দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ হৈ থকাত অঞ্চলৰ শ শ সাধাৰণ জনতাৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে খৰালি আৰু বাৰিষাত অতি বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হৈছিল। ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত এনেৰেগাৰ অধীনত ২০২০-২১ৰ আঠ লাখ ৬১ হেজাৰ ১৯ টকা ব্যয় সাপেক্ষে কাছম আলীৰ ঘৰৰ পৰা ছোৰহাব আলীৰ ঘৰলৈ এই পথৰ নিৰ্মাণ কৰে। নিৰ্মাণ কৰা পথছোৱা নিৰ্মাণ সমিতিয়ে সক্ৰিয়ভাৱে চোৱাচিতা কৰি নিৰ্মাণ কৰে। উল্লেখ্য যে এই পথছোৱা নিৰ্মাণ কৰাত অঞ্চলবাসী ৰাইজৰ দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যাৰ সমাধান হোৱাত ৰাইজে আনন্দিত হৈ পৰে।

# তামুলপুৰত নিৰ্দলীয় প্ৰাৰ্থীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩০ মাৰ্চ ঃ** তামুলপুৰ বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী কেশৱ ৰাজবংশীৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় এটা যোৱা ২৮ মাৰ্চত তামুলপুৰত মুকলি কৰা হয়। কাৰ্যালয়টো ফিটা কাটি শুভ উদ্বোধন কৰে সমাজকৰ্মী বীৰেন দাসে। কাৰ্যালয় মুকলি অনুষ্ঠানত নিৰ্দলীয় প্ৰাৰ্থী কেশৱ ৰাজবংশীয়ে কয়, 'সমাগত বিধানসভা নিৰ্বাচনত মোৰ বিজয় নিশ্চিত। তামুলপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন জনগোষ্ঠীৰ লোকে মোক সমৰ্থন জনাইছে। সমষ্টিটোত এজন অবড়ো প্ৰাৰ্থী হিচাপে থিয় দিয়াত ভোটাৰসকলৰ মাজৰ আনন্দৰ সৃষ্টি হৈছে. বিগত ৩৫ বছৰ ধৰি এজনো অবড়ো লোক তামুলপুৰৰ পৰা নিৰ্বাচিত নোহোৱাত মোক ভোটদান কৰি বিজয় নিশ্চিত কৰাৰ আশ্বাস প্ৰদান কৰিছে সমষ্টিবাসী ৰাইজে। মোৰ জয়েই ৰাইজৰ জয়।' নিৰ্দলীয় প্ৰাৰ্থী ৰাজবংশীয়ে পুনৰ কয়, 'মই বিপিএফৰ জন্ম লগ্নৰে পৰা এজন সক্ৰীয় কৰ্মী আছিলো আৰু বিগত কে'বা বছৰ ধৰি তামুলপুৰ জিলা সমিতিৰ সভাপতি পদতো কাৰ্যনিৰ্বাহ কৰিছিলো। এইবাৰ নিৰ্বাচনত বিপিএফৰ পৰা টিকট বিচাৰিছিলো। কিন্তু দলটোৰ এজন জ্যেষ্ঠ নেতা হোৱাৰ পাছতো মোক দলীয় প্ৰাৰ্থিত্ব প্ৰদানৰ পৰা বঞ্চিত কৰিছে। যাৰ ফলত সমষ্টিটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ বিপুল দাবীত তামুলপুৰ সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈছো।' বিপিএফৰ দলীয় প্ৰাৰ্থিত্বৰ বাবে দাবীদাৰ আছিল যদিও ৰাজবংশীক বঞ্চিত কৰি ৰংজা খুংগুৰ বসুমতাৰীক দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰাত ৰাজবংশীয়ে বিপিএফ দল ত্যাগ কৰি তামুলপুৰ বিধানসভা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হৈছে।

# কাংসপাৰ বৰ মাজঠাই নামঘৰত দৌল উৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩০ মাৰ্চঃ** ন-আলি ঢেকিয়াজুলি সোণাৰি গাঁৱৰ কাংসপাৰ বৰমাজ ঠাই নামঘৰৰ ভক্ত-বৈষ্ণৱৰ উদ্যোগত স্থানীয় ৰাইজৰ সহযোগত বিগত বৰ্ষৰ দৰে এইবাৰো যোৱা ২৭ আৰু ২৮ মাৰ্চত প্ৰভুৰ দৌল উৎসৱ উদ্‌যাপন কৰে। তদুপলক্ষে ২৭ মাৰ্চত সন্ধিয়াৰ পৰা উপবাস, নাম-কীৰ্তন আৰু দ্বিতীয় দিনা পুৱাৰে পৰা ভক্ত বৈষ্ণৱ নামঘৰত সমবেত হৈ পুৱা বৰগীত, দিহানাম পৰিৱেশনৰ পাছতেই ডেকা সত্ৰাধিকাৰ অকমান মহন্তই গুৱা শৰাই, বন্তি প্ৰজ্বলনে নামঘৰৰ মূল আসনৰ গোসাঁইক গাখীৰৰে গাধোৱাই, ফুল, তুলসী, ফাকু সানি ভক্ত-বৈষ্ণৱক নিৰ্মালি প্ৰদান কৰে। ইয়াৰ পাছতেই ডেকা অধিকাৰৰ দ্বাৰা নাম- প্ৰসংগ, যুৱক বৃন্দৰ দ্বাৰা সংকীৰ্তন, হোলীগীত পৰিৱেশনে দোলাত গোসাঁইক লৈ ভক্ত বৈষ্ণৱ, আইসকলে নামঘৰৰ পৰা শোভাযাত্ৰা উলিয়াই ভক্তি ৰসত সকলো বিলীন হয়। লগতে গাঁওবাসীয়ে শোভাযাত্ৰাৰ বেলাত ঈশ্বৰ মানি পদূলিৰ মুখে মুখে গুৱা শৰাই আগবঢ়াই সেৱা ধৰা দৃশ্যই ৰাইজক আপ্লুত কৰে। পুনৰ সকলো নামঘৰত সমৱেত হৈ অপৰাধ ভঞ্জনে সন্ধিয়ালৈ হিয়ানাম, গায়ন-বায়ন পৰিৱেশনৰে দৌল উৎসৱৰ সামৰণি পৰে।

# সোণপুৰত তিনিদিনীয়াকৈ মা মনসা পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ মাৰ্চঃ** নলবাৰী চহৰৰ সোণপুৰৰ মা মনসা মন্দিৰত অহা পহিলা এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ ২০ সংখ্যক বাৰ্ষিক শ্ৰীশ্ৰী মা মনসা পূজাৰ আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা চাফাই অভিযান। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি অনিল দাসে ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচীৰ মুকলি কৰিব। ইয়াৰ পাছত কণ কণ শিশুৰ মাজত খেল-ধেমালি প্ৰতিযোগিতাৰ পাছত শ্ৰীশ্ৰীমা মনসা পূজাৰ দ্বাৰ উন্মোচন কৰিব সমাজকৰ্মী সন্তোষ ভাৰাতীয়াই। সন্ধিয়া শ্ৰীশ্ৰী মা মনসা পূজাৰ ঘট স্থাপন আৰু জাগেনী, বন্তি প্ৰজ্বলন, দেৱী অৰ্চনা আৰু আৰতিৰ পাছত নাগাৰা নাম প্ৰদৰ্শন কৰিব চেংনৈ আঞ্চলিক নাগাৰা নাম দলৰ শিল্পী পাৰ্থপ্ৰতীম দাস আৰু শ্ৰীশ্ৰী মা মনসা নাগাৰা নাম দলৰ শিল্পী হিমাংশু দাসে। দুই এপ্ৰিলত শ্ৰীশ্ৰী মা মনসা পূজাৰম্ভ। ধৰ্মীয় শোভাযাত্ৰা আৰু পূজাৰ পানীতোলনৰ পাছত দুপৰীয়া বলি বিধানৰ পাছত পূজাৰ হোম, পুষ্পাঞ্জলি প্ৰদান, দেওধনী নৃত্য, পূজা-অৰ্চনা আৰু আৰতি। সন্ধিয়া ওজাপালি প্ৰদৰ্শন। তিনি এপ্ৰিলত পূজা সমাপন আৰু বিসৰ্জন আৰু ভোগ বিতৰণ। আবেলি স্থানীয় শিশুসকলৰ মাজত গীত-নৃত্য প্ৰতিযোগিতা। নিশা জাহ্নৱী মিনি থিয়েটাৰৰ দ্বাৰা নাট প্ৰদৰ্শন। অনুষ্ঠানত সকলো ৰাইজৰ সহযোগিতা আৰু উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# বি পি এফৰ মুৰব্বী হাগ্ৰামা কমেডিয়ানত পৰিণত হৈছে



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৩০ মার্চ ঃ** 'হাগ্ৰামা মহিলাৰী কমেডিয়ানত পৰিণত হৈছে। হাগ্ৰামা মহিলাৰীৰ ভৰিৰ তলৰ মাটি নাইকিয়া হৈছে।' সৰভোগ সমষ্টিৰ অন্তৰ্গত তথা বাগ্‌সাৰ খাৰিজা বিজনীত বিজেপিৰ বৃহৎ ই ৰিক্সা ৰেলীত অংশগ্ৰহণ কৰি এইদৰে মন্তব্য কৰে ৰাজ্যিক বিজেপিৰ মহিলা মৰ্চাৰ সভানেত্ৰী অপৰাজিতা ভূঞাই। ৪০ নম্বৰ সৰভোগ সমষ্টিৰ মিত্ৰজোঁট তথা বিজেপিৰ প্ৰাৰ্থী শংকৰ চন্দ্ৰ দাসৰ সমৰ্থনত উলিওৱা ৰেলীত কে'বা শতাধিক লোকে অংশগ্ৰহণ কৰি বিজেপিৰ সমৰ্থনত বিভিন্ন শ্ল'গান দি সমষ্টিটোৰ ভিন্ন প্ৰান্তত নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপিৰ গোৰৰ্ধনা মণ্ডল মহিলা মৰ্চাৰ উদ্যোগত উলিওৱা সমদলত অংশগ্ৰহণ কৰে হিমাচল প্ৰদেশৰ বিজেপিৰ সাংসদ ইন্দ্ৰ গোস্বামী আৰু ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰীগৰাকীয়ে। সমদলৰ পূৰ্বে খাৰিজা বিজনীৰ দোমনী ঘাটত অনুষ্ঠিত এখন সভাত তেওঁলোকে ভাষণ প্ৰদান কৰে। সৰভোগ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী শংকৰ চন্দ্ৰ দাসৰ জয়লাভ নিশ্চিত বুলি দাবী কৰে ৰাজ্যিক মহিলা মৰ্চাৰ সভানেত্ৰীগৰাকীয়ে। উল্লেখ্য যে ই-ৰিক্সা ৰেলীত মথনগুৰি সমষ্টিৰ এম চি এল এ তথা বি টি চিৰ সমাজ কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাসেও অংশগ্ৰহণ কৰে।

## বিবেক ভোট প্ৰদানৰ আহ্বান বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ

অগ্ৰদূত বাৰ্তা

**দোতমা, ৩০ মার্চ ঃ** বিধানসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰাজনৈতিক দলৰ তৎপৰতা বাঢ়িছে। আজি এক সাক্ষাৎকাৰত সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ সভাপতি মন্টু দে কয়, 'আমাক প্ৰতিটো চৰকাৰে প্ৰতাৰণা কৰি আহিছে গতিকে এইবেলি বিধানসভা নিৰ্বাচনত আমি কোনো দলকে সমৰ্থন নিদিও। বাঙালী ৰাইজক বিবেক ভোট প্ৰদানৰ আহ্বান জনায় সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ সভাপতি মন্টু দেই কয়, 'প্ৰতিখন চৰকাৰে নিৰ্বাচনৰ প্ৰাকক্ষণত বাঙালী লোকসকলক ভোট বেংকৰূপে ব্যৱহাৰ কৰে লগতে নিৰ্বাচনৰ প্ৰাকক্ষণত ডি ভোটাৰৰ সদস্যাক লৈ মাত মাতে, কিন্তু নিৰ্বাচন পাৰ হৈ যোৱাৰ পাছতে সকলো পাহৰি যায়।' তেওঁ পুনৰ কয় যে যিসকল ৰাজনৈতিক দলে বাঙালীসকলক লৈ ৰাজনীতি কৰি আছে তেওঁলোকক সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনে ৰাজনীতি কৰা বন্ধ কৰিবলৈ আহ্বান জনাইছে।

## ইউপিপিএলৰ বিজয় লক্ষ্যৰে প্ৰচাৰ মনোৰঞ্জনৰ



অগ্ৰদূত বাৰ্তা

**দোতমা, ৩০ মার্চ ঃ** বিধানসভা নিৰ্বাচনৰ প্ৰচাৰক লৈ তৎপৰ বিজেপি মিত্ৰজোঁটৰ অংশীদাৰ দল ইউপিপি এল। ১৫ বছৰ বিপিএফ দখলথ থকা ২৮ নম্বৰ পশ্চিম বিধানসভা সমষ্টিটো উদ্ধাৰৰ বাবে এইবাৰ ইউপিপিএলৰ প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মই নিজৰ প্ৰচাৰ অভিযান পূৰ্ণ গতিত চলাইছে। পশ্চিম বিধানসভা সমষ্টিটোৰ ৰাইজৰ মাজত প্ৰচাৰ চলোৱাৰ বাবে এতিয়া গাঁৱে-ভূঞে দলীয় কৰ্মী লগতলৈ ইউপিপিএলৰ প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মই উঠি পৰি লাগিছে। পশ্চিম বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ৰায়পাৰা, কোটপাৰা, ৰাভাপাৰা, বলদিয়াবাথান, শক্তি আশ্ৰম, শিঙিমাৰী, মুখীগাঁও, ফকিৰাগ্ৰামৰ বিভিন্ন অঞ্চলকে ধৰি কে'বাখনো গাঁৱত ইউপিপি এলৰ প্ৰাৰ্থী ব্ৰহ্মই প্ৰচাৰ চলাইছে। ইউ পি পি এলৰ প্ৰৰ্থী ব্ৰহ্মই ৰাইজৰ সঁহাৰি লাভ কৰা বুলি প্ৰকাশ কৰি কয়, 'যিয়ে অন্যায় নকৰে তাক ৰাইজে সহায় কৰে। তেওঁ ৰাইজৰ সেৱা কৰাৰ বাবে বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হৈছে। ৰাইজৰ আশীৰ্বাদ তেওঁ লাভ কৰি নিশ্চিতভাৱে সমষ্টিটোৰ পৰা নিৰ্বাচনত জয়যুক্ত হ'ব বুলি দাবী কৰে। ৰাইজৰ আশীৰ্বাদ তেওঁ লাভ কৰি নিশ্চিতভাৱে সমষ্টিটোৰ পৰা নিৰ্বাচনত জয়যুক্ত হ'ব বুলি দাবী কৰে।' আনহাতে, হাগ্ৰামা মহিলাৰীয়ে বিভিন্ন নিৰ্বাচনী সভাত তেওঁক মাফিয়া বুলি সম্বোধন কৰা কথাৰ প্ৰতিক্ৰিয়া জানিব বিচৰাত তেওঁ ৰাইজে সেয়া বিবেচনা কৰিব বুলি উত্তৰ দি কয় যে নিৰ্বাচনত ৰাইজে ৰজা। তেনেক্ষেত্ৰত বিপিএফৰ মুৰব্বী হিচাপে ৰাজনৈতিক পথাৰত তেওঁৰ বিৰুদ্ধে যিয়ে নকওক কিয় তাৰ বিবেচনা ৰাইজেই কৰিব বুলি ব্ৰহ্মই কয়।



মুছলপুৰত ইউপিপিএলৰ নিৰ্বাচনী প্ৰচাৰ সমদল, মঙলবাৰে।

## বন্দী শিবিৰৰ পৰা ভাৰতীয়ক মুক্ত কৰাত সহায়ৰ আশ্বাস

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৩০ মার্চ ঃ** আজি চিৰাং জিলাৰ কাজলগাঁও প্ৰেছ ক্লাবত ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিৰ ভাৰতীয় গণ পৰিষদৰ প্ৰাৰ্থী সুজিত কুমাৰ ৰায়ে এখন সংবাদমেল সম্বোধন কৰে। উক্ত সংবাদমেলত ভাৰতীয় গণ পৰিষদৰ প্ৰাৰ্থী সুজিত কুমাৰ ৰায়ে কয় যে বিগত দিনত কংগ্ৰেছ, বিজেপি আৰু অন্যান্য ৰাজনৈতিক দলসমূহে বৃহত্তৰ অসমীয়া জাতিটোক সঠিক দিশত আগবঢ়াই লোৱাত ব্যৰ্থ হৈছে। তেওঁলোকে বিভিন্ন জাতি-জনজাতি ভাষা ধৰ্মীয় গোষ্ঠীক সামৰি লৈ বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত সফল হ'ব পৰা নাই বুলি কয়। তেওঁ কয় যে প্ৰকৃত ভাৰতীয়সকলক বন্দী চিনাক্ত শিবিৰৰ পৰা উলিয়াই অনা, এন আৰ চিত বাদ পৰা লোকৰ পুনৰীক্ষণ এন এছ কে চেন্টাৰবোৰত সহজ প্ৰক্ৰিয়াত সম্পন্ন কৰা, ডি ভোটাৰ সমস্যা চিৰদিনৰ বাবে সমাপ্ত কৰা আদি বিষয়ত মাত মাতি কাম কৰি যাব বুলি সংবাদমেলত মন্তব্য কৰে প্ৰাৰ্থীজনে। ফণীভূষণ চৌধুৰীকো সমালোচনা কৰে ভাৰতীয় গণ পৰিষদৰ প্ৰাৰ্থী সুজিত কুমাৰ ৰায়ে।

## ভৱানীপুৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ ১০ ঠাইত প্ৰচাৰ

অগ্ৰদূত বাৰ্তা

**ভৱানীপুৰ/শালবাৰী, ৩০ মার্চ ঃ** ভৱানীপুৰ বিধানসভা সমষ্টিৰ অসম গণ পৰিষদৰ মনোনীত তথা মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰণজিৎ ডেকাৰ সমৰ্থনত আজি সমষ্টিটোৰ অন্তৰ্গত বিটিচি অঞ্চলত ইউপিপিএলৰ সহযোগত জোৰদাৰ নিৰ্বাচনী প্ৰচাৰ চলায়। উল্লেখ্য যে আজি শালবাৰীৰ দুৰামাৰী, চামুহাথাই, মাইনাও বজাৰ, ৰূপহী, থুৰিবাৰী, পালচিগুৰি, দাউখা বজাৰ, কলবাৰী, বৰটাৰী, ঘোৰামাৰা আদি মুঠ ১০টা স্থানত পৃথকে পৃথকে অনুষ্ঠিত কৰে ইউপিপিএলৰ উদ্যোগত ১০খন নিৰ্বাচনী জনসভা। চামুহাথাইত অনুষ্ঠিত নিৰ্বাচনী জনসভাত ভাষণ দি প্ৰাৰ্থী ৰণজিৎ ডেকাই কয় যে ভৱানীপুৰ বিধানসভা সমষ্টিত বসবাস কৰা সকলো জনগোষ্ঠীৰ ৰাইজে এগৰাকী নিৰ্বাচনী প্ৰাৰ্থীৰূপে যিধৰণে তেওঁ সঁহাৰি লাভ কৰিছে সেই কথাই প্ৰমাণ কৰিছে তেওঁৰ বিজয় নিশ্চিত। বিধায়কৰূপে নিৰ্বাচিত হোৱাৰ পাছত ৰাইজে দিয়া মৰমৰ ধাৰ এপদ এপদকৈ পৰিশোধ কৰিব বুলিও তেওঁ প্ৰতিশ্ৰুতি দিয়ে। সভাত বড়ো কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মহীপাল বড়োৱে কয় যে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ প্ৰথম ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ গৃহ সমষ্টিত বিগত ১০ বছৰত এআইইউডিএফৰ ৰাজত্বৰ অৱসান ঘটিব। এইবাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰণজিৎ ডেকাই ৮০ হেজাৰৰ অধিক ভোট লাভ কৰিব বিজয়ী নিশ্চিত। সভাত বিজেপিৰ অসমৰ ৰাজ্যিক সমিতিৰ মুখপাত্ৰ মনোজ বৰুৱা, শালবাৰী টিচিএলচিৰ অধ্যক্ষ বিনোদ মছাহাৰীয়েও ভাষণ দি ভৱানীপুৰ সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰণজিৎ ডকাৰ বিজয় নিশ্চিত বুলি দাবী কৰে। উল্লেখ্য যে মিত্ৰজোঁটৰ প্ৰাৰ্থী ৰণজিৎ ডেকাক নিৰ্বাচনী প্ৰচাৰ অভিযানত ইউপিপিএলৰ নেতৃবৃন্দ ক্ৰমে -সত্যজিৎ বড়ো, চক্ৰধৰ বসুমতাৰী, সুৰেশ সৰকাৰ, প্ৰদীপ সৰকাৰ, কনক বড়ো, ডালিমী খেৰকটাৰী, অগপ নেতা মৃণাল কলিতাকে ধৰি শতাধিক ইউপিপিএলৰ নেতৃবৃন্দই সংগ দিয়ে। প্ৰাৰ্থী ৰণজিৎ ডেকাই আজি চামুহাথাই আৰু মাইনাও বজাৰত দুটা নিৰ্বাচনী কাৰ্যালয়ো মুকলি কৰে।

## মেদাঘাটত উপস্থিত নহ'ল হাগ্ৰামা

**বৰমা, ৩০ মার্চ ঃ** তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজিৰে পৰা চলিছে ব্যাপক প্ৰচাৰ। নিৰ্বাচনী প্ৰচাৰৰ বাবে আজি বৰমা বিধানসভা সমষ্টি আৰু চাপাগুৰি বিধানসভা সমষ্টিৰ বিপিএফৰ সমৰ্থকক লৈ বৰমাৰ ওচৰৰ মেদাঘাটত অনুষ্ঠিত হয় বিপিএফৰ এখন নিৰ্বাচনী সভা। উক্ত সভাত উপস্থিত থকাৰ কথা আছিল বিপিএফ মুৰব্বী হাগ্ৰামা মহিলাৰী। অৱশ্যে আবেলি চাৰি বজাত প্ৰতিকুল বতৰৰ বাবে মহিলাৰী উপস্থিত হ'ব নোৱাৰে বুলি ৰাইজক অৱগত কৰে। এই সম্পৰ্কত প্ৰবীণ বড়োক সাংবাদিকে সোধাত প্ৰবীণ বড়োৰ উত্তৰ 'ন' কমেন্ট। উল্লেখ্য যে বিপিএফৰ বৰমা সমষ্টিৰ প্ৰাৰ্থী প্ৰবীণ বড়ো আৰু চাপাগুৰি সমষ্টিৰ প্ৰাৰ্থী হিতেশ বসুমতাৰীৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে অনুষ্ঠিত হৈছিল এই নিৰ্বাচনী সভা। মুছলপুৰ জিলা বিপিএফৰ নেতা সমিন বড়োৱে আঁত ধৰা সভাখনত কংগ্ৰেছ, চিপিআই (এম)ৰ উপৰি জমিয়ত উলেমাৰ নেতাই বিজেপি চৰকাৰখনৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰি মহাজোঁটৰ সপক্ষে ভোটদানৰ আহ্বান জনায়। সভাত কে'বাটাও দলৰ পৰা আহি বহুতো সদস্য বিপিএফত যোগদান কৰে। বিগত ১৫ টা বছৰ ধৰি বিপিএফৰ দখলত থকা বৰমা সমষ্টি পুনৰ দখলৰ বাবে দলটোৱে সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা দলৰ সাধাৰণ সম্পাদকৰ দায়িত্বত থকা প্ৰবীণ বড়োক প্ৰক্ষেপ কৰিছে; কিন্তু বিপিএফৰ পৰা ১৫ বছৰ বিধায়ক হোৱা মনেশ্বৰ ব্ৰহ্মক দেখা পোৱা নাই প্ৰবীণ বড়োৰ স'তে। যাৰ দ্বাৰা বিপিএফৰ মাজত শীতল যুঁজ চলি থকা বুলি ৰাইজে অনুমান কৰিছে।

## দুৰ্ঘটনাত এজনৰ মৃত্যু ৰহাত

অগ্ৰদূত বাৰ্তা

**ৰহা, ৩০ মার্চ ঃ** ৰঙৰ উৎসৱ ফাকুৱাৰ আনন্দ-উল্লাসৰ মাজতে যোৱা নিশা ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৰহা মীন মহাবিদ্যালয়ৰ সন্মুখত মটৰ চাইকেল আৰু স্কুটীৰ মুখামুখি সংঘৰ্ষত স্কুটী আৰোহীজনৰ মৃত্যু হয়। মৃত যুৱকজন দীঘলীআটিৰ ৰাজীৱ শইকীয়া বুলি চিনাক্ত কৰা হৈছে। ইপিনে, সংকটজনক অৱস্থাত মটৰ চাইকেল আৰোহীজনক চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে।

## বিবেক ভোট প্ৰদানৰ আহ্বান এন বি চি চিৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৩০ মার্চ ঃ** বিধানসভা নিৰ্বাচনত ইউনাইটেড খ্ৰীষ্টান ফ'ৰামে ইউ পি পি এললৈ সমৰ্থন আগবঢ়োৱা সন্দৰ্ভত নেচনেল বড়ো খ্ৰীষ্টিয়ান কাউন্সিল চমুকৈ এন বি চি চিয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি এক বিবৃতিত এন বি চি চিৰ সভাপতি অৰ্জুন বসুমতাৰীয়ে কয় যে ইউনাইটেড খ্ৰীষ্টিয়ান ফ'ৰামৰ স'তে এন বি চি চিৰ কোনো সম্পৰ্ক নাই। এন বি চি কোনো এটা ৰাজনৈতিক দল নহয় বাবে কোনো দললৈ পোনপটীয়া সমৰ্থন নজনায়। ইউনাইটেড খ্ৰীষ্টিয়ান ফ'ৰামে বিটিআৰৰ খ্ৰীষ্টানসকলক ইউপিপিএলৰ সপক্ষে ভোটদান কৰিবলৈ আহ্বান জনোৱা কাৰ্যক কোনোকৰণতে সমৰ্থন নকৰে বুলি এন বি চিচিয়ে স্পষ্ট কৰি দিছে।

## তামুলপুৰত ৰাইজৰ দলৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় মুকলি

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৩০ মার্চ ঃ** তামুলপুৰ বিধানসভা সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী নগেন চন্দ্ৰ দাসৰ আজি এটা নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় মুকলি কৰা হয়। কাৰ্যালয়টো মুকলি কৰে ৰাইজৰ দলৰ প্ৰাৰ্থী দাসে। কাৰ্যালয় মুকলি কৰি দাসে কয়, 'এচাম চোৰৰ দলে মোৰ বিৰুদ্ধে অপ-প্ৰচাৰ চলাই আহিছে। আচলতে তামুলপুৰ সমষ্টিত ৰাইজৰ দলৰ নিশ্চিত বিজয়ৰ কথা ভাবি তেওঁলোকে শংকিত হৈ এই অপ-প্ৰচাৰত নামিছে। ৰাইজৰ দলে ভোটাৰৰ ঘৰে ঘৰে গৈ ৰাইজৰ স'তে মত-বিনিময় কৰি ৰাইজৰ অভাৱ অভিযোগৰ বুজ লৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে আৰু ৰাইজৰ পৰা বিপুলভাৱে সঁহাৰিও লাভ কৰিছে। ৰাইজে এইবাৰ তামুলপুৰ বিধানসভা সমষ্টিত ৰাইজৰ দলৰ প্ৰাৰ্থীক বিপুল ভোটৰ ব্যৱধানত জয়যুক্ত কৰিব।

### মুছলপুৰত নিৰ্বাচনী সভাত উৰ্খাও গৌৰা ব্ৰহ্ম

# অসমত বিজেপিৰ নেতৃত্বত চৰকাৰ



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৩০ মার্চ ঃ** 'সমগ্ৰ অসমত আজি বিজেপিৰ সপক্ষে নিৰ্বাচনী বতাহ। কংগ্ৰেছ-বি পি এফৰ মন মৰা। উমৈহতীয়া শীৰ্ষ নেতৃত্ব নাই। অসমত কংগ্ৰেছ বি পি এফৰ মহাজোঁটৰ চৰকাৰ নাহে। অসমত বিজেপি মিত্ৰজোঁটৰ নেতৃত্বৰ চৰকাহে আহিব। কাৰণ কেন্দ্ৰ তথা ৰাজ্যত যিহেতু বিজেপিৰ চৰকাৰ, গতিকে উন্নয়নৰ স্বাৰ্থত ৰাইজে পুনৰ বিজেপিৰ নেতৃত্বৰ চৰকাৰকহে আঁকোৱালি ল'ব।' বাগ্‌সাৰ মুছলপুৰত নিৰ্বাচনী সভাত অংশ লৈ আজি এইদৰে কয় ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা ইউ পি পি এলৰ চাপাগুৰি সমষ্টিৰ প্ৰাৰ্থী ইউ জি ব্ৰহ্মাই। তেওঁ কয় যে বি টি আৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীহে জয়ী হ'ব। চাপাগুৰিত তেওঁৰ বিজয় নিশ্চিত। কাৰণ তেওঁ জয়ী হ'লে দিছপুৰৰ চৰকাৰৰ আশীৰ্বাদত মন্ত্ৰিত্ব লাভ কৰিব। গতিকে ৰাইজে মাত্ৰ ভোটৰ দিনটোলৈ অপেক্ষা কৰি আছে। তেওঁক বিৰোধী প্ৰাৰ্থীসকলে চালানী প্ৰাৰ্থী বুলি উপলুঙা কৰা সন্দৰ্ভত কয়, 'মই ৰাইজৰ বুকুৰ আপোন। সংগ্ৰামৰ দীৰ্ঘ সময় মই চাপাগুৰি সমষ্টিতে কটাইছো। ইয়াৰ প্ৰতিটো চুবুৰিৰ লোকক মই চিনি পাওঁ। নিৰ্বাচিত হোৱাৰ পাছত বেছিভাগ সময় মই সমষ্টিতে কটাম। মোক লগ ধৰিবলৈ যাব নালাগে। মই নিজে ৰাইজৰ মাজত সোমাম।' সভাত অংশ লৈ বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই কয় যে চাপাগুৰি সমষ্টিৰ অন্তৰ্গত তিনিওটা সমষ্টিতে বি টি চি নিৰ্বাচনত আমাৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হৈছে। গতিকে চাপাগুৰিত আমাৰ প্ৰাৰ্থী ইউ জি ব্ৰহ্মক এক লাখতকৈও অধিক ভোটত জয়ী কৰাম। বিৰোধী প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ বৰ্তমানেও তীব্ৰতৰ কৰিব পৰা নাই। তেওঁলোক মাত্ৰ কেইটামান ভোটতে সীমাবদ্ধ থাকিব। ভোটাৰ ৰাইজ আজি যথেষ্ট সচেতন। কাক ভোট দিলে কাম হ'ব সেয়া তেওঁলোকে জানে। তেওঁ কয় যে নিৰ্বাচনী অধিসূচনাৰ বাবে আজি ৰাইজৰ মাজত কম্বল, চাইকেল, স্কুল বেগ আৰু বহু সামগ্ৰী বিতৰণ কৰিব পৰা নাই। নিৰ্বাচনৰ প্ৰক্ৰিয়া শেষ হ'লেই বিতৰণ কৰা হ'ব।

# বিপিএফৰ ১৭ বছৰীয়া দুৰ্নীতি, ভ্ৰষ্টাচাৰ-অপশাসনৰ প্ৰত্যুত্তৰ দিব ভোটাৰে ঃ প্ৰমোদ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ৩০ মার্চ ঃ** তৃতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে যুদ্ধকালীন তৎপৰতাৰে নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে ৰাজনৈতিক দল তথা নেতাসকল। আজি চিৰাং জিলাৰ শান্তিপুৰ, ভিৰানগাঁও, গৰুভাষা আৰু বামুণগাঁৱত ইউপিপিএল-বিজেপি মিত্ৰজোঁটৰ ৩১ নম্বৰ চিদলী (জনজাতি) বিধানসভা সমষ্টীৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় বিটিআৰৰ মুখ্য প্ৰমোদ বড়োই। বড়োই বিপিএফক সমালোচনা কৰি কয় যে এইবাৰ বিধানসভা নিৰ্বাচনত বিপিএফৰ ১৭ বছৰীয়া দুৰ্নীতি, অপশাসন তথা ভ্ৰষ্টাচাৰৰ প্ৰত্যুত্তৰ দিব ভোটাৰে। বিপিএফে বিগত সময়ত দলীয় নেতা-কৰ্মীৰ বাদে সাধাৰণ জনতাৰ বাবে কোনো কাম নকৰিলে। বিপিএফৰ নেতাসকৰল কোটিপতি হোৱাৰ বিপৰীতে সাধাৰণ লোকসকলে দৰিদ্ৰৰ পৰা দৰিদ্ৰ হ'ল। চিদলী সমষ্টিৰ তিনিবাৰৰ বিধায়ক তথা চন্দন ব্ৰহ্মৰ দাদাগিৰী, একনায়কত্ববাদ, দুৰ্নীতি, অপশাসন সৰ্বজন বিদিত ঘটনা। গতিকে ইয়াত সকলোৱে জানে আৰু তাৰ বাবে ৰাইজ প্ৰস্তুত হৈ আছে। গতিকে বিপিএফে টকা বিলালেও এইবাৰ কাম নিদিব বুলি কয় প্ৰমোদ বড়োই। মুঠতে হাগ্ৰামা মহিলাৰী ডুবি থকা সূৰ্য, এতিয়া আৰু হাগ্ৰামাৰ কোনো কাম নাই, বিধানসভা নিৰ্বাচনৰ পাছত হাগ্ৰামাৰ নাম নাথাকিব। হয় কিছুদিন সংবাদ মাধ্যমত থাকিব তাৰ পাছত নিঃশেষ হৈ পৰিব বুলি কয় প্ৰমোদ বড়োই। এনএলএফবি নামৰ সংগঠনটো ৰাজনৈতিক ষড়যন্ত্ৰৰ বলি হৈ কেইজনমান যুৱকে পুনৰ হাতত অস্ত্ৰ তুলি লৈছে। এতিয়াও সময় আছে ঘূৰি আহি শান্তিপূৰ্ণভাৱে ঘৰতে থাকক। অন্যথা সেনা-আৰক্ষীয়ে ৰেহাই নিদিব। কোনো ধৰণৰ কূটাঘাত কৰাৰ সুবিধাই নিদিব আৰক্ষীয়ে বুলিও কয় বড়োই। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত কংগ্ৰেছ মহাজোঁটে শূন্য মাৰিব ইয়াত কোনো কাম নিদিলে। দ্বিতীয় পৰ্যায়ত দুই-এটা পাব পাৰে একেদৰে তৃতীয় পৰ্যায়তো দুই-এটা পাব। কিন্তু আকৌ অসমত বিজেপি মিত্ৰজোঁটৰ চৰকাৰ হোৱাটো নিশ্চিত বুলি দাবী কৰে প্ৰমোদ বড়োই। অনুষ্ঠানত ইউপিপিএলক সমৰ্থন জনাই বিটিচি ধৰ্মীয় সংখ্যালঘু পৰিষদৰ নেতৃত্ব ইউপিপিএলৰ কে'বাজেনা শীৰ্ষ নেতা উপস্থিত থাকে। অনুষ্ঠানত বিভিন্ন দলৰ শতাধিক লোকে ইউপিপিএলত যোগদান কৰে।



# প্ৰতিযোগিতাৰ লগতে ফাইনেলৰো শ্ৰেষ্ঠ নলবাৰীৰ নিহাৰ

**গুৱাহাটী, ৩০ মাৰ্চ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত শ্ৰেষ্ঠ ক্ৰিকেটাৰৰ সন্মান লাভ কৰিছে নলবাৰীৰ নিহাৰ ডেকাই। ইফালে, নিহাৰে ফাইনেলৰো শ্ৰেষ্ঠ খেলুৰৈ ৰূপে নিৰ্বাচিত হয়। উল্লেখ্য যে নলবাৰীক চেম্পিয়ন কৰোৱাত নিহাৰৰ ভূমিকা অন্যতম। ফাইনেল ৰাউণ্ডত নিহাৰে মুঠ 324 ৰাণ কৰাৰ লগতে 13 টা উইকেট দখল কৰে। উল্লেখ্য যে নলবাৰীয়ে 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ লাভ কৰিছে। অসম ক্ৰিকেট সন্থাই আয়োজন কৰা জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখনত আজি নলবাৰীয়ে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে পৰাস্ত কৰে শিলচৰক। মেচৰ প্ৰথমদিনা টছত জয়ী হৈ পোনতে বেটিং কৰা শিলচৰে 190 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। দলৰ হৈ ৰ'ছন ট'প্নই 56 ৰাণ কৰাৰ বিপৰীতে নলবাৰীৰ নিহাৰ ডেকাই পাঁচটা উইকেট লাভ কৰে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত নলবাৰীয়ে প্ৰথম ইনিংছ আৰম্ভ কৰি এটা উইকেট হেৰুৱাই 94 ৰাণ কৰিছিল। দলৰ হৈ নিহাৰ ডেকাই 58 ৰাণত বেটিং কৰি আছিল। নলবাৰীয়ে আজি তিনিটা উইকেট হেৰুৱাই 195 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু অগ্ৰগতি লাভ কৰি খিতাপ জয় নিশ্চিত কৰে। উল্লেখ্য যে বৰষুণৰ বাবে আজি চাহ বিৰতিৰ পাছতহে খেল আৰম্ভ হয়। নলবাৰীৰ হৈ শতক অৰ্জন কৰে নিহাৰ ডেকাই (109]¼





# আই পি এলত দিল্লী কেপিটেলক নেতৃত্ব দিব উইকেটৰক্ষক বেটছমেন ঋষভ পন্টে

**নতুন দিল্লী, ৩০ মাৰ্চ ঃ** আসন্ন আই পি এলত দিল্লী কেপিটেল দলক নেতৃত্ব দিব উইকেটৰক্ষক বেটছমেন ঋষভ পন্টে। উল্লেখ্য যে আজি দলৰ মেনেজমেণ্টে এই কথা সদৰি কৰিছে। স্মৰ্তব্য যে আই পি এলৰ দিল্লী কেপিটেল দলৰ অধিনায়ক সলনি হোৱাটো নিশ্চিত আছিল। কাৰণ দিল্লী দলৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে আসন্ন আই পি এলৰ আৰম্ভণিৰ মেচ খেলাক লৈ সন্দেহ হৈছিল। উল্লেখ্য যে চলিত ভাৰত আৰু ইংলণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ পুনেত হোৱা প্ৰথমখন মেচত আঘাত পাইছিল শ্ৰেয়াছে। ইংলণ্ডৰ ইনিংছৰ আঠ নম্বৰ অভাৰত বায়াৰষ্টোৰ শ্বট ৰাখিবলৈ হৈ আঘাত পাই শ্ৰেয়াছ আয়াৰে। সেয়ে শৃংখলাৰ বাকী থকা মেচ দুখনত শ্ৰেয়াছে অংশ ল'ব নোৱাৰিলে। ইফালে, আই পি এল খেলাক লৈয়ো অনিশ্চিয়তা হয়। ইফালে, দিল্লী কেপিটেল দলে শ্ৰেয়াছৰ অনুপস্থিতিত তিনিজন খেলুৰৈক দলৰ নেতৃত্ব দিয়াৰ চৰ্চা কৰিছিল। সেই অনুসৰি উইকেটৰক্ষক বেটছমেন ঋষভ পণ্ট, অফস্পীনাৰ ৰবীচন্দ্ৰন অশ্বিন আৰু অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথৰ এজনক আসন্ন আই পি এলত দিল্লী কেপিটেল দলৰ নতুন অধিনায়কৰূপে দায়িত্ব দিয়াৰ কথা চলি থকা সময়তে আজি উইকেটৰক্ষক বেটছমেন ঋষভক দায়িত্ব দিয়া হয়। স্মৰ্তব্য যে অফস্পীনাৰ ৰবীচন্দ্ৰন অশ্বিন আৰু অষ্ট্ৰেলিয়াৰ ষ্টিভ স্মিথে পূৰ্বে কিংছ পঞ্জাৱ আৰু ৰাজস্থান ৰয়েলছক নেতৃত্ব দিছে।



## ১৯ বছৰ অনূৰ্ধ্ব জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা

# ফাইনেলত শিলচৰক প্ৰথম ইনিংছৰ ব্যৱধানত হৰুৱাই চেম্পিয়ন নলবাৰী

**গুৱাহাটী, ৩০ মাৰ্চ ঃ** নলবাৰীয়ে 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ লাভ কৰিছে। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখনত আজি নলবাৰীয়ে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে পৰাস্ত কৰে শিলচৰক। উল্লেখ্য যে গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ আজি আছিল অন্তিম দিন। কালি এটা উইকেট হেৰুৱাই 94 ৰাণ কৰা নলবাৰীয়ে আজি তিনিটা উইকেট হেৰুৱাই 195 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু অগ্ৰগতি লাভ কৰি খিতাপ জয় নিশ্চিত কৰে। উল্লেখ্য যে বৰষুণৰ বাবে আজি চাহ বিৰতিৰ পাছতহে খেল আৰম্ভ হয়। নলবাৰীৰ হৈ শতক অৰ্জন কৰে নিহাৰ ডেকাই (109]¼ স্মৰ্তব্য যে মেচৰ প্ৰথমদিনা টছত জয়ী হৈ পোনতে বেটিং কৰা শিলচৰে 190 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। দলৰ হৈ ৰ'ছন ট'প্নই 56 ৰাণ কৰাৰ বিপৰীতে নলবাৰীৰ নিহাৰ ডেকাই পাঁচটা উইকেট লাভ কৰে। ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত নলবাৰীয়ে প্ৰথম ইনিংছ আৰম্ভ কৰি এটা উইকেট হেৰুৱাই 94 ৰাণ কৰিছিল। দলৰ হৈ নিহাৰ ডেকাই 58 ৰাণত বেটিং কৰি আছিল। উল্লেখ্য যে জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেটত অপৰাজেয় হৈ নলবাৰীয়ে প্ৰতিযোগিতাত প্ৰথমটো দলৰূপে ফাইনেলত প্ৰৱেশ কৰিছিল। ফাইনেল ৰাউণ্ডত গ্ৰুপ 'বি'ৰ দুয়োখন মেচতে জয়লাভ কৰিছিল নলবাৰীয়ে। দ্বিতীয় মেচখনত নলবাৰীয়ে তিনিচুকীয়াৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে জয়লাভ কৰে। আনহাতে, প্ৰথম মেচত নলবাৰীয়ে আঠ উইকেটত পৰাস্ত কৰিছিল গোলাঘাটক। ইফালে, ফাইনেল ৰাউণ্ডৰ অন্তিমখন মেচত শিলচৰে ধেমাজিৰ বিৰুদ্ধে প্ৰথম ইনিংছৰ অগ্ৰগতিৰে ফাইনেলত প্ৰৱেশ কৰে। আনহাতে, শিলচৰে প্ৰথম মেচত প্ৰথম ইনিংছৰ অগ্ৰগতিৰে জয় অৰ্জন কৰিছিল গুৱাহাটীৰ বিৰুদ্ধে।




# গুৱাহাটীৰ ৰোহন হাজৰিকা শ্ৰেষ্ঠ বেটছমেন, শ্ৰেষ্ঠ বলাৰৰ সন্মান শিলচৰৰ পৰীক্ষিত বণিকক

**গুৱাহাটী, ৩০ মাৰ্চ ঃ** গুৱাহাটীৰ ৰোহন হাজৰিকাই 19 বছৰ অনূৰ্ধ জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত শ্ৰেষ্ঠ বেটছমেনৰ সন্মান লাভ কৰাৰ বিপৰীতে শ্ৰেষ্ঠ বলাৰৰ সন্মান লাভ কৰিছে শিলচৰৰ পৰীক্ষিত বণিকে। ইফালে, নলবাৰীৰ মিৰ্জা ৰিজবি গালিব শ্ৰেষ্ঠ উইকেটৰক্ষক নিৰ্বাচিত হয়। উল্লেখ্য যে গুৱাহাটীৰ ৰোহন হাজৰিকাই জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডৰ মেচত ক্ৰমাগত দুটা শতক অৰ্জন কৰিছিল। কিন্তু ৰোহণৰ শতকৰ পাছতো ক্ৰমাগত দ্বিতীয় মেচত ব্যৰ্থতাৰ সন্মুখীন হৈ খিতাপৰ দৌৰৰ পৰা আঁতৰি যায় গুৱাহাটী। মেচখনত দলৰ হৈ ৰোহন হাজৰিকাই 151 ৰাণ কৰে। ইফালে, গুৱাহাটী পুনৰ ব্যৰ্থ হয় শিলচৰৰ বিৰুদ্ধে। গোলাঘাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দুদিনীয়া মেচখনৰ প্ৰথমদিনা টছত জয়ী হৈ পোনতে বেটিং কৰা শিলচৰে আঠ উইকেটত 400 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰে। প্ৰত্যুত্তৰত আজি গুৱাহাটীয়ে 248 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ ৰোহন হাজৰিকাই (100] শতক অৰ্জন কৰে।



## নিশ্চিত কৰিলে শৃংখলা দখল

# দ্বিতীয় টি-২০ মেচতো বাংলাদেশৰ বিৰুদ্ধে নিউজিলেণ্ডৰ জয়লাভ



**নেপিয়েৰ, ৩০ মাৰ্চ ঃ** নিউজিলেণ্ডে বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো জয় কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে আজি দ্বিতীয়খন মেচতো নিউজিলেণ্ডে জয়লাভ কৰিছে। বৰষুণে বাধা দিয়া মেচখনত নিউজিলেণ্ডে 28 ৰাণত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে 17.5 অভাৰত পাঁচ উইকেট হেৰুৱাই 173 ৰাণ কৰে। তাৰপাছত আৰম্ভ হয় বৰষুণ। পুনৰ খেল আৰম্ভ হোৱাত বাংলাদেশক 16 অভাৰত উক্ত ৰাণ বিজয়লক্ষ্য দিয়া হয়। কিন্তু দলে সাত উইকেটত 142 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে হেমিল্টনত অনুষ্ঠিত হোৱা প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডে 66 ৰাণত পৰাস্ত কৰিছিল বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে তিনি উইকেটত 210 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে আঠ উইকেটত 144 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। আজিৰ জয়ৰে নিউজিলেণ্ডে শৃংখলাত 2-0 ৰ অগ্ৰগতি লৈছে। উল্লেখ্য যে ইয়াৰপূৰ্বে বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো নিউজিলেণ্ডে 3-0 ব্যৱধানৰে দখল কৰিছিল। শৃংখলাৰ অন্তিমখন মেচতো নিউজিলেণ্ডে 164 ৰাণত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেট হেৰুৱাই 318 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে কঠিন বিজয়লক্ষ্য অনুসৰণ কৰি 42.4 অভাৰত 154 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে দ্বিতীয়খন মেচত নিউজিলেণ্ডে পাঁচ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে ছয় উইকেটত সংগ্ৰহ কৰে 271 ৰাণ। প্ৰত্যুত্তৰত নিউজিলেণ্ডে 48.2 অভাৰত পাঁচ উইকেট হেৰুৱাই 275 ৰাণ কৰি জয়লাভ অৰ্জন কৰে। ইফালে, নিউজিলেণ্ডে প্ৰথমখন এদিনীয়া মেচত বাংলাদেশৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে 41.5 অভাৰতে 131 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, নিউজিলেণ্ডে 21.2 অভাৰতে দুই উইকেট হেৰুৱাই 132 ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়।



## যোগ দিলে মুম্বাই ইণ্ডিয়ানছৰ শিবিৰত

# বিবাহৰ পাছত খেলপথাৰলৈ প্ৰত্যাবৰ্তন পেচাৰ বুমৰাহৰ

**মুম্বাই, ৩০ মাৰ্চ ঃ** যুগ্ম জীৱন আৰম্ভ কৰাৰ পাছত পুনৰ ক্ৰিকেট খেলপথাৰলৈ উভতি আহিছে টীম ইণ্ডিয়াৰ পেচ বলাৰ যশপ্ৰীত বুমৰাহ। উল্লেখ্য যে আসন্ন আই পি এলৰ বাবে মুম্বাই ইণ্ডিয়ানছৰ শিবিৰত যোগ দিছে পেচাৰ বুমৰাহে। দুসপ্তাহ পূৰ্বে ভাৰতীয় ক্ৰিকেট দলৰ সদস্য যশপ্ৰীত বুমৰাহে জীৱনৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰিছে। গোৱাত সম্পন্ন হয় যশপ্ৰীত বুমৰাহৰ বিবাহ। উল্লেখ্য যে মডেল তথা সম্প্ৰতি ক্ৰীড়া পৰ্যালোচক সঞ্জনা গনেশনৰ স'তে জীৱনৰ দ্বিতীয় ইনিংছ আৰম্ভ কৰিছে ভাৰতীয় ক্ৰিকেট দলৰ সদস্য যশপ্ৰীত বুমৰাহে। সঞ্জনা গনেশন আছিল 2014 ৰ মিছ ইণ্ডিয়াৰ ফাইনেলিষ্ট। উল্লেখ্য যে বিগত কিছুদিন ধৰি যশপ্ৰীত বুমৰাহৰ বিবাহৰ বাতৰিয়ে ছ'ছিয়েল মিডিয়াত চৰ্চা লাভ কৰিছিল। ভাৰত আৰু ইংলণ্ডৰ মাজৰ সদ্য সমাপ্ত চাৰিখনীয়া টেষ্ট শৃংখলাৰ অন্তিম মেচত খেলা নাছিল ভাৰতীয় ক্ৰিকেট দলৰ মূখ্য পেচাৰ যশপ্ৰীত বুমৰাহে। ব্যক্তিগত কাৰণত পেচ বলাৰ যশপ্ৰীত বুমৰাহে চাৰিখনীয়া টেষ্ট শৃংখলাৰ অন্তিম মেচত দলৰ পৰা আঁতৰি গৈছিল বুলি জনাইছিল ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। বুমৰাহে ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টি-20 ক্ৰিকেট শৃংখলাটো খেলা নাই। সেই বিষয় লৈয়ে পেচাৰজনৰ বিবাহৰ খবৰ চৰ্চা হয় আৰু আজি পাছত সত্য ৰূপে প্ৰমানো হয়।

## ইৰফানৰ শৰীৰতো ভাইৰাচ ঃ চতুৰ্থ ভাৰতীয় ক্ৰিকেটাৰ

# ৰ'ড ছেফটি বিশ্ব ছিৰিজ ক্ৰিকেটত কৰ'নাৰ ভয়াবহ সংক্ৰমণ

**নতুন দিল্লী, ৩০ মাৰ্চ ঃ** চত্তিছগড়ত অনুষ্ঠিত আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাত ইণ্ডিয়া লিজেণ্ড দলৰ হৈ অংশ লোৱা আৰু এগৰাকী ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হৈছে। ভাৰতীয় ক্ৰিকেটাৰগৰাকী হ'ল ইৰফান পাঠান। উল্লেখ্য যে পাঠান হ'ল ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাত অংশ লৈ কৰ'নাত আক্ৰান্ত হোৱা চতুৰ্থ ক্ৰিকেটাৰ। ইয়াৰপূৰ্বে শচীন তেণ্ডুলকাৰ, ইৰফানৰ ভাতৃ ইউছুফ পাঠান আৰু বদ্ৰীনাথ কৰ'নাত আক্ৰান্ত হৈছি। প্ৰথমে মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰ কৰ'নাত আক্ৰান্ত হয়। নিজে এই কথা জনাই শচীনে। উল্লেখ্য যে চত্তিছগড়ত অনুষ্ঠিত আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাত অংশ লৈছিল শচীনসহ ইৰফান, ইউছুফ আৰু বদ্ৰীনাথে। শচীনৰ নেতৃত্বত খেলি ইণ্ডিয়া লিজেণ্ডে প্ৰথম আনএকাডেমী ৰ'ড ছেফটি বিশ্ব ছিৰিজ টি-20 ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন হৈছে। ৰায়পুৰৰ বীৰ নাৰায়ণ সিং আন্তৰ্জাতিক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেল মেচত ইণ্ডিয়া লিজেণ্ডে 14 ৰাণত পৰাস্ত কৰে শ্ৰীলংকা লিজেণ্ডক। উল্লেখ্য যে ভাৰতে দিয়া 182 ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি শ্ৰীলংকাই নিৰ্ধাৰিত অভাৰত সাত উইকেট হেৰুৱাই 167 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।



# শ্ৰীলংকাৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত ৱেষ্টইণ্ডিজৰ দৃঢ় আৰম্ভণি



**এণ্টিগুৱা, ৩০ মাৰ্চ ঃ** শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ চলিত দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচ এণ্টিগুৱাত আৰম্ভ হৈছে। পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত অন্তিম খবৰ অনুসৰি সাত উইকেটত 307 ৰাণ কৰিছে। দলৰ হৈ অপেনাৰ ক্ৰেইগ ব্ৰেথৱেইটে (102] শতক অৰ্জন কৰে। উল্লেখ্য যে দ্বিতীয় টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা কোন দলে দখল কৰে। কাৰণ উভয় দলৰ প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হৈছে। উল্লেখ্য যে প্ৰথম টেষ্টত শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ সন্মুখত 375 ৰাণৰ বিজয়লক্ষ্য দিছিল। কিন্তু অন্তিমদিনা ৱেষ্ট ইণ্ডিজে চাৰি উইকেটত 236 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। কেৰিবিয়ান দলৰ হৈ অপৰাজিত শতক অৰ্জন কৰে বাৰ্ণাৰে (113]¼ তেওঁ মেচৰ শ্ৰেষ্ঠ হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 102 ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। টেষ্টখনত পোনতে বেটিং কৰা সিংহলী বাহিনীয়ে 169 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত কেৰিবিয়ান বাহিনীয়ে 271 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। কিন্তু দ্বিতীয় ইনিংছত শক্তিশালী প্ৰত্যাৱৰ্তন কৰে শ্ৰীলংকাই। সিংহলী বাহিনীয়ে 476 ৰাণ কৰি পৰাজয় ৰক্ষাৰ লগতে দৃঢ় স্থিতিত উপনীত হয়। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানত জয় কৰিছিল। আনহাতে, ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোও 2-1 ত দখল কৰিছিল।

# ভাৰতীয় মহিলা দলৰ সদস্যা হৰমনপ্ৰিতৰ কৰ'না



**নতুন দিল্লী, ৩০ মাৰ্চ ঃ** ভাৰতীয় মহিলা দলৰ সদস্যা হৰমনপ্ৰিত কৌড়ৰ কৰ'না হৈছে। উল্লেখ্য যে আঘাতৰ বাবে হৰমনপ্ৰিতে দক্ষিণ আফ্ৰিকা মহিলা ক্ৰিকেট দলৰ বিৰুদ্ধে খেলা নাছিল টি-20 শৃংখলা। ঘৰতে থকা হৰমনপ্ৰিতৰ কৰ'না ধৰা পৰে চিকিৎসালয়ত। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা মহিলা ক্ৰিকেট দলে ভাৰতৰ বিৰুদ্ধে খেলা পাঁচখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাটো 4-1 ত দখল কৰাৰ পাছত টি-20 শৃংখলাটোও 2-1 ত দখল কৰিছে। তিনিখনীয়া টি-20 শৃংখলাৰ অন্তিম মেচত ভাৰত জয়ী হয় যদিও প্ৰথম দুখন মেচত জয়ী হৈ দক্ষিণ আফ্ৰিকাই শৃংখলা লাভ কৰে। তিনিখনীয়া টি-20 শৃংখলাত হৰপ্ৰিতৰ অভাব অনুভৱ কৰে ভাৰতীয় মহিলা দলে। এদিনীয়া শৃংখলাতো দমনীয় প্ৰদৰ্শন কৰে দক্ষিণ আফ্ৰিকা মহিলা ক্ৰিকেট দলে।

অসম চৰকাৰ

# ৪৫ বছৰৰ ওপৰৰ সকলো ব্যক্তিয়ে ক'ভিডৰ টীকাকৰণ গ্ৰহণ কৰিব পাৰিব ১ এপ্ৰিল, ২০২১ৰ পৰা

## ক'ভিডৰ টীকাকৰণৰ দ্বাৰা ব্যক্তি আৰু সমাজৰ প্ৰতিৰোধ শক্তিৰ বৰ্দ্ধিতকৰণ

ক'ভিড প্ৰতিষেধক গ্ৰহণ কৰক আৰু নিজৰ লগতে আপোনজনক দিয়ক সুস্বাস্থ্য আৰু সুৰক্ষাৰ প্ৰতিশ্ৰুতি

ক'ভিশ্বীল্ড প্ৰতিষেধকৰ দুই পালিৰ মাজত থকা সময়ৰ ব্যৱধান বৰ্তমানৰ ৪ৰ পৰা ৬ সপ্তাহৰ পৰিৱৰ্তে **৬ৰ পৰা ৮** সপ্তাহলৈ বৃদ্ধি কৰা হৈছে, কিন্তু এই ব্যৱধান ৮ সপ্তাহৰ অধিক হ'ব নোৱাৰিব।

### হিতাধিকাৰীসকল

- ৬০ বছৰ বা ওপৰৰ সকলো নাগৰিক।
- ১ জানুৱাৰী, ২০২২লৈকে ৪৫ বছৰ আৰু তাতকৈ ঊৰ্ধ্ব সকলো ব্যক্তি।
- ১৯৭৭ চনৰ ১ জানুৱাৰীৰ পূৰ্বে জন্মগ্ৰহণ কৰা লোকসকলক এই শ্ৰেণীত গণ্য কৰা হ'ব।
- আনুষংগিক ৰোগসমূহৰ দফাটো অপসাৰণ কৰা হৈছে। ৪৫ বছৰৰ ওপৰৰ সকলো লোকেই এতিয়া প্ৰতিষেধক ল'ব পাৰে।
- বাকী থকা স্বাস্থ্যকৰ্মী আৰু আগশাৰীৰ কৰ্মীসকল।

### ক'ত পঞ্জীয়ন কৰিব?

- পঞ্জীয়ন আৰু আগতীয়া এপইণ্টমেণ্টৰ বাবে ২০২১ চনৰ ১ এপ্ৰিলৰ পৰা ক'ৱিন ব্যৱস্থা মুকলি কৰা হ'ব।
- যোগ্য হিতাধিকাৰীসকলে ফটো পৰিচয় পত্ৰৰ সৈতে পোনপটীয়াকৈ নিকটৱৰ্তী টীকাকৰণ কেন্দ্ৰলৈ গৈ পঞ্জীয়ন কৰিব পাৰিব।
- যোগ্য হিতাধিকাৰীসকলে ক'ৱিন প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব। ৱেবছাইটৰ লিংক হৈছে : **www.cowin.gov.in**
- যোগ্য হিতাধিকাৰীসকলে ক'ৱিন বা আৰোগ্য সেতু এপৰ দ্বাৰাও পঞ্জীয়ন কৰিব পাৰিব।

**সকলো চৰকাৰী চিকিৎসালয় আৰু স্বাস্থ্যকেন্দ্ৰত বিনামূলীয়াকৈ তথা ব্যক্তিগত চিকিৎসালয়সমূহত অধিকতম ২৫০ টকাৰ বাবদ প্ৰতিষেধক প্ৰদান কৰা হৈ আছে।**




### বিনামূলীয়া ক'ভিড টীকাকৰণ কেন্দ্ৰসমূহ :

- চিকিৎসা মহাবিদ্যালয়সমূহ
- জিলা চিকিৎসালয়
- মহকুমা চিকিৎসালয়/ এফ আৰ ইউ
- সামূহিক চিকিৎসা কেন্দ্ৰ
- আদৰ্শ চিকিৎসালয়
- প্ৰাথমিক চিকিৎসা কেন্দ্ৰ
- স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ

### টীকাকৰণৰ পিছতো নিম্নোক্ত ক'ভিড সংক্ৰান্তীয় নীতি নিয়ম মানি চলক :

- সকলো সময়তে মাস্ক পৰিধান কৰক
- সঘনায় চাবোন আৰু পানীৰে হাত দুখন পৰিস্কাৰকৈ ধোৱক
- ২ গজৰ শাৰীৰিক দূৰত্ব মানি চলক
- ছেনিটাইজাৰ ব্যৱহাৰ কৰক



টোকা : ব্যক্তিগত হস্পিতালত টীকাকৰণ কৰালে টীকাকৰণৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰাটো বাধ্যতামূলক (হাৰ্ড কপি, ডিজিটেল বা লিংক)

ফটো পৰিচয় পত্ৰৰ প্ৰকাৰ : তলৰ যিকোনো এবিধ- আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, পাচপ'ৰ্ট, পান কাৰ্ড, ভোটাৰ আই ডি কাৰ্ড/নিৰ্বাচনী ফটো পৰিচয় পত্ৰ, সংস্থাপন কাৰ্ড

#### বৰপেটা
- এন আই আৰ চি এণ্ড হস্পিতাল
- অংকুৰম হস্পিতাল

#### বিশ্বনাথ
- কেথলিক হস্পিতাল

#### বঙাইগাঁও
- ল'ৰাৰ আছাম হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ

#### কাছাৰ
- কাছাৰ কেন্সাৰ হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ

#### ডিব্ৰুগড়
- মাৰোৱাৰী আৰোগ্য ভৱন হস্পিতাল
- জে.জে মেম'ৰিয়েল ডায়েগ্ন'ষ্টিকছ এণ্ড হস্পিতাল প্ৰাইভেট লিমিটেড
- আদিত্য ডায়েগ্ন'ষ্টিক এণ্ড হস্পিতাল

#### ডিমা হাচাও
- হলি স্পিৰিট হস্পিতাল

#### গোলাঘাট
- বিবেকানন্দ কেন্দ্ৰ এন আৰ এল হস্পিতাল
- দেৰগাওঁ নাৰ্চিং হোম এণ্ড ডায়েগ্ন'ষ্টিক ৰিচাৰ্চ চেণ্টাৰ

#### মৰিগাঁও
- শুশ্ৰষা লাইফ কেয়াৰ পলিক্লিনিক

#### হাইলাকান্দি
- ছিফা হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ
- নোবেল হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ

#### হোজাই
- এইচ এ এম এম হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ

#### যোৰহাট
- যোৰহাট খ্ৰিষ্টিয়ান মেডিকেল চেণ্টাৰ
- চন্দ্ৰপ্ৰভা আই হস্পিতাল
- বৰুৱা চাৰ্জিকেল চেণ্টাৰ
- সঞ্জীৱনী হস্পিতাল
- নিৰাময় হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ

#### নলবাৰী
- নলবাৰী মাল্টিস্পেচিয়েলিটি হস্পিতাল

#### কোকৰাঝাৰ
- এম.আৰ.এম মেম'ৰিয়েল হস্পিতাল

#### লখিমপুৰ
- মিড টাউন হস্পিতাল এণ্ড ৰিচাৰ্চ ইন্সটিটিউট
- ড০ দাস হস্পিতাল এণ্ড ডায়েগ্ন'ষ্টিক চেণ্টাৰ

#### শোণিতপুৰ
- বি জে হস্পিতাল
- ব্যাপ্টিষ্ট খ্ৰিষ্টিয়ান হস্পিতাল
- টাইমছ হস্পিতাল

#### কামৰূপ মেট্ৰ'
- ৰহমান হস্পিতাল প্ৰাইভেট লিমিটেড
- আকাংক্ষা হস্পিতাল প্ৰাইভেট লিমিটেড
- এপ'ল' হস্পিতাল • আৰ্য্য হস্পিতাল
- আয়ুৰসুন্দ্ৰা চুপাৰস্পেচিয়েলিটি হস্পিতাল
- চেণ্ট্ৰেল নাৰ্চিং হোম • ক্ৰিটিকেল কেয়াৰ হস্পিতাল এণ্ড ৰিচাৰ্চ ইন্সটিটিউট
- দিছপুৰ হস্পিতাল প্ৰাইভেট লিমিটেড
- দিছপুৰ পলিক্লিনিক হস্পিতাল
- ডাউন টাউন হস্পিতাল
- এক্সেলকেয়াৰ হস্পিতাল
- গেট হস্পিতাল • জি এন আৰ চি দিছপুৰ
- জি এন আৰ চি হস্পিতাল ছয়মাইল
- হেল্‌থ চিটী হস্পিতাল
- কে জি এম টি মাল্টিস্পেচিয়েলিটি হস্পিতাল
- গুৱাহাটী মেট্ৰ' হস্পিতাল
- হায়াট হস্পিতাল
- কুমাৰ নাৰ্চিং হোম
- মাৰোৱাৰী হস্পিতাল
- মেডিকেয়াৰ ডায়েগ্ন'ষ্টিক হস্পিতাল
- নেমকেয়াৰ হস্পিতাল
- ছেইণ্ট জনচ হস্পিতাল
- শ্ৰী শংকৰদেৱ নেত্ৰালয়
- এজাইল হস্পিতাল প্ৰাইভেট লিমিটেড স্বাগত চুপাৰস্পেচিয়েলিটি চাৰ্জিকেল
- ইন্সটিটিউট
- উইনট্ৰৱ হস্পিতাল
- ইষ্ট এণ্ড নাৰ্চিং হোম
- প্ৰতীক্ষা হস্পিতাল
- চান ভেলী হস্পিতাল
- নৰ্থ ইষ্ট কেন্সাৰ হস্পিতাল এণ্ড
- ৰিচাৰ্চ ইন্সটিটিউট
- মিডলেণ্ড নাৰ্চিং হোম
- ড০ বি এ শইকীয়া মে'মৰিয়েল নাৰ্চিং হোম

#### কামৰূপ মেট্ৰ'
- চাত্ৰিবাৰী মিছন হস্পিতাল
- অৰুণা মেম'ৰিয়েল
- ড০ কালিচৰণ দাস নাৰ্চিং হোম এণ্ড পলিক্লিনিক
- বৰঠাকুৰ ক্লিনিক
- ই.জি নাৰ্চিং হোম
- নাইটিংগেল হস্পিতাল
- গুৱাহাটী লায়ন্স আই হস্পিতাল
- আল্‌ট্ৰাকেয়াৰ ডায়েগ্ন'ষ্টিক

#### কামৰূপ গ্ৰাম্য
- নাৰায়ণা চুপাৰস্পেচিয়েলিটি হস্পিতাল
- জি এন আৰ চি ইন্সটিটিউট অৱ মেডিকেল ছায়েন্সেছ, আমিনগাঁও

#### নগাঁও
- ডিউ কেয়াৰ হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ
- পি এণ্ড কে মেম'ৰিয়েল নাৰ্চিং হোম

#### তিনিচুকীয়া
- আৰ.চি আগৰৱাল মেম'ৰিয়েল হস্পিতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰ
- ড০ বৰা নাৰ্চিং এণ্ড মেটানিটি হোম
- চেইণ্ট লিউকচ হস্পিতাল
- এম এল আগৰৱাল মেম'ৰিয়েল

#### শিৱসাগৰ
- স্বৰ্গদেউ ছ্য-কা-ফা মাল্টিস্পেচিয়েলিটি হস্পিতাল
- কনকলতা মেম'ৰিয়েল হস্পিতাল

সময় : নাগৰিকসকলে পুৱা ৯.৩০ বজাৰ পৰা আবেলি ৪ বজাৰ ভিতৰত ক'ভিড টীকাকৰণ কেন্দ্ৰ (CVC)লৈ গৈ টীকা গ্ৰহণ কৰিব পাৰিব

unicef JSI World Health Organization UNDP